UG S3-06
(IDC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি.বি.চি.এচ; এন. ই. পি ২০২০ অনুসৰি)

তৃতীয ষাণ্মাসিক

ভাৰতীয় দর্শনৰ প্রয়োজনীয়তা



সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক(অবসাৰপ্ৰাপ্ত) শিৱনাথ শর্মা, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

অধ্যাপক সৌৰভপ্ৰাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

শ্ৰীপ্ৰদীপ খাটনিয়াৰ, সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন কলেজ

সমন্বয়ৰক্ষী

ড° ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ড° তেজসা কলিতা, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	প্ৰস্তুতি গোটৰ সদস্য	ভাষান্তৰকাৰী
১	অধ্যাপক, (অবসাৰপ্ৰাপ্ত) শিৱনাথ শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়	মাইনু দেৰী বৰুৱা
২	সীমা বৰুৱা, প্ৰাগজ্যোতিষ মহাবিদ্যালয়	মাইনু দেৰী বৰুৱা
৩	ড° ৰূপজ্যোতি দত্ত	ড° ৰূপজ্যোতি দত্ত
৪	ড° ভাস্কৰ ভট্টাচার্য্য	ড°নমিতা দাস
৫.৮.৯	ড° ভাস্কৰ ভট্টাচার্য্য	মাইনু দেৰী বৰুৱা
৬	ভূপেশ ভাগৱতী, গোৱেশ্বৰ কলেজ	ভূপেশ ভাগৱতী
৭	ড° সুচৰিতা ডে, বি বৰুৱা কলেজ	মাইনু দেৰী বৰুৱা
১০,১১	ড° নিলীমা গোস্বামী, আর্যবিদ্যাপিঠ কলেজ (অৱসৰপ্ৰাপ্ত)	ড° নিলীমা গোস্বামী,

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড°অঞ্জনা নেওগ (অবসাৰপ্ৰাপ্ত),প্ৰাগজ্যোতিষ মহাবিদ্যালয়,
ড° নীলিমা গোস্বামী(অবসাৰপ্ৰাপ্ত), আর্য্যবিদ্যাপীঠ কলেজ,
ড° যুথিকা দাস(অবসাৰপ্ৰাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়,

ভাষা সম্পাদনা ঃ ড° ৰেখাৰাণী দেৰী, গুৱাহাটী বিশ্ববিদ্যালয়,

গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়,
ড° তেজসা কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় ।

প্ৰকাশ ঃ আগষ্ট' ২০২৪

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্ৰন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্ৰণ বা ইয়াৰ যিকোনো অংশ প্ৰতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্ৰকাশ, প্ৰেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পাঠ্যগাঁথনীয়ে ৰাজীদলে মুদ্রিত ও প্রকাশিত।

পাঠ্য বিষয়ৰ পৰিচয়

এই পাঠ্য বিষয়টিয়ে আপোনাক ভাৰতীয় দৰ্শনৰ সৈতে পৰিচয় কৰাই দিব। ভাৰতীয় দৰ্শনে বিভিন্ন সম্প্রদায়ৰ মাধ্যমেদি কেনেকৈ পৰম সত্তাক উপলব্ধি কৰিব পাৰি সেই বিষয়ে আমাক সবিশেষ তথ্য দাঙি ধৰে। সেয়ে, ভাৰতীয় দৰ্শনক মূলতঃ আধ্যাত্মিক বুলি জনা যায়। ভাৰতীয় দৰ্শনে আপোনাক দৰ্শনৰ দুটা প্রধান শাখা (সম্প্রদায়) নাস্তিক আৰু আস্তিক দৰ্শনৰ লগত পৰিচিত কৰাব। নাস্তিক সম্প্রদায়ত আপোনালোকে চার্বাক, জৈন আৰু বৌদ্ধ দৰ্শনৰ বিষয়ে জানিব পাৰিব আৰু আস্তিক শাখাত আপোনালোকে ক্রমে ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা আৰু বেদান্ত দৰ্শনৰ বিষয়ে জানিব পাৰিব।

আস্তিক সম্প্রদায় বুলি ক'লে বেদৰ কর্তৃত্বক স্বীকাৰ কৰাটোকে বুজায়। আনহাতে নাস্তিক সম্প্রদায় বুলি ক'লে বেদৰ কর্তৃত্বক স্বীকাৰ নকৰাটোকে বুজায়। গতিকে আস্তিক আৰু নাস্তিক সম্প্রদায় ভগৱান বা ঈশ্বৰ বিশ্বাসৰ ভিত্তিত গঢ়ি উঠা নাই। সেয়েহে চমুকৈ ক'ব পাৰি যে ভাৰতীয় দাশনিক সম্প্রদায়সমূহে পৰম সত্তাক মানৱ জীৱনত উপলব্ধি কৰাৰ বাবে বিভিন্ন পথৰ সন্ধান দিছে। ভাৰতীয় দৰ্শন সম্পর্কে জনাৰ সুবিধার্থে এই পাঠ্য বিষয়টিত আস্তিক আৰু নাস্তিক সম্প্রদায়সমূহ সন্নিবিষ্ট কৰা হৈছে। ইয়াত ছয়টা অধ্যায় সন্নিবিষ্ট কৰা হৈছে।

প্রথম আধ্যায়টো হ'ল 'ভাৰতীয় দৰ্শনৰ প্রকৃতি আৰু পৰিসৰ'। এই আধ্যায়ত সন্নিবিষ্ট বিষয়সমূহ হ'লঃ ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্রকৃতি আৰু পৰিসৰ।

দ্বিতীয় অধ্যায়টো হ'ল **'চার্বাক জ্ঞানমীমাংসা বা জ্ঞানবিদ্যা'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমূহ হ'লঃ** আকস্মিকতাবাদ আৰু প্রকৃতিবাদ, অনুমানৰ অগ্রাহ্যকৰণ, আৰু বেদৰ প্রামাণ্যতা অগ্রাহ্যকৰণ।

তৃতীয় অধ্যায় হ'ল **'বৌদ্ধ দৰ্শন ঃ চাৰিটা আর্যসত্য'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** বুদ্ধ দৰ্শনৰ সংক্ষিপ্ত বিৱৰণ, চাৰিটা আর্যসত্যৰ ধাৰণা, দুখ আছে, দুখৰ কাৰণ আছে, প্রতীত্যসমূৎপাদবাদ, দুখৰ নিবৃত্তি আছে, নির্বাণৰ ধাৰণা, আৰু দুখ নিবৃত্তিৰ উপায়।

চতুর্থ অধ্যায় হ'ল **'জৈন দৰ্শন ঃ স্যাৎবাদ সম্পর্কীয় মতবাদ'** । এই অধ্যায়ত থকা বিষয় সমুহ হ'ল- জৈন দৰ্শনৰ চমু পৰিচয়, জৈন দৰ্শনৰ জ্ঞানবিজ্ঞান, জৈন দৰ্শনৰ অধিবিদ্যা, স্যাৎবাদ বা ''সপ্তভংগী নয়'', আৰু স্যাৎবাদৰ সমালোচনা।

পঞ্চম অধ্যায় হ'ল **'ন্যায় ঃ প্রমাৰ ধাৰণা'।** এই অধ্যায়ত অর্ন্তভুক্ত বিষয় সমুহ হ'ল- প্রমাৰ সংজ্ঞা, ন্যায় ঃ জ্ঞানৰ উৎসসমূহ, প্রত্যক্ষ, অনুমান, উপমান, আৰু শব্দ বা আপ্তবাক্য।

ষষ্ঠ অধ্যায় হ'ল **বৈশেষিক দৰ্শন ঃ পদার্থ, গুণ, সামান্য। এই আধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** বৈশেষিক দৰ্শনৰ জ্ঞান তত্ত্ব , যথার্থ জ্ঞান, অযথার্থ জ্ঞান, পদার্থৰ প্রকাৰসমূহ, দ্রব্য কি? গুণ কি? কর্ম কি? সামান্য কি? বিশেষ কি? সমবায় কি? অভাৱ কি?

সপ্তম অধ্যায় হ'ল **সাংখ্যৰ প্রকৃতি আৰু পুৰুষৰ ধাৰণা। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** প্রকৃতিৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহ, প্রকৃতিৰ অস্তিত্ব প্রমাণ, প্রকৃতি আৰু ইয়াৰ গুণসমূহ, ক্রমবিকাশ, প্রকৃতিৰ বিভিন্ন পৰিণাম বা ফল, উদ্দেশ্যমূলক ক্রমবিকাশ,ক্রমবিকাশ তত্বৰ সমালোচনা, পুৰুষৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহ, পুৰুষৰ অস্তিত্বৰ প্রমাণ, পুৰুষৰ বহুত্ব ।

অষ্টম অধ্যায়টো হ'লঃ**যোগ দৰ্শন ঃ যোগৰ ধাৰণা আৰু অষ্টাংঙ্গিক মার্গ। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ**

যোগ সম্পর্কে থকা ধাৰণা, চিত্ত আৰু চিত্তবৃত্তি, পঞ্চক্লেশ, যোগ নৈতিকতা, চিত্তভূমি, সমাধি, যোগাংগ বা অষ্টাংঙ্গিক মার্গ, যোগত ঈশ্বৰৰ স্থান, জীৱৰ মুক্তি অৱস্থা।

নৱম অধ্যায় হ'ল ঃ**মীমাংসা ঃ জ্ঞানৰ অর্ন্তনিহিত বৈধতা এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** বৈধ জ্ঞানৰ স্বৰূপ, মীমাংসা দৰ্শনৰ স্বতঃ প্রামাণ্যবাদৰ তত্ব, ন্যায় দৰ্শনৰ পৰতঃ প্রামাণ্যবাদৰ তত্ব, পৰতঃ প্রামাণ্যবাদ আৰু স্বতঃপ্রামাণ্যবাদ ঃ এক তুলনা।

দশম অধ্যায় হ'ল ঃ**শঙ্কৰাচার্য বেদান্ত ঃ ব্রহ্ম আৰু মায়া। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** অদ্বৈত বেদান্ত, ব্রহ্ম সম্পর্কীয় ধাৰণা, ব্রহ্মৰ স্বৰূপ, (ক) ব্রহ্মৰ স্বৰূপ লক্ষণ, (খ) ব্রহ্মৰ তটস্থ লক্ষণ, ব্রহ্মৰ নেতি-নেতি ধাৰণা, মায়াৰ অর্থ, মায়া অভিজ্ঞতালব্ধ

একাদশ অধ্যায় হ'ল **ৰামানুজৰ বেদান্ত ঃ ঈশ্বৰ সম্পৰ্কে ধাৰণা। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** ৰামানুজৰ দৰ্শনত ঈশ্বৰৰ ধাৰণা, ঈশ্বৰৰ বৈশিষ্ট্য তাৎপৰ্য্য, ঈশ্বৰ গুণ বিশিষ্ট, ঈশ্বৰ ত্রিসত্বাত্মক, ঈশ্বৰৰ ভেদ আছে স্বগতঃ ভেদ, অপৃথকসিদ্ধি, ঈশ্বৰ জগতৰ সৃষ্টিকর্তা, ৰামানুজৰ দৰ্শন ঈশ্বৰবিশ্বাসী, ঈশ্বৰৰ পাঁচ অভিব্যাক্তি, অর্চা, বিভব, ব্যুহ, সুক্ষ্ম, অন্তর্যামী, আৰু ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আর্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ভাৰতীয় দর্শনৰ প্রকৃতি আৰু পৰিসৰ ৭-১৫
ভাৰতীয় দর্শনৰ স্বৰূপ বা প্রকৃতি আৰু পৰিসৰ।

অধ্যায় ২ ঃ চার্বাক জ্ঞানমীমাংসা বা জ্ঞানবিদ্যা ১৬-২৭
আকস্মিকতাবাদ আৰু প্রকৃতিবাদ, অনুমানৰ অগ্রাহ্যকৰণ,
আৰু বেদৰ প্রামাণ্যতা অগ্রাহ্যকৰণ।

অধ্যায় ৩ ঃ বৌদ্ধ দর্শন ঃ চাৰিটা আর্যসত্য ২৮-৩৯
বুদ্ধ দর্শনৰ সংক্ষিপ্ত বিৱৰণ, চাৰিটা আর্যসত্যৰ ধাৰণা, দুখ আছে,
দুখৰ কাৰণ আছে, প্রতীত্যসমুৎপাদবাদ, দুখৰ নিবৃত্তি আছে,
নির্বাণৰ ধাৰণা, দুখ নিবৃত্তিৰ উপায়।

অধ্যায় ৪ ঃ জৈন দর্শন ঃ স্যাৎবাদ সম্পর্কীয় মতবাদ ৪০-৪৯
জৈন দর্শনৰ চমু পৰিচয়, জৈন দর্শনৰ জ্ঞানবিজ্ঞান, জৈন দর্শনৰ অধিবিদ্যা,
স্যাৎবাদ বা "সপ্তভংগী নয়", স্যাৎবাদৰ সমালোচনা

অধ্যায় ৫ ঃ ন্যায় ঃ প্রমাৰ ধাৰণা প্রমাৰ সংজ্ঞা, ন্যায় ৫০-৬০
জ্ঞানৰ উৎসসমূহ, প্রত্যক্ষ, অনুমান, উপমান, শব্দ বা আপ্তবাক্য

অধ্যায় ৬ ঃ বৈশেষিক দর্শন ঃ পদার্থ, গুণ, সামান্য ৬১-৭৬
বৈশেষিক দর্শনৰ জ্ঞান তত্ত্ব , যথার্থ জ্ঞান, অযথার্থ জ্ঞান, পদার্থৰ প্রকাৰসমূহ,
দ্রব্য কি? গুণ কি? কর্ম কি? সামান্য কি? বিশেষ কি? সমবায় কি? অভাৱ কি?

অধ্যায় ৭ ঃ সাংখ্যৰ প্রকৃতি আৰু পুৰুষৰ ধাৰণা ৭৭-৯৫
প্রকৃতিৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহ, প্রকৃতিৰ অস্তিত্ব প্রমাণ, প্রকৃতি আৰু ইয়াৰ
গুণসমূহ, ক্রমবিকাশ, প্রকৃতিৰ বিভিন্ন পৰিণাম বা ফল, উদ্দেশ্যমূলক
ক্রমবিকাশ,ক্রমবিকাশ তত্বৰ সমালোচনা,পুৰুষৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহ,পুৰুষৰ
অস্তিত্বৰ প্রমাণ, পুৰুষৰ বহুত্ব ।

অধ্যায় ৮ ঃ যোগ দর্শন ঃ যোগৰ ধাৰণা আৰু অষ্টাংঙ্গিক মার্গ ৯৬-১১২
যোগ সম্পর্কে থকা ধাৰণা, চিত্ত আৰু চিত্তবৃত্তি, পঞ্চক্লেশ, যোগ নৈতিকতা,
চিত্তভূমি, সমাধি, যোগাংগ বা অষ্টাংঙ্গিক মার্গ, যোগত ঈশ্বৰৰ স্থান, জীৱৰ মুক্তি
অৱস্থা।

অধ্যায় ৯ ঃ মীমাংসা ঃ জ্ঞানৰ অর্ন্তনিহিত বৈধতা ১১৩-১২৪
বৈধ জ্ঞানৰ স্বৰূপ, মীমাংসা দর্শনৰ স্বতঃ প্রামাণ্যবাদৰ তত্ব, ন্যায় দর্শনৰ পৰতঃ
প্রামাণ্যবাদৰ তত্ব, পৰতঃ প্রামাণ্যবাদ আৰু স্বতঃপ্রামাণ্যবাদ ঃ এক তুলনা।

অধ্যায় ১০ ঃ শঙ্কৰাচার্য বেদান্ত ঃ ব্রহ্ম আৰু মায়া **১২৫-১৪৩**

অদ্বৈত বেদান্ত, ব্রহ্ম সম্পর্কীয় ধাৰণা, ব্রহ্মৰ স্বৰূপ, (ক) ব্রহ্মৰ স্বৰূপ লক্ষণ, (খ) ব্রহ্মৰ তটস্থ লক্ষণ, ব্রহ্মৰ নেতি-নেতি ধাৰণা, মায়াৰ অর্থ, মায়া অভিজ্ঞতালব্ধ বিষয়, মায়াৰ দুই কার্য, মায়াৰ বৈশিষ্ট্য।

অধ্যায় ১১ ঃ ৰামানুজৰ বেদান্ত ঃ ঈশ্বৰ সম্পর্কে ধাৰণা **১৪৪-১৫৩**

ৰামানুজৰ দর্শনত ঈশ্বৰৰ ধাৰণা, ঈশ্বৰৰ বৈশিষ্ট্য তাৎপর্য্য, ঈশ্বৰ গুণ বিশিষ্ট, ঈশ্বৰ ত্রিসত্বাত্মক, ঈশ্বৰৰ ভেদ আছে স্বগতঃ ভেদ, অপৃথকসিদ্ধি, ঈশ্বৰ জগতৰ সৃষ্টিকর্তা, ৰামানুজৰ দর্শন ঈশ্বৰবিশ্বাসী, ঈশ্বৰৰ পাঁচ অভিব্যাক্তি, অর্চা, বিভব, ব্যুহ, সুক্ষ্ম, অন্তর্যামী, ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন।

অধ্যায়- ১ ঃ ভাৰতীয় দৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰ

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি

১.৪ ভাৰতীয় দৰ্শনৰ পৰিসৰ

১.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্ৰগতিৰ খতিয়ান

১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়ন কৰি আপুনি -

- ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।
- ভাৰতীয় দৰ্শনৰ পৰিসৰ আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

দৰ্শন হৈছে এক চিন্তাৰ বিষয়। ই জগত আৰু আমাৰ জীৱনৰ বিষয়ে কেতবোৰ মৌলিক প্ৰশ্ন উত্থাপন কৰে। সৰল শব্দত দাৰ্শনিক হিচাপে দাৰ্শনিকসকলে যি কৰে সেয়ে দৰ্শন। যিহেতু দাৰ্শনিকসকলো বহু, সেয়ে দৰ্শনো বহু। সেয়ে দৰ্শনবোৰ এক ব্যাপক ভিন্নতা থকা দেখা যায়। দৰ্শনৰ পদ্ধতিগত দিশ আৰু পৰিণামগত দিশ দুয়োটায়ে আছে। পদ্ধতি হিচাপে সকলো দৰ্শন একত্ৰিত আৰু সেয়ে ইয়াক 'দৰ্শন' শব্দটো বহুবচনৰ ৰূপত ব্যৱহৃত হয়। কিন্তু অন্তিম ফল হিচাপে সেইসমূহ ব্যাপকভাৱে অনুৰূপ আৰু ভিন্ন।

ন-শিকাৰুসকল দৰ্শনত 'ভিন্নতা'ৰ দ্বাৰা বিবুদ্ধিত পৰাৰ প্ৰয়োজন নাই যে জড়বাদী দৰ্শনো আছে আৰু আধ্যাত্মিক দৰ্শনো আছে; বাস্তৱবাদী দৰ্শনো আছে আৰু ভাৱবাদী দৰ্শনো আছে; একেশ্বৰবাদী দৰ্শনো আছে আৰু বহু ঈশ্বৰবাদী দৰ্শনো আছে; অধিবিদ্যামূলক দৰ্শনো আছে আৰু অধিবিদ্যা বিৰোধী দৰ্শনো আছে, ইত্যাদি।

১.৩ ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি

দৰাচলতে, 'দৰ্শন' হৈছে আৰ্হি আৰু গাঁথনিৰ এক গোপন ঐক্যৰ দ্বাৰা চিহ্নিত বৌদ্ধিক

কৰ্মৰাজিৰ এক বিশাল ক্ষেত্ৰক দিয়া এক সাধাৰণ নাম। এই গাঁথনিয়ে ইয়াক এক পৰিচয়জ্ঞাপক নাম বা চিহ্ন প্ৰদান কৰিছে। নাম আৰু বিষয়বস্তুৰ ক্ষেত্ৰত কবিতা আৰু উপন্যাস পৃথক, কিন্তু সিহঁতৰ অপৰিহাৰ্য বিষয় বা সম্পৰ্কৰ দ্বাৰা দুয়ো ঐক্যবদ্ধ। সেয়া হ'ল দুয়োটায়ে কলাসম্বন্ধীয় কৰ্মৰাজি। সাহিত্যৰ ধাৰণাৰ লগত দুয়োৰে সামঞ্জস্য আছে। ঠিক একেদৰে, জ্ঞানবিদ্যা, অধিবিদ্যা নাইবা নীতিবিদ্যা ইয়াৰ নাম আৰু বিষয়বস্তুৰ সন্দৰ্ভত পৃথক, কিন্তু কেতবোৰ অভিজ্ঞতাৰ ব্যাখ্যাকৰণৰ বাবে সিহঁতৰ চিন্তাৰ বিষয়বোৰৰ দ্বাৰা এই সকলো ঐক্যবদ্ধ। সেয়াই হ'ল— দৰ্শন। "অভিজ্ঞতাৰ এক ব্যাখ্যা" হিচাপে ই আমাক দৰ্শনৰ এক মোটামুটি ধাৰণা পাবলৈও সক্ষম কৰি তোলে। ইয়াৰ ওপৰত বিতৰ্কবো সৃষ্টি হ'ব পাৰে, কিন্তু বৰ্তমান আমি ইয়াক গ্ৰহণ কৰিব পাৰো আৰু আগুৱাই যাব পাৰোঁ। মুঠতে, সকলো বৌদ্ধিক কৰ্মৰাজিয়েই অভিজ্ঞতাৰ ব্যাখ্যা। বিজ্ঞানত আমি অনু, পৰমাণু, কোষ, শিল, গছ ইত্যাদিৰ দৰে কিছুমান অভিজ্ঞতাক ব্যাখ্যা কৰোঁ। বাণিজ্যবিদ্যাত আমি উৎপাদন, বিতৰণ, লাভ আৰু লোকচান আদিক ব্যাখ্যা কৰোঁ। দৰ্শনত জ্ঞান, সত্যতা, শ্ৰেয়, সৌন্দৰ্য, পবিত্ৰতা, সুখ, আত্মা, ব্যক্তি ইত্যাদিৰ দৰে অভিজ্ঞতা আৰু ধাৰণাসমূহ ব্যাখ্যা কৰোঁ।

দৰ্শন হৈছে এটা জাতিৰ সংস্কৃতিৰ অংশ। মানৱ জাতিৰ কেতবোৰ মৌলিক অভিজ্ঞতাৰ বিষয়ে এক নিৰ্দিষ্ট সংস্কৃতিৰ লোকসকলে গভীৰভাৱে যি চিন্তা কৰে, সিয়েই তেওঁলোকৰ দৰ্শন। আমি যাক ভাৰতীয় দৰ্শন আখ্যা দিওঁ, সি হৈছে ভাৰতবৰ্ষত গঢ়ি উঠা এক দৰ্শন। ঠিক সেইদৰে আমি গ্ৰীক দৰ্শন, জাৰ্মান দৰ্শন, বৃটিছ দৰ্শন ইত্যাদি বিভিন্ন দৰ্শন দেখিবলৈ পাওঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰঃ১ ঃ দৰ্শনত বিচিত্ৰতাসমূহ কি কি?

.....

প্ৰঃ২ ঃ আন দেশৰ তিনি দৰ্শনৰ নাম উল্লেখ কৰক।

.....

১.৪ ভাৰতীয় দৰ্শনৰ পৰিসৰ

ভাৰতবৰ্ষৰ বুকুত দৰ্শনৰ এক দীঘলীয়া ইতিহাস আছে। ই বেদসমূহ সৃষ্টিৰ আগেয়ে আৰম্ভ হৈছিল। কিন্তু, মধ্যযুগ নাইবা বৰ্তমান যুগত আমি দেখাৰ দৰে ই সেই সময়ত ইমান সু-সংবদ্ধ আৰু পৰিষ্কাৰ নাছিল। ই প্ৰাকৃতিক। চাৰিওফালে ই একে। আনকি গ্ৰীক দৰ্শন আৰম্ভ হৈছিল বিশ্বজগতৰ মৌলিক বস্তু বা বিষয় সম্পৰ্কে সৰল প্ৰশ্ন উত্থাপনৰ দ্বাৰা। এনেধৰণৰ আটাইতকৈ পৌৰাণিক দৰ্শনে কয় যে "সকলো পানী।" ইয়াক আদিম বুলি জমা যায় যি সঁচাকৈয়ে আছিল। কিন্তু তেতিয়াৰ সময়খিনিক ধৰিলে, ই আছিল এক মহান বৌদ্ধিক সাহস। একেদৰে, ভাৰতীয় ঋষিসকলে জগতৰ জ্ঞানৰ সম্ভাৱনীয়তা সম্পৰ্কে প্ৰশ্নৰ উদ্ৰেক কৰিছিল আৰু কাৰোবাৰ মুঠতে অন্তিম জ্ঞান থাকিব পাৰেনে, সেই বিষয়ত তেওঁলোক নিশ্চিত আছিল। সেই সময়ছোৱাক ধৰিলে, ই আছিল এক মহান সাফল্য। ভাৰতবৰ্ষত এক সন্মানীয় মানৰ দৰ্শন উপনিষদীয়

কালছোৱাতে গঢ়ি উঠিছিল।

উপনিষদক 'বেদান্ত' বুলিও কোৱা হয়, যাৰ অৰ্থ 'বেদৰ শেষ অংশ'। মুঠৰ ওপৰত বৈদিক যুগৰ অন্তিম সময়ছোৱালৈকে উপনিষদসমূহ আছিল আৰু ই আধিবৈজ্ঞানিক বা অতীন্দ্ৰিয় অনুসন্ধানৰ সৰ্বশ্ৰেষ্ঠ সাফল্যৰ নথি আছিল। সমগ্ৰ জগতত এই উপনিষদসমূহ এতিয়াও আধ্যাত্মিক, ৰহস্যময়, ঈশ্বৰবাদী আৰু মধ্যস্থকাৰী দিহা বা উপদেশ হিচাপে সন্মানিত। উপনিষদসমূহ সংখ্যাত এশতকৈ অধিক, কিন্তু দাৰ্শনিক দৃষ্টিকোণৰ পৰা গুৰুত্বপূৰ্ণ উপনিষদৰ সংখ্যা দহ। সেয়া হ'ল— ইশোপনিষদ্ (Is'apanishads); কেনউপনিষদ (Kena-upanishad); কথা-উপনিষদ (Katha upanishads); মুণ্ডক-উপনিষদ (Mundaka); মাণ্ডুক্য উপনিষদ (Māndukya); ঐতৰেয় (Aitareya); তৈতেৰীয় (Taittariya); শ্বেতাশ্বত (Svetāsvatara); বৃহদাৰণ্যক (Brhadā ranyaka) আৰু ছাণ্ডোগ্য উপনিষদ (Chāndogya)। আমি ভাৰতীয় দৰ্শন বুলি যাক আখ্যা দিওঁ, সি প্ৰকৃততে এইসমূহ উপনিষদৰ পৰাই উৎপত্তি হৈছে।

ঐতিহাসিক দৃষ্টিকোণৰ পৰা জাতীয় দৰ্শনত আলোকপাত কৰাৰ ই হৈছে এটা মাথোন উপায় বা পথ। উপনিষদ আৰু অ-ঔপনিষদিক উৎসৰ পৰা উদ্ভৱ হোৱা সম্পূৰ্ণ বিকশিত ভাৰতীয় দৰ্শনৰ এক বিচিত্ৰ বৃদ্ধিৰ প্ৰমাণ আছে। ইয়াৰ এক প্ৰাচীন আৰু ভিত্তিমূলক দিশ আছে। ই গভীৰভাৱে পৰম্পৰাৰে বান্ধ খাই আছে। ইয়াত এক যুক্তিমূলক দৃষ্টিভঙ্গী আছে যে পশ্চিমীয়া দৰ্শনৰ লগত ভাৰতীয় দৰ্শনৰ কোনো মিল নাই, ই বিশ্লেষণৰ ক্ষেত্ৰত কম কঠোৰ, ই নিৰ্বিচাৰবাদী, ইয়াৰ বৃদ্ধি স্থবিৰ। এই সকলো সমালোচনা এক ভ্ৰান্ত ধাৰণা আৰু এক অতি ঠেক গণ্ডীৰ পৰা সত্য হ'বও পাৰে। সত্য কথাটো এই যে ভাৰতীয় দৰ্শন পৰম্পৰাৰ বান্ধোনেৰে বান্ধ খাই আছে, ৰৰঞ্চ ই সম্পূৰ্ণভাৱে আধুনিক; ইয়াৰ কাৰ্য-প্ৰণালী আছে আৰু ইয়াৰ মাজত যুক্তি-তৰ্কৰ বাবে বিশাল অৱকাশ থাকে। ই সুপ্তও নহয়, নাইবা মৃতও নহয়। ই জীৱিত, গতিশীল আৰু বিকশিত। ইয়াৰ এক পৰিপক্ক দৰ্শনৰ সকলো উপাদান আছে— ই ক'ত আৰু কেনেকৈ জন্ম আৰু লালিত-পালিত হৈছে, সি কোনো বিচাৰ্যৰ বিষয় নহয়।

ভাৰতবৰ্ষত ইংৰাজী 'Philosophy' শব্দটোক 'দৰ্শন' (Darshan) বোলা হয়। ইয়াৰ অৰ্থ 'দেখা' বা 'দৃষ্টি'। ই বোধ, উপলব্ধি আৰু জ্ঞানৰ সৈতে সমতুল্য। কেতিয়াবা 'দৰ্শন' শব্দটো এক অতিৰিক্ত শব্দ 'সম্যক' (Samyak)ৰে গুৰুত্ব আৰোপ কৰা হয়। যেতিয়া ইয়াক 'দৰ্শন'ৰ লগত যুক্ত কৰা হয়, তেতিয়া সি হৈ পৰে 'সম্যক্ দৰ্শন' বা 'সম্যক্দৰ্শনম্'। ইয়াক 'বহুল' (com-prehensive) বা 'সামগ্ৰিক বোধ', 'সামগ্ৰিক দৃষ্টি' (total vision) আৰু 'সম্পূৰ্ণ উপলব্ধি' (complete realization) হিচাপে অনুবাদ কৰা হয়। ই আংশিক নাইবা আপেক্ষিক বোধ নহয়। ই হৈছে অন্তিম উপলব্ধি, যাৰ ওপৰত আৰু একো নাথাকে। ই হৈছে পৰম স্বজ্ঞা বা প্ৰজ্ঞা নাইবা অৰ্ন্তদৃষ্টি। ভাৰতত দৰ্শনক এক বিশেষ জ্ঞান হিচাপেও গ্ৰহণ কৰে, যিয়ে আমাক মুক্তি প্ৰদান কৰে। ইয়াৰ পৰিবৰ্তে বিজ্ঞানে আমাক বস্তুগত উন্নতি প্ৰদান কৰে।

যেতিয়া ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতিৰ সৈতে যোগাযোগ হয়, তেতিয়া কোনো এজন ব্যক্তি আপোনা-আপুনি এই মতামতলৈ আহে যে ই মূলত আধ্যাত্মিক। লোকায়ত দৰ্শন নাইবা চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় দৰ্শনৰ সকলো দাৰ্শনিক সম্প্ৰদায়ে কেতবোৰ বিশেষ বস্তু বা বিষয়ৰ ওপৰত বিশ্বাস কৰে, যিবোৰ আধ্যাত্মিকতাবাদৰ এক অনুসিদ্ধান্ত; যেনে ঃ কৰ্মফল

আৰু জীৱনৰ নিৰবিচ্ছিন্নতা। পৰতন্ত্ৰবাদ আৰু প্ৰয়োগবাদৰ নীতি বিজ্ঞানৰো আধ্যাত্মিকতাবাদৰ লগত সম্পৰ্ক আছে। আন এক গুৰুত্বপূৰ্ণ দিশ মন কৰিবলগীয়া যে ভাৰতীয় দৰ্শন এক জীৱন কেন্দ্ৰিক দৰ্শন। ইয়াত কেৱল তথ্যভিত্তিক তৰ্কা-তৰ্কিৰ ওপৰত গুৰুত্ব আৰোপ কৰা নহয়। ইয়াৰ বহুল সুখবাদী মূলমন্ত্ৰ আছে। সুখৰ অভিপ্ৰায়ৰ নিৰ্দেশ ইয়াত দিয়া হয়।

জড়বাদক একাষৰীয়াকৈ থৈ দৰ্শন নাইবা ভাৰতীয় দৰ্শনৰ এক বিশাল অংশ আধ্যাত্মিক বা আধ্যাত্মমূলক। ই এনে এক বৈশিষ্ট্য, যিয়ে ভাৰতীয় দৰ্শনক গম্ভীৰতা প্ৰদান কৰিছে। অনুসিদ্ধান্তসমূহ এই দিশৰ পৰাই স্বয়ংভাৱে নিঃসৃত হৈছে। ইয়াৰ লগত এক নৈতিক মাত্ৰাও জড়িত হৈ আছে। ব্যক্তিসকলক তেওঁলোকৰ কৰ্মৰ প্ৰতি সাৱধান হ'বলৈ শিক্ষা দিয়া হয়। সেয়েহে, ই কৰ্তব্য আৰু দায়বদ্ধতাৰ ওপৰত অত্যাধীক হেঁচা আৰোপ কৰিছে। উপনিষদ আৰু গীতাৰ দৰে প্ৰধান দাৰ্শনিক প্ৰবন্ধই ইয়াক এক নতুন ৰূপ প্ৰদান কৰিছে, যি তেওঁলোকৰ বৈদিক অন্তৰ্ভুক্তি নিৰ্বিশেষে অন্যান্য দাৰ্শনিক সম্প্ৰদায়সমূহৰ দ্বাৰা বিকশিত হৈছিল। আনকি তথাকথিত নিৰীশ্বৰবাদী বা নাস্তিক দাৰ্শনিক শাখা বৌদ্ধ আৰু জৈনইও কৰ্মবাদৰ ওপৰত বিশ্বাস কৰিছে। অৰ্থাৎ, যেনে কৰ্ম, তেনে ফল। নৈতিকতা আৰু ধৰ্মৰ ক্ষেত্ৰখনত ই হৈছে কাৰ্যকাৰণবাদৰ উপযুক্ততা। ভাৰতীয় দৰ্শনত ধৰ্ম আৰু নৈতিকতাৰ মাজত অতি কম পাৰ্থক্য থকা দেখা যায়। 'ধৰ্ম' হৈছে 'Religion'ৰ ভাৰতীয় শব্দ আৰু ই বেছিকৈ নৈতিক নীতিৰ দ্বাৰা গঠিত। জীৱনৰ ধাৰাবাহিকতা কৰ্মবাদৰ পৰা প্ৰত্যক্ষভাৱে নিঃসৃত হয়। ভাল কৰ্মৰ বাবে পুৰস্কাৰ পাবলৈ হওঁক নাইবা বেয়া কৰ্মৰ বাবে শাস্তি পাবলৈ হওঁক, এজন ব্যক্তিয়ে মৃত্যুৰ সিপাৰলৈও জীয়াই থাকিব লাগিব। অন্তিম পৰিত্ৰাণ পোৱালৈকে ই চলি থাকে। ইয়াক কোৱা হয় মুক্তি বা মোক্ষৰ অৱস্থা। এই অৱস্থা আৰু তাত উপনীত হোৱাৰ পথৰ ক্ষেত্ৰত বিভিন্ন দাৰ্শনিক সম্প্ৰদায়ৰ বিভিন্ন ধাৰণা আছে। কিছুমান সমালোচকে ভাৱে যে ভাৰতীয় দৰ্শন অ-পাৰ্থিৱ আৰু ই দুখবাদী। ই ভুল বুজাবুজিৰ পৰা উদ্ভৱ হয়। এই কথা সত্য যে বিভিন্ন সম্প্ৰদায়ে এক আকাংক্ষিত আধ্যাত্মিক জীৱনৰ শিক্ষা দিয়ে, কিন্তু এক সুস্থ জাগতিক জীৱনৰ প্ৰতি ক্ষতি নহয়। মুঠতে ই এক অতি সন্তুলিত অভিগমন। ই প্ৰত্যেক ব্যক্তিৰ বাবে চাৰিটা লক্ষ্য আগবঢ়াইছে। সেয়া হ'ল— ধৰ্ম (religion/morality), অৰ্থ (material possession), কাম (pleasure) আৰু মোক্ষ (moksha)। এই সকলোবোৰ এজন ব্যক্তিৰ জীৱনৰ সঠিক স্তৰত ৰোপণ কৰিব লাগিব। সেই কাৰণে, এই জগতখনক কোনোপধ্যে অৱমাননা কৰিব নোৱাৰি। আকৌ, দুখবাদে মানুহৰ দুখ-যাতনাক নিৰ্দেশ কৰে। কিন্তু এই নিৰ্দেশনা বিশেষকৈ বৌদ্ধ আৰু সাংখ্য দৰ্শনত হৈছে কেৱল প্ৰস্থানৰহে এক দিশ। অৰ্থাৎ, দুখ জীৱনৰ এক চিৰন্তন সত্য আৰু মানুহে ইয়াৰ বিৰুদ্ধে দাৰ্শনিকভাৱে যুঁজ দিব লাগে। সেইবাবে, দুখবাদ (perrimism) ভাৰতীয় দৰ্শনৰ কেৱল এক আ�ৰম্ভণিতহে দেখা যায়, কিন্তু ইয়াক অতিক্ৰম কৰি মোক্ষ লাভ কৰাটোহে ইয়াৰ মূল উদ্দেশ্য। সেয়ে, ভাৰতীয় দৰ্শন স্বৰূপতঃ আশাবাদী দৰ্শনহে।

ভাৰতীয় দৰ্শনক আস্তিক (orthodox) আৰু নাস্তিক (heterodox), এই দুই শাখাত বিভক্ত কৰা হৈছে। দাৰ্শনিক সম্প্ৰদায়সমূহৰ বেদৰ প্ৰতি থকা আনুগত্যতাৰ দ্বাৰাই ইয়াক নিৰ্ণয় কৰা হয়। 'বেদ' শব্দৰ অৰ্থ 'জ্ঞান'। সেয়ে, যাক আমি 'বেদ' আখ্যা দিওঁ, সি হৈছে অভিজ্ঞতা, জ্ঞান আৰু অতীজৰ ভাৰতীয় দাৰ্শনিকসকলৰ উচ্চাকাংক্ষাৰ এক সমষ্টি। তেওঁলোকক কোৱা

হয় ঋষি জ্ঞানী ব্যক্তি। কৌশলগতভাৱে বেদৰ কোনো লেখক বা ৰচোঁতা নাই। কিছুমান পয়গম্বৰ বা সত্যদ্ৰষ্টা ঋষি-মুনিৰ তাৎপৰ্যমূলকভাৱে সত্যতাৰ দ্বাৰা প্ৰকাশিত হয় আৰু তেওঁলোকে জ্ঞান লাভ কৰে আৰু তাক তেওঁলোকৰ উত্তৰপুৰুষৰ হকে প্ৰেৰণ কৰে। উপনিষদসমূহ বেদৰ কেৱল শেষৰ অংশ। ভাৰতীয় জড়বাদ (চার্বাক) বেদ বিৰোধ। সেয়ে, ইয়াক ভাৰতীয় দৰ্শনৰ নাস্তিক সম্প্ৰদায় বোলা হয়। এই সন্দৰ্ভত, 'আস্তিক' আৰু 'নাস্তিক'য়ে ঈশ্বৰবিশ্বাসী আৰু ঈশ্বৰ অবিশ্বাসীক বুজোৱা নাই; ই কেৱল বেদৰ অনুসৰণ কৰা আৰু নকৰাক বুজাইছে। উদাহৰণ হিচাপে, মহাযান বৌদ্ধ দৰ্শনে ঈশ্বৰক বিশ্বাস কৰে, আৰু তথাপিও ইয়াৰ বেদবিৰোধী প্ৰকৃতিৰ বাবে ই এক নাস্তিক সম্প্ৰদায় হিচাপে স্বীকৃত।

নাস্তিক দাৰ্শনিক সম্প্ৰদায় মুঠ তিনিটা। সেয়া হৈছে চার্বাক (লোকায়ত, জড়বাদ); বৌদ্ধ আৰু জৈন। চার্বাক হৈছে জড়বাদ, সুখবাদ আৰু সাধাৰণ অৰ্থত বাস্তৱবাদৰ ভাৰতীয় বৃত্তান্ত। গুৰু বৃহস্পতি নামৰ এজন ঋষিৰ মূলমন্ত্ৰত এই দৰ্শনৰ আভাস পোৱা যায়। বৌদ্ধ দৰ্শন গৌতম বুদ্ধ আৰু জৈন দৰ্শন মহাবীৰৰ শিক্ষা নাইবা মূলমন্ত্ৰৰ ওপৰত ভিত্তিশীল। এই তিনিটা নাস্তিক দাৰ্শনিক সম্প্ৰদায়ৰ বিপৰীতে ছয়টা প্ৰধান ভাৰতীয় দাৰ্শনিক শাখা বা সম্প্ৰদায় আছে, যাক কোৱা হয় আস্তিক দাৰ্শনিক সম্প্ৰদায়। এইকেইটা আস্তিক ঈশ্বৰ বিশ্বাসী বুলি নহয়, বৰঞ্চ বেদৰ আনুগত্য স্বীকাৰ কৰাৰ বাবে এইকেইটা সম্প্ৰদায়ক আস্তিক বোলা হয়। সাংখ্য দৰ্শনে ঈশ্বৰৰ অস্তিত্ব বিশ্বাস নকৰে। আনহাতে মীমাংসাৰ ঈশ্বৰৰ ধাৰণা অস্পষ্ট। কিন্তু দুয়োটা দাৰ্শনিক সম্প্ৰদায়ে আস্তিক। এই ছয়টা ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ক একেলগে 'ষড়দৰ্শন' বোলা হয়। সেইকেইটা হ'ল— ন্যায় (গৌতমৰ), যোগ (পতঞ্জলিৰ), মীমাংসা (জৈমিনীৰ) আৰু বেদান্ত (বাদ্ৰায়ণৰ)। এই ছটা দাৰ্শনিক সম্প্ৰদায় পুনৰ দুটা শাখাত বিভক্ত। সেয়ে, ন্যায়-বৈশেষিক, সাংখ্য-যোগ আৰু মীমাংসা-বেদান্ত হৈছে সংযুক্ত দৰ্শন। এই যুঠিবোৰৰ এটাই দৰ্শনৰ এটা দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে আনটোৱে এক দিশৰ ওপৰত জোৰ দিয়ে। দুয়োটা মিলি দৰ্শনৰ এক সামগ্ৰিক ৰূপ প্ৰদান কৰে। সেয়ে ন্যায় তৰ্কবিদ্যাই বৈশেষিকৰ অধিবিদ্যাক সমৰ্থন কৰে। সাংখ্য হৈছে যোগৰ ব্ৰহ্মাণ্ডতত্ত্ব আৰু যোগ হৈছে সাংখ্যৰ মনস্তত্ত্ব। মীমাংসা বেদৰ কৰ্মকাণ্ডৰ লগত জড়িত আৰু বেদান্ত জড়িত ইয়াৰ জ্ঞানকাণ্ডৰ সৈতে।

ভাৰতীয় দৰ্শনৰ মৌলিক পাৰ্থক্যবোধক চিহ্ন ইয়াৰ ব্যৱহাৰিক দিশটো। ই হৈছে অৰ্থপূৰ্ণ জীৱনৰ এক পথপ্ৰদৰ্শক। ই তথ্যভিত্তিক নহয়। ই সম্পূৰ্ণৰূপে কল্পনাশীল নহয়। ইয়াৰ এক শক্তিশালী প্ৰয়োগবাদী দিশ আছে।

অন্যান্য দৰ্শনৰ দৰেই ভাৰতীয় দৰ্শনেও দৰ্শনৰ মৌলিক উপাদানসমূহক সামৰি লয়। ইয়াৰ নিজস্ব তৰ্কবিজ্ঞানো আছে। ভাৰতবৰ্ষৰ আটাইতকৈ পৰম্পৰাগত তৰ্কবিজ্ঞানৰ উল্লেখ দেখিবলৈ পোৱা যায় ন্যায় দৰ্শন, বৌদ্ধ দৰ্শন আৰু মীমাংসা দৰ্শনত। দীনাংগ, প্ৰভাকৰ আৰু গণেশ হৈছে বিখ্যাত তৰ্কবিদ। ইয়াৰ বৈশেষিক দৰ্শনত পৰমাণুবাদ, সংখ্যাত ইয়াৰ ক্ৰমবিকাশমূলক অধিবিদ্যা আৰু বেদান্তত আধ্যাত্মিক অধিবিদ্যা যিকোনো ঠাইৰ যিকোনো অধিবিদ্যাৰ প্ৰতিদ্বন্দী। ঠিক সেইদৰে বৌদ্ধ, জৈন আৰু বেদান্ত দৰ্শনে প্ৰয়োগিক নীতিবিজ্ঞানৰ বিকাশ ঘটাইছে। এই সকলোবোৰ মূলতঃ মানৱ জীৱন সম্বন্ধীয়। ভাৰতবৰ্ষৰ ইতিহাসত বহু আগেয়ে প্ৰয়োগিক নীতি বিজ্ঞানৰ আবিৰ্ভাৱ হৈছিল।

ভাৰতীয় দৰ্শনৰ পৰিসৰ সৃষ্টিসম্বন্ধীয়, বিশ্বব্যাপী আৰু সামাজিক। ই জীৱন আৰু জগতৰ জড়বাদী ব্যাখ্যাৰো বিকাশ ঘটাইছে। চাৰ্বাক দৰ্শন ইয়াৰে এক উৎকৃষ্ট নিদৰ্শন। ইয়াক ভাৰত আৰু ভাৰতবাসীৰ এক বিশেষ গুণ হিচাপে গ্ৰহণ কৰিব নোৱাৰি। আধ্যাত্মিকতাবাদ এক মানৰ প্ৰপঞ্চ আৰু ইয়াক সকলোতে প্ৰচুৰভাৱে পাব পৰা যায়। সেই কাৰণে, আধ্যাত্মবাদক যিকোনো দৰ্শনৰ দুৰ্বলতা বা শক্তিৰূপে নিৰ্দেশ কৰিব নোৱাৰি। ভাৰতীয় দৰ্শন এক জীৱিত সত্তা। ৰাধাকৃষ্ণণ, কে.চি. ভট্টাচাৰ্য, অৰবিন্দ, বিবেকানন্দ, ৰবীন্দ্ৰ নাথ ঠাকুৰ, বি.এন. শীল, জে.এন. মোহান্তি আদিৰ দৰে দাৰ্শনিকসকলে ইয়াৰ ব্যাখ্যা কৰিছে আৰু ভাৰতীয় দৰ্শনৰ মূল সৃষ্টিসমূহক সমৃদ্ধ কৰিছে আৰু লগতে ইয়াৰ মানক এক প্ৰশংসনীয় উচ্চতালৈ উন্নিত কৰিছে। ভাৰতীয় দৰ্শন নিৰবচ্ছিন্ন আত্ম-আবিষ্কাৰ আৰু অভিযোজনৰ প্ৰক্ৰিয়া।

নিষ্ঠাবান ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক বিশেষ বৈশিষ্ট্যসূচক বিষয় আছে। সেয়া হৈছে "ভাৰতীয় দৰ্শন" শব্দটো নিজে। যেতিয়া ভাৰতীয়সকলে ভাৰতৰ বুকুত উদ্ভূত দৰ্শনক ভাৰতীয় বুলি চিহ্নিত কৰে, তেনেক্ষেত্ৰত তেওঁলোকে নিজকে দৰ্শনৰ প্ৰক্ৰিয়াৰ পৰা বিচ্ছিন্ন কৰে। কিন্তু ইয়াক দৰ্শন হিচাপেহে ভৰাটো উচিত, ভাৰতীয় দৰ্শন হিচাপে নহয়। তেনে নকৰিলে তেওঁলোকে এই কথা ভবাৰ অৱকাশ পায় যে তেওঁলোকে যি কৰি আছে, সেয়া ভাৰতীয় আৰু 'দৰ্শন' আন এটি বিষয় অৰ্থাৎ আন ঠাইত উদ্ভূত দৰ্শন (পাশ্চাত্য)। কিছু নিদৃষ্ট ক্ষেত্ৰত 'দৰ্শন'ক ভাৰতীয় দৰ্শন হিচাপে নিৰ্দেশ কৰা হয় যদিও, বেছিভাগ সময়ত এনে বক্তব্য তুলুঙা আৰু ভাৰতত দৰ্শনৰ সৃজনশীলতাৰ বাবে ক্ষতিকাৰক। আমি 'দৰ্শন'ক 'দৰ্শন' বুলিয়েই ক'ব লাগে। আমি ইয়াক বাস্তৱবাদ, ভাববাদ, একেশ্বৰবাদ, বহুঈশ্বৰবাদ, সুখবাদ, মানৱতাবাদ হিচাপে পৰিপ্ৰেক্ষিত অনুযায়ী নাম দিব পাৰো।



অগ্ৰগতি নিৰীক্ষণ

প্ৰঃ৩ ঃ 'বেদান্ত'ৰ অৰ্থ লিখক।

.....

প্ৰঃ৪ ঃ তিনিখন উপনিষদৰ নাম উল্লেখ কৰক।

.....

প্ৰঃ৫ ঃ 'Philosophy' শব্দটোৰ অৰ্থ লিখক।

.....

প্ৰঃ৬ ঃ চমুকৈ দৰ্শন আৰু বিজ্ঞানৰ এক পাৰ্থক্য আগবঢ়াওক।

.....

প্ৰঃ৭ ঃ 'বেদ' শব্দৰ অৰ্থ লিখক।

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

● নাম আৰু বিষয়বস্তুৰ ক্ষেত্ৰত জ্ঞানবিদ্যা, অধিবিদ্যা নাইবা নীতিবিদ্যা বেলেগ

হয়, কিন্তু, এই সকলোবোৰ কেতবোৰ অভিজ্ঞতাৰ ব্যাখ্যাৰ বাবে সিহঁতৰ অপৰিহার্য সম্পর্কৰ দ্বাৰা একত্রিত হয়। সেয়া হ'ল দর্শন। ই আমাক 'অভিজ্ঞতাৰ ব্যাখ্যা' হিচাপে দর্শনৰ এক মোটামুটি ধাৰণালৈ লৈ যায়।

- গ্রীক দর্শন বিশ্বজগতৰ মৌলিক বস্তুবোৰ সম্পর্কে সৰল প্রশ্ন কেতবোৰৰ উত্থাপনৰ দ্বাৰা সৃষ্টি হৈছিল। এনেধৰণৰ দর্শনসমূহৰ মূল কথা আছিল "সকলো পানী"।
- উপনিষদসমূহক বেদ বুলিও কোৱা হয়, যাৰ অর্থ "বেদৰ শেষ বা অন্তিম অংশ"। মুঠতে, উপনিষদসমূহ বৈদিক যুগৰ শেষ কালছোৱাৰ অন্তর্গত আৰু আধিবৈজ্ঞানিক অনুসন্ধানৰ আটাইতকৈ উচ্চ সাফল্যতাৰ প্রতিলিপি।
- সংখ্যাত উপনিষদসমূহ এশতকৈও অধিক। দার্শনিক দৃষ্টিকোণৰ পৰা আটাইতকৈ গুৰুত্বপূর্ণ উপনিষদকেইখন হ'ল— ঈশ্, কেন, কথা, মাণ্ডুক্য, ঐতৰেয়, তৈতেৰীয়, মুণ্ডক, শ্বেতশ্বত, বৃহদাৰণ্যক আৰু ছান্দোগ্য উপনিষদ। মূলতঃ ভাৰতীয় দর্শনৰ উৎস এইসমূহ উপনিষদৰ মাজতে নিহিত আছে।
- ভাৰতবর্ষত 'Philosophy' শব্দটো 'দর্শন' হিচাপে ব্যৱহৃত হয়। ইয়াৰ অর্থ 'চোৱা' বা 'দৃষ্টি'। ভাৰতীয় দর্শন কঠোৰভাৱে ব্যৱহাৰিক। ই জীৱন-কেন্দ্রিক। ভাৰতীয় দর্শনৰ এক অপৰিহার্য বৈশিষ্ট্য হৈছে আত্ম-সংস্কাৰৰ ওপৰত ইয়াৰ হেঁচা, যি এজন এজন লোকে এনেধৰণেৰে উন্নীত কৰিবলগীয়া হয়, যাতে সি চৰম শান্তি প্রদান কৰে। ই হৈছে— অর্থপূর্ণ জীৱন-যাপনৰ এক পথ প্রদর্শক। ই সম্পূর্ণৰূপে তথ্যভিত্তিক হোৱাৰ পৰা বিৰত থাকে। ই সম্পূর্ণৰূপে কল্পনাশীল নহয়। ইয়াৰ এক শক্তিশালী প্রয়োগবাদী দিশ আছে।
- উপনিষদ আৰু গীতাৰ দৰে প্রধান দার্শনিক প্রবন্ধসমূহে ইয়াক এক নতুন ৰূপ দিছে, যি তেওঁলোকৰ বৈদিক অন্তর্ভুক্তি নির্বিশেষে অন্যান্য দার্শনিক শাখাবোৰৰ দ্বাৰা বিকশিত হৈছিল। আনকি তথাকথিত নাস্তিক দার্শনিক সম্প্রদায় বৌদ্ধ আৰু জৈনও কর্মবাদ বিশ্বাস কৰিছে। অর্থাৎ "যেনে কর্ম তেনে ফল"। ইয়াত প্রত্যেক ব্যক্তিৰ বাবে চাৰিটা মূল্যবান লক্ষ্যৰ কথা কোৱা হৈছে। সেয়া হ'ল— ধর্ম, অর্থ, কাম আৰু মোক্ষ আৰু এই সকলোবোৰক প্রত্যেক মানুহে নিজা নিজা জীৱনৰ সঠিক স্তৰত ৰোপণ কৰিব লাগিব। সেইকাৰণে, এই জগতক কোনোপধ্যে অৱমানা কৰিব নোৱাৰি। আকৌ, দুখবাদে দুখ-যন্ত্রণাকে নির্দেশ কৰে। ভাৰতীয় দার্শনিক সম্প্রদায় যেনে ঃ বৌদ্ধ আৰু সাংখ্যত এই দুখৰ ধাৰণাৰ উল্লেখ পোৱা যায়।
- 'বেদ' শব্দৰ অর্থ 'জ্ঞান'। বেদসমূহক 'অভিজ্ঞতাৰ সংগ্রহ' বুলিও কোৱা হয়। পৌৰাণিক ভাৰতীয় চিন্তাবিদসকল, যি আছিল অতি জ্ঞানী, তেওঁলোকক কোৱা হয় ঋষি বা বিজ্ঞ ব্যক্তি।
- ভাৰতীয় জড়বাদ (চার্বাক/ লোকায়ত) হৈছে বৈদিক চিন্তাধাৰাৰ এক অটল সমালোচক। ই বেদ বিৰোধী। সেয়ে, ইয়াক ভাৰতীয় দর্শনৰ নাস্তিক সম্প্রদায় বোলা হয়। এই সন্দর্ভত ঈশ্বৰ বিশ্বাসী নাইবা ঈশ্বৰ অবিশ্বাসীক আস্তিক আৰু নাস্তিক বুজোৱা নহয়। ই কেৱল বুজায় বেদৰ স্বীকৃতি আৰু বেদৰ অস্বীকৃতি।



১.৬ অধিক জানিবলৈ

১। Chatterjee, S.C. & Dutta, D.M. (1968). An Introduction to Indian Philosophy. University of Calcutta.

২। Hiriyanna, M. (1993). Outlines of Indian Philosophy. Delhi Motital Banarasidass Publishers Pvt. Ltd.

৩। Radhakrishnan. S. (1923). Indian Philosophy (2 volumes). Oxford University Press.

৪। Sharma, C.D. (1973). A Critical Survey of Indian Philosophy. Delhi Motital Banarasidass Publishers Pvt. Ltd.

৫। Sinha, J. N. Outlines of Indian Philosophy Calcutta: New Central Book Agency Pvt. Ltd.



১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰঃ উঃ জড়বাদী দৰ্শন, আধ্যাত্মিক দৰ্শন আৰু বাস্তৱবাদী দৰ্শন।

২ নং প্ৰঃ উঃ গ্ৰীক দৰ্শন, জাৰ্মান দৰ্শন আৰু বৃটিছ দৰ্শন।

৩ নং প্ৰঃ উঃ বেদৰ অন্ত।

৪ নং প্ৰঃ উঃ ঈশ্, কেন, কথা, মুণ্ডক।

৫ নং প্ৰঃ উঃ 'চোৱা', 'দেখা' বা 'দৃষ্টি'।

৬ নং প্ৰঃ উঃ 'দৰ্শন'ৰ অৰ্থ 'চোৱা' বা 'দৃষ্টি'। ই পৰম স্বজ্ঞা নাইবা অৰ্ন্তদৃষ্টিকো নিৰ্দেশ কৰে আৰু একপ্ৰকাৰ জ্ঞান, যিয়ে মুক্তিৰ সন্ধান দিয়ে। আনহাতে, বিজ্ঞান হৈছে একপ্ৰকাৰৰ জ্ঞান, যি পৰ্যবেক্ষণ আৰু পৰীক্ষা-নিৰীক্ষাৰ ওপৰত ভিত্তিশীল, যি বস্তুগত উন্নতিৰ যোগান ধৰে।

৭ নং প্ৰঃ উঃ জ্ঞান।



১.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰঃ ১ ঃ 'দৰ্শন' শব্দৰ অৰ্থ কি?

প্ৰঃ ২ ঃ 'আত্ম-সংস্কাৰ' কি?

প্ৰঃ ৩ ঃ ভাৰতীয় দৰ্শনত উল্লেখিত চাৰিটা লক্ষ্য কি কি?

প্ৰঃ ৪ ঃ 'বেদ' শব্দৰ অৰ্থ কি?

প্ৰঃ ৫ ঃ ভাৰতীয় দৰ্শনৰ তিনিটা নাস্তিক দাৰ্শনিক সম্প্ৰদায় কি কি?

প্ৰঃ ৬ ঃ 'ষড়দৰ্শন' কি?

প্ৰঃ ৭ ঃ 'কৰ্মকাণ্ড'ৰ লগত জড়িত ভাৰতীয় দৰ্শনৰ সম্প্ৰদায়টোৰ নাম কি?

প্ৰঃ ৮ ঃ 'জ্ঞানকাণ্ড'ৰ লগত জড়িত ভাৰতীয় দৰ্শনৰ সম্প্ৰদায়টোৰ নাম কি?

(খ) চমু প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰঃ ১ ঃ ভাৰতীয় দৰ্শন দুখবাদী নে? চমুকৈ ব্যাখ্যা কৰক।

প্ৰঃ ২ ঃ চমুকৈ ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি আলোচনা কৰক।

প্ৰঃ ৩ ঃ ভাৰতীয় দৰ্শনৰ পৰিসৰৰ ওপৰত এটি চমুটোকা যুগুতোৱা।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (উত্তৰ প্ৰায় ৩০০-৫০০ মান শব্দৰ ভিতৰত লিখক)

প্ৰঃ ১ ঃ ভাৰতীয় দৰ্শনৰ প্ৰকৃতি ব্যাখ্যা কৰক।

প্ৰঃ ২ ঃ ভাৰতীয় দৰ্শনৰ পৰিসৰ আলোচনা কৰক।

অধ্যায় - ২ চার্বাক ঃ জ্ঞানমীমাংসা

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ আকস্মিকতাবাদ আৰু প্ৰকৃতিবাদ
২.৪ অনুমানৰ অগ্ৰাহ্যকৰণ
২.৫ বেদৰ প্ৰামাণ্যতা অগ্ৰাহ্যকৰণ
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অগ্ৰগতিৰ খতিয়ান
২.৮ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- চার্বাক দর্শনৰ দ্বাৰা স্বীকৃত যযার্থ জ্ঞান উপায় সমূহ জানিব পাৰিব।
- জ্ঞানৰ আন আন উৎসসমূহৰ দোষ-ত্ৰুটি সমূহ জানিব পাৰিব।
- বেদ, জ্ঞান লাভৰ যযার্থ উৎস বা উপায় হয় নে নহয় তাক জানিবলৈ সক্ষম হ'ব।

২.২ পৰিচয়

চার্বাক, মাক লোকায়ত দর্শন নামেৰেও জনা যায় - ভাৰতীয় বস্তুবাদৰ আটাইতকৈ প্ৰাচীন এক দার্শনিক সম্প্ৰদায়। চার্বাক দর্শনক ভাৰতীয় দর্শনৰ অন্তর্গত এক নাস্তিক নাইবা পপম্পৰা বিৰোধী দার্শনিক সম্প্ৰদায়ৰ ভিতৰত ধৰা হয়। ইয়াক হিন্দু পৰম্পৰাত নাস্তিক সম্প্ৰদায়ৰ এক উদাহাৰণ স্বৰূপে লোৱা হয়। চার্বাক বা লোকায়ত দর্শনৰ প্ৰতিষ্ঠাতা হিচাপে ঋকবেদৰ ঋষি বৃহস্পতিকে সাধাৰণতে নির্দ্দেশ কৰা হয়। এই সম্প্ৰদায়টোৰ নাম যাৰ নামানুসাৰে ৰখা হৈছে, তেওঁকে ঋষি বৃহস্পতিৰ মুখ্য শিষ্য আখ্যা দিয়া হয়। অন্য এক মতবাদ মতে 'চার্বাক' নামৰ এজন ঋষি আছিল আৰু তেওঁৰ নামানুসাৰেই এই দার্শনিক সম্প্ৰদায়ক চার্বাক দর্শন নামে অভিহিত কৰা হয়। 'চাবচ্ছাক' শব্দটো আহিছে সংস্কৃত শব্দ (চাৰু' (মধুৰ বা সহজবোধ্য) আৰু বাক্ (বাক্য) ৰ পৰা। সেয়ে বুৎপত্তিগত দিশৰ পৰা 'চার্বাক' শব্দৰ অর্থ 'মদুৰ বাক' নাইবা 'মনোৰম বাক্য'; যাৰ বাবে এই সম্প্ৰদায়টো বাহ্যিকভাবে আকর্ষণীয়। আন এক মত অনুযায়ী, 'চার্বাক' শব্দটো 'চর্ব' ধাতু (চর্বন কৰা বা খোৱা) ৰ পৰা উৎপত্তি হৈছে, কিয়নো চার্বাক দর্শনৰ মতে খোৱা, পিন্ধা আৰু স্ফুর্ত্তি আহি পার্থিৱ সুখেই মনুষ্য জীৱনৰ চৰম উদ্দেশ্য।

এই দর্শনক 'লোকায়ত' বুলিও কোৱা হয়, কিয়নো এই দর্শনৰ দার্শনিক মতবাদ 'লোক' অর্থাৎ সাধাৰণ মানুহৰ 'আয়ত' অর্থাৎ বোধগম্য। 'লোকায়ত' শব্দৰ অভিধানিক অর্থ হৈছে 'পার্থিব" বা 'জগত উদ্দেশ্যি'; ই পোষণ কৰে যে কেৱল এই জগত বা লোকহে বিদ্যমান, এই লোকায়ত বা চার্বাক দর্শনক হিন্দু দার্শনিক সম্প্রদায় হিচাপে উল্লেখ কৰা হৈছে, য'ত কোনো 'ঈশ্বৰ', 'পুনৰ জন্ম', 'কর্মফল', 'কর্তব্য', পাপ-পূণ্য আদি একো নাথাকে।

চার্বাকে প্রত্যক্ষ ধাৰণা আৰু অভিজ্ঞতাকে যথার্থ জ্ঞানার্জনৰ একমাত্র উপায় হিচাপে গ্রহণ কৰিছে। ই দর্শনশাস্ত্র সম্বন্ধীয় সংশয়বাদক আকোঁৱালি লৈছে আৰু বেদ, বৈদিক বিধি বিদান আৰু অলৌকিকতাবাদক অগ্রাহ্য কৰিছে। ইয়াৰ মতে সকলো প্রকাৰৰ ধর্মকর্ম হৈছে ব্রাহ্মণসকলৰ জীৱন নির্বাহৰ এক উপায়। বেদৰ কর্তাসকল আছিল বহুৱা, ঠগ-প্রৱঞ্চক আৰু দৈত্য। যথার্থ সার্বিক জ্ঞান আৰু আধিবৈজ্ঞানিক সত্যতা প্রতিষ্ঠা কৰাৰ এক উপায় হিচাপে ই অনুমানকো অস্বীকাৰ কৰিছে। আন কথাত, চার্বাকসকলৰ মতে, প্রত্যক্ষই হৈছে একমাত্র যথার্থ জ্ঞানার্জনৰ উপায়; মাটি, পানী, বায়ু আৰু অগ্নিয়েই হৈছে একমাত্র উপাদান; স্ফুর্ত্তিয়েই হৈছে মানুহৰ একমাত্র লক্ষ্য; মনেই হৈছে দ্রব্যৰ একমাত্র ফল। তেওঁলোকৰ মতে, অন্য পৃথিৱী বুলি একো নাই; মৃত্যুৰ অর্থ মুক্তি। কোনো স্বর্গ নাই; কোনো অন্তিম মুক্তি নাই; অন্য পৃথিৱীত থকা কোনো আত্মাও নাই, নাইবা বাস্তৱ কার্য্য প্রতিপন্ন কৰিবলৈও চাৰি বর্ণ, নিয়ম নীতিৰো কোনো কার্য্য নাই। চার্বাক সকলৰ মতামত এই যে, যেতিয়ালৈকে জীৱন থাকে, এজন মানুহক সুখত থাকিবলৈ দিয়া, ঋণ কৰি হ'লেও তেওঁক ঘি খাবলৈ দিয়া; কিয়নো এবাৰ যেতিয়া এই শৰীৰ চাই লৈ যাব, ই কেতিয়াও আকৌ উভতি নাহে।

২.৩ আকস্মিকতাবাদ আৰু প্রকৃতিবাদ

চার্বাকসকল আকস্মিকতাবাদী আৰু প্রকৃতিবাদী উভয়েই। এই আকস্মিকতাবাদ অনুসৰি, নির্দ্দষ্ট কাৰণৰ ওপৰত নির্ভৰ নকৰাকৈয়ে যিকোনো মুহূর্ত্তত কার্য্যৰৰ উদ্ভৱ হয়। এটা কার্য যিকোনো কাৰণৰ ওপৰত নির্ভৰশীল নহয়, কিন্তু হঠাত ই সৃষ্টি হ'ব পাৰে। আকস্মিকতাবাদে এটা কার্য বা ঘটনাৰ অবিৰত উৎপাদনত বিশ্বাস কৰে। যিকোনো সময়তে ইয়াৰ অস্তিত্বশীল হৈ থাকে। এটা বস্তু বা ঘটনা, নিজস্ব প্রকৃতি অনুযায়ী কোনো কাৰণৰ অবিহনেই এক নির্দ্দষ্ট সময়ত আর্বিভাৱ হয়। ইয়াৰ উপস্থিতি কাৰণবিহীন। গৌতমে আকস্মিকতাবাদক এক মতবাদ হিচাপে ব্যাখ্যা কৰিছে, যি মতবাদ অনুসৰি কাঁইট নাইবা তেনেধৰণৰ বস্তুৰ ধাৰ সদৃশ যিকোনো কাৰণৰ অবিহনে এটা কার্য্য উৎপত্তি হয়।

আকস্মিকতাবাদক এই ভিত্তিত সমালোচনা কৰা হয় যে যদি ফল বা পৰিণামসমূহ কোনো নির্দিষ্ট কাৰণৰ ওপৰত নির্ভৰশীল নহয়, তেন্তে সেইবোৰ সদায় অস্তিত্বশীল হ'ব নাইবা সদায় অস্তিত্বশীল নহয়। কিনতু যদি ফল বা পৰিণাম আন কাৰণৰ ওপৰত নির্ভৰশীল হয়, তেতিয়া সি এটা নির্দ্দষ্ট সময়তহে দৃশ্যমান হ'ব। সেইবাবে, সেই ফল বা পৰিণাম এক নির্দ্দষ্ট

কাৰণৰ দ্বাৰাহে উৎপত্তি হয়। সময় (কাল), প্রকৃতি, নিয়তি আৰু অদৃষ্ট হৈছে সকলো বস্তু বা ঘটনাৰে কাৰণ।

প্রকৃতিবাদে বিভিন্ন বস্তুৰ মাজত নিহিত থকা প্রাকৃতিক শক্তিকে বুজায়। জুইৰ জ্বলি থকাৰ এক প্রাকৃতিক শক্তি থাকে। প্রকৃতিবাদে প্রকাশ কৰে যে সকলো ফল বা পৰিণাম সিহঁতৰ নিজস্ব প্রকৃতি বা স্বভাৱৰ দ্বাৰা উৎপত্তি হয়, আৰু সিহঁতক নিজা ইচ্ছানুযায়ী উৎপন্ন কৰিব পৰা নাযায়। কাঁইটৰ ধাৰ আৰু পশু আৰু চৰাইৰ বিভিন্ন ৰঙ সমূহো সিহঁতৰ প্রকৃতিগত স্বভাৱৰ বাবেই হয়। এইবোৰ আন কাৰোবাৰ দ্বাৰা উৎপন্ন কৰিব নোৱাৰি। জুই গৰম, পানী ঠাণ্ডা আৰু বায়ুৰ সতেজ স্পর্শ আছে। ইহঁতৰ মাজৰ পার্থক্য সমূহ আহে ইহঁতৰ অন্তর্নিহিত স্বভাৱ বা প্রকৃতিৰ বাবেই। কিছুমান সত্ত্বা চিৰন্তন অস্তিত্ব। বিভিন্ন বস্তুৰ বিভিন্ন উবশিষ্ট্য আছে। সিহঁতৰৰ চাৰিত্রিক বৈশিষ্ট্যৰাজি সিহঁতৰ মাজত নিহিত সিহঁতৰ ভিন্ন স্বভাৱ বা প্রকৃতি জনিত।

প্রকৃতিবাদক তলত দিয়া ভিত্তিত সমালোচনা কৰা হয়। স্বভাৱ হৈছে এটা বস্তু বা ব্যক্তিৰ নিজস্ব প্রকৃতি বা স্বকীয় বৈশিষ্ট্য। ই হয় কাৰণৰ স্বকীয় বৈশিষ্ট্য, নহয় কার্য্য বা ফলৰ স্বকীয় বৈশিষ্ট্য। যদি কার্য্য বা ফলৰ স্বকীয় বৈশিষ্ট্য বা স্বাভাৱ হয়, তেন্তে ই কার্য্যৰ পূর্বে অস্তিত্বসীল নহয়, আৰু সেয়ে এক বিশেষ সময়ত ইয়াৰ উৎপত্তিক নির্দ্ধাৰণ কৰিব পৰা নাযায়। এটা কার্য্য বা পৰিণামৰ স্বভাৱ ইয়াৰ উৎপাদনৰ পূর্বে অসস্তিত্বসীল হ'ব নোৱাৰে। যদি স্ববাৱটো যদি কাৰণৰ বৈশিষ্ট্য হয়, তেন্তে কার্য্যটোৰ এটা কাৰণ থাকিব। যদি কাৰণটো অস্তিত্বশীল নহয়, তেন্তে ইয়াৰ কোনো স্বভাৱ থাকিব নোৱাৰে। যদি ই অস্তিত্বশীল হয় আৰু এক স্বভাৱ বা প্রকৃতি, থাকে, সিয়ে কার্য্য নাইবা পৰিণামৰ আর্বিভাৱ কৰে, তেন্তে ইয়াৰ এটা কাৰণ থাকিব। এইদৰেই, প্রকৃতিবাদক দুর্বল কৰি তোলা দেখা যায়।

চার্বাকই কার্য কাৰণতা আৰু ইয়াৰ সার্বজনীনতাক বিশ্বাস নকৰে। তেওঁলোকৰ মতে কার্য্য কাৰণতা হৈছে পূর্ববর্তী আৰু অনুবর্তীৰ মাজৰ এক কাল্পনিক সম্পর্ক, যাক বহুতো বিশেষ মুহূর্ত্তত একেলগে প্রত্যক্ষ কৰণ যায়। কেৱল এটা ঘটনাৰ পূর্ববর্তী আৰু আন এক ঘটনাৰ অনুবর্তীক উপলব্ধি কৰা হয়। এটা ঘটনাৰ অপৰিবর্ত্তিত পূর্ববর্তী আৰু আন এটা ঘটনাৰ অপৰিবর্ত্তিত অনুবর্ত্তীক কেতিয়াও লক্ষ্য কৰা নাযায়। প্রত্যক্ষ কেতবোৰ বিশেষ বস্তুটেই সীমাবদ্ধ। ই কেতিয়াও ভূত, বর্তমান আৰু ভৱিষ্যতৰ সকলো দৃষ্টান্তকে উপলব্ধি কৰিব নোৱাৰে। অতীতত ঘটা অসংখ্য বিশেষ মুহূর্ত্তত প্রত্যক্ষ কৰা দুটা ঘটনাৰ অনুক্রম ভৱিষ্যততে অ-পূর্বজ্ঞাত পৰিস্থিতিৰ ক্ষেত্রত বিফলো হ'ব পাৰে। এটা অনুবর্তী আৰু এটা পূর্ববর্তীৰ মাজত কোনো ধৰণৰ অনিবার্য সম্বন্ধ থকাৰ কথা জানিব পৰা নাযায়। আন এটা গটনাৰ দ্বাৰা নিঃসৃত হোৱা এটা ঘটনাৰ নিৰীক্ষণৰ পুনৰাবৃত্তিয়ে আমাৰ মনত এক আশাৰ উৎপত্তি কৰে, যে ভবিষ্যতে সকলো বিশেষ মুহূর্ত্ততে পূর্ববর্তীটো অনুবর্তীৰ দ্বাৰা নিঃসৃত হ'ব। অসংখ্য বিশেষ মুহূর্ত্তত দুটা ঘটনাৰ সংযোজনে এক আশা উৎপন্ন কৰে যে সিহঁত সদায়েই সংযোজন হ'ব। চার্বাকই এটা বিশেষ কাৰণৰ দ্বাৰা এটা কার্য্যক উৎপত্তি আৰু সিহঁতৰ মাজত এক অনিবার্য আৰু অপৰিবত্তনীয় সম্বন্ধও বিস্বাস নকৰে।।

অগ্রগতি নিৰীক্ষণ

প্র ঃ ১ 'চার্বাক শব্দটোৰ ব্যুৎপত্তিগত অর্থ কি?

প্র ঃ ২ চার্বাক দর্শনে স্বীকাৰ কৰা চাৰিটা উপাদন কি কি?

প্রঃ৩ আকস্মিকতাবাদ কি?

প্র ঃ ৪ প্রকৃতিবাদ কি?

প্র ঃ ৫ খালী ঠাই পূৰোৱা ঃ

(ক) চার্বাকৰ মতে জ্ঞানৰ একমাত্র যথার্থ উপাদান হৈছে .....।

(খ) চার্বাক দর্শনৰ আনটো নাম .....।

(গ) 'চাৰু' ৰ অর্থ .....।

প্র ঃ ৬ সত্য নে অসত্য লিখক

(ক) চার্বাক দর্শনক বাৰতীয় দর্শনৰ আস্তিক সম্প্রদায়ত ধৰা হয়।

(খ) 'খোৱা, পিয়া আৰু স্ফুর্ত্তি কৰা' ই হৈছে চার্বাক দর্শনৰ নীতিবিজ্ঞান।

(গ) চার্বাকই পুনৰজনম বিশ্বাস কৰে।

২.৪ অনুমানৰ অগ্রাহ্যকৰণ



চার্বাক সম্প্রদায়ৰ জ্ঞানবিজ্ঞান অনুসৰি প্রত্যক্ষই হৈছে জ্ঞানবিদ্যা বিৰোধৰ এক মাত্র র্বাক জ্ঞানবিদ্যা বিৰোধৰ এক শৃঙ্খলাৰে গঠিত। তেওঁলোকে যথার্থ জ্ঞান লাভৰ উপায় হিচাপে অনুমান আৰু শব্দক অস্বীকাৰ কৰিছে। প্রত্যক্ষ হয় বাহ্যিক পঞ্চ জ্ঞানেন্দ্রিয় আৰু পার্থিৱ বস্তুৰ মাজৰ সম্পর্কজনিত। আভ্যন্তৰীণ প্রত্যক্ষ আকৌ নির্ভৰ কৰে এই বাহ্যিক প্রত্যক্ষৰ ওপৰত। আমাৰ আভ্যন্তৰণী অংগ, মনে বাহ্যিক প্রত্যক্ষৰ দ্বাৰা লাভ কৰা তথ্য বা উপকৰণৰ ওপৰত কাম কৰিব পাৰে। ই বাহ্যিক ইন্দ্রিয়সমূহৰ পৰা স্বতন্ত্র নহয়। প্রত্যক্ষিত বা ধাৰণাসাধ্য জগতখনেই হৈছে একমাত্র সত্য বা বাস্তৱ। ইন্দ্রিয়সমূহৰ দ্বাৰা প্রত্যক্ষ কৰিব পৰা বস্তুসমূহেই একমাত্র সত্য। যিবোৰ বস্তুৰ জ্ঞান প্রত্যক্ষৰ উর্দ্ধত; অর্থাৎ যাক প্রত্যক্ষ কৰিব নোৱাৰি, সেইবোৰ বস্তু সত্য নাইবা বাস্তৱ নহয়। স্বর্গ আৰু নৰক প্রকৃত নহয়, কাৰণ ইয়াক প্রত্যক্ষ কৰিব নোৱাৰি। স্পর্শজনিত অঙ্গৰ দ্বাৰা কোমলতা, কঠিনতা, গৰম, ঠাণ্ডা, খহতা আদিৰ দৰে জ্ঞানসমূহ লাভ কৰিব পাৰি। সোৱাদ জনিত অহ্গৰ দ্বাৰা মিঠা, টেঙা, দুর্গন্ধ, তীক্ষ্ণ আৰু অন্যান্য সোৱাদ পোৱা যায়। ঘ্রাণেন্দ্রিয়ৰ দ্বাৰা সন্তোষজনক বা অসন্তোষজনক গোন্ধবোৰৰ জ্ঞান পোৱা যায়। দৃষ্টি বিষয়ক অহ্গৰ দ্বাৰা মানুহ, পশু, পৃথিৱী, নদ-নদী, গছ-গছনি, পাহাৰ আদিৰ দৰে বস্তুবোৰৰ জ্ঞান পাওঁ। শ্রাব্যজনিত অঙ্গসমূহৰ সহায়ত ভিন্ন প্রকাৰৰ শব্দজ্ঞান লাভ কৰো। প্রত্যক্ষত পোৱা জগতখনেই প্রকৃত বা বাস্তৱ। ই প্রত্যশিত বস্তু আৰু বাস্তৱবাদ আৰু অভিজ্ঞতাবাদক পোষণ কৰিছে। তেওঁলোকে যথার্থ জ্ঞানৰ একমাত্র উপায় হিচাপে প্রত্যক্ষকে স্বীকাৰ কৰিছে।

চার্বাকই যথার্থ জ্ঞানৰ একমাত্র উপয়া হিচাপে অনুমানক অস্বীকাৰ কৰিছে। অনুমানক

কেৱল এন্ধাৰত মৰা এক জাঁপ বুলি কোৱা হয়। ইয়াত আমি জ্ঞাতৰ পৰা অজ্ঞাতলৈ বা জনাব পৰা নজনালৈ গতি কৰোঁ আৰু ইয়াত কোনো নিশ্চয়তা নাথাকে, যদিও কিছুমান অনুমান আকস্মিকভাৱে সত্য হৈ পৰে। প্রত্যক্ষিত দৃষ্ঠান্তৰ জ্ঞেত্রত এটা সাধাৰণ বচন সত্য হ'ব পাৰে, কিন্তু ইয়াত তেনে কোনো নিশ্চয়তা নাথাকে যে ই অপ্রত্যাক্ষিত দৃষ্টান্তৰ 'চক্রক দোষ'ৰে দুষিত। ই কেৱল এক চক্রক যুকিত, যিহেতু ইয়াৰ সিদান্তটো সাধ্য আশ্রয় বচনত নিহিত থকাৰ স্বত্তেও, যাৰ বেধতা প্রমাণিত নহয়। নিগমন অনুমানৰ সাধ্য আস্রয় বচনৰ বৈধতা প্রমাণ কৰিবলৈ আগমন অনুমানৰ সহায় ল'বলগীয়া হয়। কিন্তু আগমন অনুমান আকৌ নিজেই অনিশ্চিত স্বভাৱৰ, কাৰণ, ইও অনিশ্চিতভাৱেই জ্ঞাতৰ পৰা অজ্ঞাতলৈ অগ্রসৰ হয়। অপূর্ণ গণনাভিত্তিক আগমণৰ পৰা সত্য আগমনক পৃথক কৰাৰ উদ্দেশ্যে এই কথা আহুলিয়াব পাৰি যে প্রথমটো অর্থাৎ প্রকৃত বা সত্য আগমন এক কার্য-কাৰণ সম্পর্কৰ ওপৰত প্রতিষ্ঠিত, যাক কোৱা হয় অপৰিবর্ত্তনীয় বা নিয়ত সমন্ব নাইবা ব্যাপ্তি। সেয়ে, ব্যপ্তি হৈছে সকলো অনুমানৰে স্নায়ু। কিন্তু চার্বাক সকলে সহঃ সম্বন্ধৰ এই সার্বিক আৰু নিয়ত সম্পর্কক প্রত্যাহ্বান জনাইছে আৰু ইয়াক কেৱল এক সাধাৰণ অনুমান হিচাপেহে মানি লৈছে। আনক বুজাবলৈ নৈয়ায়িক সকলে তলত দেখুওৱাৰ দৰে পাঁচটা অৱয়ৱযুক্ত এক অনুমান (পৰার্থানুযায়ী)ক বিস্বাস কৰে ঃ

১। পর্বতত জুই আছে

২। কাৰৱণ, পর্বত ধোৱাযুক্ত

৩ য'তে ধোৱা থাকে, ত'তে জুই থাকে

৪। পর্বতত ধোৱা আছে

৫। ∴ পর্বতত জুই আছে।

অনুমান কৰিবৰ বাবে প্রথম তিনিটা নাইবা শেষৰ তিনিটা শাৰীয়েই যথেষ্ঠ। অনুমান নির্ভৰ কৰে হেতুপদ আৰু সাধ্যপদৰ মাজত থকা সার্বিক সহসম্বন্ধ বা ব্যাপ্তিৰ ওপৰত। হেতুপদ, অর্থাৎ ধোঁৱা, এক চিহ্ন বা সংকেত (লিংগ), যিয়ে নির্দেশ কৰে সাধ্যপদ (অর্থাৎ, জুই)ৰ অস্তিত্বক। ই পক্ষ পদ নাইবা অনুমানটোৰে উদ্দেশ্য পদ (যেনে ঃ পাহাৰ)ত উপস্থিত থাকিবই লাগিব। হেতুপদটো সাধ্যপদৰ দ্বাৰা নিয়তভাবে সাহচর্য্য হ'বই লাগিব। হেতু পদ আৰৱু সাধ্যপদৰৰ মাজৰ নিয়ত সম্বন্ধক কোৱা হয় ব্যাপ্তি। ই হ'বই লাগিব। ই কোনো চর্ত নাইবা 'উপাধি' ৰ দ্বাৰা বাধাপ্রাপ্ত হ'বই নোৱাৰে। ব্যপ্তিক প্রত্যক্ষ কৰিব নোৱাৰি, সি বাহ্যিকেই হওক নাইবা আভ্যন্তৰীণেই হওঁক। যেতিয়া কোনো বাহ্যিক বস্তুৰ সৈতে ইন্দ্রিয় সংবেদন ঘটে, তেতিয়া, তাক বাহ্যিক প্রত্যক্ষ বোলা হয়। ইয়াত ভূত, বর্ত্তমান আৰু ভৱিষ্যতৰ সকলো ব্যক্তিৰ সৈতে ইন্দ্রিয়সমূহৰ কোনো ধৰণৰ অর্ন্তসম্বন্ধ নাথাকে। ব্যপ্তি হৈছে সাধ্যপদৰ সকলো ক্ষেত্রৰ সৈতে হেতুপদৰ সকলো ক্ষেত্রৰে এক নিয়ত সহচর্য্য সম্বন্ধ। কিন্তু হেতুপদ আৰু সাধ্যপদৰ সকলো দৃষ্টান্তকে বাহ্যিক ইন্দ্রিয় সমূহৰ পৰা স্বতন্ত্র নহয়। ইয়াক কেৱল বাহ্যিক প্রত্যক্ষৰ দ্বাৰা সংগ্রহ কৰা তথ্যৰৰ দ্বাৰাহে ব্যাখ্যা কৰিব পৰা যায়। ব্যপ্তি 'ধোৱা' আৰু 'জুই' - এই দুটা শ্রেণীৰ মাজৰ নিয়ত সহচর্য্য সমন্ধৰ জ্ঞান প্রত্যক্ষৰ দ্বাৰা ব্যপ্তিক জনা যায়, কিন্তু সিহঁতৰ শ্রেণী বৈশিষ্ট্যসমূহৰ মাজৰ নিয়ত সহচর্য্য

সম্বন্ধ স্থাপন কৰিব নোৱাৰে। আনকি, ব্যপ্তিক অনুমানৰ দ্বাৰাও জানিব নোৱাৰি, যিহেতু ই অসীম পশ্চাদ গতিলৈ যায়। এটা ব্যাপ্তিক অনুমানৰ দ্বাৰ জানিব পাৰি, যি আকৌ আন এটা ব্যপ্তিৰ ওপৰত নির্ভৰশীল। সেই ব্যপ্তিক আকৌ আন এটা অনুমানৰ দ্বাৰা জানিব পৰা যায় আৰু এনেদৰেই ই অসীমতালৈ অগ্রসৰ হৈ পৰে আৰু ফলত এইদৰে পিছু�ৱাই গৈ গৈ 'অনাৱস্থাদোষত পৰিণত হয়। ব্যপ্তি সম্বন্ধৰ জ্ঞান 'শব্দ'ৰ দ্বাৰাও পাব নোৱাৰি, কিয়নো ইও অনুমানৰ মাজতে নিহিত থাকে ই নাথাকে, তেন্তে ই কোনো বিশ্বাসযোগ্য ব্যক্তিৰ বাক্যৰ ওপৰত নির্ভৰ কৰিব। শব্দ বা আপ্তবাক্যবোৰ তেওঁলোকৰ বাণীবোৰৰ অর্থ। সেয়ে, ব্যাপ্তিক শব্দ বা আপ্তবাক্যৰ দ্বাৰাও জানিব পৰা নাযায়, যি অন্য এক সার্বিক সাহচর্য সম্বন্ধৰ জ্ঞানৰ ওপৰত নির্ভৰশীল। ইয়াত যুক্তিৰ এক চক্র মিলিত হৈ থাকে। কোনো এজন ব্যক্তিৰ বাক্য অতীত, বর্তমান আৰু ভৱিষ্যৎৰ সকলো সময়তে বিশ্বাসযোগ্য হয় নে নহয়, তাক প্রত্যক্ষ কৰিব নোৱাৰি, অনুমানহে মাত্র কৰিব পাৰি। অনুমান যিহেতু নিশ্চিত স্বভাৱৰ নহয়, সেয়ে অনুমানৰ ওপৰত নির্ভৰ কৰি পোৱা শ্বদ জ্ঞানো নিশ্চিত স্বভাৱৰ নহয়। অর্থাৎ শব্দয়ো ব্যপ্তিসম্বন্ধৰ নিশ্চিত জ্ঞান প্রদান কৰিব নোৱাৰে। আনকি ব্যাপ্তিক 'উপমান'ৰ দ্বাৰাও জানিব নোৱাৰি, কিয়নো ই শব্দ আৰু তাৰ দ্বাৰা সূচোৱা বস্তু নাইবা ব্যক্তিৰ মাজৰ সার্বিক সম্বন্ধৰ ওপৰত নির্ভৰ কৰে। উপমান হৈছে এটা বস্তু (যেনে গমব)ৰ জ্ঞান, যাক নির্দেশ কৰা হয় এজন বন সংৰক্ষকৰ বক্তব্য (যেনে গবয় গৰুৰ নিচিনা) ৰ দ্বাৰা। সেয়ে, ই নির্ভৰ কৰে শব্দ আৰু ইয়াৰ অর্থৰ মাজৰ নিয়ত সাহচর্য্য সম্বন্ধৰ ওপৰত। সেয়ে, ব্যপ্তিক উপমানৰ দ্বাৰাও জানিব নোৱাৰি। মুঠতে ইয়াক প্রত্যক্ষ, অনুমান, শব্দ আৰু উপমানৰ দ্বাৰ জানিব নোৱাৰি। অনুমান সম্ভৱ নহয়, যিহেতু ব্যপ্তি, যি ইয়াৰ মূল ভিত্তি, তাক জানিব নোৱাৰি।

ব্যাপ্তি হৈছে সকলো চর্ত বা 'উপাধি'ৰ পৰা মুক্ত ব্যাপ্ত আৰু ব্যাপকৰ মাজৰ নিয়ত সাহচর্য্য বা সার্বিক সম্বন্ধ। চর্ত হৈছে সি, যিয়ে ব্যাপ্যৰ লগত নিয়ত ভাৱে সংগত হৈ নাথাকে, কিন্তু ব্যাপকৰ সৈতে নিয়ত সম্বন্ধযুক্ত হৈ থাকে। সকলো চর্তৰ অনুপস্থিতি, যিয়ে অনুমানক বিনষ্ট কৰে, তাক কেতিয়াও জানিব পৰা নাযায়। সকলো চর্ত (উপাধি)ক প্রত্যক্ষ কৰিব নোৱাৰি। সকলো চর্তৰ অনুপস্থিতিক অ-প্রত্যক্ষৰ দ্বাৰা জানিব নোৱাৰি যদিহে সিহঁতক অনুমান, শব্দ নাইবা উপমানৰ দ্বাৰ জানিব পৰা যায়, তেন্তে একে জটিলতাই দেকা দিব। আগলৈ, এটা চর্তৰ জ্ঞানে ইয়াৰ অনুপস্থিতিৰ জ্ঞানতকৈ অধিক গুৰুত্বপূর্ণ হৈ পৰিবই। হেতুপদ আৰু সাধ্য পদৰ মাজৰ নিয়ত সাহচর্য সম্বন্ধৰ জ্ঞান নির্ভৰ কৰে চর্তবোৰৰ অনুপস্থিতিৰ জ্ঞানৰ ওপৰত। এইদৰেই ইয়াত এক বৃত্তাকাৰ ৰূপত যুক্তিৰ উদ্ভৱ হয়। অনুমানৰ ভিত্তি, অর্থাৎ, ব্যাপ্তিক কেতিয়াও জানিব পৰা নাযায়। সেয়ে অনুমান সম্ভৱ নহয়।

ব্যাপ্তি একৰূপ আৰু অ-বিৰোধী প্রত্যক্ষৰ ওপৰত নির্ভৰশীল বুলি কোৱা হয়। ই হৈছে একপ্রকাৰৰ গণনামূলক আগমন, যি অপূর্ণ গণনাৰ ওপৰত নির্ভৰশীল। অসংখ্য নির্দ্দিষ্ট মুহূর্ততত ব্যাপ্য (যেনে- ধোৱা) আৰু ব্যাপক (যেনে জুই)ৰ সাহচর্য্য সম্পর্কৰ নিৰীক্ষণৰ ওপৰত ই নির্ভৰশীল। কিন্তু, যদিও অতীতত অসংখ্য নির্দ্দিষ্ট মুহূর্ত্তত সিঙঁত ইটোৰ লগত সিটো সংলগ্ন

হৈ থাকে, তথাপিও ভবিষ্যতে সিহঁত ইটোৰ লগত সিটো সংলগ্ন হৈ নাথাকিও পাৰে। ইহঁতৰ মাজত নিয়ত সাহচর্য্য সম্বন্ধ ভৱিষ্যতে নিৰীক্ষণ কৰিব পাৰিলে, ই হয়তো ব্যতিক্রম হ'ব। কোনো ধৰণৰ অনিবার্য্য সম্পর্ক ইহঁতৰ মাজত স্থাপন কৰিব নোৱাৰি। ধোৱা আৰু জুইৰ মাজত থকা নিয়ত সাহচর্য্য সম্বন্ধটো সকলো সময়ত, সকলো স্থানত আৰু সকলো পাৰিপার্শ্বিক অৱস্থাত কেতিয়াও জানিব পৰা নাযায়। সমগ্র জগতত সকলো স্থান আৰু সকলো সময়তে যদি ধোঁৱা আৰু জুইৰ সকলো দৃষ্টান্তক প্রত্যক্ষ কৰা নহয়, তেতিয়া এই সন্দেহে দেখা দিব যে জুইৰ অবিহনেও ধোৱাৰ অস্তিত্ব থাকিব পাৰে। আনকি সিহঁতৰ উপস্থিতিক জানিব পৰা যায় সিহঁতৰ সহাৱস্থানৰ অসংখ্য দৃষ্টান্তৰ নিৰীক্ষণৰ দ্বাৰা, কিন্তু সিহঁতৰ অনুপস্থিতিক সিহঁতৰ সহাৱস্থানৰ অসংখ্য দৃষ্টান্তৰ নিৰীক্ষণৰ দ্বাৰা কেতিয়াও জানিব পৰা নাযায়। এই কথা নিৰীক্ষণ কৰাটো অসম্ভৱ যে জুইৰ অনুপস্থিতিৰ সকলো ক্ষেত্রই ধোঁৱাৰ অনুপস্থিতিৰ ক্ষেত্রকো নিৰ্দ্দেশ কৰিব। জগতত জুইৰ বাহিৰে সকলো বস্তুৱেই অ-জলন্ত। সকলো অ-জলন্ত বস্তুত ধোঁৱাৰ অ-অস্তিত্বক কেতিয়াও প্রত্যক্ষ কৰিব নোৱাৰি। এইদৰেই সাধ্য পদৰ সৈতে পক্ষপদৰ সাধিক সাহচর্য্য সম্বন্ধক কেতিয়াও জানিব পৰা নাযায়, যিহেতু ভূত বর্তমান ভবিষ্যতত সমগ্র জগতত সিহঁতৰ উপস্থিতি আৰু অনুপস্থিতিক কেতিয়া নিৰিক্ষণ কৰিব নোৱাৰি। সিহঁতৰ শ্রেণী বৈশিষ্ট্যৰ দ্বাৰাও সিহঁতৰ মাজৰ সার্বিক সাহচার্য সম্বন্ধক জানিব নোৱাৰি, কাৰণ ইয়াত কোনো স্রেণী বৈশিষ্ট্য নাইবা সার্বিকতা নাথাকে। সেয়ে, ব্যাপ্তি যি অনুমানৰ এক ভিত্তি, তাক কেতিয়াও জানিব নোৱাৰি। বিভিন্ন সময়, স্থান আৰু অৱস্থাজনিত অসীম চাৰিত্রিক বৈশিষ্ট্যৰ সৈতে ব্যাপ্য আৰু ব্যাপকৰ সকলো বিশেষ দৃষ্টান্তৰ মাজতো ব্যাপ্তি অস্তিত্বশীল হ'ব নোৱাৰে। ব্যাপ্তি অসিত্তত্বশীলো নহয় নাইবা তাক জানিবও নোৱাৰি। সেইবাবে, অনুমান সম্ভৱ নহয়। ই কেতিয়াও বৈধ হ'ব নোৱাৰে।

চার্বাকসকলে কার্যকাৰণতা আৰু ইয়াৰ সার্বিককতাক বিস্বাস নকৰে। তেওঁলোকৰ মতে কার্য্য আৰু কাৰণৰ মাজত কোনো অনিবার্য সম্পর্ক নাথাকে। এটা পূর্ববর্তী আৰু এটা অনুবর্তীৰ মাজত কেৱল আকস্মিক সংযোগহে থাকে। এই দুই ঘটনা পৰিলক্ষিত হয় আৰু সেয়ে ই আমাৰ মনত আসাৰ উদ্ভৱ কৰে যে সিহঁত সদায় একেলগেই আহে। কিন্তু সিহঁতৰ সহ উপস্থিতিৰ বিষয়ে কোনো নিশ্চয়তা নাথাকে। এটা পূর্ববর্তী আৰু এটা অনুবর্তীৰ আকস্মিক সংযোগে ব্যাপ্তিক নিশ্চিত কৰিব নোৱাৰে, যি অনুমানৰ মূল ভিত্তি।

প্রত্যক্ষই হৈছে বৈধ জ্ঞান লাভৰ একমাত্র উপায়। যিবোৰ বস্তুক প্রত্যক্ষ কৰিব পাৰি, তাৰেই অস্তিত্ব আছে। অ-প্রত্যশিত কোনো উপাদানৰেই অস্তিত্ব নাই। যদিহে অ-প্রত্যক্ষিত বস্তুবোৰক অস্তিত্বশীল বুলি ধৰা হয়, তেতিয়া আনকি কাল্পনিক বস্তুবোৰবো অস্তিত্ব থাকিব আৰু তেতিয়া দৰিদ্র লোকসকলে কাল্পনিক সম্পদেৰে তেওঁলোকৰ দাৰিদ্রতা নিবাৰণ কৰিব পাৰিব, ভৃওসকলে নিজকে ধনী হোৱাৰ কল্পনাৰে মালিক হ'ব পাৰিব আৰু সকলোৱে কাল্পনিক বস্তুৰ দ্বাৰাই নিজস্ব ইচ্ছা পূর্ণ কৰিব পাৰিব। প্রত্যক্ষ কৰিব পৰা বস্তু আৰু কাল্পনিক বস্তুৰ মাজৰ পার্থক্যও নাইকীয়া হৈ পৰিব। সেয়ে, ব্যৱহাৰিক জীৱনো ধ্বংস হৈ পৰিব, যি প্রত্যক্ষিত বস্তু আৰু কাল্পনিক বস্তুৰ মাজৰ পার্থক্য ওপৰত নির্ভৰশীল। সেয়েহে অ-প্রত্যশিত বস্তুৰ কোনো

অস্তিত্ব নাথাকে। প্রত্যক্ষিত জগত বা ইন্দ্রিয়গ্রাহ্য জগতখন ইন্দ্রি.গ্রাহ্য বস্তু আৰু গুণাৱলী হিচাপে অস্তিত্বশীল।

কিন্তু সমালোচকসকলে যুক্তি দর্শাইছে যে, প্রত্যক্ষৰ বৈধতা স্বীকাৰ কৰাটো, আৰু একেটা সময়ত আৰু একে দৃষ্টিকোণৰ পৰা অনুমানক অস্বকীৰ কৰাটো হৈছে এক চিন্তাবিহীন স্বতঃ বিৰোধ। চার্বাকৰ ৰুক্ষ অৱস্থিতিক ভাৱতীয় দর্শনৰ সকলো সম্প্রদায়ে তীব্রভাৱে সমালোচনা কৰিছে, যিবোৰৰ সকলোৱেই কমেও প্রত্যক্ষ আৰু অনুমানক মানি চলিছে। অভিজ্ঞতালব্দ দৃষ্টিকোনৰ ফালৰ পৰা অনুমানৰ বৈধতা অস্বীকাৰ কৰাটো হৈছে চিন্তা আৰু আলোচনা কৰিবলৈ অস্বীকাৰ কৰা। সকলো চিন্তা, সকলো আলোচনা, সকলো মতবাদ, সকলো স্বীকাৰকৰণ আৰু অস্বীকাৰকৰণ, সকলো সত্য-প্রমাণ আৰু অসত্য প্রমাণ সম্ভৱ হয় কেৱল অনুমানৰ দ্বাৰা। চার্বাকৰ মত, অর্থাৎ প্রত্যক্ষ বৈধ আৰু অনুমান অবৈধ, ইও নিজে এক অনুমানৰেই ফল। চিন্তা আৰু ধাৰণাসমূহ পার্থিব বস্তু নহয়, ইয়াক কেতিয়াও প্রত্যক্ষ কৰিব নোৱাৰি, ইয়াক কেৱল অনুমানহে কৰিব পাৰি। সেয়ে, আপুনা-আপুনি মিছা প্রমাণিত হোৱা চার্বাকৰ অৱস্থিতিক কোৱা হয় সম্পূর্ণ অন্তঃসাৰশূন্য আৰু দর্শনৰ কোনো সম্পৰদায়েই নহয়। প্রত্যক্ষ নিজেও প্রায়ে অসত্য হোৱা দেকাায়, যাক চার্বাকসকলে বৈধ ৰূপে গ্রহণ কৰিছে। আমি পৃথিৱীখনক চেপেটা দেখা পাওঁ, কিন্তু প্রকৃততে ইয়াৰ আকৃতি গোলাকাৰ। আমি পৃথিৱীখনক স্থিৰ হিচাপে প্রত্যক্ষ কৰোঁ, কিন্তু ই সূর্য্যৰ চাৰিওফালে ঘূৰি থাকে। আমি সূর্যটোক সৰু দেখা পাওঁ, কিন্তু ই পৃথিৱীতকৈ বহু গুণে ডাঙৰ। এনে দৰণৰ প্রত্যক্ষলব্ধ জ্ঞান অনুমানৰ দ্বাৰা বিৰোধাত্মক হৈ পৰে। ইয়াৰোপৰি, কেৱল সংবদেনৰ অর্থত বিসুদ্ধ প্রত্যক্ষকো জ্ঞানৰ এক উপায় হিচাপে গ্রহণ কৰিব নোৱাৰি, যদিহে দাৰণা নাইবা চিন্তাসমূহক শৃংখলাবদ্ধ কৰা নহয় আৰু অভিজ্ঞতালব্ধ উপাওসমূহক অর্ত আৰু তাৎপর্য প্রদান কৰা নহয়।

২.৫ বেদৰ প্রামাণ্যতাৰ অগ্রাহ্যকৰণ

চার্বাকসকলে বেদৰ বৈধতাক অস্বীকাৰ কৰিছে, কিয়নো ই মিথ্যা, বিৰোধীতা আৰু স্বতঃসিদ্ধৰ দ্বাৰা বিনষ্ট হৈছে। ই বৈধ জ্ঞানৰ উপায় হিচাপে প্রমাণিত হ'বলৈ অসামার্থ্য। ই মিথ্যা, কাৰণ ইয়াৰ দ্বাৰা যিবোৰ তথ্য বা বক্তব্য আগবঢ়োৱা হয়, সেইবোৰ অসত্য। ই বিৰোধাত্মক, কাৰণ ই বক্তব্য আগবঢ়ায়, যিবোৰ এটা আনটোৰ বিৰোধী। ই স্বতঃ সত্য, কাৰণ ই একেটা বক্তব্য বহুবাৰ পুনৰাবৃত্তি কৰে। বৈদিক শব্দ বা আপ্তবাক্যসমূহে সদৰী কৰে যে "যিয়ে পুত্র লাভৰ আকাংক্ষা কৰে, তেওঁ পুত্রী বলি দিব লাগিব।" কিন্তু আমি বাস্তৱত দেখা পাওঁ যে, সেই বলি বিধান কৰাৰ পাছতো কিন্তু পুত্র জন্ম নহয়। এই আপ্তবাক্য অসত্য। সেয়ে, জ্ঞানৰ উপায় হিচাপে বেদসমূহৰ কোনো বৈধত্য নাথাকে। চাৰি বেদ হৈছে ঠগ, প্রবঞ্চক আৰু দস্যুবোৰৰ সৃষ্টি। ইয়াৰ আদেশ বা নির্দেশসমূহ অর্থহীন অবোধ্য ভাষা। বেদৰ দ্বাৰা উপভোগ কৰা ধর্মীয় ৰীতি-নীতি আৰু অনুষ্ঠানসমূহ হৈছে ধুর্ত্ত ব্রাহ্মণসকলৰ সৃষ্টি, যিসকলে নিজৰ জীৱিকা নির্বাহৰ বাবে আন

জাতিৰ লোকসকলক ঠগে। ই বুদ্ধিমত্তাৰহিত আৰু সিহঁতে সৎ উপায়েৰে সিহঁতৰ জীৱিকা উপার্জন নকৰে। বেদসমূহ হৈছে কেৱল প্ৰৱঞ্চকসকলৰ বিক্ষিপ্ত পৰিকল্পনা। তেওঁলোকৰ দ্বাৰা উদ্‌যাপন কৰা ধৰ্মীয় ৰীতি-নীতিসমূহক তেওঁলোকৰ জীৱিকা নির্বাহৰ উপায় হিচাপে পৰিগণিত কৰাত প্ৰয়াস কৰে। ধৰ্ম হৈছে পুৰোহিত চতুৰালি। যদি এজন পশুতুল্য মানুহে উৰ্চগাৰ নামত হত্যা কৰি স্বৰ্গলৈ গতি কৰিব পাৰে, তেন্তে কিয় এজন মানুহে তেওঁৰ নিজৰ পিতৃক বলিদান নিদিয়ে? যদিহে শ্ৰাদ্ধ-ক্ৰিয়াত আগবঢ়োৱা খাদ্যই পৰলোকগামী আত্মাৰ ক্ষুদ্ধা পৰিতৃপ্ত কৰে, তেন্তে ভ্ৰমণত যোৱা ভ্ৰমণকাৰীসকলক খাদ্যৰ যোগান ধৰাৰ কি প্ৰয়োজন আছে। তেওঁলোকৰ বোক ঘৰতে আগবঢ়োৱা খাদ্যৰেই নিবাৰণ হ'ব পাৰে। যদিহে, শৰীৰৰ পৰা ওলোৱা আত্মাই বেলেগ জগতলৈ যায়, তেন্তে কিয় ভালপোৱাজনৰ বাবে সি আকৌ এই জগতলৈ উবতি নাহে? যেতিয়া আমাৰ শৰীৰটো এবাৰ জ্বলি ছাই হৈ যায়, তেন্তে ই কেনেকৈ পুনৰ ঘুৰি আহিব পাৰে? আত্মা শৰীৰৰ অনুৰূপ। ধৰ্মীয় ৰীতি-নীতিসমূহ ছদ্মবেশী প্ৰৱঞ্চকসকলৰ জীৱিকা নির্বাহৰ সৃষ্টি মাথোন।

চার্বাকৰ বেদৰ কর্তৃপক্ষ বা আনুগত্য অস্বীকাৰক তলৰ ভিত্তিসমূহত সমালোচনা কৰিব পৰা যায়। বেদ নির্ভৰযোগ্য বা বিস্বাসযোগ্য, কাৰণ এইবোৰ মহান মনীষিসকলৰ দ্বাৰা সত্য ৰূপে গৃহীত, যিসকলে বৈদিক উৎসর্গমূলক কার্য্য আন্তৰিকতাৰে অনুশীলন কৰে। ফাঁকি, বিধৰ্মীৰ সৈতে সহযোগীতা অভ্যাস, জীৱিকাৰ ইচ্ছা আৰু সু-স্বাদু খাদ্য আৰু পানীয়ৰ বাবে অসাবধান প্ৰবণতাৰ হেতু হোৱা মিছা বিবাদৰ বাবে হেপাঁহৰ দৰে দুৰাচাৰী কাৰণবোৰৰ পৰা আঁতৰত থাকে।, যদিও সেইবোৰ ধৰ্মশাস্ত্ৰ দ্বাৰা সম্মতিপ্ৰাপ্ত নাইবা নিষিদ্ধ। বেদসমূহ চতুৰ পুৰোহিতসকলৰ জীৱিকা নির্বাহৰ বাবে সৃষ্টি নহয়।ব্ৰাহ্মণসকল সকলোধৰণৰ স্ফুর্তিৰ ক্ষেত্ৰত অনিচ্ছুক আছিল আৰু তেওঁলোকে নিজৰ ওপৰত কঠিন ধার্মিক অনুতাপ জাপি লৈছিল, তেওঁলোক অতি উচ্চ জ্ঞানৰ অধিকাৰী হৈও আন মানুহক প্ৰৱঞ্চনা কৰিবৰ বাবে বেদসমূহ ৰচনা কৰা নাছিল। বেদসমূহক বৈধৰূপে স্বীকাৰ কৰিবই লাগিব, কাৰণ বেদসমূহক মহান মনীষিসকলে বৈধৰূপে মানি লৈছিল। চার্বাক দর্শনক কেৱল আস্তিক সম্প্রদায়ৰ দ্বাৰাই নহয় বৌদ্ধ আৰু জৈন সম্প্রদায়ৰ দ্বাৰাও বাৰুকৈ সমালোচিত হৈছে।

অগ্রগতি নিৰীক্ষণ

প্ৰ ঃ ৮ প্রত্যক্ষ কেইপ্রকাৰৰ?

.....

প্রঃ ৮ ব্যাপ্তি কি?

.....

প্রঃ ৯ চার্বাকই কিয় কার্য-কাৰণবাদ বিশ্বাস নকৰে?

.....

প্রঃ ১০ চার্বাকৰৰ জ্ঞানমীমাংস কি?

.....

প্র ঃ ১১ খালি ঠাই পূৰণ কৰক ঃ

(ক) অনুমানক কেৱল ..... মৰা এক জাপ বুলি কোৱা হয়।

(খ) নিগমন অনুমান ..... দোষেৰে দুষিত হয়।

(গ) ব্যাপ্তি মধ্যপদ আৰু ..... পদৰ মাজৰ সম্পর্ক।

প্রঃ ১২ সত্য নে অসত্য লিখক

(ক) চার্বাকই বেদনৰ অনুগত্যক বিশ্বাস কৰে।

(খ) অনুমান ব্যাপ্তিৰ ওপৰত প্রতিষ্ঠিত।

(গ) চার্বাকৰ মতে ব্যপ্তিক প্রত্যক্ষৰ দ্বাৰা জানিব নোৱাৰি।



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চার্বাক জ্ঞানমীমাংসা এক মতবাদ, যাৰ মতে 'প্রত্যক্ষ'ই হৈছে বৈধ জ্ঞান লাভৰ একমাত্র উপায়। তেওঁলোকে অনুমান আৰু শব্দ বা আপ্তবাক্যক বৈধ জ্ঞানৰ উপায় হিচাপে অস্বীকাৰ কৰিছে।
- চার্বাক ক্ষিতি, অপ, তেজ আৰু বায়ু - এই চাৰিটা উপাদানক স্বীকাৰ কৰিছে। চার্বাক দর্শনে 'ব্যোস' বা আকাশক অস্বীকাৰ কৰিছে।
- চার্বাক দর্শন লোকায়ত দর্শন হিচাপেও জনাজাত।
- ব্যপ্তি হৈছে মধ্যপদ বা সাধনা আৰু সাধ্যপদ বা 'সাধ্য'ৰ মাজত থকা এক নিয়ত সহচর্য সম্বন্ধ। ই অনুমানৰ ভিত্তি।
- চার্বাকই কার্য কাৰণবাদ আৰু ইয়াৰ সার্বিকতা বিস্বাস নকৰে। তেওঁলোকৰ মতে কার্য আৰু কাৰণৰ মাজত কোনোধৰণৰৰ অনিবার্য সম্বন্ধ নাথাকে।
- চার্বাকই বেদৰ প্রামাণ্যতাক বিশ্বাস নকৰে.
- চার্বাকক ভাৰতীয় দর্শনৰ অন্তর্গত নাস্তিক সম্প্রদায়ৰ শ্রেণীত ধৰা হৈছে। ইয়াক হিন্দু পৰম্পৰাত এক নাস্তিক সম্প্রদায়ৰ উদাহৰণ হিচাপে ধৰা যায়।
- চার্বাকৰ মতে কোনো ঈশ্বৰ নাই, কোনো পুর্নজনম, কোনো কর্ম, কোনা পুৰস্কাৰ, কোনো পাপ-পূর্ণ নাথাকে।
- 'খোৱা, পিয়া আৰু স্ফুর্ত্তি কৰা' ই হৈছে বিশ্বাসী।

২.৭ অগ্রগতিৰ খতিয়ান

উঃ ১ 'চার্বাক' শব্দৰ ব্যুৎপত্তিগত অর্থ হৈছে 'সুমধুৰ বাক'।

উঃ ২ চার্বাক দর্শনৰ দ্বাৰা স্বীকৃত চাৰিটা উপাদান হৈছে ক্ষিতি, অপ, তেজ আৰু বায়ু।

উঃ৩ আকস্মিকতাবাদৰ মতে কার্যসমূহ নির্দিষ্ট কাৰণৰ ওপৰত নির্ভৰ নকৰাকৈয়ে যিকোনো সময়ত উৎপন্ন হয়। এটা কার্য কোনো কাৰণৰ ওপৰত নির্ভৰশীল নহয়, কিন্তু ই হঠাৎ আৱির্ভাৰ হয়। আকস্মিকতাবাদ এটা ঘটনাৰ নিৰবিচ্ছিন্ন উৎপাদনত বিশ্বাসী। ইয়াৰ যিকোনো অ-অস্তিত্বশীল পূর্ববতী আৰু অস্তিত্বশীল অনুবর্তী থাকে।

উঃ ৪ প্রকৃতিবাদে বিভিন্ন বস্তুত নিহিত থকা প্রাকৃতিক বা স্বাভাৱিক শক্তিক বুজায়। জুইৰ

এক প্রাকৃতিক দহন শক্তি আছে। পানীৰ তললৈ বৈ যোৱাৰ এক স্বাভাৱিক শক্তি আছে। প্রকৃতিবাদে মত প্রকাশ কৰে যে সকলো কার্য সিহঁতৰ স্বভাৱৰ দ্বাৰাই উৎপন্ন হয়, আৰু সেইবোৰ ইচ্ছাকৃত ভাৱে সৃষ্টি হ'ব নোৱাৰে। কাঁইটৰ ধাৰ, আৰু পশু-পক্ষীৰ ভিন্ন বৰণ সিহঁতৰ প্রকৃতিগত স্বৱাৱৰৰ বাবেই হয়।

উঃ ৫ (ক) প্রতক্ষ্য

(খ) লোকায়ত

(গ) মধুৰ

উঃ ৬ (ক) অসত্য

(খ) সত্য

(গ) অসত্য

উঃ ৭ প্রত্যক্ষ দুই প্রকাৰৰ - বাহিক্য প্রত্যক্ষ আৰু আভ্যন্তৰীণ প্রত্যক্ষ।

উঃ ৮ ব্যাপ্তি হৈছে মধ্যপদ আৰু সাধ্যপদৰ মাজত থকা নিয়ত সাহচর্য সম্বন্ধ। ই সকলো অনুমানৰেই ভিত্তি।

উঃ ৯ চার্বাকই কার্য কাৰণবাদ আৰু ইয়াৰ সার্বিকতাক বিশ্বাস নকৰে। তেওঁলোকৰ কোনো ধৰণৰ অনিবার্য সম্বন্ধ নাথাকে। ইয়াত এটা পূর্বৱর্তী আৰু এটা অনুবর্তীৰ মাজত কেৱল আকস্মিক সংযোগহে থাকে। এই দুটা ঘটনাক একেলগে অসংখ্য ক্ষেত্রত দেখা পোৱা যায়; এক আসাৰ উৎপন্ন কৰে যে, সিহঁত সদায় একেলগেই গতি কৰে। কিন্তু সিঙঁতৰ সহ-উপস্থিতিৰ বিষয়ে কোনো নিশ্চয়তা নাথাকে।

উঃ ১০ চার্বাক জ্ঞান-মীমাংসা হৈছে এক মতবাদ যি মতবাদ অনুসৰি প্রত্যক্ষই হৈছে যথার্থ জ্ঞান লাভৰ একমাত্র উপায়। চার্বাক জ্ঞান মীমাংসা নেতিবাচকৰ এক শৃংখলাৰে গঠিত। তেওঁলোকে অনুমান আৰু শব্দ বা আপ্তবাক্যক যথার্থ জ্ঞানার্জনৰ উপায় হিচাপে অস্বীকাৰ কৰিছে।

উঃ ১১ (ক) এন্ধাৰ

(খ) চক্রক-দোষ

(গ) সাধ্য পদ

উঃ ১২ (ক) অসত্য

(খ) সত্য

(গ) সত্য



২.৮ আৰ্হি প্রশ্ন

প্রঃ ১ বস্তুধর্মী প্রশ্ন

(ক) 'চার্বাক দর্শন'ৰ আন এটা নাম কি?

(খ) কোনটো মতবাদৰ মতে 'খোৱা, পিন্ধা আৰু স্ফুর্তি কৰা' ই নীতিবিজ্ঞান।

(গ) চার্বাকই বেদৰ প্রামাণ্য স্বীকাৰ কৰিছেনে?

প্রঃ ২ চমু প্রশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(ক) শব্দ বা আপ্ত বাক্য কি?

(খ) 'পৰাৰর্থনুমান' বুলিলে কি বুজে?

(গ) 'ব্যাপ্তি' কি?

প্রঃ৩ ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(ক) চার্বাকই বেদৰ প্রামাণ্য বিশ্বাস কৰা নাই কিয়? কাৰণ দর্শোৱা।

(খ) চার্বাকই কিয় অনুমানক যথার্থ জ্ঞানাজর্নৰ উপায় হিচাপে অস্বীকাৰ কৰিছে।

(গ) কার্য কাৰণবাদৰ ক্ষেত্রত চার্বাকসকলৰ মতামত আলোচনা কৰক।

(ঘ) চার্বাক সকলৰ জ্ঞান মীমাংসা আলোচনা কৰক।

অধ্যায় ৩ ঃ বৌদ্ধ দর্শন ঃ চাৰিটা আর্যসত্য

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭২ পৰিচয়

৭৩ বুদ্ধ দর্শনৰ সংক্ষিপ্ত বিৱৰণ

৭.৪ চাৰিটা আর্যসত্যৰ ধাৰণা

৭.৫ দুখ আছে

৭.৬ দুখৰ কাৰণ আছে

৭.৬.১ প্রতীত্যসমূৎপাদবাদ

৭.৭ দুখৰ নিবৃত্তি আছে

৭.৭.১ নির্বাণৰ ধাৰণা

৭.৮ দুখ নিবৃত্তিৰ উপায়

৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১০ অধিক জানিবলৈ

৭.১১ অগ্রগতিৰ খতিয়ান

৭.১২ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বুদ্ধ দর্শনৰ ব্যাখ্যা আগবঢ়াব পাৰিব,
- বুদ্ধ দর্শনৰ চাৰিটা মহৎ বা আর্যসত্যৰ বিশ্লেষণ কৰিব পাৰিব,
- নির্বাণৰ বিষয়ে বর্ণনা কৰিব পাৰিব,
- নির্বাণৰ অষ্টাংগ মার্গৰ বিৱৰণ আগবঢ়াব পাৰিব।

৩.২ পৰিচয়


এই অধ্যায়ত বুদ্ধ দর্শনৰ চাৰিটা আর্যসত্যৰ পৰিচয় দিয়া হৈছে। বুদ্ধৰ প্রধান শিক্ষাসমূহ এই অধ্যায়তে আলোচনা কৰা হৈছে। চাৰিটা আর্যসত্যৰ ভিতৰত তেওঁৰ শিক্ষাসমূহ অন্তর্ভুক্ত। সেইসমূহ হ'ল — (ক) এইটো সত্য যে দুখ আছে, (খ) দুখৰ এটা কাৰণ আছে, (গ) দুখৰ নিবৃত্তি আছে আৰু (ঘ) দুখৰ নিবৃত্তিৰ উপায় আছে। বুদ্ধৰ শিক্ষাৰ প্রধান উদ্দেশ্য হৈছে সম্পূর্ণভাৱে দুখৰ অৱসান ঘটোৱাটো। তেওঁৰ মতে, এই পৃথিৱীতে নির্বাণ লাভ কৰিব পৰা যায়। এইটো এটা পৰম

বৌদ্ধ দর্শন ঃ চাৰিটা আর্যসত্য

শান্তি আৰু পৰম জ্ঞানৰ অৱস্থা। শুদ্ধ আচৰণ, সমাধি আৰু অন্তর্জ্ঞানৰ অষ্টাংগ মার্গে হ'ল নির্বাণত অৱতীর্ণ হোৱাৰ উপায়। এইসমূহে অজ্ঞানতা আৰু কামনা বাসনা দুৰ কৰে, মনত জ্ঞান প্রদান কৰে আৰু পূর্ণ স্থিৰতা আৰু শান্তি বহন কৰে।

৩.৩ বুদ্ধ দর্শনৰ সংক্ষিপ্ত বিৱৰণ

ভাৰতীয় দর্শন দুটা প্রধান শ্রেণীত ভাগ কৰা হৈছে। সেইকেইটা হ'ল— গোড়া মতাৱলম্বী বা আস্তিক আৰু গোড়া মতৰ বিৰোধী বা নাস্তিক সম্প্রদায়। আস্তিক সম্প্রদায়সমূহ আকৌ আন ছটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা হ'ল— মীমাংসা, বেদান্ত, সাংখ্য, যোগ, ন্যায়, বৈশেষিক। ঠিক সেইদৰে নাস্তিক সম্প্রদায়সমূহৰো আন তিনিটা ভাগ আছে। সেইকেইটা হ'ল— চার্বাক, বুদ্ধ আৰু জৈন। এই শ্রেণীসমূহ তলত উল্লেখ কৰা ধৰণেৰে দেখুৱাব পাৰি।



তেনেহ'লে দেখা যায় যে বুদ্ধ দর্শন নাস্তিক সম্প্রদায়ৰ অন্তর্ভুক্ত। বুদ্ধ দর্শনৰ প্রতিষ্ঠাতা হ'ল গৌতম বুদ্ধ। শৈশৱ কালৰে পৰা বুদ্ধই মানৱ জীৱনৰ দুখ কষ্ট সমূহ যেনে— বেমাৰ, বৃদ্ধ বয়স, মৃত্যু আদি দেখি খুব বেজাৰ পাইছিল। সেয়ে তেওঁ এই দুখ কষ্টৰ কাৰণ বিচাৰি আৰু সেইসমূহ নাইকীয়া কৰাৰ উপায় বিচাৰি ওলায় যায়। অৱশেষত তেওঁ তেওঁৰ পৰিভ্রমণৰ ফল পালে। ইয়াকে বুদ্ধ দর্শনৰ চাৰিটা আর্যসত্যৰ আকাৰত জনা যায়। সাধাৰণতে বুদ্ধৰ শিক্ষা সমূহ পিটকত পোৱা যায়। বুদ্ধ দর্শনত তিনিটা পিটকৰ উল্লেখ আছে। এইসমূহ হ'ল— সূত্ত পিটক, বিনয় পিটক আৰু অভিধর্ম পিটক। এইবোৰক একেলগে ত্রিপিটক বোলা হয় বা শিক্ষাৰ তিনিটা পাঁচি বুলি জনা যায়। এই পিটকসমূহ পালি ভাষাত লিখা।

সময়ত তেওঁৰ অনুসৰণকাৰীৰ সংখ্যা বৃদ্ধি পায়। সেয়ে তেওঁলোকক বিভিন্ন শাখাত ভাগ কৰা হয়। বুদ্ধ দর্শনক প্রধানতঃ দুটা শ্রেণীত ভাগ কৰা হৈছে—

১) হীনযান আৰু

২) মহাযান।

এই ভাগসমূহ বিশেষ প্রশ্নৰ ওপৰত নির্ভৰ কৰি কৰা হৈছে— নির্বাণৰ উদ্দেশ্য কি? হীনযান সম্প্রদায়ে কেৱল নিজৰ বাবেহে নির্বাণ লাভ কৰাৰ নির্দেশ দিয়ে। আনহাতে মহাযান সম্প্রদায়ে বিশ্বাস কৰে যে নির্বাণ কেৱল নিজৰ বাবে নহয়, শুদ্ধ জ্ঞানত অৱতীর্ণ হ'ৰ বাবে দুখ পোৱা সকলোৰে বাবে নির্বাণৰ প্রয়োজনীয়তা আছে। সেইকাৰণে আমি ক'ব পাৰো যে বুদ্ধ দর্শনৰ প্রধান শিক্ষা হ'ল নির্বাণৰ ধাৰণা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শুদ্ধ উত্তৰ বিচাৰি উলিৱাওক—

ক) বৌদ্ধ দর্শন আস্তিক সম্প্রদায়ৰ লগত সম্বন্ধিত। (শুদ্ধ/অশুদ্ধ)

খ) বৌদ্ধ দর্শনত ৩টা পিটক আছে। (শুদ্ধ/অশুদ্ধ)

গ) পিটকসমূহ পালি ভাষাত লিখিত। (শুদ্ধ/অশুদ্ধ)

ঘ) বৌদ্ধক দর্শনৰ প্রৱর্ত্তক হ'ল মহাবীৰ। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ২ ঃ ত্রিপিটকৰ অর্থ কি?

.....

প্রশ্ন ৩ ঃ বৌদ্ধ দর্শনৰ প্রধান শাখাসমূহ কি?

.....



চিন্তা-চর্চা কৰক ৭.১

ক) নির্বাণে পৰম সুখলৈ আগবঢ়াই নিব পাৰেনে? বিশ্লেষণ কৰক।

.....

.....

.....

খ) মহাযান এটা ভাৱবাদী শাখানে? বর্ণনা আগবঢ়াওক।

.....

.....

.....

৩.৪ চাৰিটা আর্যসত্যৰ ধাৰণা

প্রাৰম্ভণিতে গৌতম বুদ্ধ এজন সমাজ সংস্কাৰক আৰু নীতি শিক্ষাবিদ আছিল। নীতি শিক্ষক হিচাপে তেওঁৰ শিক্ষাসমূহ সৰহ সংখ্যক মানুহে অনুসৰণ কৰিছিল। এই শিক্ষাই আমাক

সকলো দুখৰ অৱসান ঘটোৱা এটা পথ বা মার্গলৈ আগুৱাই নিয়ে। এক গভীৰ তপস্যাৰ পাছত বুদ্ধই চাৰিটা মহৎ সত্যৰ সন্ধান পায়। সেইকেইটাকে 'চত্বাৰী আর্যসত্যানি' বা চাৰিটা আর্য্যসত্য বুলি বুদ্ধ দর্শনত জনা যায়। সেইকেইটা তলত দিয়া ধৰণৰ—

ক) বিশ্বব্রহ্মাণ্ডৰ জীৱন দুখেৰে ভৰপূৰ (দু:খ)
খ) এই দুখৰ কাৰণ আছে (দু:খ সমুদায়)
গ) দুখৰ নিবৃত্তি আছে (দু:খ নিৰোধ)
ঘ) দুখৰ নিবৃত্তিৰ উপায় আছে (দু:খ নিৰোধ মার্গ)

আমি এতিয়া এই চাৰিটা আর্যসত্যৰ বিষয়ে আলোচনা কৰিম—

৩.৫ দুখ আছে (দু:খ)

বুদ্ধ দর্শনৰ প্রথম আর্যসত্যটো মানুহৰ দুখৰ স্বৰূপৰ লগত জড়িত। দুখৰ কাৰণ হ'ল জন্ম বিভিন্ন ব্যাধি, জড়া আৰু মৃত্যু। সেয়ে সকলোতে আৰু জীৱনৰ সকলো অৱস্থাতে দুখ আছে। জন্মত যন্ত্রণা আছে আৰু এই যন্ত্রণা জীৱনৰ এটা অংশ। সেইদৰে ব্যাধি দু:খজনিত। মৃত্যু দু:খকৰ। আনন্দহীনতাৰ লগত সংযুক্ত হোৱাটো দু:খকৰ। ঠিক তেনেকৈয়ে আনন্দৰ লগত বিচ্ছেদ হোৱাটোও দু:খজনিত। মুঠতে বুদ্ধই শেষ সিদ্ধান্তত আহে যে 'জীৱন দুখময়'। আমাৰ জীৱনত আমি মানুহে কিছুমান বস্তুক লৈ আনন্দ উপভোগ কৰো। কিন্তু বুদ্ধই কৈছে যে সেইসমূহ কেৱল কিছুমান ইন্দ্রিয়জনিত আনন্দ আৰু ইন্দ্রিয়জনিত আনন্দ কেতিয়াও স্থায়ী হ'ব নোৱাৰে। তেওঁৰ মতে ইন্দ্রিয়জনিত আনন্দ ক্ষণস্থায়ী আৰু দুখৰ অনুগামী।

৩.৬ দুখৰ কাৰণ আছে

দ্বিতীয় আর্যসত্যটো দুখৰ উৎপত্তিৰ লগত জড়িত। ইয়াৰ মতে দুখৰ কাৰণ আছে। কাৰণ প্রত্যেক ঘটনাৰে এটা কাৰণ থাকিবই। কাৰণ অবিহনে কোনো ঘটনা ঘটিব নোৱাৰে। জীয়াই থাকিবলৈ ইচ্ছা কৰা বা আকাংক্ষা কৰাটো এক উদ্দেশ্য প্রণোদিত শক্তি যি জন্ম-মৃত্যুৰ চক্রৰ সৃষ্টি কৰে, আৰু এইটোৱেই হ'ল দুখৰ কাৰণ। এই আকাংক্ষা তিনি প্রকাৰৰ। সেইকেইটা হ'ল— (ক) যৌনজনিত বা ইন্দ্রিয়জনিত আনন্দৰ কাৰণে জীয়াই থাকিবলৈ কৰা ইচ্ছা। (খ) জীৱনত আনন্দ উপভোগ কৰি জীয়াই থাকিবলৈ কৰা ইচ্ছা। (গ) সম্পত্তি আৰু ক্ষমতাৰ বাবে কৰা আকাংক্ষা। সেয়ে জীয়াই থাকিবলৈ ইচ্ছা কৰাটোৱেই হ'ল দুখৰ কাৰণ। বুদ্ধই এই কাৰণসমূহক, তেওঁৰ কাৰণবাদ মতটোত বর্ণনা দিছে। এইটোকে প্রতীত্যসমুৎপাদবাদ বা কার্য-কাৰণবাদ বুলি জনা যায়। এই প্রতীত্যসমুৎপাদ বাদৰ বিষয়ে বহলাই জানিব লাগিব।

৩.৬.১ প্রতীত্যসমুৎপাদবাদ

বুদ্ধৰ সমগ্র শিক্ষাৰ মৌলিক তত্ত্ব হ'ল কার্য-কাৰণৰ ওপৰত নির্ভৰশীল মতবাদ বা প্রতীত্যসমুৎপাদ বাদ। প্রতীত্যসমুৎপাদ বাদৰ সৰল অর্থ হ'ল— উদ্ভৱ হোৱা (সমুৎপাদ),

পোৱাৰ পাছত (প্রতীত্য)। ইয়াৰ অর্থ হ'ল কাৰণ আৰু উপকাৰণৰ পৰিপূৰকৰ পৰাই কার্যৰ উৎপত্তি। যেতিয়াই কাৰণ আৰু উপকাৰণসমূহ নাইকিয়া হয়, তেতিয়া কার্যৰ আবির্ভাৱ হয়। কাৰণবাদৰ সূত্র হৈছে 'এইটো আছে, সেইটোৰ উদ্ভৱ হৈছে'। ইয়াৰ অর্থ হ'ল কাৰণৰ ওপৰত নির্ভৰ কৰি কার্য উদ্ভৱ হয়।

বুদ্ধই বিশ্বাস কৰা এই 'কার্য-কাৰণৰ মতবাদটো' বাৰটা কাৰণৰ শৃংখলিত যোগসূত্রৰ লগত সম্বন্ধিত। ই তেওঁক দুখ কষ্টৰ উৎপত্তি হোৱা পাছৰ অৱস্থাসমূহ উলিয়ায় লোৱাতো সম্ভৱ কৰি তোলে। ইয়াত প্রত্যেকটো পৰৱর্তী অৱস্থাৰ উৎপত্তিৰ কাৰণে ইয়াৰ পূর্বৱর্তী অৱস্থাৰ ওপৰত নির্ভৰশীল। বুদ্ধই এই বাৰটা যোগসূত্র তলত দিয়া ধৰণেৰে ব্যাখ্যা কৰিছে।

'জৰা-মৰণ' হৈছে এই শৃংখলৰ প্রথম যোগসূত্র। ইয়াৰ অর্থ হ'ল দুখবোৰ জৰা-ব্যাধি ইত্যাদিৰ স্বৰূপৰ পৰা উদ্ভৱ হয়। জাতি এই জৰা-মৰণৰ কাৰণ। যদি কোনো এজনে জন্ম নলয়, তেতিয়াহ'লে দুখৰ প্রশ্নই নুঠে। সেয়ে জন্মই হৈছে দুখৰ কাৰণ। জাতিৰ কাৰণ ভৱ। অর্থাৎ জন্ম ল'বলৈ কৰা ইচ্ছা। ভৱৰ কাৰণ উপাদান। ইয়াৰ অর্থ হৈছে তৃষ্ণাৰ বাবেই এজনৰ আসক্তি বা কোনো ধৰণৰ আনন্দ উপভোগৰ স্পৃহা। বেদনাই হৈছে তৃষ্ণাৰ কাৰণ। এইটো হৈছে প্রকৃত ইন্দ্রিয়জনিত আনন্দ। এই ইন্দ্রিয়জনিত আনন্দৰ কাৰণ স্পর্শ। এইটো হৈছে জ্ঞানেন্দ্রিয় আৰু বস্তুৰ সংযোগ। ষড়ায়তন মনক লৈ ষষ্ঠ জ্ঞানেন্দ্রিয়ৰ কাৰণ হ'ল নাম-ৰূপ। ইয়াৰ অর্থ মনো-দৈহিক গঠন। এই গঠনৰ কাৰণ বিজ্ঞান, ভ্রূণৰ প্রাৰম্ভিক চৈতন্য। সংস্কাৰৰ অর্থ হ'ল অতীত কর্মৰ দ্বাৰা উৎপাদন কৰা শক্তি যিবোৰ অৱশেষত অবিদ্যাৰ কাৰণ হয়। গতিকে অবিদ্যাই হ'ল মানৱ জীৱনৰ সকলো দুখৰ মূল কাৰণ। মুঠতে কার্য-কাৰণবাদৰ বাৰটা শৃংখল এনেদৰে পোৱা যায়।

১। অজ্ঞানতা (অবিদ্যা)
২। কর্মশক্তিৰ চাপ (সংস্কাৰ)
৩ ভ্রূণৰ প্রাৰম্ভিক চৈতন্য (বিজ্ঞান) } (অতীত জীৱন)
৪। মনো-দৈহিক সংগঠন (নাম-ৰূপ)
৫। মনক লৈ ষষ্ঠ জ্ঞানেন্দ্রিয় (ষড়ায়তন)
৬। ইন্দ্রিয় আৰু বস্তুৰ সংযোগ (স্পর্শ) (বর্তমান জীৱন)
৭। ইন্দ্রিয়জনিত অভিজ্ঞতা (বেদনা)
৮। ইন্দ্রিয়জনিত আনন্দ উপভোগ কৰাৰ স্পৃহা (তৃষ্ণা)
৯। জাগতিক বিষয় উপভোগৰ প্রতি থকা আসক্তি (উপাদান)
১০। জন্ম ল'বলৈ কৰা ইচ্ছা (ভৱ)
১১। পূণৰ জন্ম (জাতি) (ভৱিষ্যৎ জীৱন)
১২। বৃদ্ধ বয়স আৰু মৰণ (জড়া-মৰণ)

এই বাৰটা শৃংখলক ভৱ চক্র, জন্ম-মৰণ চক্র, ধর্ম চক্র, প্রতীত্যসমূৎপাদ চক্র আদি বুলি কোৱা হয়। এই বাৰটা শৃংখলৰ মাজৰ অবিদ্যা আৰু সংস্কাৰ অতীত জীৱনৰ লগত সম্বন্ধিত। শেষৰ দুটা জাতি আৰু জৰামৰণ ভৱিষ্যৎ জীৱনৰ লগত আৰু আন সমূহ বর্তমান জীৱনৰ লগত সম্বন্ধিত।

কর্মবাদ এই তত্ত্বৰ ওপৰতে প্রতিষ্ঠিত। আমাৰ বর্তমান জীৱন অতীত জীৱনৰ চাপ আৰু এইটোৱে আমাৰ ভৱিষ্যৎ জীৱনক গঢ় দিব। আকৌ ক্ষণভংগ মতবাদ বা ক্ষণীকতাবাদটোও ইয়াৰ ওপৰতে প্রতিষ্ঠিত। ইয়াৰ মতে, সকলো বস্তুৱেই আপেক্ষিক, নির্ভৰশীল, চর্তমূলক আৰু সীমিত। সেয়ে সেইসমূহ ক্ষণস্থায়ী হ'বই।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

ক) বৌদ্ধ দর্শনৰ কাৰণবাদক চাৰিটা আর্যসত্য বুলি কোৱা হয়। (শুদ্ধ /অশুদ্ধ)

খ) কার্যকাৰণবাদত বাৰটা যোগসূত্র আছে। (শুদ্ধ /অশুদ্ধ)

গ) কর্মবাদৰ মতটো প্রতীত্যসমূৎপাদৰ লগত জড়িত। (শুদ্ধ /অশুদ্ধ)

প্রশ্ন ৫ ঃ প্রতীত্যসমূৎপাদ কি?

.....

.....

.....

প্রশ্ন ৬ ঃ বাৰটা যোগসূত্রৰ মাজৰ কোনটোৰ লগত বর্তমান জীৱন সম্বন্ধিত?

.....

চিন্তা-চর্চা কৰক ঃ ৭.২

ক) কাৰণ অবিহনে কার্যৰ অস্তিত্ব আছেনে? বিশ্লেষণ কৰক।

.....

.....

.....

৩.৭ দুখৰ নিবৃত্তি

তৃতীয় আর্য বা মহৎ সত্যটো হ'ল দুখৰ নিবৃত্তি যিহেতুকে সকলোৱে কিছুমান কাৰণ আৰু উপকাৰণৰ পৰা উদ্ভৱ, সেয়ে যেতিয়া উপকাৰণসমূহ নাইকিয়া কৰিব পৰা যায়, তেতিয়া দুখবোৰো নাইকিয়া কৰিব পৰা যাব। সম্পূর্ণ দুখৰ নিবৃত্তিক নির্বাণ বুলি জনা যায়। নির্বাণৰ অর্থ

হ'ল বন্ধন আৰু পূনর্জন্মৰ পৰা মুক্তি পোৱা। এইটো আশা আকাংক্ষাৰ দ্বাৰা প্ৰলোভিত নোহোৱা সম্পূৰ্ণ এটা শান্তি আৰু প্ৰশান্তিৰ অৱস্থা।

৩.৭.১ নিৰ্বাণৰ ধাৰণা

দুখ নিৰোধ বা দুখৰ অৱসানকে নিৰ্বাণ বুলি কোৱা হয়। বুদ্ধই কৈছে যে যেতিয়া এজন ব্যক্তিয়ে নিজৰ ৰিপুবোৰক সংযমত ৰাখিব পাৰে, তেতিয়াই তেওঁ পূৰ্ণজ্ঞান লাভ কৰে। এইটো সম্ভৱ হয় যেতিয়া তেওঁ চাৰিটা আৰ্যসত্যক উপলব্ধি কৰিব পাৰে। তেতিয়াহে তেওঁ অৰ্হতৰ যোগ্য হয়। অৰ্হত মানে গুণবান ব্যক্তি। বুদ্ধৰ মতে এই অৱস্থাটোকে জনপ্ৰিয়ভাৱে নিৰ্বাণ বুলি জনা যায়। এইটো আনন্দ আৰু সুখৰ অৱস্থা। ইয়াৰ ভিতৰত দুখ বা কষ্টৰ স্থান নাই।

সৱল অৰ্থত নিৰ্বাণ শব্দৰ ব্যুৎপত্তিগত অৰ্থ 'নুমাই যোৱা' বা 'বিলীন হোৱা'। এই সৱল অৰ্থৰ ওপৰত ভিত্তি কৰি কিছু সংখ্যক বৌদ্ধ আৰু অনাবৌদ্ধ টিকাকাৰে নিৰ্বাণ সম্পৰ্কে এটা নেতিবাচক অৰ্থ প্ৰকাশ কৰে। তেওঁলোকৰ মতে নিৰ্বাণে সকলো দৈহিক আৰু মানসিক অস্তিত্বৰ বিলোপ হোৱাকে বুজায়। কিন্তু ৰাইছ ডেভিডছে (Rhys Davids) কোৱা মতে বুদ্ধই নিৰ্বাণৰ অৰ্থ অস্তিত্বৰ চিৰ বিলুপ্তি বুলি কেতিয়াও কোৱা নাই। বুদ্ধৰ মতে নিৰ্বাণে কেৱল দুখৰ নিবৃত্তি ঘটায় আৰু পুনর্জন্মৰ কাৰণসমূহৰ বিলোপ সাধন কৰে।

পালি ভাষাত নিৰ্বাণক এক শান্তিৰ অৱস্থা বুলি ব্যাখ্যা কৰিছে। ইয়াত নিৰ্বাণক অনন্ত স্বাস্থ্য, পৰম অন্তিম আৰু ভয়হীন অৱস্থা বুলি কৈছে। নিৰ্বাণ শাশ্বতো নহয়, শূন্যও নহয়। বুদ্ধই কৈছে যে নিৰ্বাণ অজ্ঞাত, এক আৰু অসৃষ্ট। এইটো এটা উপলব্ধিৰ অৱস্থা। যেনেকৈ বতাহক প্ৰত্যক্ষ কৰিব নোৱাৰি, কিন্তু ইয়াৰ অস্তিত্বক অমান্য কৰিব নোৱাৰি। সেয়ে ই এক উপলব্ধিৰ বিষয়। ইয়াৰ উপৰি নিৰ্বাণক নিত্য, স্থিৰ, বয়সহীন, গতিহীন, অমৰ, জন্মহীন আৰু অবৰ্দ্ধিত বুলি বৰ্ণনা দিব পৰা যায়। ই যেন এক সুখ আৰু আনন্দৰ অৱস্থা। ৰজা মিলিন্দই (বুদ্ধৰ এজন শিষ্য) নিৰ্বাণৰ স্বৰূপৰ বৰ্ণনা দি কৈছে যে নিৰ্বাণ যেন এক সাগৰ তুল্য। পৰ্বতৰ চূড়াৰ নিচিনা উচ্চ আৰু মৌৰ নিচিনাই মিঠা, ইত্যাদি।

পালি ভাষাত নিৰ্বাণৰ দুটা অৱস্থাৰ উল্লেখ আছে। এটাক 'উপাধিশেষ নিৰ্বাণ' আৰু আনটোক 'নিৰুপাধিশেষ নিৰ্বাণ' বুলি জনা যায়। প্ৰথম বিধক নিৰ্বাণ আৰু পিছৰ বিধক পৰিনিৰ্বাণ বুলিও জনা যায়। নিৰ্বাণৰ অৱস্থাত কোনো কামনা বা বাসনা নাথাকে, কেৱল শুদ্ধ চৈতন্যৰ অস্তিত্বহে থাকে। কিন্তু পৰিনিৰ্বাণৰ অৱস্থাত এই সকলো নাইকিয়া হৈ যায়।

বুদ্ধৰ মতে বৰ্তমান জীৱনতে নিৰ্বাণ লাভ কৰিব পৰা যায় আৰু বুদ্ধ নিজেই ইয়াৰ মহান উদাহৰণ। নিৰ্বাণ হৈছে সম্পূৰ্ণ জ্ঞানৰ, সম্পূৰ্ণ শান্তি আৰু সম্পূৰ্ণ স্বপৰিচালিত এক অবৰ্ণনীয় অৱস্থা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ তলৰ বাক্যসমূহ শুদ্ধনে অশুদ্ধ বিচাৰ কৰক।

ক) ভাষিক অর্থত নির্বাণ মানে নুমাই যোৱা। (শুদ্ধ/অশুদ্ধ)

খ)নির্বাণ তৃতীয় আর্যসত্যৰ লগত জড়িত। (শুদ্ধ /অশুদ্ধ)

গ) অর্হত মানে দুখ। (শুদ্ধ /অশুদ্ধ)

ঘ) বুদ্ধৰ মতে বর্তমান জীৱনতে নির্বাণ লাভ কৰিব পৰা যায়। (শুদ্ধ /অশুদ্ধ)

প্রশ্ন ৮ ঃ দুই প্রকাৰৰ নির্বাণ কি কি?

.....

৩.৮ দুখ নিবৃত্তিৰ উপায়

চতুর্থ আর্যসত্যটো হ'ল দুখৰ নিবৃত্তিৰ উপায় আছে। বুদ্ধই কৈছে যে এজনে নিজৰ বর্তমান জীৱনতে নির্বাণ লাভ কৰিব পাৰে। কিন্তু ইয়াত এক প্রশ্ন উঠে— কেনেকৈ এই মুক্তি বা নির্বাণ লাভ কৰাটো সম্ভৱ? বুদ্ধৰ মতে নির্বাণ লাভ কৰিবৰ বাবে আঠটা পথ আছে। ইয়াক বুদ্ধ দর্শনৰ আঠটা পথ বা অষ্টাংগ মার্গ বুলি জনা যায়। এই পথসমূহ সকলো সাধু আৰু সাধাৰণ ব্যক্তিৰ বাবে মুক্ত। এইসমূহ হ'ল—

১। শুদ্ধ দৃষ্টি (সম্যক দৃষ্টি)

২। শুদ্ধ সংকল্প (সম্যক সংকল্প)

৩ শুদ্ধ বাক (সম্যক বাক)

৪ । শুদ্ধ আচৰণ (সম্যক কর্মান্ত)

৫ । শুদ্ধ আজীৱ (সম্যক আজীৱ)

৬। শুদ্ধ প্রচেষ্টা (সম্যক ব্যায়াম)

৭। শুদ্ধ স্মৃতি (সম্যক স্মৃতি)

৮ ।শুদ্ধ সমাধি (সম্যক সমাধি)

সম্যক দৃষ্টি ঃ মানুহৰ দুখৰ মূল কাৰণ হৈছে অজ্ঞানতা বা অবিদ্যা। অজ্ঞানতাৰ কাৰণেই মানুহে আত্মা আৰু বিশ্বব্রহ্মাণ্ডৰ মাজত থকা সমন্ধৰ সম্যক জ্ঞান লাভ কৰিব নোৱাৰে। সেয়ে সম্যক জ্ঞানক চাৰিটা আর্যসত্যৰ ওপৰত থকা শুদ্ধ জ্ঞান বুলি অভিহিত কৰা হৈছে। যেতিয়াই আমি এই শুদ্ধ জ্ঞান লাভ কৰিম, তেতিয়াই ই আমাক আমাৰ চৰম উদ্দেশ্য নির্বাণৰ পথলৈ লৈ যাব।

সম্যক সংকল্প ঃ শুদ্ধ জ্ঞানৰ মাধ্যমেদি উদ্ভাসিত হৈ প্রত্যেক মানুহেই শুদ্ধ সংকল্পৰ দ্বাৰা নিজৰ জীৱনটো পুনৰ প্রতিষ্ঠিত কৰিব লাগে। সেয়ে শুদ্ধ জ্ঞানৰ পথেদি এক সৎ জীৱন অতিবাহিত কৰিবলৈ মনত পোষণ কৰা ভাবেই হ'ল শুদ্ধ সংকল্প। সেয়ে বুদ্ধই তিনিটা সংকল্প গ্রহণৰ বর্ণনা দিছে। সেইকেইটা হ'ল— (ক) সংসাৰৰ প্রতি আসক্তি বর্জনৰ সংকল্প, (খ) পৰদ্বেষ বর্জনৰ সংকল্প, (গ) আনৰ অনিষ্ট নকৰিবলৈ সংকল্প।

সম্যক বাক ঃ সম্যক বাক মিছা কথা কোৱা, মিছা অপবাদ দিয়া, কটুক্তি কৰা, কটুকথাৰ ব্যৱহাৰ কৰা আদিৰ পৰা বিৰত থকাৰ লগত জড়িত। এজনে সদায় শুদ্ধটো ক'ব লাগে, অশুদ্ধ নহয়। তেওঁ সদায় সত্যটো কোৱা উচিত, অসত্য নহয়, সদায় ভালটো কোৱা উচিত আৰু এনে কথা কোৱা উচিত যি আনক দুখ নিদিয়ে বা আঘাট নকৰে।

সম্যক আচৰণ ঃ ই আনৰ জীৱন ধ্বংস কৰা, চুৰ কৰা, মিছা কোৱা আদিৰ পৰা বিৰত থকাৰ লগত জড়িত। উদাৰতা, সভ্যতা, দয়া আৰু নিঃস্বার্থপৰায়ণতা সকলোৱে আহৰণ কৰা উচিত।

সম্যক আজীৱ ঃ সৎ উপায়েৰে জীৱিকা নির্বাহ কৰাই হ'ল সম্যক আজীৱ। মিছা ভাষ্য আৰু বেয়া কর্মৰ পৰা বিৰত থাকি সৎ উপায়েৰে জীৱিকা নির্বাহ কৰা উচিত।

সম্যক ব্যায়াম ঃ অসৎ চিন্তা দূৰ কৰা আৰু সদায় সৎ চিন্তাৰ ধাৰণা কৰাই হ'ল সম্যক ব্যায়াম। এটা চঞ্চল মন ভাল ভাৱ, ভাল আৱেগ আৰু ভাল চৰিত্রৰ সহায়কাৰী হ'ব নোৱাৰে।

সম্যক স্মৃতি ঃ দেহৰ অপৱিত্রতা, অনুভূতিৰ সুখ-দুখৰ স্বৰূপ মনত পেলোৱাই হ'ল সম্যক স্মৃতি। ই মনক ৰাগ দ্বেষৰ পৰা মুক্ত কৰে আৰু উচ্চ সমাধি লাভৰ বাবে প্রস্তুত কৰে। সেয়ে সম্যক স্মৃতি সম্যক সমাধিৰ এক অত্যাৱশ্যকীয় প্রাগ্ প্রস্তুতি।

সম্যক সমাধি ঃ সম্যক সমাধি নির্বাণৰ সর্বশেষ স্তৰ। ইয়াত সমাধিৰ চাৰিটা অৱস্থাৰ উল্লেখ আছে।

ক) প্রথম অৱস্থাত ভোগ বাসনা চৰিতার্থ কৰা কামুকতাসমূহ অপসাৰিত কৰা হয়। কাৰণ এই সমূহেই বিভেদজনিত কর্মজন্মৰ অৱস্থা।

খ) দ্বিতীয় অৱস্থা গভীৰ শান্তিৰ অৱস্থা।

গ) তৃতীয় স্তৰ মানসিক চৈতন্যৰ অৱস্থা, য'ত সকলো ধৰণৰ ভাৱ আবেগ অপসাৰিত কৰা হয়।

ঘ) সর্বশেষ অৱস্থাই হ'ল সম্পূর্ণ প্রশান্তিৰ আৰু স্বঅনুভূতিৰ স্তৰ। মুঠতে এইটো এটা সম্পূর্ণ জ্ঞানৰ অৱস্থা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৯ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক—

ক) দুখৰ নিবৃত্তিৰ নির্বাণ বুলি জনা যায়। (শুদ্ধ /অশুদ্ধ)

খ) সম্যক ব্যায়াম বা প্রচেষ্টা চাৰিটা/তিনিটা প্রচেষ্টাৰ লগত জড়িত। (শুদ্ধ /অশুদ্ধ)

গ) বৌদ্ধ দর্শনে নির্বাণ প্রাপ্তিৰ বাবে অষ্টাংগ মার্গ বা আঠটা পথ আছে। (শুদ্ধ /অশুদ্ধ)

প্রশ্ন ১০ ঃ বৌদ্ধ দর্শনৰ আঠটা পথ কি কি?

.....

.....

প্রশ্ন ১১ ঃ সম্যক আজীৱ বুলি ক'লে কি বুজা যায়?

.....

.....



৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৌদ্ধ দর্শনৰ চাৰিটা মহৎ সত্যক চাৰিটা আর্য্যসত্য বুলি জনা যায়।
- দ্বিতীয় আর্যসত্যৰ মতে প্রত্যেক ঘটনাৰে এটা কাৰণ থাকিবই।
- বৌদ্ধৰ দ্বিতীয় আর্যসত্যই কার্যকাৰণৰ ওপৰত নির্ভৰশীল, সেয়ে ইয়াক প্রতীত্যসমূৎপাদ বুলি জনা যায়।
- বৌদ্ধৰ মতে, অজ্ঞানতাই সকলো দুখৰ মূল কাৰণ।
- কার্যকাৰণবাদৰ বাৰটা শৃংখলক ভৱ চক্র, জন্ম মৰণ চক্র, ধর্মচক্র, প্রতীত্যসমূৎপাদচক্র বুলি জনা যায়।
- বৌদ্ধৰ মতে নির্বাণ কৰিবৰ বাবে আঠটা উপায় আছে আৰু এই আঠ প্রকাৰ মার্গক অষ্টাংগ মার্গ বুলি জনা যায়।
- দুখ নিৰোধ বা দুখৰ নিবৃত্তিক নির্বাণ বুলি কোৱা হয়।



৩.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) বৰুৱা, গিৰীশ, *ভাৰতীয় দর্শনত এভুমুকি,* ভাগৱতী প্রকাশন।

২) সেনগুপ্ত, প্রমোদবন্ধু, *ভাৰতীয় দর্শন প্রথম খণ্ড,* ব্যানার্জী পাৱলিশার্স।

ইংৰাজী গ্রন্থ ঃ

১) Chatterjee, S. C. & Dutta, D. M. (1968). *An Introduction to Indian Philosophy*. University of Calcutta.

২) Radhakrishnan, S. (1923). *Indian Philosophy (Vol. 1)*. London : Oxford University Press.

৩) Sharma, C. D. (1973). *A Critical Survey of Indian Philosophy*. Delhi : Motilal Banarasidass Publishers Private Limited.

৩.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) অশুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাৰ তিনিটা পাঁচি।

৩নং প্রশ্নৰ উত্তৰ ঃ হীনযান আৰু মহাযান

৪নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) শুদ্ধ

৫নং প্রশ্নৰ উত্তৰ ঃ প্রত্যেক ঘটনাৰে একোটা কাৰণ আছে আৰু কাৰণ অবিহনে কোনো ঘটনা ঘটিব নোৱাৰে। সেয়ে, বৌদ্ধই মত দিয়ে যে জীয়াই থকাৰ ইচ্ছাই দুখৰ মূল কাৰণ। যেতিয়া দুখৰ কাৰণটো নোহোৱা হৈ যায় তেতিয়াই জীৱনত পোৱা দুখৰ অৱসান হয়। এইটোৰে ইয়াকে নির্দেশ কৰে যে কাৰণৰ ওপৰত নির্ভৰ কৰিয়েই কার্যৰ সৃষ্টি হয়।

৬নং প্রশ্নৰ উত্তৰ ঃ নাম-ৰূপ

৭নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

৮নং প্রশ্নৰ উত্তৰ ঃ উপাধি শেষ নির্বাণ আৰু নিৰোপাধি শেষ নির্বাণ

৯নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ

১০নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ দৃষ্টি, শুদ্ধ সংকল্প, শুদ্ধ বাক, শুদ্ধ আচৰণ, শুদ্ধ আজীৱ, শুদ্ধ প্রচেষ্টা, শুদ্ধ স্মৃতি, শুদ্ধ সমাধি।

১১নং প্রশ্নৰ উত্তৰ ঃ সৎ উপায়েৰে জীৱিকা নির্বাহ কৰাই হ'ল সম্যক আজীৱ। মিছা ভাষ্য আৰু বেয়া কার্যৰ পৰা বিৰত থাকি সৎ উপায়েৰে জীৱিকা নির্বাহ কৰা উচিত।



৩.১২ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতীয় দর্শনত পোৱা আস্তিক সম্প্রদায়সমূহ কি কি?

প্রশ্ন ২ ঃ ভাৰতীয় দর্শনত পোৱা নাস্তিক সম্প্রদায়সমূহ কি কি?

প্রশ্ন ৩ ঃ বৌদ্ধ দর্শনৰ প্রধান দুটা শাখা কি কি?

প্রশ্ন ৪ ঃ বৌদ্ধ দর্শনৰ চাৰিটা আর্যসত্য কি কি?

প্রশ্ন ৫ ঃ প্রতীত্যসমুৎপাদ কি?

প্রশ্ন ৬ ঃ বৌদ্ধ দর্শনৰ অষ্টাংগ মার্গবোৰ কি কি?

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বৌদ্ধ দর্শনৰ 'চাৰিটা আর্যসত্য'ৰ সম্পর্কে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ প্রতীত্য সমুৎপাদ কাৰণ চক্র'ৰ বাৰটা শৃংখল কি কি?

প্রশ্ন ৩ ঃ বৌদ্ধ দর্শনক প্রথম আর্যসত্যটো চমুকৈ আলোচনা কৰক।

প্রশ্ন ৪ ঃ বৌদ্ধৰ মতে, শুদ্ধ সমাধি কি?

গ) চমুটোকা লিখক (১৫০টা শব্দৰ ভিতৰত লিখক)

(ক) চাৰিটা আর্যসত্য

(খ) প্রতীত্যসমূৎপাদবাদ

(গ) সম্যক দৃষ্টি

(ঘ) সম্যক স্মৃতি

(ঙ) নির্বাণ

ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ নির্বাণ ধাৰণাটোৰ বিষয়ে আলোচনা আগবঢ়াওক

প্রশ্ন ২ ঃ বুদ্ধৰ মতে নির্বাণত উপনীত হোৱাৰ উপায় কি? বিশ্লেষণ কৰক।

প্রশ্ন ৩ ঃ বুদ্ধ দর্শনৰ অষ্টাংগ মার্গ ধাৰণাটোৰ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৪ ঃ বৌদ্ধ দর্শনৰ মূল শিক্ষা বুলিলে কি বুজা যায়। আলোচনা আগবঢ়াওক

প্রশ্ন ৫ ঃ চমুকৈ বৌদ্ধ দর্শনৰ পিটক সম্বন্ধে আলোচনা আগবঢ়াওক।

প্রশ্ন ৬ ঃ বুদ্ধ দর্শনৰ চাৰিটা আর্যসত্যৰ ব্যাখ্যা আগবঢ়াওক।

****

অধ্যায় ৪ ঃ জৈন দর্শন ঃ স্যাৎবাদ সম্পর্কীয় মতবাদ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ জৈন দর্শনৰ চমু পৰিচয়
৪.৩.১ জৈন দর্শনৰ জ্ঞানবিজ্ঞান
৪.৩.২ জৈন দর্শনৰ অধিবিদ্যা
৪.৪ স্যাৎবাদ বা "সপ্তভংগী নয়"
৪.৫ স্যাৎবাদৰ সমালোচনা
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান
৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জৈন দর্শনৰ চমু পৰিচয় আগবঢ়াব পাৰিব,
- জৈন দর্শনৰ "জ্ঞান-বিজ্ঞান" সম্পর্কীয় মতবাদ ব্যাখ্যা কৰিব পাৰিব,
- জৈন দর্শনৰ "অধিবিদ্যা"ৰ বর্ণনা কৰিব পাৰিব,
- "স্যাৎ বাদ" বা "সপ্তভংগী নয়" —বিশ্লেষণ কৰিব পাৰিব,
- স্যাৎবাদৰ সমালোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

এই অধ্যায়টিয়ে জৈন দর্শনৰ অন্তর্ভুক্ত স্যাৎবাদৰ সুত্রৰ বিষয়ে পৰিচয় দাঙি ধৰিছে। কিন্তু স্যাৎবাদৰ বিষয়ে আলোচনা কৰাৰ আগতে জৈন দর্শনৰ জ্ঞানবিদ্যা আৰু অধিবিদ্যাৰ বিষয়ে খৰচি মাৰি জানিব লাগিব। জৈন জ্ঞান-বিজ্ঞান আৰু অধিবিদ্যা —এই দুয়োটাই স্যাৎবাদৰ ধাৰণাৰ সৈতে ওতঃপ্রোতভাবে জড়িত। অন্যান্য ভাৰতীয় দর্শনৰ দৰে, জৈন দর্শনো জ্ঞানৰ উৎসৰ পৰাই উৎপত্তি। জৈন জ্ঞান-বিদ্যাত সাধাৰণতে তিনিটা জ্ঞানৰ উৎসৰ ব্যাখ্যা পোৱা যায়— অনুমান, প্রত্যক্ষ আৰু শব্দ। এজন সাধাৰণ মানুহৰ বাবে সকলো বিষয়তে গভীৰভাৱে জ্ঞান আহৰণ কৰা সম্ভৱপৰ নহয়। মানুহে আপেক্ষিক ভাবেহে জ্ঞান পাব পাৰে। আপেক্ষিক জ্ঞানকেই স্যাৎবাদ বুলি

কোৱা হয়। অধিবিদ্যাৰ ফালৰ পৰা জৈন দর্শন বাস্তৱবাদী আৰু বহুত্ববাদী দর্শন। জৈনসকলৰ মতে, যি বস্তুৰ সম্পর্কে আমাৰ প্রত্যক্ষ বা পৰোক্ষ জ্ঞান হয়, সেই বস্তুসমুহৰ অসংখ্য গুণ বা লক্ষণ থাকে। গতিকে প্রত্যেক বস্তুৱেই 'অনেকান্ত'। সেয়েহে জৈন অধিবিদ্যাক অনেকান্তবাদ বুলিও কোৱা হয়। ইয়াৰ পৰা ক'ব পাৰি যে, অধিবিদ্যা আৰু জ্ঞানবিদ্যা জৈন দর্শনৰ একেটা বিষয়ৰে দুটা দিশ।

৪.৩ জৈন দর্শনৰ চমু পৰিচয়

প্রাক্ ঐতিহাসিক যুগত জৈন দর্শনৰ উৎপত্তি হৈছিল। জৈন মতবাদ অনুসৰি চব্বিশ জন তীর্থংকৰৰ উপদেশাৱলীয়ে জৈন দর্শন গঢ়ি তুলিছে। এই তীর্থংকৰসকলৰ প্রথমজন আছিল ঋষভদেৱ আৰু শেষৰ জন মহাবীৰ। মহাবীৰক জৈন দর্শনৰ প্রৱর্তক বুলি গণ্য কৰা নহয়, কিয়নো জৈন দর্শন অতি প্রাচীন আৰু মহাবীৰৰ আগতেও এই ধর্ম আৰু দর্শন প্রচাৰ কৰা হৈছিল। মহাবীৰক বর্দ্ধমান বুলিও জনা যায়। তেওঁ গৌতম বুদ্ধৰ সমসাময়িক আছিল।

৪.৩.১ জৈন দর্শনৰ জ্ঞানবিদ্যা

প্রত্যক্ষ, অনুমান আৰু শব্দ —এই তিনিওটাকেই জৈনসকলে প্রমাণ অর্থাৎ যথার্থ জ্ঞান অর্জনৰ উৎস হিচাপে স্বীকাৰ কৰে। জৈন দর্শন মতে, যুক্তিপূর্ণভাৱে নিয়ম মানি অনুমান প্রয়োগ কৰিলে যথার্থ জ্ঞান পাব পাৰি। অনুমানৰ দৰে, নির্ভৰযোগ্য আৰু বিশ্বাসযোগ্য ব্যক্তি বা বাক্য বা বচন হ'লে তেনে শব্দকো যথার্থ প্রমাণ বুলি গণ্য কৰে। জৈনসকলে কয় যে সর্বজ্ঞ আৰু সর্ব শক্তিমান জৈন গুৰুসকলৰ (জিন বা তীর্থংকৰ) উপদেশসমূহৰ ওপৰত নির্ভৰ কৰিয়েই অতীন্দ্রিয় আৰু আধ্যাত্মিক বিষয় সম্পর্কে অভ্রান্ত জ্ঞান লাভ কৰিব পৰা যায়। জৈনসকলৰ মতে জ্ঞান দুই প্রকাৰৰ— পৰোক্ষ জ্ঞান আৰু অপৰোক্ষ জ্ঞান।

জৈনসকলে আৰু দুই প্রকাৰৰ জ্ঞানৰ কথা উল্লেখ কৰিছে—

- প্রমাণ (Pramana)
- নয় (Naya)

বস্তুৰ যথাযথ জ্ঞানেই হৈছে প্রমাণ। যিকোনো বস্তুৰ অসংখ্য লক্ষণৰ মাজৰ পৰা এটা বা দুটা লক্ষণ নিৰীক্ষণ কৰি যি আংশিক জ্ঞান আহৰণ কৰা হয় তাকে 'নয়' (Naya) বুলি কোৱা হয়। কিবা এটা বস্তু সম্পর্কে সাব্যস্ত জ্ঞান লাভ কৰা সম্ভৱ নহয়। সেয়েহে জৈন মতবাদ অনুসৰি প্রত্যেক বস্তু আংশিকভাৱে সত্য হ'ব পাৰে। জৈনসকলৰ মতে 'নয়' সাত প্রকাৰৰ। প্রথম চাৰি প্রকাৰৰ নয়ক 'অর্থ নয়' (Artha Naya) বুলি কোৱা হয়, কিয়নো এই নিয়মসমূহ অর্থৰ লগত জড়িত। আনহাতে শেষৰ তিনিটা নয়ক "শব্দ নয়" (Sabda Naya) বোলে। শব্দৰ সৈতে জড়িত বাবে এই তিনিটাক 'শব্দ নয়'

বুলি কোৱা হয়। 'নয়'ৰ ক্ষেত্রত এটি ভ্রান্তি হোৱা দেখা যায় আৰু এই ভ্রান্তিক "নয়ভাচ" (Nayabhasa) বুলি জনা যায়।

৪.৩.২ জৈন দর্শনৰ অধিবিদ্যা

জৈন দর্শন অনুসৰি, প্রত্যেক বস্তুৰে অসংখ্য গুণ বা লক্ষণ (অনন্ত ধর্মকর্ম বস্তু) থাকে। সেয়েহে প্রত্যেক বস্তুরেই 'অনেকান্ত'। জ্ঞানৰ যোগেদি কোনো বস্তুৰ সকলোবোৰ গুণ সম্পর্কে মাত্র সর্বজ্ঞ পুৰুষেহে আয়ত্ব কৰিব পাৰে। কিন্তু ব্যৱহাৰিক জীৱনত মানুহৰ বাবে যিকোনো বিষয়ৰ গুণ সম্পর্কে পূর্ণ জ্ঞান লাভ কৰা সম্ভৱ নহয়। সেয়েহে অপূর্ণ ব্যক্তিয়ে এটা বিশেষ দৃষ্টিভংগীৰে লক্ষ্য কৰি এটা বিশেষ লক্ষণহে পাব পাৰে। অধিবিদ্যা দিশৰ পৰা জৈন দর্শনক 'বহুত্ববাদী' দর্শন বুলি কোৱা হয়। একেটা বস্তুকেই বিভিন্ন ব্যক্তিয়ে বিভিন্ন দিশৰ পৰা দেখে। সেয়েহে এই মতবাদক অনেকান্তবাদ বুলি কোৱা হয়। কিয়নো বিভিন্ন ব্যক্তিয়ে বিভিন্ন দিশৰ পৰা বস্তু এটা দেখে। ফলত একে বস্তুকেই বিভিন্ন ব্যক্তিয়ে বিভিন্ন প্রকাৰে দেখে। সেয়েহে ইয়াক অনেকান্তবাদ বুলি কোৱা হয়।

আকৌ, অধিবিদ্যা দিশৰ পৰা জৈন দর্শন 'আপেক্ষিকতাবাদ' (Relativistic), কিয়নো তেওঁলোকে কোনো মতবাদকে সম্পূর্ণৰূপে সত্য বুলি মানি নলয়। প্রত্যেক বস্তু আংশিকভাৱে সত্য। সেয়েহে জৈন অধিবিদ্যাক অনেকান্তবাদ বোলা হয়।

জৈন অধিবিদ্যা অনুসৰি ক'ব পাৰি যে জ্ঞান হৈছে আপেক্ষিক। এই প্রসংগতে এইটো উল্লেখ কৰিব পাৰি যে কোনো এটা বিষয়ৰ সৈতে জড়িত লক্ষণসমূহৰ জ্ঞান আহৰণ কৰা মানুহৰ পক্ষে আপেক্ষিক। জৈন জ্ঞানবিদ্যা মতে, কোনো এটা বিষয়ৰ সৈতে জড়িত কিছুমান লক্ষণ সম্পর্কেহে জানিব পৰা যায়। ইয়াক স্যাৎবাদ বুলি কোৱা হয়। আকৌ অধিবিদ্যাৰ ফালৰপৰা ইয়াক অনেকান্তবাদ বুলিও ব্যক্ত কৰা হয়, কিয়নো কোনো এটা বিষয় বা বস্তু অলেখ গুণৰ সমষ্টি। আচলতে 'সাৎবাদ' আৰু 'অনেকান্তবাদ' এই দুয়োটা মতবাদ এটা মুদ্রাৰ দুটা পিঠি। যেতিয়া কোনো এটা মতবাদক সম্পূর্ণৰূপে সত্য বুলি গণ্য কৰা যায়, তেতিয়া জৈন অধিবিদ্যাৰ ক্ষেত্রত এটি ভ্রান্তি পৰিলক্ষিত হয়। ইয়াক 'একান্ত দোষ' (Fallacy of ekantatavada) বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ জৈন দর্শনৰ জ্ঞান অর্জনৰ উৎসসমূহ কি কি?

.....

প্রশ্ন ২ ঃ জৈন সকলৰ মতে দুই প্রকাৰৰ জ্ঞান কি কি?

.....

প্রশ্ন ৩ ঃ জৈন দর্শনত 'নয়' মানে কি? (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন ৪ ঃ অনেকান্তবাদ মানে কি? (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন ৫ ঃ শুদ্ধ উত্তৰ বাচি উলিয়াওক ঃ

ক) জৈন অধিবিদ্যা আপেক্ষিকতাবাদ। (শুদ্ধ/অশুদ্ধ)

খ) জৈন জ্ঞানবিদ্যাক স্যাৎবাদ বোলে। (শুদ্ধ/অশুদ্ধ)

গ) জৈন অধিবিদ্যাক অনেকান্তবাদ বোলে। (শুদ্ধ/অশুদ্ধ)

ঘ) জৈনসকলৰ মতে আঠ প্রকাৰৰ 'নয়' আছে। (শুদ্ধ/অশুদ্ধ)

৪.৪ স্যাৎবাদ বা সপ্তভংগী নয়

আপেক্ষিক জ্ঞানেই হৈছে স্যাৎবাদৰ মূল সুত্র। ইয়াক সপ্তভংগী নয় বা সপ্তম অৱধাৰণা বুলি কোৱা হয়। 'স্যাৎ' শব্দটোৱে 'হ'ব পাৰে', 'সম্ভাব্য', 'সম্ভৱত' ঃ আদিকে বুজায়। সেয়ে এই মতবাদক জ্ঞানৰ সম্ভাৱনীয় সূত্র (Probability theory of knowledge) বুলিও জনা যায়। 'স্যাৎবাদ' মতবাদৰ যোগেদি জৈনসকলে কৈছে যে, প্রত্যেক বস্তুৰেই অনন্ত গুণ আছে। সেইবাবে মানুহে বস্তুৰ সম্পূর্ণ সত্য সম্ভাব্য বুলি গণ্য কৰে। তেওঁলোকৰ জ্ঞান আংশিক জ্ঞান, সম্পূর্ণ জ্ঞান নহয়। এই দৃষ্টিকোণৰ পৰা জৈন দর্শনক সম্ভাৱনীয় সুত্র বুলিব পাৰি। সেই বুলি জৈন দর্শনক সংশয়বাদ (Skepticism) আখ্যা দিব নোৱাৰি।

স্যাৎবাদৰ মতে, অৱধাৰণাবোৰ আপেক্ষিক আৰু সীমিত। কোনো অৱধাৰণাই সম্পূর্ণ সত্য বা মিথ্যা হ'ব নোৱাৰে। সেয়েহে ক'ব পাৰি যে, অৱধাৰণাবোৰ আংশিকভাবে সত্য বা আংশিকভাৱে মিথ্যা। অৱধাৰণাৰ দুটা দিশ হ'ল— সদর্থক আৰু নঞর্থক। এটি উদাহৰণৰ সহায়ত আপেক্ষিকতাবাদ মতবাদ বুজাবলৈ চেষ্টা কৰা হ'ল— পাহাৰ এখন দেখিলে আমি ক'ব পাৰো যে, 'পাহাৰখন আছে' কিন্তু এই অৱধাৰণা সকলো ক্ষেত্রতে সত্য নহ'বও পাৰে। গতিকে আমি ক'ব লাগিব যে, এটা অর্থত বা কোনো ক্ষেত্রত পাহাৰখন আছে। এই বাক্যটোৰ অর্থ হ'ল যে, পাহাৰখনৰ অস্তিত্ব দেশ, কাল, গুণ আদি নানা চর্তৰ ভিতৰত কোনো এটা ক্ষেত্রতহে সম্ভৱ হ'ব। পাহাৰখন আছে বুলি ক'লে ই সকলো সময়ত সকলো ঠাইত থকা বুজায় আৰু আমাৰ ভুল হোৱাৰ সম্ভাৱনা থাকে। সেয়েহে যথার্থতাৰ কাৰণে অবধাৰণাটো 'এটা অর্থত' বা 'কোনো ক্ষেত্রত' বা 'হয়তো' —আদি উক্তিৰে সীমাবদ্ধ কৰা উচিত। সেইবাবে জৈনসকলে অৱধাৰণাবোৰ আপেক্ষিক বুলি কয়।

ছয়জন অন্ধৰ হস্তীদর্শনৰ গল্পৰ সহায়ত জৈন স্যাৎবাদ মতবাদ ব্যাখ্যা কৰিব পাৰি। অন্ধলোক কেইজনে হাতীৰ বিভিন্ন অংগ-প্রত্যংগ স্পর্শ কৰি হাতীৰ আকৃতি সম্পর্কে বিভিন্ন

ধাৰণা পোষণ কৰে আৰু ভিন ভিন মত প্ৰকাশ কৰে। প্ৰথম অন্ধজনে হাতীৰ কাণখন চুই বিচনীৰ লগত তুলনা কৰিছিল। দ্বিতীয় জন অন্ধলোকে হাতীৰ ভৰিখনক স্তম্ভ সদৃশ বুলি আখ্যা দিছিল। আকৌ তৃতীয়জন অন্ধলোকে হাতীৰ শূৰডালক অজগৰ সাপৰ লগত তুলনা কৰিছিল। চতুৰ্থ অন্ধজনে হাতীৰ নেজডাল ধৰি ৰচি বুলি কৈছিল। সেইদৰে পঞ্চম জনে হাতীৰ গাটো বেৰৰ দৰে বুলি কৈছিল। শেষৰজনে হাতীৰ কপালখন চুই বুকুৰ লগত তুলনা কৰিছিল। ছয়জন অন্ধলোকে ভাবিছিল যে হাতী সম্পৰ্কে তেওঁলোকে দিয়া অভিমতবোৰ শুদ্ধ। কিন্তু অন্ধলোক সকলে পিছত জানিলে যে, তেওঁলোকৰ অভিমত একো একোটা অংগৰ ক্ষেত্ৰতহে সত্য। গতিকে জৈন স্যাৎবাদে দেখুৱাই যে কিবা এটা বস্তু সম্পৰ্কে আমি যি সাব্যস্ত কৰো, সেই বস্তুটোৰ এটা লক্ষণহে সত্য আৰু কোনো অৱধা�ৰণা সম্পূৰ্ণৰূপে সত্য বুলি গণ্য কৰা নহয়। প্ৰত্যেক অৱধা�ৰণা এটা বিশেষ অৰ্থত সত্য। 'স্যাৎ' শব্দটোৱে এটা অৱধা�ৰণাৰ অনিশ্চয়তা নিৰ্দেশ নকৰে, মাত্ৰ চৰ্তসাপেক্ষে ইয়াৰ এটা লক্ষণহে নিৰ্দেশ কৰে। এই অৱধাৰণাসমূহক 'সপ্তভংগী নয়' বুলি কোৱা হয়। এইকেইটা হ'ল—

১। স্যাৎ অস্তি
২। স্যাৎ নাস্তি
৩ স্যাৎ অস্তি চ, নাস্তি চ।
৪ । স্যাৎ অবক্তব্যম্
৫ । স্যাৎ অস্তি চ, অবক্তব্যম্ চ
৬। স্যাৎ নাস্তি চ, অবক্তব্যম্ চ
৭। স্যাৎ অস্তি চ, নাস্তি চ, অবক্তব্যম্ চ

অৱধাৰণাৰ দুটা দিশ হ'ল— সদৰ্থক আৰু নঞৰ্থক। এই দুটাৰ ওপৰত ভিত্তি কৰিয়েই সাত প্ৰকাৰৰ অৱধাৰণা পোৱা যায়। সদৰ্থক অৱধাৰণাত এটা বস্তুৰ কিবা এটা লক্ষণ স্বীকাৰ কৰা হয় আৰু নঞৰ্থক অৱধাৰণাত বস্তুটোৰ লক্ষণ অস্বীকাৰ কৰা হয়। 'সপ্তভংগী নয়' কেইটা তলত বিশদভাবে আলোচনা কৰা হ'ল—

১। স্যাৎ অস্তি ঃ ইয়াৰ সাংকেতিক ৰূপ— 'কোনো ক্ষেত্ৰত s p'হয়। এইটো এটা সদৰ্থক অৱধাৰণা। যেনে কলহটো সম্পৰ্কে সদৰ্থক অৱধাৰণা কৰা হয় যে "কোঠালীটোত কোনো ক্ষেত্ৰত কলহটো আছে", অৰ্থাৎ এটা বিশেষ সময়ত বিশেষ স্থানত বিশেষ আকৃতিৰ কলহটো আছে।

২। স্যাৎ নাস্তি ঃ ই এটা নঞৰ্থক অৱধাৰণা আৰু চিহ্নিত ৰূপ হ'ল--- 'কোনো ক্ষেত্ৰত s p' নহয় । যেনে— কোনো ক্ষেত্ৰত কলহটো কোঠালীৰ বাহিৰত নাই। অৰ্থাৎ এটা বিশেষ সময়ত বিশেষ পৰিস্থিতিত কলহটো বাহিৰত নাই।

৩ স্যাৎ অস্তি চ, নাস্তি চ ঃ এটা বস্তু সদৰ্থক আৰু নঞৰ্থক দুয়োটা লক্ষণ বুজাবলৈ যৌগিক অৱধাৰণাৰ প্ৰয়োজন হয়। তেতিয়া তাক স্যাৎ অস্তি চ্, নাস্তি চ্ বুলি কোৱা হয়। ইয়াৰ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্ৰতে s p হয় আৰু p' নহয়। যেনে— কোনো ক্ষেত্ৰত কলহটো ৰঙা হয় আৰু ৰঙা নহয়।

৪ । স্যাৎ অবক্তব্যম্ ঃ এই অৱধাৰণাটোৰ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্রত hয় অবর্ণনীয়' s। যেতিয়া কোনো সময়ত একেটা বস্তুৰে বিৰোধী লক্ষণ দেখা যায়, তেতিয়া বস্তুটো অবর্ণনীয় বুলি ক'ব পাৰি। যেনে— কেতিয়াবা দেখা যায় যে কেঁচা মাটিৰ কলহটো ক'লা হয় আৰু জুইৰ তাপত ৰঙা হয়। গতিকে কলহটোৰ যথার্থ ৰং কি বুলি প্রশ্ন কৰিলে আমি কোৱা উচিত যে, ৰংটো কি ক'ব পৰা নাযায়। অর্থাৎ কলহটো অবর্ণনীয়।

৫ । স্যাৎ অস্তি চ, অবক্তব্যম্ চ ঃ ইয়াৰ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্রত s হয় p আৰু অবর্ণনীয় । স্যাৎ অস্তিৰ লগত স্যাৎ অবক্তব্যম্ চ অৱধাৰণাক সংযোগ কৰি এই অৱধাৰণাটি পোৱা যায়। যেনে— কোনো ক্ষেত্রত কলহটো ৰঙা আৰু কোনো ক্ষেত্রত অবর্ণনীয়।

৬। স্যাৎ নাস্তি চ, অবক্তব্যম্ চ ঃ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্রত s নহয় p আৰু অবর্ণনীয়'। স্যাৎ নাস্তি অৱধাৰণৰ সৈতে স্যাৎ অবক্তব্যম সংযোগিত কৰিলে এই অৱধাৰণাটো পোৱা যায়। যেনে— কোনো ক্ষেত্রত কলহটো বাহিৰত নাই আৰু কোনো ক্ষেত্রত ই অবর্ণনীয়।

৭। স্যাৎ অস্তি চ, নাস্তি চ, অবক্তব্যম্ চ ঃ ইয়াৰ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্রত s হয় p; নহয় p আৰু অবর্ণনীয়'। স্যাৎ অস্তি চ, নাস্তি চ ৰ সৈতে স্যাৎ অবক্তব্যম্ সংযোগ কৰিলে এই অৱধাৰণাটো পোৱা যায়। যেনে— কোনো ক্ষেত্রত কলহটো ৰঙা হয় আৰু ৰঙা নহয় আৰু কোনো ক্ষেত্রত ই অবর্ণনীয়।

যদিও ওপৰত উল্লেখ কৰা জৈন স্যাৎবাদক শুদ্ধ বুলি ভবা যায় সেয়েহে সমালোচক সকলে এই মতবাদটো সমালোচনা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ খালী ঠাই পূৰণ কৰকঃ

ক) জৈনসকলৰ মতে অৱধাৰণাবোৰ .....।

খ) 'স্যাৎ' শব্দটোৰ অর্থ .....।

গ) সাত প্রকাৰৰ অৱধাৰণাক ..... জনা যায়।

ঘ) 'নয়' ৰ ভ্রান্তিক ..... বোলে।

প্রশ্ন ৭ ঃ জ্ঞানৰ আপেক্ষিকতাবাদ বুলিলে কি বুজা যায় ? (৭০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক ১২.১

ক) জ্ঞানৰ আপেক্ষিকতাবাদ বা স্যাৎবাদ সূত্ৰই জ্ঞানৰ অসাধ্যতা বুজাই নেকি? আপোনাৰ মতামত কি? আলোচনা কৰক।

.....

.....

.....

খ) জৈনৰ 'সপ্তভংগী নয়' মতবাদে কোনো বস্তুৰ সত্তা সম্পৰ্কে আলোচনা কৰিবলৈ সক্ষম হৈছে নে? আপোনাৰ মতামত কি? ব্যাখ্যা কৰক।

.....

.....

.....

৪.৫ স্যাৎবাদৰ সমালোচনা

ক) বৌদ্ধ আৰু বেদান্তসকলৰ মতে স্যাৎবাদৰ অন্তৰ্ভুক্ত 'স্যাৎ' শব্দটোৱে অসুবিধাৰ সৃষ্টি কৰে। তেওঁলোকে স্যাৎবাদক 'আত্মবিৰোধ' (Self-Contradictory) বুলি আখ্যা দিছে। এই সূত্ৰ অনুসৰি একে বস্তুৰ একে সময়তে গুণৰ অস্তিত্ব থাকিবও পাৰে আৰু নাথাকিবও পাৰে সেয়েহে একে সময়তে পোহৰ আৰু এন্ধাৰ থাকিব নোৱাৰে। এই ক্ষেত্ৰত ধৰ্মকীৰ্তিয়ে কয় যে জৈন দৰ্শনে পগলা মানুহৰ নিচিনাকৈ বিৰোধৰ সৃষ্টি কৰিছে। শংকৰাচাৰ্যৰ মতে, একে বস্তুৰ একে সময়তে দুটা ৰূপ থাকিব নোৱাৰে। তেওঁৰ মতে, অদ্বিতীয়াত্মবাদ আৰু বহুত্ববাদ, সদৰ্থক আৰু নঞৰ্থক, পোহৰ আৰু এন্ধাৰ —এইবোৰ একে বস্তুৰ ক্ষেত্ৰত একে সময়তে সম্ভৱ নহয়। ৰামানুজেও শংকৰাচাৰ্যৰ সৈতে একমত হৈ এই মতবাদ সমালোচনা কৰে।

খ) জ্ঞানৰ আপেক্ষিকতাবাদ মতবাদ অৰ্থাৎ স্যাৎবাদ অনুসৰি সকলো ধৰণৰ অৱধাৰণাই চৰ্ত সাপেক্ষ। সকলো সদৰ্থক ধাৰণাই নঞৰ্থক ধাৰণাক অনুসৰণ কৰে আৰু সকলো নঞৰ্থক অৱধাৰণাই সদৰ্থক অৱধাৰণাক অনুসৰণ কৰে। আকৌ এই সূত্ৰ অনুসৰি সকলো সত্যতা আংশিকভাৱেহে সত্য বা মিছা। এই ক্ষেত্ৰত আমি ইয়াকেই ক'ব পাৰো যে যদি সত্যতা আংশিক ভাবেহে সঁচা বা মিছা হয়, তেন্তে স্যাৎবাদ সূত্ৰটো নিজেই সম্ভাৱনাপূৰ্ণ হ'ব, অথবা আংশিকভাৱেহে সঁচা বা মিছা হ'ব। জৈনসকলৰ স্যাৎবাদ তত্ত্বটোৱে যিহেতু পূৰ্ণ সত্যৰ কোনো আভাস দিব নোৱাৰে, সেয়েহে ইয়াক এক গ্ৰহণযোগ্য মতবাদ বুলি

মানি ল'ব নোৱাৰি।



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

জৈন 'স্যাৎবাদ' মতবাদটো সমালোচনা কৰা হৈছে যদিও ইয়াৰ গুৰুত্ব নুই কৰিব নোৱাৰি। জৈনসকলে সত্তাৰ বিভিন্নতা স্যাৎবাদ তত্ত্বটোৰ দ্বাৰা ব্যাখ্যা কৰিছে। এটি অৱধাৰণাই কেতিয়াও স্বতন্ত্রভাবে সত্তা প্রকাশ কৰিব নোৱাৰে। গতিকে জৈনসকলে সপ্তভংগী নয়ৰ দ্বাৰা প্রকাশ কৰিব বিচাৰিছে। যিহেতু এটি অবধাৰণাক কেতিয়াও সম্পূর্ণভাৱে ব্যাখ্যা কৰিব পৰা নাযায়, সেয়েহে জৈন সকলে স্যাৎবাদ তত্ত্বটো এক উপযুক্ত তত্ত্ব বুলি গ্রহণ কৰে। জৈনসকলে স্যাৎবাদ তত্ত্বটোক সত্তাৰ অপ্রকাশিত ৰূপটোক ব্যাখ্যা কৰাৰ প্রয়াস কৰিছে। সেয়েহে তেওঁ লোকৰ স্যাৎবাদ তত্ত্বটোক সত্তাৰ যথার্থতা ব্যাখ্যাত এক উপযুক্ত মতবাদ বুলি গ্রহণ কৰিব পৰা যায়।

জৈন দর্শনৰ কেইটিমান গুৰুত্ব পূর্ণ কথা তলত উল্লেখ কৰা হ'ল—

- প্রত্যক্ষ, অনুমান আৰু শব্দ —এই তিনিওটাক জৈন সকলে যথার্থ জ্ঞানার্জনৰ উপায় হিচাপে স্বীকাৰ কৰে।
- জৈন সকলৰ মতে জ্ঞান দুই প্রকাৰৰ— 'প্রমাণ' আৰু 'নয়'
- আংশিক জ্ঞান লাভ কৰা উপায়ক নয় বোলে।
- বস্তুৰ যথাযথ জ্ঞানেই হৈছে প্রমাণ।
- জৈন অধিবিদ্যা মতে সকলো অৱধাৰণাই হৈছে আপেক্ষিক।
- জৈন জ্ঞানবিদ্যা অনুসৰি জ্ঞান হৈছে আপেক্ষিক কিয়নো আমি আংশিক জ্ঞানহে জানো। ইয়াকে স্যাৎবাদ বুলি কোৱা হয়।
- অধিবিদ্যা অনুসৰি প্রত্যেক বস্তুৰে অসংখ্য গুণ বা লক্ষণ থাকে। ইয়াকে অনেকান্তবাদ বোলে।
- স্যাৎবাদ হৈছে জ্ঞানৰ আপেক্ষিকতাবাদ। ইয়াক 'সপ্তভংগী নয়' বা সপ্তম অৱধাৰনা বুলিও কোৱা হয়।



৪.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ প্রত্যক্ষ, অনুমান আৰু শব্দ।

২নং প্রশ্নৰ উত্তৰ ঃ অপৰোক্ষ আৰু পৰোক্ষ।

৩নং প্রশ্নৰ উত্তৰ ঃ যিকোনো বস্তুৰ অসংখ্য লক্ষণৰ পৰা আংশিক জ্ঞান আহৰণ কৰা হয়, তাকে 'নয়' বুলি কোৱা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ অধিবিদ্যা অনুসৰি প্রত্যেক বস্তুৰে অসংখ্য গুণ বা লক্ষণ থাকে। তাকে অনেকান্ত বাদ বোলে।

৫নং প্রশ্নৰ উত্তৰ ঃ ক) আপেক্ষিকতাবাদ খ) সাৎবাদ গ) অনেকান্তবাদ ঘ) সাত

৬নং প্রশ্নৰ উত্তৰ ঃ ক) আপেক্ষিক খ) হ'ব পাৰে গ) 'সপ্তভংগ নয়' ঘ) নয়ভচ।

৭নং প্রশ্নৰ উত্তৰ ঃ এই তত্ত্বমতে বস্তুৰ এক সামগ্রিক জ্ঞান মানুহ এজনৰ কাৰণে সম্ভৱ নহয়, সেয়ে জ্ঞান সম্ভাব্য বুলি কোৱা হয়। বস্তু এটা বিভিন্ন দিশ থাকিব পাৰে, সেয়ে এজন মানুহে জ্ঞানৰ ক্ষেত্রত সকলো দিশৰেই জ্ঞান আহৰণ কৰিবলৈ অসমর্থ হয়, সেয়ে মানুহে বস্তু এটাৰ সম্বন্ধে আংশিক জ্ঞানহে লাভ কৰিব পাৰে। গতিকে অৱধাৰণবোৰে এটা দিশৰ পৰা এটা সত্যকহে নির্দেশ কৰিব পাৰে, সেয়ে এই তত্ত্বটোক সম্ভাৱনীয় সূত্র বুলি জনা যায়।



৪.৮ অধিক জানিবলৈ

১) দাস, কালিচৰণ, *ভাৰতীয় দর্শন*

২) বৰুৱা, গিৰিশ, *ভাৰতীয় দর্শন*

৩) ভট্টাচার্য্য, জ্যোৎস্না, *ভাৰতীয় দর্শন*

৪) শর্মা, ৰাম নাথ, *ভাৰতীয় দর্শন*



৪.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ জৈন দর্শন মতে জ্ঞানৰ উৎসসমূহ কি কি?

প্রশ্ন ২ ঃ জৈন দর্শন অনুসৰি জ্ঞানৰ প্রকাৰবোৰ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ প্রমাণৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৪ ঃ জৈন দর্শন মতে, অর্থ নয় কি?

প্রশ্ন ৫ ঃ শব্দৰ নয় কি?

প্রশ্ন ৬ ঃ নয়'ত উদ্ভৱ হোৱা দোষটি উল্লেখ কৰক।

প্রশ্ন ৭ ঃ জৈন দর্শন মতে, স্যাৎ শব্দটোৰ অর্থ কি?

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ স্যাৎবাদৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ সপ্তভংগী নয় কি? চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ জৈন পৰাবিদ্যা সম্পর্কে চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৪ ঃ জৈন জ্ঞানবিজ্ঞান বুলিলে কি বুজা যায়? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

গ) চমুটোকা লিখক (১৫০টা শব্দৰ ভিতৰত লিখক**)**

(ক) জৈন পৰাবিদ্যা বা তত্ত্ববিদ্যা

(খ) জৈন জ্ঞানবিজ্ঞান

(গ) অনেকান্তবাদ

(ঘ) সপ্তভংগী নয়

(ঙ) স্যাৎবাদ

ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক**)**

প্রশ্ন ১ ঃ জৈন জ্ঞানবিদ্যা মানে কি বুজে ? আলোচনা কৰক।

প্রশ্ন ২ ঃ জৈন অধিবিদ্যা বুলিলে কি বুজে? আলোচনা কৰক।

প্রশ্ন ৩ ঃ জৈন "স্যাৎবাদ" বা "সপ্তভংগী নয়" বিশদভাৱে আলোচনা কৰক।

প্রশ্ন ৪ ঃ জৈন "স্যাৎবাদ" আলোচনা মুক্ত নে? আলোচনা কৰক।

প্রশ্ন ৫ ঃ জৈনসকলৰ "সপ্তভংগী" নয় বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন ৬ ঃ অনেকান্তবাদ কি? স্যাৎবাদ আৰু অনেকান্তবাদৰ মাজত কিবা সম্পর্ক আছেনে? আলোচনা কৰক।

****

অধ্যায়- ৫ : ন্যায় ঃ প্ৰমাৰ ধাৰণা

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ প্ৰমাৰ সংজ্ঞা
৫.৪ ন্যায় ঃ জ্ঞানৰ উৎসসমূহ
৫.৪.১ প্ৰত্যক্ষ
৫.৪.২ অনুমান
৫.৪.৩ উপমান
৫.৪.৪ শব্দ বা আপ্তবাক্য
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্ৰগতিৰ খতিয়ান
৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি--

- প্ৰমাৰ সংজ্ঞা দিবলৈ সক্ষম হ'ব,
- জ্ঞানৰ উৎসসমূহ আলোচনা কৰিবলৈ সক্ষম হ'ব,
- জ্ঞানৰ উৎস হিচাপে অনুমানক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- জ্ঞানৰ উৎস হিচাপে প্ৰত্যক্ষক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- জ্ঞানৰ উৎস হিচাপে উপমানক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- জ্ঞানৰ উৎস হিচাপে শব্দ আপ্তবাক্যক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

৫.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনালোকক ন্যায় দৰ্শনৰ 'প্ৰমা'ৰ ধাৰণাৰ সৈতে পৰিচয় কৰাব। এই অধ্যায়টিৰ জৰিয়তে ইয়াৰ লগত সম্পৰ্ক থকা মৌলিক বিষয়সমূহ বিচাৰি উলিয়াব পাৰিব। বিষয়বোৰ হ'ল— (১) প্ৰমাৰ সংজ্ঞা, (২) জ্ঞানৰ উৎস হিচাপে প্ৰত্যক্ষ, (৩) জ্ঞানৰ উৎস হিচাপে অনুমান, (৪) জ্ঞানৰ উৎস হিচাপে উপমান আৰু (৫) জ্ঞানৰ উৎস হিচাপে শব্দ বা আপ্তবাক্য।

৫.৩ প্রমাৰ সংজ্ঞা

প্রমাৰ সংজ্ঞা ঃ ন্যায়ৰ মতে জ্ঞান হৈছে বস্তুৰ প্রকাশ। আমাৰ চাৰিওফালে থকা বস্তুবোৰক যিদৰে এটা চাকিৰ পোহৰে পোহৰাই তোলে, ঠিক তেনেদৰে জ্ঞানেও পার্থিৱ বস্তুবোৰক প্রকাশ কৰিব পাৰে, নাইবা বস্তুবোৰক জানিবলৈ আমাক সহায় কৰে। ন্যায়ই পোষণ কৰে যে জ্ঞানক দুটা ভাগত ভগাব পৰা যায় প্রথমটো হৈছে অনুভৱ আৰু দ্বিতীয়টো হৈছে স্মৃতি। এই দুই প্রকাৰৰ জ্ঞান বৈধ নাইবা অবৈধও হ'ব পাৰে।

ন্যায়ৰ মতে, বৈধ জ্ঞানক 'প্রমা' বোলা হয়। আৰু অবৈধ জ্ঞানক কোৱা হয় 'অপ্রমা'। বৈধ জ্ঞান বিভিন্ন প্রকাৰৰ আছে। সেয়া হৈছে এনেধৰণৰ প্রত্যক্ষ অনুমান, উপমান আৰু শব্দ বা আপ্তবাক্য। আনহাতে, অবৈধ জ্ঞানো তিনি প্রকাৰৰ। সেয়া হ'ল শংকা, ভ্রান্তি (ভ্রম নাইবা বিপর্যয়) আৰু প্রাকল্পিক যুক্তি (তর্ক)।

ন্যায়ৰ মতে, অনুভৱ হৈছে বস্তুৰ এক নিশ্চিত, অভ্রান্ত আৰু অ-প্রতিলিপি অভিজ্ঞতা। উদাহৰণস্বৰূপে "মই মেজখনত এখন কিতাপ প্রত্যক্ষ কৰিছো আৰু জ্ঞান লাভ কৰিছো যে মেজখনত এখন কিতাপ আছে।" এই জ্ঞান বৈধ (প্রমা), কাৰণ ইয়াত জ্ঞান আৰু বস্তুটোৰ মাজত এক পোনপটীয়া সম্বন্ধ আছে। সেয়েহে, বৈধ জ্ঞান হৈছে এক নিশ্চিত, অভ্রান্ত আৰু জ্ঞান আৰু বস্তুৰ মাজৰ এক প্রত্যক্ষ সম্বন্ধৰ উৎপাদন।

যিহেতু স্মৃতি অতীত অভিজ্ঞতাৰ কেৱল এক পুনৰ উৎপাদন, সেয়ে ই এই অর্থত বৈধ বা অবৈধ হ'বও পাৰে যে যিহেতু ই এটা পূর্বৰ বৈধ নাইবা অবৈধ জ্ঞানৰ পুনঃউৎপাদন।

শংকাজনিত জ্ঞান প্রমা হ'ব নোৱাৰে। কিয়নো, ই নিশ্চিত জ্ঞান নহয়। ভ্রান্তিক অ-সন্দেহজনিত জ্ঞান নাইবা অনুভৱ হিচাপে গ্রহণ কৰিব পাৰি, কিন্তু ই বস্তুৰ স্বৰূপ বা প্রকৃতি প্রতি সত্য নহয়। উদাহৰণস্বৰূপে ঃ এন্ধাৰত আমি যেতিয়া ৰচী এডালকে সাপ বুলি প্রত্যক্ষ কৰোঁ, তেওঁ সেই মুহূর্তত আমি যি বস্তু প্রত্যক্ষ কৰোঁ তাৰ সত্যতা সম্পর্কে কোনো শংকা নাথাকে। কিন্তু এই প্রত্যক্ষজ্ঞান ভ্রান্তিমূলক, কাৰণ বস্তুটোৰ প্রত্যক্ষৰ দ্বাৰা আমি যি জ্ঞান লাভ কৰিছো, সি সত্য জ্ঞান নহয়। তর্কও বৈধ জ্ঞান নহয়, কাৰণ, ইও আমাক বস্তু সম্পর্কে কোনো সত্য জ্ঞান নিদিয়ে। উদাহৰণ স্বৰূপে ঃ যেতিয়া আমি আমাৰ ওচৰ মানুহৰ ঘৰত ধোঁৱা প্রত্যক্ষ কৰোঁ, আমি কওঁ যে ঘৰটোত জুই লাগিছে, কিন্তু মোৰ বন্ধু এজনে এই পূর্বৰ বক্তব্যটোত বিৰোধ ঘটায় যে ঘৰটোত জুই লগা নাই। তেওঁ সাব্যস্ত কৰে যে তাত জুই নাই। এতিয়া, প্রশ্ন উদয় হয় যে যদি তাত জুই নাই, তেন্তে তাত ধোঁৱা কেনেকৈ থাকিব পাৰে? ই নিঃসন্দেহে আমাক তর্ক বা যুক্তিৰ পিনে লৈ যায়। সেয়ে ক'ব পৰা যায় যে তর্কই আমাক পৰোক্ষ জ্ঞান দিয়ে, যাক অনুমানৰ সহায়ত নিঃসৃত কৰিব পৰা যায়। সেইকাৰণে, ই প্রমা বা বৈধ জ্ঞান হ'ব নোৱাৰে।

বৈধ জ্ঞানৰ ক্ষেত্রত নৈয়ায়িকসকলে এক গুৰুত্বপূর্ণ সন্দেহ প্রকাশক প্রশ্নৰ উত্থাপন কৰে যে মিথ্যা জ্ঞানৰ পৰা সত্য জ্ঞানক কিদৰে পৃথক কৰিব পাৰি? এই সন্দর্ভত নৈয়ায়িকসকলে সাব্যস্ত কৰে যে সত্যজ্ঞান হৈছে সেই জ্ঞান, যি বাস্তৱ বস্তুৰ লগত সঙ্গতি ৰক্ষা কৰে। উদাহৰণস্বৰূপে ঃ 'গাখীৰ বগা'ক সত্য জ্ঞান ৰূপে স্বীকাৰ কৰা হয়, কাৰণ বাস্তৱত আমি

দেখোঁ যে গাখীৰৰ ৰঙা বগা। ইয়াৰ বিপৰীতে, এই মত দিব পৰা যায় যে আমি কেতিয়াও প্রত্যক্ষ কৰা নাই যে গাখীৰৰ ৰং ক'লা, ৰঙা, সেউজীয়া ইত্যাদি। সেই কাৰণে, বগা ৰঙৰ বাহিৰে গাখীৰৰ আন সকলো ৰঙৰ স্বীকৃতি সত্য জ্ঞান হ'ব নোৱাৰে। গতিকে এই প্রশ্ন অনিবার্যভাৱে আহে যে আমি কেনেকৈ জানো যে প্রথম দাবী 'গাখীৰ বগা' সত্য আৰু আনবোৰ দাবী 'গাখীৰ ক'লা বা ৰঙা' আদি অসত্য? ইয়াত নিহিত হৈ থকা আন এক গুৰুত্বপূর্ণ প্রশ্ন এই যে আমি কেনেকৈ জ্ঞানৰ সত্যতা নাইবা অসত্যতা প্রমাণ কৰিব পাৰোঁ। ইয়াক এটা উদাহৰণেৰে ব্যাখ্যা কৰিব পৰা যায়— "পানীয়ে আমাৰ পিয়াহ দূৰ কৰে"— বচনটো প্রকৃত অর্থত সত্য হয় যে আমি পিয়াহ অনুভৱ কৰোঁ আৰু তৎক্ষণাত পানী খাওঁ আৰু লগে লগে আমাৰ পিয়াহ গুচে। এই পৰিপ্রেক্ষিতত ন্যায় দর্শনে গুৰুতৰভাৱে দেখুওৱায় যে জ্ঞানৰ সত্যতা আৰু অসত্যতা তথ্য নাইবা বস্তুৰ সৈতে ইয়াৰ সঙ্গতি আৰু অ-সঙ্গতিৰ মাজত থাকে। যদি বচনটো বস্তু নাইবা তথ্যৰ সৈতে সঙ্গতিপূর্ণ হয়, তেন্তে আমাৰ জ্ঞান সত্য হয়। আনহাতে যদি বচনটো তথ্য নাইবা বস্তুৰ লগত সঙ্গতি ৰক্ষা কৰাত অপাৰগ হয়, তেন্তে সেই বচনৰ সন্দর্ভত আমাৰ জ্ঞান অসত্য হয়। সত্য জ্ঞানে আমাক কৃতকার্যপূর্ণ ব্যৱহাৰিক কর্মৰাজিৰ পিনে অগ্রসৰ কৰায়। আনহাতে, অসত্য জ্ঞানে সত্যতাৰ লগত সঙ্গতি ৰক্ষা কৰাত অসমর্থ হয় আৰু অকৃতকার্যপূর্ণ কর্মৰাজিতে সমাপ্ত হয়।

অগ্রগতি নিৰীক্ষণ

প্রঃ১ ঃ ন্যায়ৰ মতে জ্ঞান কি?

.....

প্রঃ২ ঃন্যায়ৰ মতে জ্ঞানৰ প্রকাৰসমূহ কি কি?

.....

প্রঃ৩ ঃন্যায়ৰ মতে বৈধজ্ঞানৰ ভিন্ন প্রকাৰবোৰ কি কি?

.....

প্রঃ৪ ঃ'প্রমা' কাক বোলে?

.....

প্রঃ৫ ঃন্যায়ৰ মতে অবৈধ জ্ঞানৰ বিভিন্ন প্রকাৰবোৰ কি কি?

.....

প্রঃ৬ ঃ'অপ্রমা' কি?

.....

প্রঃ৭ ঃঅসত্য জ্ঞানৰ পৰা সত্য জ্ঞানক কেনেকৈ পৃথক কৰিব পাৰি?

.....

৫.৪ ন্যায় ঃ জ্ঞানৰ উৎসসমূহ

নৈয়ায়িকসকলে চাৰি প্রকাৰৰ জ্ঞান উৎসক স্বীকাৰ কৰিছে। সেইয়া হৈছে— (১) প্রত্যক্ষ, (২) অনুমান, (৩) উপমান আৰু (৪) শব্দ বা আপ্তবাদ্য।

৫.৪.১ প্রত্যক্ষ (Perception)

তর্কবিজ্ঞানত প্রত্যক্ষক সত্য জ্ঞান হিচাপে ধৰা হয়। নৈয়ায়িকসকলে প্রত্যক্ষক এক নির্দিষ্ট জ্ঞান হিচাপে সংজ্ঞা দিয়ে, যি সংবেদন আৰু বস্তুৰ সংযোগৰ দ্বাৰা উৎপন্ন হয় আৰু যি হয় সত্য নাইবা অভ্রান্ত। উদাহৰণস্বৰূপে ঃ যেতিয়া মই মোৰ কোঠাত মেজখন প্রত্যক্ষ কৰোঁ, ই সম্ভৱ হয় মেজখনৰ লগত মোৰ চকুৰ প্রত্যক্ষ সংযোগৰ বাবে। আৰু এই কথাও স্পষ্ট যে মেজখনৰ লগত মেজখনৰ মোৰ প্রত্যক্ষ জ্ঞান নির্দিষ্ট। বস্তুৰ ক্ষেত্রত দূৰৈৰ আৰু অস্পষ্ট প্রত্যক্ষজ্ঞান এক সন্দেহজনক প্রত্যক্ষ জ্ঞান হয়। সেইকাৰণে, ইয়াক সত্যজ্ঞান হিচাপে গ্রহণ কৰা নহয়। আকৌ, আন্ধাৰত ৰছীডালক সাপ প্রত্যক্ষ কৰাটো ভ্রমৰ এক পৰিণতি। সেয়ে, এনেধৰণৰ প্রত্যক্ষ বৈধ প্রত্যক্ষতকৈ পৃথক।

প্রত্যক্ষৰ আন এক সংজ্ঞা হৈছে যে ই এক প্রকাৰৰ জ্ঞান, যি উদয় হয় প্রত্যক্ষ কৰা বস্তুৰ দ্বাৰা আমাৰ ইন্দ্রিয়ৰ উত্তেজনাৰ বাবে। এই সংজ্ঞাটো কেইজনমান ভাৰতীয় আৰু পশ্চিমীয় দার্শনিকৰ দ্বাৰা স্বীকৃত। আনহাতে, কিছুমান নৈয়ায়িক আৰু বৈদান্তিকে এই মত নুই কৰিছে এই ভিত্তিত যে বস্তু আৰু সংবেদনৰ সংযোগ অবিহনেও প্রত্যক্ষ সম্ভৱ হ'ব পাৰে। উদাহৰণস্বৰূপে ঃ ইন্দ্রিয় সংবেদন আৰু বস্তুৰ সংযোগৰ অবিহনেও আমি ঈশ্বৰৰ ধাৰণাক ভাবিব পাৰোঁ। আকৌ, যেতিয়া এজন ব্যক্তিয়ে আন্ধাৰত ৰছীডালক সাপ বুলি প্রত্যক্ষ কৰে, তেতিয়া বাস্তৱতে কোনো সাপৰ আমাৰ চকুৰ সৈতে সংযোগ নঘটে। ইয়াৰোপৰি, আমাৰ দ্বাৰা সুখ বা দুখক কোনো ইন্দ্রিয় সংবেদন নোহোৱাকৈয়ে প্রত্যক্ষ কৰিব পৰা যায়। গতিকে, ইন্দ্রিয় আৰু বস্তুৰ সংযোগক প্রত্যক্ষ সংজ্ঞাজনিত চর্ত বুলিব নোৱাৰি। কিন্তু সাধাৰণ সত্য এই যে প্রত্যক্ষ হৈছে আমাৰ ইন্দ্রিয়ৰ দ্বাৰা প্রত্যক্ষিত বস্তুৰ জ্ঞানৰ এক পোনপটীয়া অৱস্থা বা তাৎক্ষণিকতা। আকৌ, কোনো কোনো ভাৰতীয় দার্শনিকে প্রত্যক্ষৰ সংজ্ঞা এক অমাধ্যম বা অনন্তৰ জ্ঞান হিচাপে আগবঢ়াইছে; যদিওবা তেওঁলোকে স্বীকাৰ কৰে যে বেছিভাগ ক্ষেত্রত প্রত্যক্ষ ইন্দ্রিয়-সংবেদনৰ দ্বাৰা চর্তসাপেক্ষ হয়।

৫.৪.২ অনুমান (Inference)

অনুমান হৈছে এক প্রকাৰৰ জ্ঞান, যিয়ে আন কেতবোৰ জ্ঞান নিঃসৰণ কৰে। ই দুটা শব্দৰে গঠিত, এটা হৈছে 'অনু' আৰু আনটো হৈছে 'মান'। 'অনু'ৰ অর্থ 'পিছৰ' আৰু 'মান'ৰ অর্থ 'জ্ঞান'। গতিকে 'অনুমান' হৈছে পিছত হোৱা জ্ঞান। সেইকাৰণে, অনুমান হৈছে এক প্রকাৰৰ জ্ঞান, যি আন কেতবোৰ জ্ঞানৰ পৰা নিঃসৃত হয়। উদাহৰণ হিচাপে, পাহাৰখনত জুই

আছে, কাৰণ তাত ধোঁৱা আছে। সেয়ে আমি ক'ব পাৰো যে "য'তেই ধোঁৱা আছে, ত'তেই জুই আছে।" এই উদাহৰণটোৱে দেখুৱায় যে পাহাৰখনত আমি ধোঁৱা প্রত্যক্ষ কৰোঁ, আৰু পাহাৰত ধোঁৱাৰ অস্তিত্বৰ পৰা আমি অনুমান যে পাহাৰখনত জুই আছে। ই ধোঁৱা আৰু জুইৰ মাজত এক নিয়ত সম্পর্ক প্রতিপন্ন কৰে। গতিকে অনুমান হৈছে এক যৌক্তিক প্রক্রিয়া, য'ত আমি জ্ঞাত সত্যৰ জ্ঞানৰ পৰা অজ্ঞাত সত্যৰ জ্ঞানলৈ নাইবা প্রত্যক্ষিত বস্তুৰ জ্ঞানৰ পৰা অপ্রত্যক্ষিত বস্তুৰ জ্ঞানলৈ অগ্রসৰ হওঁ। অনুমানৰ মৌলিক বৈশিষ্ট্য হৈছে যে ই দুটা পদ হেতু (ধোঁৱা) আৰু সাধ্য (জুই)ৰ মাজৰ নিয়ত সাহচর্য সম্বন্ধৰ ওপৰত নির্ভৰশীল।

৫.৪.৩ উপমান (Comparision)

ন্যায়দর্শনৰ মতে, উপমান হৈছে যথার্থ জ্ঞানৰ তৃতীয়টো উৎস বা জ্ঞান লাভৰ উপায়। যথার্থ জ্ঞানৰ উৎস হিচাপে, ই এক নাম আৰু বস্তুৰ মাজত নাইবা এটা শব্দ আৰু ইয়াৰ বাচ্যার্থৰ মাজৰ এখ সম্বন্ধক প্রকাৰান্তৰে বুজায়। আমি উপমানৰ জৰিয়তে জ্ঞান লাভ কৰোঁ, যেতিয়া কেতবোৰ বিশ্বাসযোগ্য ব্যক্তিয়ে আমাক এটা বস্তুৰ বর্ণনাৰে কয়। কিছুমান বস্তুৰ বর্ণনাৰ ওপৰত ভিত্তি কৰি, যদিও আমি পূর্বতে সেই বস্তুটোৰ বিষয়ে নাজানো, তথাপিও আমি সেই বস্তুৰ জ্ঞান নাইবা শব্দটো প্রকৃত বস্তুৰ ক্ষেত্রত প্রয়োগ কৰিব পাৰোঁ আৰু জানিবলৈ সক্ষম হওঁ যে শব্দটো বস্তুৰ সৈতে অনুৰূপ আৰু অৱশেষত, উপমানৰ জৰিয়তে আমি বস্তুটোৰ সম্বন্ধে জ্ঞান আহৰণ কৰোঁ। উদাহৰণস্বৰূপে ঃ কোনো এজন ব্যক্তিয়ে 'গবয়' (wild cow) পূর্বে কেতিয়াও দেখা নাই। কিন্তু অৰণ্য ৰক্ষকজনে ক'লে যে 'গবয় গৰুৰ নিচিনা'। ব্যক্তিজনে এদিন অৰণ্যৰ মাজত গৰুৰ নিচিনা এটা জন্তু দেখা পালে। ব্যক্তিজনে সাদৃশ্যজ্ঞানৰ ভিত্তিত 'গবয়'ৰ জ্ঞান লাভ কৰিলে। গতিকে উপমানত সাদৃশ্যজ্ঞানেই আমাৰ জ্ঞানৰ ভিত্তি হিচাপে ধৰা হয়।

নৈয়ায়িকসকলৰ দ্বাৰা উপমান যথার্থ জ্ঞানৰ এক উৎস বা উপায় হিচাপে স্বীকৃত হৈছে যদিও আন কিছুমান ভাৰতীয় দার্শনিকৰ দ্বাৰা ই স্বীকৃতি লাভ কৰা নাই। চার্বাকই পোষণ কৰে যে উপমান যথার্থ জ্ঞানৰ উপায় নহয়, কিয়নো ই শব্দৰ বাচ্যার্থৰ বিষয়ে আমাক কোনো সত্যজ্ঞান দিব নোৱাৰে। বৌদ্ধ তর্কবিদসকলেও পোষণ কৰে যে উপমান যথার্থ জ্ঞানৰ এক স্পষ্ট আৰু স্বতন্ত্র উপায় নহয়, কাৰণ ই প্রত্যক্ষ আৰু আপ্তবাক্যৰ ফল বা পৰিণতি। ইয়াৰ পৰিবর্তে তেওঁলোকে স্বীকাৰ কৰে যে ই এক প্রকাৰৰ বৈধ জ্ঞান। বৈশেষিক আৰু সাংখ্য দর্শনে পোষণ কৰে যে, উপমান অনুমানৰ এক প্রকাৰ। সেইবাবে, ই জ্ঞানৰ এক স্পষ্ট প্রকাৰো নহয়, নাইবা জ্ঞানৰ এক স্বতন্ত্র উপায়ো নহয়। জৈন সম্প্রদায়ে ভাবে যে ই প্রত্যাভিজ্ঞ নাইবা স্বীকৃতি প্রদানৰ এক পৰিণতি। গতিকে, এই সম্প্রদায়ে উপমানক প্রত্যাভিজ্ঞৰ স্থানলৈ ৰূপান্তৰ কৰিছে।

৫.৪.৪ শব্দ বা আপ্তবাক্য (Testimony)

ন্যায় দার্শনিক সম্প্রদায়ে শব্দ বা আপ্তবাক্যক যথার্থ জ্ঞানার্জনৰ এক উপায় হিচাপে গ্রহণ কৰিছে। আক্ষৰিকভাৱে ই শাব্দিক জ্ঞানক বুজায়। ই শব্দ বা বাক্যৰ পৰা নিঃসৃত হোৱা বস্তুৰ জ্ঞান। কিন্তু, সকলো শাব্দিক জ্ঞানেই যথার্থ জ্ঞান নহয়। ন্যায়ই ইয়াক এক যথার্থ শাব্দিক জ্ঞান বা আপ্তাবাক্য হিচাপে ধাৰণা কৰে। এক যথার্থ প্রমাণ হিচাপে, শব্দ এজন বিশ্বাসযোগ্য, প্রকৃত জ্ঞানী আৰু সত্যবাদী লোকৰ দ্বাৰা গঠিত। এক শাব্দিক জ্ঞান সত্য হয়, যেতিয়া ই এজন মানুহৰ পৰা আহে, যিজনে কেৱল সত্যক জনাই নহয়, বৰঞ্চ তেওঁ আনৰ পথপ্রদর্শনৰ হকে সত্য কয়। ই ইয়াকো দেখুওৱায় যে এটা বচন বা উক্তি নিজে নিজেই বৈধ নহয় আৰু জ্ঞান লাভৰ বাবে ভিত্তিৰ যোগান ধৰিবলৈও ই পর্যাপ্ত নহয়। আকৌ, এটা বচনৰ শব্দবোৰৰ কেৱল প্রত্যক্ষইও বস্তুৰ জ্ঞানলৈ আগুৱাই লৈ যাব নোৱাৰে। তাতকৈ, এই কথা স্বীকাৰ কৰিব পৰা যায় যে, যেতিয়া আমি এটা বচনত শব্দবোৰক প্রত্যক্ষ কৰোঁ আৰু শব্দবোৰৰ অর্থ বুজি পাওঁ, যেতিয়া এক শাব্দিক আপ্তবচনৰ পৰা জ্ঞান আহৰণ কৰোঁ। সেয়েহে, এটা শব্দ বা আপ্তবাক্যৰ বৈধতা এজন বিশ্বাসযোগ্য ব্যক্তিৰ বাক্য বা উক্তিৰ ওপৰতে কেৱল নির্ভৰ নকৰে, বৰঞ্চ সেই বচনটোৰ অর্থৰ বোধগম্যতাৰ ওপৰতো ই নির্ভৰশীল। গতিকে, শব্দ বা আপ্তবাক্য, যথার্থ জ্ঞানার্জনৰ উপায় হিচাপে এজন বিশ্বাসযোগ্য ব্যক্তিৰ উক্তি বা বচনৰ অর্থৰ বোধগম্যতাৰ ওপৰত নির্ভৰশীল।

<u>শব্দৰ শ্রেণীবিভাজন</u> ঃ শব্দ বা আপ্তবাক্যৰ শ্রেণী বিভাজনৰ দুটা পথ আছে। এটাৰ মতে, শব্দ বা আপ্তবাক্য দুই প্রকাৰৰ। প্রথমটো জড়িত হয় প্রত্যক্ষিত বস্তুবোৰৰ সৈতে, য'ত আমি সাধাৰণ মানুহ, সাধু আৰু ধর্মশাস্ত্রবিলাকৰ বিশ্বাসযোগ্য কথাক অন্তর্ভুক্ত কৰোঁ। উদাহৰণস্বৰূপে ঃ আমি শস্যৰ সঠিক খেতিৰ সন্দর্ভত এজন বিশ্বাসযোগ্য খেতিয়কৰ দৃঢ়তাৰ বিষয়ে ক'ব পাৰোঁ। আনহাতে, ধর্মগ্রন্থসমূহে খৰাং অৱস্থাৰ পৰা মুক্তি পাবলৈ বৰষুণ আনিবলৈ কেতবোৰ ধর্মীয় কাম-কাজ সম্পন্ন কৰিবলৈ পৰামর্শ আগবঢ়ায়। ২য়টো জড়িত হয় অপ্রত্যক্ষিত বস্তুবোৰৰ লগত, য'ত আমি অন্তর্ভুত কৰোঁ সাধাৰণ মানুহ, সাধু, ধর্মযাজক আৰু ধর্মগ্রন্থবোৰৰ বিশ্বাসযোগ্য কথাবোৰকো। উদাহৰণস্বৰূপে ঃ আমি সাধু বা সন্ত আৰু ধর্ম-যাজকসকলৰ কথা ক'ব পাৰোঁ, যিসকলে মানৱতা, ভাতৃত্ববোধ, ধৈর্য্য, সহনশীলতা, একতা, সদ্‌গুণ আৰু অসদ্‌গুণবোৰৰ বাণী প্রদান কৰে। আনহাতে, ধর্মগ্রন্থবোৰে ঈশ্বৰ, স্বতন্ত্রতা আৰু অমৰত্বৰ কথা আমাক কয়।

শ্রেণীবিভাজনৰ আনটো পথ অনুযায়ী শব্দ বা আপ্তবাক্য দুই ধৰণৰ আছে। এটা হৈছে ধর্মগ্রন্থ সম্বন্ধীয় নাইবা বৈদিক আৰু আনটো হৈছে ধর্মনিৰপেক্ষ। প্রথমটো ঈশ্বৰৰ কথাৰ সৈতে জড়িত। সেইকাৰণে, ই পূর্ণ আৰু অভ্রান্ত। আনহাতে, ২য়টো পূর্ণ আৰু অভ্রান্ত নহয়। ই সত্যও হ'ব পাৰে, নাইবা অসত্যও হ'ব পাৰে। কিন্তু এনে নহয়নে লৌকিক শব্দ বা আপ্তবাক্য সকলো ক্ষেত্রতে অবৈধ, কিয়নো এজন বিশ্বাসযোগ্য ব্যক্তিৰ কথা বৈধ বা যথার্থ হৈ পৰে। ওপৰত উল্লেখিত শব্দ বা আপ্তবাক্যৰ শ্রেণীবিভাজনৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে শ্রেণীবিভাজনৰ প্রথমটো জ্ঞানৰ বিষয়ৰ স্বৰূপৰ সৈতে জড়িত। আনহাতে, ২য়টোৱে জ্ঞান উৎস বা উপায়ৰ নির্দেশ দিয়ে। দুয়োটা শ্রেণীবিভাজন এইদিশত একমত যে শব্দ বা আপ্তবাক্য সদায় ব্যক্তিজনিত হ'বই লাগিব, যি বিশ্বাসযোগ্য লোকৰ কথাৰ ওপৰত প্রতিষ্ঠিত, তেওঁ মানৱেই হওঁক নাইবা স্বর্গীয়ই হওঁক। সত্যতাৰ ক্ষেত্রত ঈশ্বৰৰ দাৰা প্রকাশিত বিশ্বাসযোগ্য

ব্যক্তি, সন্ত, ধর্মগুৰু আৰু ধর্মগ্রন্থৰ দৃঢ়তাৰ মাজত কোনোধৰণৰ পার্থক্য নাই।



অগ্রগতি নিৰীক্ষণ

প্রঃ৮ ঃ ন্যায়ৰ মতে জ্ঞানৰ উৎস বা উপায়সমূহ কি কি?

.....

প্রঃ৯ ঃ ন্যায়ৰ মতে প্রত্যক্ষ কি?

.....

প্রঃ১০ঃ উদাহৰণসহ অনুমানৰ সংজ্ঞা দিয়ক?

.....

প্রঃ১১ঃ 'অনুমান' শব্দৰ গঠনকাৰী শব্দ দুটা কি কি?

.....

প্রঃ১২ঃ 'উপমান' কাক বোলে?

.....

প্রঃ১৩ঃ উপমানৰ এটা উদাহৰণ দিয়ক।

.....

প্রঃ১৪ঃ বৌদ্ধ তর্কবিদসকলে কিয় পোষণ কৰে যে উপমান যথার্থ জ্ঞানৰ এক উপায় নহয়।

.....

প্রঃ১৫ঃ শব্দ বা আপ্তবাক্যৰ আক্ষৰিক অর্থটো লিখক।

.....

প্রঃ১৬ঃ অনুমানৰ মৌলিক বৈশিষ্ট্যটো উল্লেখ কৰক।

.....

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ন্যায়ই পোষণ কৰে যে, জ্ঞান হৈছে বস্তুৰ প্রকাশ। আমাৰ চাৰিওফালে থকা পার্থিৰ বস্তুবোৰক যিদৰে এটা চাকিৰ পোহৰে পোহৰাই তোলে, ঠিক তেনেদৰে জ্ঞানেও বস্তুবোৰক

প্রকাশ কৰিব পাৰে নাইবা আমাৰ আগত বস্তুবোৰক জানিবলৈ সহায় কৰে।

- ন্যায়ৰ মতে, জ্ঞান দুই প্রকাৰৰ ঃ প্রথমটো হ'ল অনুভৱ আৰু দ্বিতীয়টো হ'ল স্মৃতি।
- ন্যায়ই যথার্থ জ্ঞানৰ বিভিন্ন প্রকাৰ স্বীকাৰ কৰিছে। সেইবোৰ হৈছে ঃ প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ বা আপ্তবাক্য। আনহাতে অযথার্থ জ্ঞানো তিনি প্রকাৰৰ ঃ সংশয়, ভ্রান্তি (ভ্রম বা বিপর্যয়) আৰু প্রাকল্পিক যুক্তি (তর্ক)।
- যথার্থ অনুভৱমূলক জ্ঞানৰ সংজ্ঞা বস্তুৰ এক নিশ্চিত, অভ্রান্ত আৰু অনা-উৎপাদিত অভিজ্ঞতা হিচাপে আগবঢ়াইছে। উদাহৰণ স্বৰূপে ঃ 'x'য়ে মেজখনত এখন কিতাপ প্রত্যক্ষ কৰিছে আৰু লগে লগে 'x'য়ে জ্ঞান আহৰণ কৰে যে 'মেজখনত এখন কিতাপ আছে। এই জ্ঞান যথার্থ জ্ঞান (প্রমা), কাৰণ, জ্ঞান আৰু বস্তুটোৰ মাজত এক পোনপটীয়া সম্পর্ক আছে। গতিকে, যথার্থ জ্ঞান এক নিশ্চিত, অভ্রান্ত আৰু জ্ঞান আৰু বস্তুৰ মাজৰ এক পোনপটীয়া সম্পর্কৰ উৎপাদন।
- ন্যায়ৰ মতে তর্ক যথার্থ জ্ঞান নহয়, কিয়নো ই বস্তু সম্পর্কে আমাক সত্য জ্ঞানৰ সন্ধেদ নিদিয়ে। উদাহৰণস্বৰূপে ঃ যেতিয়া আমি আমাৰ প্রতিবেশীৰ ঘৰত ধোঁৱা দেখা পাওঁ, আমি কওঁ যে ঘৰটোত জুই লাগিছে। কিন্তু, মোৰ এজন বন্ধুৱে মোৰ সেই কথাৰ বিৰোধিতা কৰে, কাৰণ তেওঁ দৃঢ়তাৰে সাব্যস্ত কৰে যে তাত কোনো জুই নাই। এতিয়া প্রশ্ন হয় যে যদিহে তাত জুই নাই, তাত ধোঁৱা কেনেকৈ আছে বা থাকিব পাৰে। ইয়ে নিঃসন্দেহে আমাক তর্কলৈ লৈ যায়। গতিকে, ক'ব পৰা যায় যে, তর্কই আমাক পৰোক্ষ জ্ঞান দিব পাৰে, যাক অনুমানৰ পৰা পাব পাৰি। সেইকাৰণে, ই প্রমা নাইবা বৈধ জ্ঞান নহয়।
- ন্যায়ই গুৰুত্ব সহকাৰে দেখুওৱাই যে, জ্ঞানৰ সত্যতা আৰু অসত্যতা বাস্তৱ বস্তুৰ সৈতে থকা সঙ্গতি আৰু অ-সঙ্গতিৰ মাজত নিহিত থাকে। যদি বচনটো প্রকৃত বস্তুটোৰ লগত সঙ্গতিপূর্ণ হয়, তেতিয়া ই সত্য হিচাপে স্বীকৃত হয়। আনহাতে, যদি প্রকৃত বস্তুটোৰ সৈতে সঙ্গতি বজাই চলাত বচন নাইবা উক্তিটো সমর্থ নহয়, তেন্তে সেই বচন বা উক্তিটোৰ সন্দর্ভত আমাৰ জ্ঞান অসত্য হৈ পৰে। সত্য জ্ঞানে ব্যৱহাৰিক কার্যৰ কৃতকার্যতাৰ পিনে লৈ যায়, আনহাতে, অসত্য জ্ঞান প্রকৃত সত্যৰ সৈতে সঙ্গতি ৰক্ষা কৰাত অপাৰগ হয় আৰু অকৃতকার্য কার্যতে অন্ত পৰে।
- ন্যায়ই সত্য জ্ঞানৰ চাৰি প্রকাৰৰ উপায়ৰ পৰামর্শ আগবঢ়াইছে। সেয়া হৈছে ঃ (১) প্রত্যক্ষ, (২) অনুমান, (৩) উপমান আৰু (৪) শব্দ বা আপ্তবাক্য।
- ন্যায়ৰ মতে, প্রত্যক্ষ হ'ল একপ্রকাৰ জ্ঞান, যাক এক নির্দিষ্ট জ্ঞান বোলা হয় আৰু ই সৃষ্টি হয় সংবেদন আৰু বস্তুৰ সংযোগৰ ফলত আৰু যাক সত্য আৰু অভ্রান্ত হিচাপে ভবা হয়।
- অনুমান (Inference) হৈছে একপ্রকাৰৰ জ্ঞান, যি আন জ্ঞানৰ পৰা আহে বা নিঃসৃত হয়। উদাহৰণস্বৰূপে ঃ পাহাৰখনত জুই আছে, কাৰণ তাত ধোঁৱা আছে —হৈছে অনুমানৰ এক উদাহৰণ। জ্ঞাত জ্ঞান 'ধোঁৱা'ৰ ওপৰত ভিত্তি কৰি অজ্ঞাত জ্ঞাত 'জুই'ৰ জ্ঞান লাভ কৰা হয়।

- উপমান একপ্রকাৰৰ যথার্থ জ্ঞান। ই নাম আৰু বস্তুৰ মাজত নাইবা এক শব্দ আৰু ইয়াৰ বাচ্যার্থৰ মাজত এক সম্পর্ক নির্দেশ কৰে। আমি উপমানৰ জৰিয়তে জ্ঞান লাভ কৰোঁ, যেতিয়া এজন বিশ্বাসযোগ্য ব্যক্তিয়ে বর্ণনাৰ জৰিয়তে আমাক কোনো বস্তুৰ বিষয়ে কয়।
- শব্দ বা আপ্তবাক্য একপ্রকাৰৰ যথার্থ জ্ঞান। ই হৈছে শব্দ বা বাক্যৰ পৰা নিঃসৃত হোৱা জ্ঞান। ইয়াক নৈয়ায়িকসকলে এক বৈধ শাব্দিক আপ্তবাক্য হিচাপে সংজ্ঞা দিছে। এক যথার্থ প্রমাণ হিচাপে শব্দ এজন বিশ্বাসযোগ্য ব্যক্তিৰ কথাৰে গঠিত। এক আপ্তবাক্য সত্য হৈ পৰে, যেতিয়া ই এজন ব্যক্তিৰ পৰা আহে, যিজনে কৱল সত্যক জনাই নহয়, বৰঞ্চ, আন মানুহৰ পথপ্রদর্শনৰ হকে সত্য কয়। সেই কাৰণে, শব্দ বা আপ্তবাক্য একপ্রকাৰৰ যথার্থ জ্ঞান।



৫.৬ অধিক জানিবলৈ

১. Chatterjee, S.C. and Dutta, D.M. (1968). An Introduction to Indian Philosophy. University of Calcutta.
২. Hiriyanna. M. (1993). Outlines of Indian Philosophy. Delhi : Motilal Banarassidass Publishers Pvt. Ltd.
৩. Radhakrishnan. S. (1923). Indian Philosophy (Vol.-2). Oxforx University Press.
৪. Sharma, C.D. (1973). A Critical Survey of Indian Philosophy. Delhi : Motilal Banarasidass.

৫.৭অগ্রগতিৰ খতিয়ান

১ নং প্রঃ উঃ জ্ঞান হৈছে বস্তুবোৰৰ প্রকাশ। আমাৰ চাৰিওফালে অস্তিত্বশীল ইন্দ্রিয়গ্রাহ্য বস্তুবোৰক চাকিৰ পোহৰে পোহৰাই তোলাৰ দৰে জ্ঞানেও বস্তুবোৰক প্রকাশ কৰে নাইবা সিহঁতক জানিবলৈ আমাক সহায় কৰে।

২ নং প্রঃ উঃ অনুভৱ আৰু স্মৃতি।

৩ নং প্রঃ উঃ প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ বা আপ্তবাক্য।

৪ নং প্রঃ উঃ যথার্থ জ্ঞানক 'প্রমা' বোলা হয়।

৫ নং প্রঃ উঃ শংকা, ভ্রান্তি আৰু প্রাকল্পিক যুক্তি।

৬ নং প্রঃ উঃ অযথার্থ জ্ঞানক 'অপ্রমা' বোলা হয়।

৭ নং প্রঃ উঃ ন্যায়ৰ মতে, সত্য জ্ঞান হৈছে যি প্রকৃত বস্তুৰ সৈতে সঙ্গতিপূর্ণ হয়। আনহাতে, অসত্য জ্ঞান প্রকৃত বস্তুৰ সৈতে সঙ্গতিপূর্ণ নহয়। উদাহৰণ স্বৰূপে ঃ 'ঘাঁহ সেউজীয়া'— সত্য জ্ঞান, কিয়নো বাস্তৱ ক্ষেত্রত আমি দেখা পাওঁ যে 'ঘাঁহ সেউজীয়া'। আমি ক'তো দেখা নাপাওঁ যে 'ঘাঁহ ৰঙা'। সেই কাৰণে, এই

সন্দর্ভত ন্যায়ই দেখুৱায় যে জ্ঞানৰ সত্যতা আৰু অসত্যতা প্রকৃত বস্তুৰ সৈতে থকা সঙ্গতি আৰু অসঙ্গতিৰ মাজত নিহিত থাকে।

৮ নং প্রঃ উঃ (১) প্রত্যক্ষ, (২) অনুমান, (৩) উপমান আৰু (৪) শব্দ বা আপ্তবাক্য।

৯ নং প্রঃ উঃ নৈয়ায়িকসকলে এক নির্দিষ্ট জ্ঞান হিচাপে প্রত্যক্ষৰ সংজ্ঞা আগবঢ়াইছে, যি সৃষ্টি হয় সংবেদন আৰু বস্তুৰ সংযোগৰ দ্বাৰা। যি জ্ঞান সংবেদন আৰু বস্তুৰ সংযোগৰ পৰা উদ্ভৱ হয়, তেনে জ্ঞানক সত্য আৰু অভ্রান্ত বুলি ধাৰণা কৰা হয়।

১০ নং প্রঃ উঃ অনুমানে দুটা শব্দৰে গঠিত এক জ্ঞানক বুজায়। 'অনু'ৰ অর্থ 'পিছত' আৰু 'মান'ৰ অর্থ 'জ্ঞান'। গতিকে, 'অনুমান' হৈছে পিছত হোৱা জ্ঞান। সেইবাবে, অনুমান হৈছে একপ্রকাৰৰ জ্ঞান, যি আন জ্ঞানৰ পৰা আহে বা নিঃসৃত হয়। উদাহৰণ স্বৰূপেঃ য'তেই ধোঁৱা আছে, তাতেই জুই আছে।

১১ নং প্রঃ উঃ 'অনু' শব্দৰ অর্থ 'পিছত' আৰু 'মান' শব্দৰ অর্থ 'জ্ঞান'।

১২ নং প্রঃ উঃ যথার্থ জ্ঞানৰ এক উপায় হিচাপে উপমানে এক নাম আৰু বস্তু, নাইবা এক শব্দ আৰু ইয়াৰ বাচ্যার্থৰ মাজৰ এক সম্বন্ধক নির্দেশ কৰে। আমি উপমানৰ জৰিয়তে জ্ঞান লাভ কৰোঁ, যেতিয়া বিশ্বাসযোগ্য কোনো ব্যক্তিয়ে বর্ণনাৰ জৰিয়তে আমাক বস্তুবোৰৰ বিষয়ে কয়।

১৩ নং প্রঃ উঃ উদাহৰণস্বৰূপেঃ এজন মানুহে গবয় নাইবা বনৰীয়া গৰুৰ বিষয়ে একোৱেই নাজানে, কিন্তু এজন বনৰক্ষকে তেওঁক ক'লে যে গবয় আৰু বনৰীয়া গৰু দেখাত একে। পাছত তেওঁ হাবিত এনে এক জন্তু দেখা পালে আৰু তাক গবয় স্বীকৃতি দিলে। আৰু বনৰীয়া গৰু এই জ্ঞান উপমানৰ বাবে হৈছে।

১৪ নং প্রঃ উঃ বৌদ্ধ তর্কবিদসকলে মত প্রকাশ কৰে যে উপমান যথার্থ জ্ঞানৰ এক উপায় নহয়, কিয়নো, ই শব্দ নাইবা আপ্তবাক্যৰ পৰা আহে। সেইবাবে, তেওঁলোকৰ মতেই জ্ঞানৰ এক যথার্থ প্রকাৰ নহয়।

১৫ নং প্রঃ উঃ আক্ষৰিকভাৱে, ইয়াৰ অর্থ যথার্থ জ্ঞান (knowledge)।

১৬ নং প্রঃ উঃ অনুমান দুটা পদ 'হেতু' (ধোঁৱা) আৰু 'সাধ্য' (জুই)ৰ মাজৰ এক নিয়ত সাহচর্য সম্পর্কৰ ওপৰত নির্ভৰশীল।



৫.৮ আহি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রঃ১ ঃ অনুভৱ জ্ঞান (Presentative Knowledge) কি?

প্রঃ২ ঃ স্মৃতি জ্ঞানৰ সংজ্ঞা আগবঢ়াওক।

প্রঃ৩ ঃ 'প্রমা' কি?

প্রঃ৪ ঃ 'অপ্রমা' কি?

প্রঃ৫ ঃ ন্যায়ৰ মতে যথার্থ জ্ঞানৰ বিভিন্ন উপায়বোৰ কি কি?

প্রঃ৬ ঃ প্রত্যক্ষ কি?

প্রঃ৭ ঃ শব্দ বা আপ্তবাক্য কি?

প্রঃ৮ ঃ 'শব্দ' বা আপ্তবাক্য'ৰ আক্ষৰিক অর্থ কি?

প্রঃ৯ ঃ উপমান কি?

প্রঃ১০ঃ ন্যায়ৰ মতে জ্ঞানৰ দুটা শ্রেণীবিভাজন কি কি?

(খ) চমু প্রশ্ন (১০০-১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ কৰিব)

প্রঃ১ ঃ ন্যায়ৰ মতে যথার্থ জ্ঞান কি? চমুকৈ বিভিন্ন প্রকাৰৰ যথার্থ জ্ঞানসমূহ ব্যাখ্যা কৰক।

প্রঃ২ ঃ সন্দেহজনক জ্ঞান কিয় প্রমা নহয়? চমুকৈ ব্যাখ্যা কৰক।

প্রঃ৩ ঃ সত্য জ্ঞান কিদৰে অবৈধ জ্ঞানৰ পৰা পৃথক? চমুকৈ ব্যাখ্যা কৰক।

প্রঃ৪ ঃ চমুটোকা লিখক ঃ

(ক) জ্ঞানৰ উপায় হিচাপে প্রত্যক্ষ

(খ) জ্ঞানৰ উপায় হিচাপে অনুমান

(গ) জ্ঞানৰ উপায় হিচাপে উপমান

(ঘ) জ্ঞানৰ উপায় হিচাপে শব্দ বা আপ্তবাক্য

প্রঃ৫ ঃ শব্দ বা আপ্তবাক্য কি? চমুকৈ শব্দৰ প্রকাৰসমূহৰ ব্যাখ্যা কৰক।

প্রঃ৬ ঃ উপমান কাক বোলে? উপযুক্ত উদাহৰণেৰে ইয়াক চমুকৈ ব্যাখ্যা কৰক।

প্রঃ৭ ঃ ন্যায়ৰ মতে প্রত্যক্ষ কি? চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৪০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রঃ১ ঃ ন্যায়ৰ 'প্রমা'ৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রঃ২ ঃ ন্যায়ৰ মতে বিভিন্নধৰণৰ জ্ঞানৰ উপায়সমূহ কি কি? জ্ঞানৰ উপায় হিচাপে প্রত্যক্ষৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রঃ৩ ঃ ন্যায় দর্শনৰ অনুমানৰ ধাৰণাটো উপযুক্ত উদাহৰণসহ আলোচনা কৰক।

প্রঃ৪ ঃ ন্যায়ৰ মতে উপমান কি? উপযুক্ত উদাহৰণসহ আলোচনা কৰক।

প্রঃ৫ ঃ ন্যায়ৰ মতে শব্দ বা আপ্তবাক্য কি? উপযুক্ত উদাহৰণসহ ইয়াৰ প্রকাৰসমূহ ব্যাখ্যা কৰক।

প্রঃ৬ ঃ ভাৰতীয় ন্যায় দার্শনিক সম্প্রদায়ৰ যথার্থ জ্ঞানৰ উপায়সমূহ ব্যাখ্যা কৰক।

****

অধ্যায় ৬ ঃ বৈশেষিক দর্শন ঃ পদার্থ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬২ পৰিচয়

৬৩ বৈশেষিক দর্শনৰ জ্ঞান তত্ত্ব

৬৩১ যথার্থ জ্ঞান

৬৩২ অযথার্থ জ্ঞান

৬.৪ পদার্থৰ প্ৰকাৰসমূহ

৬.৫ দ্ৰব্য কি?

৬৬ গুণ কি?

৬.৭ কৰ্ম কি?

৬.৮ সামান্য কি?

৬.৯ বিশেষ কি?

৬.১০ সমবায় কি?

৬১১ অভাৱ কি?

৬১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬৩ অধিক জানিবলৈ

৬.১৪ অগ্ৰগতিৰ খতিয়ান

৬.১৫ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বৈশেষিক দর্শনৰ এক চমু আভাস দিব পাৰিব,
- বৈশেষিক দর্শনৰ বিভিন্ন পদার্থ সম্বন্ধে আলোচনা কৰিব পাৰিব,
- বিভিন্ন প্ৰকাৰৰ পদার্থৰ মূল্যাংকন কৰিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বৈশেষিক দর্শনৰ পদার্থৰ লগত পৰিচিত হ'ব পাৰে। বৈশেষিক শব্দটো 'বিশেষ' নামৰ শব্দৰ পৰা আহিছে, যাৰ অর্থ হৈছে বিশেষকৈ। বৈশেষিক দর্শনৰ প্ৰতিষ্ঠাতা হৈছে কনাদ, যাক উলুক, কাশ্যপ আদি নামেৰেও জনা যায়।

ইংৰাজীৰ Category শব্দটোক 'পদার্থ' বুলি কোৱা হয়। পদার্থ শব্দটোৱে 'এটা শব্দৰ

অর্থক বুজায়'। বৈশেষিক দর্শনে ছয়বিধ পদার্থ স্বীকাৰ কৰে আৰু সপ্তমবিধ পদার্থ, যিটো 'অভাৱ' তাক পিছত সংযোগ কৰে। বৈশেষিক দর্শনৰ প্রতিষ্ঠাতা কনাদে এই 'অভাৱ'ক পদার্থ ৰূপে স্বীকৃতি দিয়া নাছিল আৰু সর্বশেষত পিছৰ বৈশেষিকসকলে ইয়াক পদার্থ বুলি স্বীকৃতি দিছিল। এই সাতবিধ পদার্থ তলত উল্লেখ কৰা ধৰণৰ ঃ (১) দ্রব্য, (২) গুণ, (৩) কর্ম, (৪) সামান্য, (৫) বিশেষ, (৬) সমবায় আৰু (৭) অভাৱ।

৬.৩ বৈশেষিক দর্শনৰ জ্ঞান তত্ত্ব

বৈশেষিক দর্শন মতে জ্ঞান হৈছে আত্মাৰ গুণ আৰু ইয়াক প্রধানকৈ দুভাগত ভাগ কৰিব পাৰি। যেনে— যথার্থ জ্ঞান আৰু অযথার্থ জ্ঞান। যথার্থ জ্ঞান হ'ল যিয়ে এটা বস্তুৰ প্রকৃত চৰিত্র উপস্থাপিত কৰে। আনহাতে অযথার্থ জ্ঞান হ'ল যিয়ে এটা বস্তুৰ প্রকৃত চৰিত্র উপস্থাপিত নকৰে। যথার্থ জ্ঞানক চাৰি প্রকাৰত ভাগ কৰিব পাৰি— ১) প্রত্যক্ষ, ২) অনুমান, ৩) স্মৃতি আৰু ৪) অন্তর্জ্ঞান। আনহ াতে, অযথার্থ জ্ঞানক আকৌ চাৰি প্রকাৰত ভাগ কৰিব পাৰি— ১) সংশয়, ২) বিপর্যয় (ভ্রম), ৩) অনধ্যৱসায় আৰু ৪) স্বপ্ন।

এতিয়া আমি যথার্থ আৰু অযথার্থ জ্ঞানৰ প্রকাৰসমূহৰ বিষয়ে আলোচনা কৰিম।

৬.৩.১ যথার্থ জ্ঞান

- প্রত্যক্ষ ঃ যথার্থ জ্ঞানৰ প্রসঙ্গত প্রত্যক্ষক মানস অথবা বাহ্য এই দুই ভাগত ভাগ কৰা হয়। প্রত্যক্ষ এক প্রকাৰ জ্ঞান আৰু ই পোনপটীয়াভাৱে পোৱা জ্ঞান। মানস প্রত্যক্ষ বুলিলে আমি মনৰ দ্বাৰা পোৱা প্রত্যক্ষক বুজো। বুদ্ধি, সুখ, দুখ, ইচ্ছা, দ্বেষ, প্রযত্ন আদি মনৰ দ্বাৰা পোৱা জ্ঞান। আনহাতে, বাহ্য প্রত্যক্ষ হৈছে পঞ্চ বাহ্য ইন্দ্রিয়ৰ দ্বাৰা পোৱা জ্ঞান। বাহ্য প্রত্যক্ষ পাঁচ প্রকাৰৰ— ১) ঘ্রাণজ, ২) ৰাসন, ৩) চাক্ষুষ, ৪) স্পর্শন, আৰু ৫) শ্রৌত্র।
- অনুমান ঃ অনুমান শব্দটো সাধাৰণতে দুটা শব্দৰ পৰা আহিছে। 'অনু' মানে পিছত আৰু 'মান মানে হ'ল জ্ঞান। গতিকে পিছত হোৱা জ্ঞানেই হ'ল অনুমান। উদাহৰনস্বৰূপে, ধোঁৱাৰ পৰা আমি জুইৰ অস্তিত্ব অনুমান কৰিব পাৰো। ঠিক সেইদৰে আকৌ গৰম পানীৰ পৰা জুইৰ অস্তিত্ব অনুমান কৰিব পাৰো।
- স্মৃতি ঃ স্মৃতি হৈছে পাৰ হৈ যোৱা অর্থাৎ অতীতৰ কোনো বস্তু বা ঘটনাৰ অনুভৱৰ ওপৰত প্রতিষ্ঠিত। প্রত্যক্ষ, চিন্তা বা ভাৱনা আদি কিছুমান স্মৃতিৰ উত্তেজিতমূলক কাৰণ বুলি ক'ব পৰা যায়।
- অন্তর্জ্ঞান ঃ অন্তর্জ্ঞান হ'ল কোনো বস্তুৰ অতীত, বর্তমান আৰু ভৱিষ্যতৰ এক তাৎক্ষণিক অনুভৱ। অন্তর্জ্ঞান ভিতৰৰ ইন্দ্রিয়ৰ দ্বাৰাহে উদ্ভৱ হয় আৰু ই কেতিয়াও বাহিৰৰ ইন্দ্রিয়ৰ পৰা উদ্ভৱ নহয়।

৬.৩.২ অযথার্থ জ্ঞান

- সংশয় ঃ অযথার্থ জ্ঞানৰ প্ৰসঙ্গত সংশয় এক অনিৰ্দিষ্ট জ্ঞান। সংশয়ৰ ক্ষেত্ৰত বস্তুৰ আচল ৰূপ অৰ্থাৎ বস্তুৰ যথার্থ ৰূপটো আমাৰ আগত প্ৰকাশিত নহয়। যেতিয়া আমি এডাল ৰছীক ৰছী হিচাপে দেখো তেতিয়া আমাৰ শুদ্ধ জ্ঞান হয়। আনহাতে যেতিয়া এডাল ৰছীক সাপ হিচাপে দেখো তেতিয়া আমাৰ মনত সংশয়ৰ সৃষ্টি হয়।
- বিপর্যয় (ভ্ৰম) ঃ বিপর্যয়ক এটা বস্তুৰ এক জ্ঞান হিচাপে ধৰা হয়, যিটো আনটোৰ পৰা সম্পূৰ্ণ পৃথক। ই হ'ল এক নির্দিষ্ট জ্ঞান, যিয়ে এটা বস্তুৰ প্ৰকৃত ৰূপ প্ৰকাশ নকৰে। উদাহৰণস্বৰূপে, এটা গৰুক এটা ঘোঁৰা হিচাপে প্ৰত্যক্ষ কৰাটো। ই এক আমাৰ ইন্দ্ৰিয়ৰ দ্বাৰা হোৱা ভ্ৰান্ত প্ৰত্যক্ষ।
- অনধ্যৱসায় ঃ যেতিয়া এটা পৰিচিত নাইবা অপৰিচিত বস্তুক 'কিবা' হিচাপে প্ৰত্যক্ষ কৰো, তেতিয়া আমাৰ অনধ্যৱসায় (indefinite cognition) হয়। এজন ব্যক্তি এডাল কঁঠাল গছৰ সৈতে অপৰিচিত হৈ থকাটো ইয়াৰ অনির্দিষ্ট প্ৰত্যক্ষ। ব্যক্তিজনে কঠাল গছৰ জাতিক প্ৰত্যক্ষ কৰিছে। কিন্তু তেওঁ নাজানে যে ইয়াৰ নামেই কঁঠাল গছ। গতিকে তেওঁৰ অনির্দিষ্ট প্ৰত্যক্ষ ইয়াৰ নামৰ লগত আছে।
- স্বপ্ন ঃ স্বপ্ন হ'ল এজন ব্যক্তিৰ ইন্দ্ৰিয়ৰ জৰিয়তে হোৱা এক মানসিক প্ৰত্যক্ষ আৰু এই ইন্দ্ৰিয়সমূহ কোনো কার্য কৰাৰ পৰা বিৰত থাকে। স্বপ্নত আকৌ আমি কিছুমান অবাস্তৱ বস্তু ইন্দ্ৰিয়ৰ জৰিয়তে দেখা পাওঁ।



জানি থোৱা ভাল



চিন্তা-চর্চা কৰক ১.১

ক) বৈশেষিক দর্শনত পদার্থ বুলিলে আপুনি কি বুজে?

.....

.....

খ) দ্রব্যত পঞ্চভূতৰ ভূমিকা কি?

.....

.....

৬.৪ পদার্থৰ প্রকাৰসমূহ

বৈশেষিক দর্শনত 'Category' শব্দটোৱে পদার্থক বুজায়। প্রকৃততে, পদার্থ শব্দটোৱে 'এটা শব্দৰ অর্থক বুজায়'। বৈশেষিক দর্শনে সকলো প্রকৃত-অস্তিত্বক দুটা শ্রেণীত বিভক্ত কৰে— ভাৱ (Bhava) আৰু অভাৱ (Abhava)। প্রথম ছয়বিধ পদার্থ ভাৱৰ (Bhava)ৰ পৰা আহে আৰু সপ্তমবিধ পদার্থ হ'ল 'অভাৱ'। এই সাতবিধ পদার্থ হ'ল ঃ

১। দ্রব্য
২। গুণ
৩ কর্ম
৪ । সামান্য
৫ । বিশেষ
৬। সমাবায়
৭। অভাৱ

দ্রব্য ঃ বৈশেষিক দর্শনৰ প্রতিষ্ঠাতা কনাদে দ্রব্যক এক অস্তিত্ব হিচাপে যাৰ গুণ আৰু কর্ম এই দুয়োটা থকা বুলি কৈছে। ইয়াৰ এক প্রকৃত আৰু দ্রব্য বিষয়ক অস্তিত্ব আছে। এটা দ্রব্যক ইয়াৰ পৰিণামৰ উপাদান বা স্বাভাৱিক কাৰণ বুলি ক'ব পৰা যায়। সূতা হৈছে কাপোৰ এখনৰ স্বাভাৱিক কাৰণ।

গুণ ঃ দ্রব্যৰ দৰে এটা গুণ কেতিয়াও নিজে নিজে বর্তী থাকিব নোৱাৰে। এটা গুণ দ্রব্য আৰু কর্মৰ পৰা পৃথক। আকৌ এটা গুণ সদায় দ্রব্যত থাকে। ই আকৌ কর্মৰ পৰা মুক্ত।

কর্ম ঃ কর্ম মানে হ'ল এক শাৰীৰিক গতি। এটা কর্ম মাত্র এটা দ্রব্যতহে থাকে। ই আন বহুতো দ্রব্যত নাথাকে। কর্ম হ'ল এক অনিত্য আৰু ই অনিত্য দ্রব্যত থাকে। বৈশেষিক দর্শনে পাঁচবিধ কর্মৰ কথা উল্লেখ কৰে। যেনে— (১) উৎক্ষেপণ, (২) অৱক্ষেপন, (৩) আকুঞ্চন, (৪) প্রসাৰণ আৰু (৫) গমন।

সামান্য ঃ বহুতো জীৱৰ মাজত কিছুমান সাধাৰণ গুণ থাকে আৰু এই সাধাৰণ লক্ষণটোকে জাতিগত বৈশিষ্ট্য বুলি কোৱা হয়। আৰু এই জীৱসমূহৰ মাজত থকা এই জাতিত প্রধান বস্তুটোৰ নামকেই সামান্য বুলি ক'ব পৰা যায়। বহুতো জীৱৰ মাজত এটা জাতি আছে, যিটো 'গৰু'ৰ জাতি।

বিশেষ ঃ এইটো কথা উল্লেখ কৰিব পাৰি যে সকলো বস্তুৰে এক বিশেষ আৰু স্বতন্ত্ৰ। 'বিশেষে' আমাক এটাৰ পৰা আনটো বেলেগ হিচাপে বস্তুক প্ৰত্যক্ষ কৰিবলৈ সম্ভৱ কৰি দিয়ে। কনাদৰ মতে 'বিশেষ' হৈছে নিত্য দ্ৰব্যৰ এক প্ৰকৃত পাৰ্থক্যজনিত বৈশিষ্ট্য।

সমবায় ঃ সমবায়ক এক স্বনিৰ্ভৰ পদাৰ্থ বুলি ধৰা হয়। কনাদৰ মতে সমবায় হৈছে কাৰণ আৰু পৰিণামৰ এক সম্পৰ্ক। ই হৈছে স্বতন্ত্ৰ, কাৰণ ইয়াৰ এক পাথৰ্ক্যজনিত বৈশিষ্ট্য আছে। সমাবায়ক এক নিত্য পদাৰ্থ বুলিও কোৱা হয়।

অভাৱ ঃ অভাৱ হ'ল এক নঞৰ্থক পদাৰ্থ। বৈশেষিক দৰ্শনৰ প্ৰতিষ্ঠাতা কনাদে অভাৱক পদাৰ্থৰূপে স্বীকাৰ কৰা নাছিল। কিন্তু অভাৱক পিছৰ বৈশেষিক দাৰ্শনিকসকলে পদাৰ্থৰ শাৰীত স্থান দিয়ে। অভাৱক চাৰিটা শ্ৰেণীত ভাগ কৰা হয়— (১) প্ৰাগভাৱ, (২) ধ্বংসাভাৱ, (৩) আন্যোন্যাভাৱ আৰু (৪) অত্যন্তাভাৱ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ বৈশেষিক দৰ্শন মতে, বৈধ জ্ঞানক কেইটা ভাগত ভাগ কৰিব পাৰি?

.....

.....

প্ৰশ্ন ২ ঃ 'বৈশেষিক দৰ্শন মতে, অবৈধ জ্ঞানক কেইটা ভাগত ভগাব পাৰি?

.....

.....

প্ৰশ্ন ৩ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক—

ক) পিছত হোৱা জ্ঞানেই হ'ল অনুমান (শুদ্ধ/অশুদ্ধ)

খ) সংশয়ক অযথাৰ্থ জ্ঞান বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ বৈশেষিক দৰ্শনৰ পদাৰ্থসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৫ ঃ বৈশেষিক দৰ্শনত পদাৰ্থসমূহ বিভক্ত হোৱা শ্ৰেণী দুবিধ কি কি?

.....

.....

প্ৰশ্ন ৬ ঃ প্ৰজ্ঞা বুলিলে কি বুজা যায়? (১৬টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

৬.৫ দ্রব্য কি ?

বৈশেষিক দর্শনত প্রথম বিধ পদার্থ হ'ল দ্রব্য। দ্রব্যক গুণ আৰু কর্মৰ অজ্ঞাত আৰু অজ্ঞেয় আধাৰ (Substratum) হিচাপে ল'ব পাৰি। দ্রব্য নোহোৱাকৈ গুণ আৰু কর্ম পাব নোৱাৰি। এইটো কথা উল্লেখ কৰিব পাৰি যে দ্রব্য হৈছে গুণ আৰু কর্ম, প্রকৃত বা প্রামাণিক, বর্তমান বা ভৱিষ্যতৰ আধাৰ। দ্রব্যক গুণ আৰু কর্মৰ পৰা বেলেগকৈ সংজ্ঞা দিব নোৱাৰি। প্রকৃত দ্রব্যবোৰ নিত্য, স্বনির্ভৰ আৰু স্বতন্ত্র। বৈশেষিক দর্শন বস্তুবাদী দর্শন, কিন্তু এই দর্শন জড়বাদী নহয়। দ্রব্য হ'ল ন-বিধ আৰু ই পাৰমার্থিক দ্রব্যকো সামৰি লয়। এই ন-বিধ দ্রব্য হ'ল— ১) পৃথিৱী, ২) পানী, ৩) জুই, ৪) বায়ু, ৫) আকাশ, ৬) কাল, ৭) দিক্, ৮) আত্মা আৰু ৯) মন।

আকৌ, দ্রব্যই বস্তুক সম্পূর্ণ বা চৰম, নিজ প্রৱর্তন আৰু স্ব-নির্ভৰ বুলি কৈছে। এইটো কথা উল্লেখ কৰিব পাৰি যে মিশ্র দ্রব্যবোৰ যিটো অংশৰ পৰা উৎপন্ন হয় আৰু প্রকৃত সাধাৰণ দ্রব্যৰ পৰা উদ্ভৱ হয় যিটো অৱশ্যে অস্থায়ী। ই আকৌ বিষয়বস্তুৰ সৃষ্টি আৰু ধ্বংসকাৰীৰ অধীন। আনহাতে, প্রকৃত সাধাৰণ দ্রব্যবোৰ যিবোৰ নিত্য, মিশ্র দ্রব্যৰ উপাদান কাৰণ আৰু ই সৃষ্টি আৰু ধ্বংসকাৰীৰ অধীন নহয়। দ্রব্য গুণ আৰু কর্মৰ অকল সংগ্রহকাৰীয়ে নহয়। বৌদ্ধ 'বস্তুবাদী'য়ে (Realist) সমর্থন কৰে যে দ্রব্য অকল গুণৰ এক সর্ব মুঠেই নহয়। আকৌ বৌদ্ধ ভাবাবাদীয়ে (Idealist) সমর্থন কৰাৰ দৰে দ্রব্য অকল ভাৱ বা ধাৰণাৰ (Idea) এক জটিল (Complex) প্রক্রিয়া নহয়। দ্রব্যৰ এক প্রকৃত, দ্রব্য বিষয়ক বা বাহ্য বস্তু সম্বন্ধীয় অস্তিত্ব আছে। দ্রব্য ইয়াৰ গুণ আৰু কর্মৰ পৰা পৃথক। গুণ আৰু কর্মবোৰৰ নিজৰ অস্তিত্ব নাই, কিন্তু এইবোৰ দ্রব্যত থাকে। গুণ আৰু কর্মবোৰ গুণ আৰু কর্মবোৰৰ পৰা মুক্ত। আমি ক'ব পাৰো যে এটা দ্রব্য আৰু ইয়াৰ গুণ আৰু কর্মৰ সম্পর্কই হ'ল সমবায় (Samavaya)

এইটো কথা এইখিনিতে উল্লেখ কৰিব পাৰি যে এটা দ্রব্য ইয়াৰ পৰিণামৰ উপাদান কাৰণ (Material Cause)। এইটো বৈশিষ্ট্যই ইয়াক গুণ আৰু কর্মৰ পৰা পৃথক কৰে যিটো হৈছে এক অস্বাভাৱিক কাৰণ। সূতা হৈছে এখন কাপোৰৰ স্বাভাৱিক কাৰণ। আনহাতে, সূতাৰ সংযোগ, যিটো এটা গুণ, ইয়াৰ অস্বাভাৱিক কাৰণ। তাৰ বাহিৰেও দ্রব্যৰ এক অস্তিত্ব আছে যিটো ইয়াৰ অংশ। এটা উপাদান কাৰণ আৰু ইয়াৰ উৎপন্ন বস্তুৰ মাজত এটা সম্পর্ক থাকে যিটোক সমবায় বুলি জনা যায়।

পৃথিৱী, পানী, জুই, বায়ু আৰু আকাশ এই কেইবিধক পঞ্চভূত বুলি কোৱা হয়। এইবোৰে আকৌ প্রকৃততে জটিল অস্থায়ী বস্তুক প্রকাশ নকৰে, যিটো সিহঁতৰ বাহিৰত উৎপন্ন হয়। কিন্তু এইবোৰ প্রকৃত পঞ্চভূত (Elements)। আকাশৰ কোনো অংশ নাই, কিন্তু ই অসীম আৰু নিত্য। এইবোৰ আকৌ শাৰীৰিক। প্রত্যেক বিধ ভূতৰে নিজৰ কিছুমান বিশেষ গুণ থাকে যিটোৱে এই কেইটাক আন কেইটাৰ পৰা পৃথককৈ ৰাখে। পৃথিৱী, পানী, জুই, বায়ু আৰু আকাশৰ এই বিশেষ গুণকেইটা হ'ল গন্ধ, ৰস, ৰং, স্পর্শ আৰু শব্দ যিটো পঞ্চ বাহ্য

ইন্দ্রিয়ৰ দ্বাৰা জনা যায়। বাহ্য ইন্দ্রিয়বোৰ যিবোৰ কিছুমান বিশেষ ভূত (Elements) ৰ দ্বাৰা গঠন হয় যাৰ নির্দিষ্ট গুণবোৰ আকৌ সিহতৰ দ্বাৰা অনুভৱ কৰা হয়। গন্ধ হ'ল পৃথিৱীত থকা এক বিশেষ গুণ। দিক্ আৰু কাল প্রত্যেকে এক, নিত্য আৰু সর্বব্যাপী। এইবোৰ আকৌ অসীম আৰু সূক্ষ্ম। ই আকৌ অংশহীন আৰু অদৃশ্য। 'অতীত', 'বর্তমান', 'ভৱিষ্যৎ', 'নতুন', 'পুৰণি' ইত্যাদি মাধ্যমেৰে কালৰ অস্তিত্বৰ বিষয়ে অনুমান কৰা হয়। আকৌ, 'পূৱ', 'পশ্চিম', 'ইয়াত', 'তাত', 'ওচৰত', 'দূৰত' ইত্যাদি মাধ্যমেৰে দিক্ অৱস্থিতিৰ বিষয়ে অনুমান কৰিব পাৰে। ই আকৌ আকাশৰ পৰাও পৃথক।

আকৌ আত্মাবোৰ হ'ল অসংখ্য। আকৌ প্রত্যেক আত্মাই এক, নিত্য, স্ব-নির্ভৰ আৰু সর্বব্যাপী। ইয়াক চৈতন্য গুণৰ অজ্ঞাত আৰু অজ্ঞেয় আধাৰ (Substratum) বুলি ক'ব পাৰি। কিন্তু আমি জানো যে চৈতন্য আত্মাৰ আচল গুণ নহয়। ই আকৌ এক আত্মাৰ এৰুৱাব নোৱাৰা গুণ। ইয়াক এক উপৰুৱাকৈ অহা আত্মাৰ দ্বাৰা আৰোপ কৰিব পৰা গুণ বুলি ক'ব পাৰি। ইয়াক উপৰুৱাকৈ অহা বুলি কোৱাৰ কাৰণ হ'ল যে আত্মাই নিদ্রাৰ সময়ত এই গুণটো প্রাপ্ত নকৰে। চৈতন্য সর্বব্যাপী। ইয়াক শৰীৰ নাইবা মন নাইবা ইন্দ্রিয়ৰ গুণ বুলি ক'ব নোৱাৰি। ই আত্মাত থাকিবই।

আকৌ আন এটা দৰকাৰী গুণ যিটো আত্মাৰ দ্বাৰা প্রাপ্ত হয়, সেইটো হ'ল ইচ্ছা আৰু যত্ন (Volition) জ্ঞান, ইচ্ছা আৰু যত্ন হৈছে জ্ঞাত, স্নেহ আৰু এক সংযোগ। আত্মা হৈছে এক দ্রব্য যিটোক প্রত্যক্ষভাৱে কিছুমান উক্তিৰ দ্বাৰা জনা যায়, যেনে— 'মই সুখী', 'মই জানো' ইত্যাদি। মনক এক দ্রব্য হিচাপেও গ্রহণ কৰা হয়। ইয়াক এক ভিতৰুৱা দৃষ্টিত লোৱা হয়। ইয়াক পৰমাণু হিচাপে লোৱা হয় কিন্তু ইয়াক মিশ্র পদার্থ হিচাপে উদ্ভৱ হ'বলৈ দিয়া নহয়। ই আকৌ অসংখ্য আৰু প্রত্যেকে নিত্য আৰু সূক্ষ্ম। কিন্তু আমি জানো যে প্রত্যেক আত্মাৰে আকৌ এটা মন আছে। আত্মা বস্তুৰ সৈতে সংযোগ হৈ আহে। ইয়াৰ এক অস্তিত্ব আছে যাক এক নির্দিষ্ট জ্ঞানৰ মানস প্রত্যক্ষৰ ভিত্তিত উপলব্ধি কৰিব পৰা যায়। আকৌ বাহ্য বস্তু প্রত্যক্ষত মন হৈছে নির্বাচনাত্মক আৰু খৰতকীয়া। আমি কেতিয়াও ৰং, স্পর্শ, ৰস, গন্ধ আৰু শব্দক প্রত্যক্ষ কৰিব নোৱাৰো। কিন্তু সকলো বাহ্য ইন্দ্রিয় বস্তুৰ সৈতে সংযোগ হ'ব পাৰে। এইটো কথা উল্লেখ কৰিব পাৰি যে প্রত্যক্ষৰ বাবে মনোযোগ প্রয়োজনীয় আৰু এই মনোযোগ এটা বস্তু বা পদার্থৰ প্রত্যক্ষৰ ক্ষেত্রত মনৰ এক খৰতকীয়া পদক্ষেপ। গতিকে প্রত্যক্ষৰ ক্ষেত্রত আত্মা মনৰ বস্তু সম্পর্কীয় প্রত্যক্ষত স্থায়ীভাৱে থাকে। সেইবাবে মন (manas or mind) এটা দ্রব্য আৰু ই পৰমাণুধর্মী (Atomic) আৰু অংশহীন। মন আকৌ এটা সময়ত মাত্র এটা ইন্দ্রিয়ৰ সংযোগতহে আহে। বৈশেষিক দর্শনৰ সকলো ন-বিধ দ্রব্যই হৈছে বস্তু সম্বন্ধীয় সত্যতা। পৃথিৱী, পানী, জুই, বায়ু আৰু মন হৈছে পৰমাণুধর্মী আৰু নিত্য। প্রথম চাৰিবিধে মিশ্রিত বস্তু সৃষ্টি কৰে, কিন্তু মনে নকৰে। এইটো কথা আগতেই উল্লেখ কৰা হৈছে যে পৃথিৱী, পানী, জুই , বায়ু আৰু আকাশ এই পাঁচবিধক পঞ্চভূত বুলি জনা যায়। দিক্ আৰু কাল বস্তুনিষ্ঠ

(Objective) কিন্তু বিষয়নিষ্ঠ (Subjective) নহয়। আকাশ, কাল, দিক্ আৰু আত্মা হৈছে সর্বব্যাপী আৰু নিত্য।

এইটো কথা উল্লেখ কৰিব পাৰি যে এটা দ্রব্যৰ এক জাতিগত দ্রব্য আছে। দ্রব্যক নিত্য আৰু অনিত্য হিচাপে উল্লেখ কৰিব পাৰি। আকৌ অনিত্য দ্রব্যবোৰ অংশত থাকে আৰু সংযোগৰ দ্বাৰাহে উৎপন্ন হয় আৰু আকৌ অংশৰ বিচ্ছেদৰ দ্বাৰা ধ্বংসও হয়। মিশ্র দ্রব্যবোৰ হ'ল অনিত্য। ইহঁত স্বাধীন আৰু নিজেই স্থায়ী নহয়, কিন্তু ইহঁত মূল পদার্থৰ অংশত থাকে। কিন্তু পৃথিৱী, পানী, জুই আৰু বায়ু হ'ল নিত্য। ইহঁতক উৎপন্ন আৰু ধ্বংস কৰিব নোৱাৰি। ইহঁত স্ব-নির্ভৰ আৰু নিত্য অস্তিত্ব আছে।

৬.৬ গুণ কি ?

বৈশেষিক দর্শনৰ দ্বিতীয় বিধ পদার্থ হ'ল গুণ (Guna)। গুণ স্বাধীনভাৱে নিজে নিজে বর্তী থাকিব নোৱাৰে। ইয়াৰ কোনো গুণ বা কর্ম নাথাকে। ইয়াক গুণবোৰৰ পৰা মুক্ত বুলি ভবা হয় আৰু ই সংযোজন আৰু বিয়োজনৰ এক চর্তবিহীন কাৰণ নহয়। গুণ দ্রব্যত থাকে। ইয়াক অনুমান, চিন্তা আৰু সংজ্ঞা দিব পাৰি আৰু সেইবাবে ইয়াক স্বাধীন সত্তা বুলি ক'ব পাৰি। ইহঁত অৱশ্যে নিত্য নহয়। ইহতে আকৌ ভৌতিক আৰু মানসিক এই দুয়োটা গুণকে অন্তর্ভুক্ত কৰে।

প্রশস্তপাদে গুণ সম্পর্কে এটা বৈশিষ্ট্য উল্লেখ কৰিছে। তেওঁ গুণক এক প্রকৃত সাৰ বস্তু বুলি কৈছে যিটো গুণৰ জাতিৰ লগত সম্পর্কিত আৰু দ্রব্যত অবিৰতভাবে আৰু গুণ আৰু কর্মৰ পৰা মুক্ত হৈ থাকে। আমি জানো যে গুণ দ্রব্যত থাকে, কিন্তু মাজে সময়ে এটা দ্রব্য আকৌ আন এটা দ্রব্যত থাকে। এটা মিশ্র দ্রব্য ইয়াৰ সংযোগী মূল অংশত থাকে। সেইবাবে, এটা গুণক ইয়াৰ গুণবোৰৰ পৰা মুক্ত বুলি কোৱা হয়। আকৌ এটা মিশ্র দ্রব্য (Composite Substance) গুণবোৰৰ পৰা মুক্ত নহয়, কিন্তু এটা গুণ গুণবোৰৰ পৰা মুক্ত। আনহাতে এটা কর্ম আকৌ এটা দ্রব্যত থাকে। কর্ম আকৌ গুণৰ পৰা মুক্ত। কর্ম এক সংযোজন আৰু বিয়োজনৰ এক চর্তবিহীন কাৰণ। কিন্তু এটা গুণ সংযোজন আৰু বিয়োজনৰ এক চর্তবিহীন কাৰণ নহয়। গতিকে এটা গুণ এটা কর্মৰ পৰা পৃথক।

আকৌ, এইটো কথা উল্লেখ কৰিব পাৰি যে এটা গুণ, এটা কর্মৰ পৰা মুক্ত। এটা দ্রব্যৰ এটা কর্ম আছে। সাধাৰণতে, এটা গুণৰ কোনো গতি বা চলন নাই। এটা গুণ গুণৰ পৰা মুক্ত। এটা দ্রব্যৰ গুণ হৈছে সংখ্যাযুক্ত। কিন্তু এইটো কথা ক'ব পৰা যায় যে ই ইয়াৰ ৰং, ৰস আৰু অন্য গুণৰ দৰে গুণ নহয়। এটা গুণৰ আকৌ এক সামান্য নামৰ বস্তু আছে, যিটো ইয়াৰ জাতিগত গুণ বুলি কোৱা হয়। আনহাতে, এটা গুণ সামান্যৰ পৰা বিশেষকৈ বিশেষ আৰু সমাবায়ৰ পৰা ভিন্ন, যিটো সামান্যৰ পৰা মুক্ত বুলি ক'ব পাৰি। আমি জানো যে এটা গুণ দ্রব্যৰ পৰা পৃথক, কাৰণ ই গুণবোৰৰ পৰা মুক্ত। ই আকৌ কর্মৰ পৰা পৃথক,

যিটো গুণবোৰৰ পৰা মুক্ত। কিন্তু ই হৈছে এক সংযোজন আৰু বিয়োজনৰ এক চৰ্তবিহীন কাৰণ।

আকৌ গুণৰ জাতি এটা গুণতে অৱস্থিত হৈ থাকে। গুণে আকৌ এক নিকৃষ্ট সামান্য প্ৰাপ্ত কৰে। আমি জানো যে এটা ৰং সদায় ৰঙৰ এক জাতিগত লক্ষণ। বৈশেষিক দর্শনৰ প্ৰতিষ্ঠাতা কনাদে সোঁতৰটা গুণৰ কথা উল্লেখ কৰিছে। আকৌ আন সাতটা গুণ প্ৰশস্তপাদে তাৰ লগত যোগ দি ইয়াৰ সংখ্যা বৃদ্ধি কৰে। সৰ্বশেষত বৈশেষিক দর্শনে এই চব্বিছটা গুণক স্বীকৃতি দিয়ে। আনহাতে এই সকলোবোৰ গুণৰ গুৰুত্ব উল্লেখ কৰাৰ প্ৰয়োজন নাই বুলি বৈশেষিকেভাৱে। এই গুণবোৰে আকৌ ভৌতিক আৰু পাৰমার্থিক এই দুয়োবিধ পদার্থ অন্তর্ভুক্ত কৰে। গুণ সম্পর্কে আমি ক'ব পাৰো যে পৃথিৱীত থকা বিশেষ গুণ হ'ল গন্ধ, পানীৰ বিশেষ গুণ হ'ল ৰস, জুইৰ বিশেষ গুণ হ'ল ৰং, বায়ুৰ বিশেষ গুণ হ'ল স্পর্শ আৰু আকাশৰ বিশেষ গুণ হ'ল শব্দ।



চিন্তা-চর্চা কৰক ১.২

ক) দ্ৰব্যক কি কাৰণত গুণ আৰু কর্মৰ পৰা পৃথক কৰিব পাৰি?

.....

.....

খ) গুণক এক স্বাধীন সত্তা বুলি আপুনি ভাবেনে? যদি ভাবে কিয়?

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ তলত বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক—

ক) পদার্থ শব্দটোৱে এটা শব্দৰ অর্থক বুজায়। (শুদ্ধ/অশুদ্ধ)

খ) এটা গুণ সদায় দ্ৰব্যত নির্হিত হৈ থাকে। (শুদ্ধ/অশুদ্ধ)

গ) ব্যক্তিৰ সাধাৰণ লক্ষণটোকে সামান্য বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

ঘ) বৈশেষিক দর্শন জড়বাদী দর্শন নহয়। (শুদ্ধ/অশুদ্ধ)

ঙ) দ্ৰব্যক গুণ আৰু কর্মৰ আশ্রয় বা আধাৰ বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৮ ঃ দ্ৰব্যৰ সংজ্ঞা আগবঢ়াওক। (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন ৯ ঃ বৈশেৰ্ষিক দর্শন মতে, সমবায় কি? (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন ১০ ঃ কিদৰে 'গুণ'ৰ সংজ্ঞা নিৰূপিত কৰা হয়? (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন ১১ ঃ কনাদে স্বীকৃতি দিয়া গুণৰ সংখ্যা কিমান?

.....

.....

৬.৭ সামান্য কি?

বৈশেষিক দর্শনৰ চতুর্থবিধ পদার্থ হ'ল সামান্য। সামান্য হৈছে শ্রেণীৰ এক আচল গুণ। শ্রেণীৰ এক আচল গুণ, শ্রেণীৰ ধাৰণা বা বিশ্বজনীন। সামান্যই কোনো শ্রেণীক নুবুজায়, কিন্তু কিছুমান বস্তুৰ সাধাৰণ লক্ষণকহে বুজায়। সামান্য হ'ল স্বাভাৰিক অর্থাৎ ই অকস্মাৎ হোৱা নহয়। ই এক, নিত্য আৰু বহুতো জীৱৰ মাজত অৱস্থান কৰে। গৰুৰ জাতিগত বৈশিষ্ট্য আন বহুতো গৰুৰ মাজত আছে, যিটো স্বতন্ত্র আৰু আন বেলেগ গৰুতকৈ ভিন্ন নহয়।

সামান্য ইয়াৰ নিজ জীৱৰ মাজত অৱস্থান কৰে। ইয়াৰ পৰা আমি ক'ব পাৰো যে গৰুৰ জাতিগত বৈশিষ্ট্য সকলোবোৰ গৰুৰ মাজতে থাকে। কিন্তু ই আন সকলো জীৱ, যেনে— ভেড়া ছাগলী (Sheep) আদিৰ মাজত নাথাকে। ইয়াক সকলো জীৱৰ মাজত প্রত্যক্ষ কৰিব নোৱাৰি। এটা সামান্য এক বিশেষ ঠাইলৈ সীমাহীন নহয়, কিন্তু ই ইয়াৰ সকলো নিজ জীৱতে অৱস্থান কৰি থাকে।

সামান্য ইয়াৰ সকলো জীৱতে এক স্বাভাৰিক পৰিচিত ৰূপৰ সৈতে অৱস্থান কৰে।

আকৌ সামান্য বহুতো জীৱৰ মাজত থাকে। গৰুৰ যি জাতিগত বৈশিষ্ট্য ই কেৱল মাত্র এটা গৰুৰ মাজতে নাথাকে, ই আন সকলো গৰুৰ মাজত থাকে। আকাশৰ কোনো জাতি নাই, কাৰণ ই এক।

সামান্য বহুতো জীৱৰ মাজত থকা সাধাৰণ চৰিত্রৰ এক কাৰণ। সামান্যক আন বহুতো একে জীৱৰ মাজত থকা এক সার্বিক শ্রেণী মূলতঃ বুলি দৃঢ়কৈ কব পাৰি। আকৌ এটা ধাৰণা এটা সামান্যৰ দ্বাৰাহে উদ্ভৱ হয়।

সামান্যই আকৌ ঠিক একে সময়তে আন বহুতো জীৱৰ মাজত ইয়াৰ পৰিচিত ৰূপত থাকে। সামান্যই এটা জীৱত থাকিবলৈ অপৰাগ নহয়, যেতিয়া ই আন এটা জীৱত থাকে।

সামান্য বহুতো জীৱৰ মাজত এক; আৰু সেইবাবে ই নিত্য। এটা সামান্যই আন

বহুতো অনিত্য জীৱৰ মাজত তিষ্ঠি থাকিব নোৱাৰে, যদিহে ই নিত্য নহয়।

আকৌ, সামান্য প্ৰত্যেকৰ পৰা পৃথক। সামান্যক একেলগ কৰিব পৰা সাদৃশ্যমূলক জ্ঞানৰ দ্বাৰা উদ্ভৱ কৰিব পাৰি, যাক আকৌ সিহঁতৰ সাধাৰণ গুণৰ দ্বাৰা অনুভৱ কৰিব পাৰি।

গুণৰ জাতিতকৈ ৰঙৰ জাতিটো এক নিকৃষ্ট। আকৌ গতিৰ জাতিতকৈ উৎক্ষেপন হৈছে নিকৃষ্ট। সামান্যক তিনি ভাগত ভাগ কৰা হয়— ১) পৰ, ২) অপৰ আৰু ৩) পৰাপৰ।

সমগ্ৰতাই আকৌ দ্ৰব্য, গুণ আৰু কৰ্মত অৱস্থান কৰে। ইহতক আকৌ দুই ভাগত ভাগ কৰিব পাৰি— উচ্চ (Higher) আৰু নিম্ন (Lower)। সত্তাক (Being) এক উচ্চমানৰ সামান্য বুলি ধৰা হয়। সত্তা সচৰাচৰ ভাৱে দ্ৰব্য, গুণ আৰু কৰ্মত থাকে। কিন্তু সত্তা সিহঁতবোৰৰ পৰা পৃথক। আনহাতে দ্ৰব্য, গুণ আৰু কৰ্ম ইটোৱে সিটোৰ পৰা পৃথক কিন্তু সত্তা ইহতৰ লগত পৰিচিত। সত্তাই সকলোতে অন্তৰ্ভুক্ত হয়, আৰু ই নিজে যিকোনো অন্তৰ্ভুক্ত নকৰে। এক সমগ্ৰই আন এক সমগ্ৰত নাথাকে। যদি এক সমগ্ৰতাই আন এক সমগ্ৰত অৱস্থান কৰে, তেতিয়াহ'লে এটা বস্তু একে সময়তে এটা ঘোঁৰা, এটা গৰু আৰু এজন মানুহ হ'লহেঁতেন। সেইবাবে, এটা মাত্ৰ সমগ্ৰই এক নিৰ্দিষ্ট শ্ৰেণীৰ মাজত অৱস্থানহে কৰে।

ভাৰতীয় দৰ্শনৰ ন্যায়— বৈশেষিক, জৈন, বেদান্ত আৰু বৌদ্ধ দৰ্শনত ক্ৰমে বস্তুবাদ (Realism), ধাৰণাবাদ (Conceptualism), আৰু নাম বাদ (Nominalism)আদিৰ মত পোৱা যায়। নামবাদ মতে, সমগ্ৰই নামকহে বুজায়, বস্তুৰ সত্তাক নুবুজায়। জৈন আৰু বেদান্ত দৰ্শনে উল্লেখ কৰে যে সমগ্ৰ অকল নামেই নহয়। এই দুয়োবিধ দৰ্শনে ধাৰণাবাদহে বিশ্বাস কৰে। জৈন আৰু বেদান্ত দৰ্শনে কয় যে ব্যক্তিৰ পৰা স্বাধীনভাৱে সামান্য বুলি কোনো বস্তু নাই। আমাৰ মন বিশেষত থকাৰ বাহিৰেও সমগ্ৰই আকৌ বিশেষত অৱস্থান কৰে। বৈশেষিক দৰ্শন বস্তুবাদৰ প্ৰতিষ্ঠাতা। ই আকৌ বিশেষ আৰু সমগ্ৰ এই দুয়োটা সত্তাক স্বীকাৰ কৰে।



চিন্তা-চৰ্চা কৰক ৬.৩

ক) 'কৰ্ম আৰু গুণৰ মাজত থকা পাৰ্থক্য কি? আলোচনা কৰক।

.....

.....

ক) 'কৰ্ম আৰু গুণৰ মাজত থকা পাৰ্থক্য কি? আলোচনা কৰক।

.....

.....

খ) পৰম দ্ৰব্য সত্তাৰ সম্পৰ্কে আপোনাৰ মতামত কি? আলোচনা কৰক।

.....

.....

গ) গুণ আৰু সমুদায় সামান্যক (সমাজ) কোনটো চৰ্তত পৃথক কৰিব পাৰি? আলোচনা কৰক।

.....

.....

৬.৮ অভাৱ কি?

বৈশেষিক দর্শনৰ সপ্তমবিধ পদার্থ হ'ল অভাৱ। অভাৱ হৈছে বৈশেষিক দর্শনৰ এক অত্যন্ত গুৰুত্বপূর্ণ পদার্থ। অভাৱ মূলতঃ চাৰি প্ৰকাৰৰ— ১) প্রাগভাৱ (Pragabhava), ২) ধ্বংসাভাৱ (Pradhvamsabhava), ৩) আন্যোন্যাভাৱ (Anyonyabhava) আৰু ৪) অত্যন্তাভাৱ (Atyantabhava)। উৎপন্ন হোৱাৰ আগতে বস্তুৰ যি অভাৱ থাকে আৰু উৎপন্ন হোৱাৰ পাছত যি অভাৱ নাইকীয়া হয় তাকে প্রাগভাৱ বোলে। প্রাগভাৱৰ উৎপত্তি নাই, কিন্তু ধ্বংস আছে। প্রাগভাৱ ধ্বংস হয়, যেতিয়া বস্তুটো উৎপন্ন হয়। উদাহৰণস্বৰূপে, এটা কলহ উৎপত্তি হোৱাৰ আগত হোৱা অভাৱ প্রাগভাৱ। কোনো বস্তু উৎপন্ন হোৱাৰ পাছত ধ্বংস বা বিনষ্ট হ'লে বস্তুটোৰ যি অভাৱ উৎপন্ন হয় তাক ধ্বংসাভাৱ বোলে। ধ্বংসাভাৱৰ উৎপত্তি আছে কিন্তু বিনাশ নাই। উদাহৰণস্বৰূপে, যেতিয়া এটা ঘট এডাল লাখুটিৰে কোবোৱা হয়, তেতিয়া ঘটৰ খণ্ডিত টুকুৰাবিলাকত ঘটৰ অভাৱ পৰিলক্ষিত হোৱা দেখা যায়। দুটা বস্তুৰ পাৰস্পৰিক ভেদৰ নামেই হৈছে আন্যোন্যাভাৱ। এটা বস্তু অন্য এটা নহয়— এই ভেদ ভাৱৰ পৰাই আন্যোন্যাভাৱৰ সৃষ্টি। উদাহৰণস্বৰূপে, গৰু ঘোঁৰা নহয় আৰু ঘোঁৰা গৰু নহয়। সর্বশেষত, অতীত, বর্তমান আৰু ভৱিষ্যৎ এই তিনিও কালতে দুটা বস্তুৰ সম্বন্ধৰ অভাৱেই অত্যন্তাভাৱ। ই এক মিছা বা ভ্রান্ত ধাৰণা। উদাহৰণস্বৰূপে, শহা পহুৰ শিঙৰ অভাৱ, আকাশত ফুলৰ অভাৱ আদি অভাৱ অত্যন্তভাৱ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১২ ঃ বৈশেষিক দর্শনত সামান্য বুলি কলে কি বুজা যায়?
(৬০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন ১৩ ঃ ধাৰণাবাদক বিশ্বাস কৰা দুই সম্প্রদায়ৰ নাম কি?

.....

প্রশ্ন ১৪ ঃ অভাৱ মূলতঃ চাৰি প্রকাৰ কি কি?

.....

প্রশ্ন ১৫ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

ক) সত্তা হৈছে আটাইতকৈ উচ্চ সামান্য। (শুদ্ধ/অশুদ্ধ)

খ) সামান্য হ'ল নিত্য। (শুদ্ধ/অশুদ্ধ)



৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পদার্থসমূহে বৈশেষিক দর্শনত এক জীৱনীশক্তিৰ নিচিনাকৈ ভূমিকা পালন কৰে।
- বৈশেষিক দর্শনে সাতবিধ পদার্থক স্বীকাৰ কৰে।
- ইংৰাজী 'Category' শব্দটোৱে 'পদার্থ'ক সূচিত কৰে।
- বৈশেষিক শব্দটো বিশেষ নামৰ পৰা আহিছে।
- বৈশেষিক দর্শনৰ প্রতিষ্ঠাতা হৈছে কনাদ, যাক উলুক, কাশ্যপ আদি নামেৰেও জনা যায়।
- বৈশেষিক দর্শনৰ প্রতিষ্ঠাতা কনাডে বৈশেষিক সূত্র লিখিছিল।
- বৈশেষিক দর্শনে ছয়বিধ পদার্থক স্বীকাৰ কৰে।
- বৈশেষিক দর্শন মতে, জ্ঞানক দুটা ভাগত ভাগ কৰিব পাৰি, যথার্থ জ্ঞান আৰু অযাথর্থ জ্ঞান।
- যথার্থ জ্ঞানক চাৰি প্রকাৰত ভাগ কৰিব পাৰি ঃ প্রত্যক্ষ, অনুমান, স্মৃতি আৰু অন্তর্জ্ঞান।
- অযথার্থ জ্ঞানক চাৰি প্রকাৰত ভাগ কৰিব পাৰি ঃ সংশয়, বিপর্যয়, অনধ্যৱসায় আৰু স্বপ্ন।
- বৈশেষিক দর্শনে সকলো প্রকৃত অস্তিত্বক দুটা শ্রেণীত বিভক্ত কৰে, ভাৱ আৰু অভাৱ।

- গুণ স্বাধীনভাৱে নিজে নিজে বর্তী থাকিব নোৱাৰে। ইয়াক গুণবোৰৰ পৰা মুক্ত বুলি ভবা হয় আৰু ই সংযোজন আৰু বিয়োজনৰ এক চর্তবিহীন কাৰণ নহয়।
- বৈশেষিক দর্শনৰ প্রতিষ্ঠাতা কনাডে দ্রব্যক এক অস্তিত্ব হিচাপে যাৰ গুণ আৰু কর্ম এই দুয়োটা থকা বুলি কৈছে।
- সামান্যই কোনো শ্রেণীক নুবুজায়, কিন্তু কিছুমান বস্তুৰ সাধাৰণ লক্ষণকহে বুজায়।
- অভাৱ হৈছে বৈশেষিক দর্শনৰ এক অত্যন্ত গুৰুত্বপূর্ণ পদার্থ। অভাৱ মূলতঃ চাৰি প্রকাৰৰ— (ক) প্রাগ্‌ভাৱ, (খ) ধ্বংসাভাৱ, (গ) আন্যোন্যাভাৱ, (ঘ) অত্যন্তাভাৱ।



৬.১০ অধিক জানিবলৈ

১) দাস, ভূষণ পৰিমল, *ভাৰতীয় দর্শনৰ পৰিচয়*
২) পূজাৰী, বন্দনা, *ভাৰতীয় দর্শনত এভূমুকি*
৩) ভট্টাচার্য্য, জ্যোৎস্না, *ভাৰতীয় দর্শন*



৬.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ প্রত্যক্ষ, অনুমান, স্মৃতি আৰু প্রজ্ঞা

২নং প্রশ্নৰ উত্তৰ ঃ সংশয়, ভ্রম, অনধ্যৱসায় আৰু স্বপ্ন

৩নং প্রশ্নৰ উত্তৰ ঃ ক) সত্য (খ) অসত্য

৪নং প্রশ্নৰ উত্তৰ ঃ দ্রব্য, গুণ, কর্ম, সামান্য, বিশেষ, সমবায়, অভাৱ

৫নং প্রশ্নৰ উত্তৰ ঃ ভৱ আৰু অভাৱ

৬নং প্রশ্নৰ উত্তৰ ঃ অর্ন্তজ্ঞান হ'ল কোনো বস্তুৰ অতীত, বর্তমান আৰু ভৱিষ্যতৰ এক তাৎক্ষণিক অনুভৱ। অর্ন্তজ্ঞান ভিতৰৰ ইন্দ্রিয়ৰ পৰা উদ্ভৱ নহয়।

৭নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ ঙ) শুদ্ধ

৮নং প্রশ্নৰ উত্তৰ ঃ দ্রব্যক গুণ আৰু কর্মৰ অজ্ঞাত আৰু অজ্ঞেয় আধাৰ হিচাপে ল'ব পাৰি। দ্রব্য নোহোৱাকৈ গুণ আৰু কর্ম পাব নোৱাৰি। সেয়ে ই গুণ আৰু কর্ম, প্রকৃত বা প্রামাণিক, বর্তমান বা ভৱিষ্যতৰ আধাৰ।

৯নং প্রশ্নৰ উত্তৰ ঃ কনাডে সমবায়ক উপাদান কাৰণ আৰু ইয়াৰ পৰিমাপৰ সম্পর্ক বুলি কৈছে, কিন্তু ই উপাদান কাৰণ আৰু পৰিণামৰ সংযুক্ত হৈ সৃষ্টি নহয়।

১০নং প্রশ্নৰ উত্তৰ ঃ কনাডৰ মতে গুণ হ'ল গুণবোৰৰ পৰা মুক্ত বুলি ভবা হয় আৰু ই সংযোজক আৰু বিয়োজনৰ এক চর্তবিহীন কাৰণ নহয়।

১১নং প্রশ্নৰ উত্তৰ ঃ সোতৰ প্রকাৰ

১২নং প্রশ্নৰ উত্তৰ ঃ সামান্য হৈছে শ্রেণীৰ এক আচল গুণ। সামান্যই কোনো শ্রেণীক নুবুজায়। কিন্তু কিছুমান বস্তুৰ সাধাৰণ লক্ষণকহে বুজায়। উদাহৰণস্বৰূপে, গৰুৰ জাতিগত বৈশিষ্ট্য আন বহুতো গৰুৰ মাজত আছে, যিটো স্বতন্ত্র আন বেলেগ গৰুতকৈ ভিন্ন নহয়।

১৩নং প্রশ্নৰ উত্তৰ ঃ জৈন আৰু বেদান্ত দর্শন

১৪নং প্রশ্নৰ উত্তৰ ঃ প্রাগভাৱ, ধ্বংসাভাৱ, আনোঁন্যাভাৱ, অত্যন্তাভাৱ

১৫নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ



৬.১২ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ বৈশেষিক দর্শনত পোৱা সাত প্রকাৰৰ পদার্থ কি কি?

প্রশ্ন ২ ঃ যথার্থ জ্ঞানক কেইটা ভাগত ভগাব পাৰি?

প্রশ্ন ৩ ঃ বৈশেষিক দর্শনৰ প্রৱর্তক কোন?

প্রশ্ন ৪ ঃ প্রাগ্‌ভাৱৰ এটা উদাহৰণ দিয়ক।

প্রশ্ন ৫ ঃ বৈশেষিক দর্শনত পোৱা নবিধ দ্রব্যৰ নাম লিখক।

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ অভাৱ সম্বন্ধে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ সামান্য কি? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ বৈশেষিক দর্শন অনুসৰি যথার্থ জ্ঞান কি?

প্রশ্ন ৪ ঃ চার্বাক সম্বন্ধে চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৫ ঃ স্বভাৱবাদ কি?

গ) চমুটোকা লিখক (১৫০টা শব্দৰ ভিতৰত লিখক)

(ক) অভাৱ

(খ) গুণ

(গ) দ্রব্য

(ঘ) সামান্য

ঘ) পার্থক্য নির্ণয় কৰক (১৫০টা শব্দৰ ভিতৰত লিখক)

(ক) সামান্য আৰু বিশেষ

(খ) যথার্থজ্ঞান আৰু অযথার্থ জ্ঞান

ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বৈশেষিক দর্শনৰ বিভিন্ন পদাথসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ বৈশেষিক দর্শনৰ জ্ঞান-বিজ্ঞান সম্পর্কে মূল্যাংকন কৰক।

প্রশ্ন ৩ ঃ বৈশেষিক দর্শনে স্বীকাৰ কৰা দ্রব্যৰ প্রকাৰসমূহ কি কি? দ্রব্যৰ ভূমিকা সম্বন্ধে বৈশেষিক দর্শনত আলোচনা কৰক।

প্রশ্ন ৪ ঃ অভাৱৰ ভিন্ন প্রকাৰ সম্বন্ধে উদাহৰণৰ সৈতে ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ দ্রব্য সম্পর্কে বিশদভাৱে আলোচনা কৰক।

প্রশ্ন ৬ ঃ গুণ'ৰ সংজ্ঞা আগবঢ়াওক? ইয়াৰ প্রকৃতি সম্বন্ধে ব্যাখ্যা কৰক।

****

প্রশ্ন ২ ঃ সৎকার্যবাদৰ সংজ্ঞা দিয়ক। সৎকার্যবাদৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ ন্যায়ই সৎকার্যবাদক খণ্ডন কৰাৰ ভিত্তিবোৰৰ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৪ ঃ প্রকৃতি পৰিণামবাদৰ ধাৰণাটো আলোচনা কৰক।

প্রশ্ন ৫ ঃ সাংখ্য দর্শনত সৎকার্যবাদৰ ধাৰণাটো আলোচনা কৰক।

প্রশ্ন ৬ ঃ বৌদ্ধ আৰু ন্যায়-বৈশেষিকে আগবঢ়োৱা সৎকার্যবাদৰ সমালোচনাক ব্যাখ্যা কৰক।

****

অধ্যায় ৭ ঃ সাংখ্যৰ প্ৰকৃতি আৰু পুৰুষৰ ধাৰণা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭২ পৰিচয়

৭৩ প্ৰকৃতিৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহ

৭.৪ প্ৰকৃতিৰ অস্তিত্ব প্ৰমাণ

৭.৫ প্ৰকৃতি আৰু ইয়াৰ গুণসমূহ

৭.৬ ক্ৰমবিকাশ

৭.৭ প্ৰকৃতিৰ বিভিন্ন পৰিণাম বা ফল

৭.৮ উদ্দেশ্যমূলক ক্ৰমবিকাশ

৭.৮.১ ক্ৰমবিকাশ তত্বৰ সমালোচনা

৭.৯ পুৰুষৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহ

৭.১০ পুৰুষৰ অস্তিত্বৰ প্ৰমাণ

৭.১১ পুৰুষৰ বহুত্ব

৭১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭১৩ অধিক জানিবলৈ

৭.১৪ অগ্ৰগতিৰ খতিয়ান

৭.১৫ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়ন কৰি আপুনি হ'ব—

- প্ৰকৃতিৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- প্ৰকৃতিৰ অস্তিত্ব প্ৰমাণবোৰক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- প্ৰকৃতি আৰু পুৰুষৰ মাজৰ সম্বন্ধ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- ক্ৰমবিকাশৰ ধাৰণাটো বৰ্ণনা কৰিবলৈ সক্ষম হ'ব,
- সাংখ্য দৰ্শনত পুৰুষৰ ধাৰণাটো ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- পুৰুষৰ অস্তিত্বৰ প্ৰমাণবোৰক বিশ্লেষণ কৰিবলৈ সক্ষম হ'ব,
- পুৰুষৰ বহুত্ব ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- ক্ৰমবিকাশৰ স্বৰূপ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

৭.২ পৰিচয়

সাংখ্য দৰ্শনত প্ৰকৃতিৰ ধাৰণাটো সাংখ্যৰ কাৰ্যকাৰণ মতবাদৰ পৰা আহিছে। সৎকাৰ্যবাদ নাইবা "কাৰ্য উৎপাদনৰ আগেয়ে, কাৰণত সি অস্তিত্বশীল" মতবাদটোৰ সহায়ত প্ৰকৃতিৰ অস্তিত্ব ধাৰণ কৰা হৈছে। সাংখ্যদৰ্শনত কাৰণতাৰ মতবাদটোৱে সমৰ্থন কৰে যে উপাদান কাৰণত এক প্ৰকৃত পৰিবৰ্তন আছে। উপাদান কাৰণত এই প্ৰকৃত পৰিবৰ্তনে সাংখ্য দৰ্শনত প্ৰকৃতিৰ ধাৰণাটোলৈ লৈ যায়। প্ৰকৃতিক বিশ্বজগত আৰু ইয়াৰ পাৰ্থিব বস্তুবোৰৰ মূল কাৰণ হিচাপে গ্ৰহণ কৰা হয়। সাংখ্যৰ মতে, অসীম পশ্চ্যাদগতিক এৰাই চলিবলৈ প্ৰকৃতিক কাৰণহীন কাৰ বুলি ধৰি লোৱাটো প্ৰয়োজনীয় আৰু সেইকাৰণে, সকলো পাৰ্থিব কাৰ্য কাৰণহীন কাৰণ অৰ্থাৎ প্ৰকৃতিৰ মাজত সুপ্ত হৈ থাকে। জগতখন কোনো আধিভৌতিক শক্তিৰ দ্বাৰা সৃষ্টি কৰা হোৱা নাই। জগতখন প্ৰকৃতিৰ পৰা ক্ৰমবিকশিত হৈছে। 'প্ৰকতি' শব্দটোৱে নিৰ্দেশ কৰে "তাক, যি ৰূপান্তৰীত হয়।" 'প্ৰকৃতি'ক প্ৰকৃতিৰ সম্ভাৱনীয়তা হিচাপে ধৰা হয়। ই "সকলো উৎপাদনৰ আধাৰ আৰু পৰিচাৰিকা" হিচাপে প্ৰতিনিধিত্ব কৰে। সেইকাৰণে, প্ৰকৃতিক উপাদান কাৰণৰ কাৰণহীন আৰু মূল কাৰণ হিচাপে আখ্যা দিয়া হয়।

সাংখ্য দাৰ্শনিক সম্প্ৰদায়ে পুৰুষ (Purusa) আৰু প্ৰকৃতি (Prakriti)ৰ তাত্বিক দ্বৈতবাদৰ সূচনা কৰে। ই পুৰুষ আৰু প্ৰকৃতিৰ মাজত এক স্পষ্ট দ্বৈতবাদক সমৰ্থন কৰে। এই মতামতৰ লগত আপোনালোকে দেখা পাব যে সাংখ্যই পুৰুষৰ বহুত্বকো স্বীকাৰ কৰিছে। সাংখ্য দাৰ্শনিক সম্প্ৰদায়ে ন্যায়-বৈশেষিক ঈশ্বৰবাদক তীব্ৰ সমালোচনা কৰিছে আৰু আনহাতে, পৰম্পৰাগত সাংখ্য দৰ্শনে নিৰীশ্বৰবাদক সমৰ্থন কৰিছে। ই সময়ৰ সীমিত পৰিসৰৰ বাবে সৃষ্টিৰ ওপৰত বিশ্বাস কৰে আৰু তাৰ লগতে পুৰুষৰ লক্ষ্য আৰু উদ্দেশ্যক অনুভৱ কৰিবলৈ জগতৰ অন্ত হোৱাকো বিশ্বাস কৰে। সেইকাৰণে, ক্ৰমবিকাশৰ প্ৰক্ৰিয়াৰ পৰা পুৰুষক মুক্ত কৰিবলৈ সাংখ্যদৰ্শনত বিনাশ বা নাইকীয়া হৈ যোৱাটো প্ৰয়োজনীয়। ক্ৰমবিকাশৰ প্ৰক্ৰিয়া অসচেতন আৰু ই প্ৰত্যেক ব্যক্তিগত পুৰুষৰ মুক্তিলৈ লৈ যায়। প্ৰত্যেক পাৰ্থিৱ অঙ্গ বা শৰীৰে পুৰুষৰ লক্ষ্যৰ বাবে কাম কৰে। ই বিশ্বাস কৰে যে সমগ্ৰ জগতৰ উদ্ভৱ হয় অনন্ত কাৰণ প্ৰকৃতিৰ পৰা আৰু পুৰুষৰ বহুত্বও ব্যক্তিগত আত্মবোৰৰ লক্ষ্যৰ প্ৰতি সেৱা আগবঢ়াবলৈ জগতৰ ক্ৰমবিকাশ আৱশ্যকীয়।

৭.৩ প্ৰকৃতিৰ স্বৰূপ আৰু বৈশিষ্ট্যৰাজি

সাংখ্য দৰ্শনৰ মতে তলত কৰাসমূহ প্ৰকৃতিৰ বৈশিষ্ট্য ঃ

প্ৰকৃতিৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল যে ই এক বিশ্বজগতৰ প্ৰধান সত্বা আৰু প্ৰথম নীতি। সকলো কাৰ্যৰ অপ্ৰকাশ্য অৱস্থা হোৱাৰ বাবে ইয়াক কোৱা হয় অব্যক্ত।

প্ৰকৃতিক অনুমানৰ দ্বাৰা জানিব পৰা যায়, কাৰণ ইয়াৰ অতি সূক্ষ্ম আৰু অপ্ৰত্যক্ষিত স্বভাৱ আছে আৰু সেয়ে ইয়াক কোৱা হয় অনুমান।

অ-বুদ্ধিমান আৰু অসচেতন হোৱাৰ বাবে ইয়াক কোৱা হয় জড়।

চিৰ-সক্ৰিয় আৰু অসীম শক্তিৰ অধিকাৰী হোৱাৰ বাবে প্ৰকৃতিক শক্তি বুলিও কোৱা হয়।

প্ৰকৃতি সদায় অকাৰণ, স্বতন্ত্ৰ, পৰম সত্ত্বা আৰু নিত্য হিচাপে থাকে আৰু সেইকাৰণে ই উৎপাদন আৰু ধ্বংসৰ উৰ্দ্ধত। আনহাতে, প্ৰকৃতিৰ সৃষ্টি বা পৰিণামবোৰ কাৰণযুক্ত, নিৰ্ভৰশীল, আপেক্ষিক, বহু আৰু ক্ষণস্থায়ী আৰু সদায় জন্ম আৰু মৃত্যুৰ বিষয়। ৰজ গুণে প্ৰকৃতিত গতিৰ সঞ্চাৰ কৰে।

প্ৰকৃতি সদজা অচেতন, কাৰণ সকলো নিষ্প্ৰাণ পাৰ্থিব বস্তুৰ মূল উৎস। সেয়ে, সঠিকভাৱে ক'বলৈ হ'লে বস্তুৰ সমগ্ৰ জগতখন প্ৰকৃতিৰ বুকুতে নিহিত হৈ থাকে।

সাংখ্য দৰ্শনৰ মতে ক্ৰমবিকাশক পাৰ্থিব বস্তুবোৰৰ বাহ্যিক প্ৰকাশ বা অভিব্যক্তি ৰূপে বুজা যায়। আনহাতে, লয় বা ধ্বংসক পাৰ্থিব বস্তুৰ প্ৰকৃতিলৈ ঘূৰি যোৱা হিচাপে বুজা যায়। সেয়ে আমি মনত ৰাখিবই লাগিব যে অ-বুদ্ধিমন, অকাৰণ, সদা-সক্ৰিয়, অপ্ৰত্যক্ষিত, নিত্য আৰু একক প্ৰকৃতিয়েই হৈছে অকলে বস্তু জগতৰ অন্তিম উৎস। সাংখ্য সম্প্ৰদায়ত এই কথা স্বীকাৰ কৰা হয় যে পুৰুষ (আত্মা), যি বুদ্ধিমান, সি জড়পদাৰ্থৰ কাৰণ হ'ব নোৱাৰে। ইয়াৰ কাৰণ এয়ে যে আত্মাক নিষ্প্ৰাণ পাৰ্থিব বস্তুলৈ ৰূপান্তৰ কৰিব নোৱাৰি। সেয়ে, আপোনালোকে ইয়াত এই কথা মনত ৰাখিব লাগিব যে অভিজ্ঞতালব্ধ জগতৰ চৰম ভিত্তি হ'ব লাগিব এক অসীম, অনন্ত অনাত্ম দ্ৰব্য। ইয়াত সাংখ্যই ন্যায়-বৈশেষিকৰ মতামতক প্ৰত্যাখ্যান কৰিছে।

ন্যায়-বৈশেষিক, বৌদ্ধ আৰু জৈনসকলৰ মতে, অনাত্ম দ্ৰব্যবোৰ জড় পদাৰ্থৰ পৰমাণু, কিন্তু সাংখ্য দৰ্শনত অনাত্ম দ্ৰব্যবোৰ জড় পদাৰ্থৰ পৰমাণু নহয়। সাংখ্যই বিশ্বাস কৰে যে মন, অহংকাৰ, সংবেদন, যিবোৰ অতি সূক্ষ্ম আৰু মিহি, সেইবোৰ জড় পৰমাণুৰ দ্বাৰা গঠিত হ'ব নোৱাৰে। ই যুক্তিও প্ৰদৰ্শন কৰে যে পৰমাণুবোৰ আয়তনৰহিত। সেয়ে সাংখ্য চিন্তাবিদসকলে যুক্তি কৰে যে আয়তন থকা বস্তুবোৰ কেতিয়াও পৰমাণুৰ পৰা আহিব নোৱাৰে, যি নিজে আয়তনৰহিত। সেইকাৰণে, আপোনালোক ইয়াত বুজিব লাগিব যে সাংখ্য দৰ্শনে সমৰ্থন কৰে যে ই হৈছে প্ৰকৃতি, অকাৰণ (অজ) কাৰণ নাইবা প্ৰথম কাৰণ, যিহেতু ই পাৰ্থিৱ সকলো বস্তুৰেই চৰম কাৰণ।

৭.৪ প্ৰকৃতিৰ অস্তিত্বৰ প্ৰমাণ

প্ৰকৃতিৰ অস্তিত্বৰ বাবে থকা যুক্তিসমূহ হ'ল—

১) এই জগতৰ সকলো বস্তু মাত্ৰাত সীমিত, নিৰ্ভৰশীল আৰু চৰ্তযুক্ত। পাৰ্থিব বস্তুবোৰ এটাৰ ওপৰত আনটো পৰস্পৰ নিৰ্ভৰশীল। জগতৰ বস্তুবোৰ সীমাবদ্ধ আৰু সসীম আৰু এনে হোৱাৰ বাবে বস্তুবোৰ সেই জড়ীয় অস্তিত্বৰ ওপৰত নিৰ্ভৰশীল হ'বই লাগে, যি সিহঁতৰ অস্তিত্বৰ তুলনাত অধিক স্থায়ী আৰু ব্যাপনশীল। যিহেতু জড়ীয় বস্তুবোৰ

সসীম, সেইবাবে সেইবোৰ জগতৰ কাৰণ হ'ব নোৱাৰে। সেই কাৰণে, এই জগতৰ কাৰণ অসীম আৰু স্ব-নির্ভৰশীল দ্ৰব্য হ'বই লাগিব আৰু ইয়াক প্ৰকৃতিৰূপে গ্ৰহণ কৰা হয়।

২) পার্থিব বস্তুত অপৰিবর্তিতভাৱে উপস্থিত থাকে কেতবোৰ নির্দিষ্ট বৈশিষ্ট্য। ফলস্বৰূপে পার্থিব বস্তুবোৰ সুখ, দুখ আৰু উদাসীনতা আদি উৎপন্ন কৰিব পৰাৰ বাবে সক্ষম হৈ পৰে। সকলো পার্থিব বস্তুত সাধাৰণ বৈশিষ্ট্যবোৰৰ উপস্থিতি এক উৎসৰ ওপৰত নির্ভৰশীল হ'বই লাগিব, যি সকলোৰে বাবে সাধাৰণ। এই সাধাৰণ উৎসটোৱেই প্ৰকতি, যাৰ সত্ত্ব, ৰজ আৰু তমৰ দৰে তিনিটা সাংগঠনিক উপাদান আছে।

৩) জগতৰ সকলো বস্তু এটা কাৰণৰ কার্য। কার্যটো কিছুমান কাৰণৰ ক্ৰিয়াৰ পৰা অগ্ৰসৰ হয়, যি সিহঁতৰ উৎপাদন শক্তিৰ মাজতে নিহিত থাকে। ক্ৰমবিকাশৰ অর্থ হ'ল এক সুপ্ত অৱস্থাত থকা শক্তিসম্ভৰা কাৰণৰ অভিব্যক্তি আৰু কার্য হৈছে সেই একেটাৰে বাহ্যিক ৰূপ। সেইকাৰণে, ক্ৰমবিকাশক সক্ৰিয় কৰি তোলা কার্যটো কেতবোৰ জগত কাৰণত নিহিত থাকিবই লাগিব। এই জগত কাৰণেই হৈছে প্ৰকৃতি (pravrttescha)।

৪) এটা কার্য ইয়াৰ কাৰণৰ পৰা উদ্ভৱ হয়, কাৰণ ই কাৰণৰ শক্তি বা ক্ষমতা, যিয়ে উৎপন্ন হ'ব লগা কার্যৰ গঠন কৰে আৰু ধ্বংসৰ সময়ত কাৰণতে বিলীণ হৈ যায়। কার্য কাৰণৰেই এক প্ৰকাশ আৰু ধ্বংসৰ কালত কাৰণৰ মাজতেই লুপ্ত হৈ যায়। যিহেতু কার্যটো কাৰণৰ পৰা বেলেগ সেয়ে, কার্যক ইয়াৰ নিজৰ কাৰণৰূপে গ্ৰহণ কৰিব নোৱাৰি। য'ত কার্যটো বাহ্যিক প্ৰকাশ, সেই একেটা ৰূপৰে কাৰণটো এক আভ্যন্তৰীণ প্ৰকাশ। এইদৰে অভিজ্ঞতালব্ধ জগতখন এক কার্য আৰু সেইবাবে ই এক সম্ভাৱনাপূর্ণ জগত কাৰণলৈ নির্দেশ কৰে।

৫) পার্থক্য থকাৰ স্বত্বেও পার্থিব কার্যবোৰৰ মাজত ঐক্যতা বিৰাজমান। এই অনৈক্যৰ মাজত থকা একৰূপতাইও এটা একক কাৰণকে আঙুলিয়ায়। এই কাৰণটোৱেই হৈছে প্ৰকৃতি (avibhagat vaishvarupyasya)।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ১ঃ প্ৰকৃতিক জগতৰ মূল কাৰণ বুলি সাংখ্যদর্শনে কেনেকৈ ব্যাখ্যা কৰিছে?

.....

.....

প্ৰশ্ন ২ঃ সাংখ্য দর্শনত 'প্ৰকৃতি' শব্দটোৱে কি নির্দেশ কৰিছে?

.....

.....

প্ৰশ্ন ৩ ঃ তলৰ বক্তব্যবোৰ সত্য নে অসত্য উল্লেখ কৰক।

(ক) সাংখ্য দৰ্শনত কাৰণতাৰ মতবাদটোৱে সমৰ্থন কৰে যে উপাদান কাৰণত এক প্ৰকৃত পৰিবৰ্তন হয়। (সত্য/অসত্য)

(খ) প্ৰকৃতি সদায় চেতনাযুক্ত, কাৰণ ই সকলো নিষ্প্ৰাণ পাৰ্থিব বস্তুৰ বাবে মূল উৎস। (সত্য/অসত্য)

৭.৫ প্ৰকৃতি আৰু ইয়াৰ গুণসমূহ

সাংখ্য প্ৰৱচনসূত্ৰত এই কথা উল্লেখ আছে যে প্ৰকৃতি তিনিটা গুণেৰে গঠিত। এই তিনিটা গুণ হৈছে সত্ত্ব, ৰজ আৰু তম। সাংখ্য দৰ্শনত ইয়াক বুজা যায় যে প্ৰকৃতি এই তিনিটা গুণৰ সমাহাৰ আৰু ইহঁত এক সাম্যাৱস্থাত থাকে (gunanam samyavastha)। সেয়ে, এই তিনি গুণ অৰ্থাৎ সত্ত্ব, ৰজ আৰু তমক প্ৰকৃতিৰ উপাদান হিচাপে ধৰা হয়। সেয়ে, প্ৰকৃতিয়ে তাৰ সাংগঠনিক উপাদানৰ সৈতে পাৰ্থিব বস্তুবোৰৰ বিকাশ ঘটায়। আপোনালোকে মনত ৰাখিব লাগিব যে সাংখ্য দৰ্শনত 'গুণ'ৰ দ্বাৰা যিকোনো গুণক (attribute) নুবুজায়। প্ৰকৃতত, গুণসমূহ মৌলিক আৰু সেইবাবে প্ৰকৃতিৰ সংগঠনত চৰম উপাদান সেয়ে ক'ব পাৰি যে প্ৰকৃতি তিনিটা গুণৰ এক ত্ৰিমূৰ্তি।

সাংখ্য দৰ্শনে আঙুলিয়াই দিয়ে যে সত্ব, ৰজ আৰু তমক গুণ বোলা হয় কাৰণ এইবোৰ গুণ পুৰুষ বা আত্মাৰ অধীন। এই গুণসমূহে প্ৰকৃততে এডাল জৰীৰ তিনিটা গুণ বা আঁহ। সাংখ্য দৰ্শনত এই কথা বিশ্বাস কৰা হয় যে গুণসমূহ অভিজ্ঞতাৰ জীৱনত পুৰুষ বা আত্মাক বান্ধি ৰাখে। গুণসমূহ প্ৰকৃতিগতভাৱে অতি সূক্ষ্ম আৰু সেয়ে অপ্ৰত্যক্ষিত। ই দেখুৱাই যে আমি গুণবোৰক প্ৰত্যক্ষ কৰিব নোৱাৰো। প্ৰশ্ন উদয় হয় যে গুণবোৰৰ প্ৰকৃত স্বৰূপ কিদৰে আমি জানিব পাৰোঁ? আমি গুণৰ প্ৰকৃত স্বৰূপক সিহঁতৰ কাৰ্য যেনেঃ সুখ, দুখ আৰু উদাসীনতাৰ পৰা অনুমান কৰিব পাৰোঁ। সাংখ্যই সৎ কাৰ্যবাদক সমৰ্থন কৰে আৰু সেয়ে, আপোনালোকে মনত ৰাখিব লাগিব যে মূলগতভাৱে কাৰণ আৰু কাৰ্যৰ মাজত অনুৰূপতা আছে। সেইকাৰণে, গুণবোৰৰ অস্তিত্বক সিহঁতৰ উৎপাদন বা পৰিণামৰ স্বৰূপৰ পৰা অনুমান কৰিব পাৰো। যিহেতু জগতৰ বস্তুবোৰ প্ৰকৃতিৰ ফল বা কাৰ্য, সেয়ে ইয়াত গুণসমূহ এক সাম্যাৱস্থাত থাকে। পোহৰ, ক্ৰিয়া আৰু গধুৰতা আদিৰ গুণৰ নিজস্ব বৈশিষ্ট্য থাকে। এই তিনি গুণ সদা পৰিবৰ্তনশীল। যেতিয়া আপোনালোকে গুণবোৰৰ বিষয়ে বুজিব তেতিয়া আপোনালোকে জানিব যে একেটা বস্তু এজন ব্যক্তিৰ বাবে সুখকাৰক আৰু আন এজনৰ বাবে দুখকাৰক আৰু আন এজনৰ ক্ষেত্ৰত সি প্ৰশমিত হয়। কাৰণ কাৰ্যৰ মাজত সুপ্ত অৱস্থাত নিহিত থাকে। সেয়ে, আমি সিদ্ধান্ত ল'ব পাৰো যে, সকলো বস্তুৰেই চৰম উপাদান কাৰণ সুখ, দুখ আৰু হতাশা আদিৰ উপাদানেৰে গঠিত হয় আৰু যাক ক্ৰমান্বয়ে সত্ব, ৰজ আৰু তম বুলি কোৱা হয়।

আপোনালোকে জানিব পাৰিব যে 'সত্ব'ৰ আক্ষৰিক অৰ্থ অস্তিত্বশীল নাইবা বাস্তৱ।

সত্ত্ব সুখৰ স্বৰূপ। সত্বই পোহৰ (light) আৰু প্ৰকাশ (Prakash)ক বুজায়। ইয়াক শ্ৰেয়ত্ব (goodness) বুলিও কোৱা হয়, সেইকাৰণে ই সুখৰ উৎপাদন কৰে। সত্ব সম্ভাৱনাপূৰ্ণভাৱে সচেতন হোৱাৰ বাবে, ইয়াৰ পাৰ্থিব বস্তুবোৰত সুখ আৰু শ্ৰেয়ত্ব প্ৰকাশ কৰাৰ ক্ষমতা থাকে। পোহৰ আৰু উজ্জ্বলতা সত্বৰ অপৰিহাৰ্য প্ৰকৃতি হোৱাৰ বাবে ই 'পোহৰৰ উজ্জ্বলতা', 'উৰ্দ্ধমুখী গতি', সুখ, আনন্দ, সন্তুষ্টি, আশীৰ্বাদ আদি উৎপন্ন কৰে। সত্ত্বই বগা ৰঙক প্ৰতিভাত কৰে।

'ৰজ'ৰ আক্ষৰিক অৰ্থ অপবিত্ৰ। ই গতিশীল (cala) আৰু উদ্দীপক (উপস্তম্ভক)ক প্ৰতিনিধিত্ব কৰে। ই নিজেও গতিশীল আৰু আনকো গতিশীল কৰে। পাৰ্থিব বস্তুবোৰৰ মাজত ই দুখৰ সৃষ্টি কৰে। সেয়ে, ৰজ গুণৰ পৰিণামবোৰ হ'ল 'অস্থিৰ কৰ্ম', 'উতনুৱা প্ৰয়াস' আৰু 'হিংস্ৰ উদ্দীপনা'। এই ৰজ গুণৰ বাবেই আমাৰ মন অস্থিৰ হৈ উঠে। যিহেতু ৰজ গুণৰ সৈতে গতি জড়িত হৈ থাকে, সেয়ে ই সত্ব আৰু তমৰ উপাদানবোৰকো জাগ্ৰত কৰে, যিবোৰ প্ৰকৃততে নিষ্ক্ৰিয়। 'ৰজ'ই হৈছে একমাত্ৰ কাৰণ, যাৰ বাবে সত্ত্ব আৰু তম উভয়েই ক্ৰিয়াশীল হৈ নিজৰ নিজৰ কাৰ্য সম্পন্ন কৰে। ইয়াৰ ৰং ৰঙা।

'তম'ই আক্ষৰিকভাৱে হতাশা বা উদাসনীনতাক বুজায়। তমই সদায় কৰ্মৰাজিক বাধা দিয়ে আৰু অজ্ঞানতাৰ ফালে লৈ যায়। 'তম' হ'ল নিষ্ক্ৰিয়তা আৰু নিষেধৰ তত্ব। 'তম' গধুৰ আৰু সত্বৰ বিৰোধী। 'তম'ই সত্বৰ দ্বাৰা বস্তুবোৰ প্ৰকাশ হোৱাত বাধা প্ৰদান কৰে (বৰণক)। বস্তুবোৰৰ গতিশীলতাত ব্যাঘাত জন্মাই তমই ৰজৰো বিৰোধীতা কৰে। বিশৃংখলতা, বিবুদ্ধি, নিদ্ৰা, তন্দ্ৰা, আলস্য, বিষাদ আদি 'তম' গুণৰ পৰিণতি। সেয়ে, 'তম'ক এন্ধাৰৰ লগত তুলনা কৰা হয়।

জগতৰ মূল উপাদান এই তিনিটা গুণৰ মাজত নিৰন্তৰ সংঘাত আৰু সহযোগ দেখা যায়। এই গুণকেইটা সকলো সময়তে একেলগে থাকে আৰু এটাক আনটোৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰি। আন দুটাৰ সহায়-সহযোগ নাপালে কেৱল এটা গুণে কোনো বস্তু উৎপন্ন কৰিব নোৱাৰে। যেনেকৈ তেল, শলিতা আৰু অগ্নিশিখা আপেক্ষিকভাৱে বিৰোধী হ'লেও চাকিৰ পোহৰ সৃষ্টি কৰিবলৈ তিনিওটাৰে আৱশ্যক। তেনেকৈয়ে বিভিন্ন লক্ষণ সম্পন্ন হ'লেও তিনিওটা গুণৰ সহযোগতহে বস্তু উৎপন্ন হয়। গতিকে জগত সূক্ষ্ম-স্থূল, বৃহৎ-ক্ষূদ্ৰ ইত্যাদি সকলো বস্তুতে গুণকেইটিৰ উপস্থিতি আৱশ্যকীয়। কিন্তু প্ৰত্যেক গুণে এটাই আনটোক দমন কৰাৰ চেষ্টা কৰে। প্ৰধান গুণটোৱে বস্তুৰ স্বভাৱ নিৰ্ণয় কৰে আৰু বাকীকেইটা গুণে নিম্নস্থান গ্ৰহণ কৰে। জগতত এনে কোনো বস্তু নাই, যি বিভিন্ন অনুপাতে এইকেইটা গুণবিশিষ্ট নহয়। বস্তুবোৰৰ বিভিন্ন বিভাজন, যেনেকৈ— ভাল, বেয়া, উদাসীন, পবিত্ৰ, অপবিত্ৰ, মধ্যস্থ, সক্ৰিয়, নিষ্ক্ৰিয় আৰু নিৰ্লিপ্ত ইত্যাদি লক্ষণ সত্ব, ৰজ আৰু তম গুণৰ ভিন্ন প্ৰাধান্যৰ কাৰণেই হয়।

এই পাৰ্থিব বস্তুবোৰৰ ক্ৰমবিকাশ নঘটে, যেতিয়া প্ৰকৃতিৰ তিনিটা গুণ সাম্যাৱস্থাত থাকে। গুণবোৰ সদা-পৰিবৰ্তনীয়। গুণবোৰ যিহেতু গতিশীল, সেয়ে সিহঁত যিকোনো সমত স্থিৰ হ'ব নোৱাৰে। সাংখ্যৰ মতে ইয়াৰ পৰিবৰ্তন দুই প্ৰকাৰৰ— (১) সমজাতীয় পৰিণাম বা

স্বৰূপ পৰিণাম আৰু (২) বিজাতীয় পৰিণাম বা বিৰূপ পৰিণাম। যেতিয়া জগতৰ প্ৰলয় বা ধ্বংসৰ আৰম্ভ হয়, তেতিয়া গুণবোৰৰ অন্তৰ্পৰিবৰ্তন বা সমজাতীয় পৰিবৰ্তন ঘটে। উদাহৰণস্বৰূপে 'সত্ব' সত্বলৈ, 'ৰজ' ৰজলৈ আৰু 'তম' তমলৈ পৰিবৰ্তিত হয়। ক্ৰমবিকাশ আৰম্ভ হয় কেৱল তেতিয়া, যেতিয়া প্ৰকৃতিৰ গুণবোৰৰ সাম্যাৱস্থাত ব্যাঘাত জন্মে। যেতিয়া এটা গুণে আনবোৰক দমন কৰি প্ৰাধান্যতা লাভ কৰে, তেতিয়া গুণবোৰৰ বিজাতীয় পৰিবৰ্তন ঘটে আৰু এয়ে জগতৰ বিবৰ্তনৰ আৰম্ভণি। ঈশ্বৰকৃষ্ণৰ ভাষাত "We bow to Prakriti, the red-white-dark, the unborn mother and nurse and receptacle of all generation"। সাংখ্য দৰ্শনত প্ৰকৃতিক এনেদৰেই বুজা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ঃ সাংখ্য দৰ্শনত প্ৰকৃতিক কিদৰে বুজিব পাৰি?

.....

প্ৰশ্ন ৫ঃ সাংখ্য দৰ্শনে সমৰ্থন কৰা দুই প্ৰকাৰৰ পৰিবৰ্তন কি কি উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৬ঃ খালী ঠাই পূৰাওঁক ঃ

(ক) সত্বৰ আক্ষৰিক অৰ্থ _____ নাইবা _____।

(খ) তমৰ প্ৰতীকাত্মক ৰং হৈছে _____।

৭.৬ ক্ৰমবিকাশ

আপোনালোকে জানিব পাৰিছে যে প্ৰকৃতি অনিবাৰ্যভাৱে গতিশীল। ই সদা-পৰিবৰ্তনশীল। আনকি যেতিয়া গুণসমূহ এক সাম্যাৱস্থাত থাকে, তেতিয়াও প্ৰকৃতিৰ মাজত প্ৰলয়ৰ সময়ত সমজাতীয় পৰিবৰ্তন বা স্বৰূপ পৰিবৰ্তন ঘটে। সাংখ্য দৰ্শনত ক্ৰমবিকাশৰ ধাৰণাটো ব্যাখ্যা কৰিবলৈ এই কথা উল্লেখ কৰিব পাৰি যে প্ৰকৃতিয়ে জগতৰ সৃষ্টি কৰে, যেতিয়া ই পুৰুষৰ সংস্পৰ্শ লৈ আছে। সাংখ্যৰ মতে, সকলো পাৰ্থিব বস্তুৰ ক্ৰমবিকাশ সংঘটিত হয় কেৱল প্ৰকৃতি আৰু পুৰুষৰ মিলনৰফলত। পুৰুষ যদিও স্বৰূপতঃ সচেতন, তথাপিও ই জগতৰ সৃষ্টি কৰিব নোৱাৰে, কাৰণ ই নিষ্ক্ৰিয়। আনহাতে সদা-সক্ৰিয় হোৱাৰ স্বত্বেও প্ৰকৃতিয়ে অকলে জগতৰ সৃষ্টি কৰিব নোৱাৰে, যিহেতু ই অনিবাৰ্যভাৱে অচেতন। সেয়ে, জগতৰ সৃষ্টি বা ক্ৰমবিকাশৰ বাবে প্ৰকৃতিৰ ক্ৰিয়া-কৰ্ম পুৰুষ বা আত্মাৰ চেতনা বা বুদ্ধিৰ দ্বাৰা নিয়ন্ত্ৰিত হ'বই লাগিব।

জগতৰ সৃষ্টিৰ বাবে পুৰুষ আৰু প্ৰকৃতি এটা আনটোৰ সংস্পৰ্শলৈ অহাৰ দৰে সাংখ্য

দৰ্শনে কেনেকৈ দুটা বিপৰীত আৰু স্বতন্ত্ৰ নীতি ওচৰ চাপে, তাক ব্যাখ্যা কৰিবলৈ এজন অন্ধ মানুহ আৰু এজন খোৰা মানুহৰ সাদৃশ্যানুমানৰ উদাহৰণ ডাঙি ধৰিছে। এই সাদৃশ্যানুমান এনে যে এখন গভীৰ অৰণ্য এজন খোৰা আৰু অন্ধ মানুহে ইজনে সিজনৰ সহযোগিতাত অতি সহজে অতিক্ৰম কৰিব পাৰে; ঠিক সেইদৰে নিজস্ব উদ্দেশ্য পূৰণ কৰিবলৈ নিষ্ক্ৰিয় পুৰুষ আৰু অন্ধ বা অ-বুদ্ধিসম্পন্ন প্ৰকৃতিয়ে পৰস্পৰে সহযোগ কৰে। প্ৰকৃতিয়ে সৃষ্টি কৰা জগতখনৰ ভোগ আৰু দৰ্শনৰ বাবে পুৰুষৰ প্ৰয়োজন হয় (দৰ্শনাথ্‌ম্‌)। আনহাতে, পুৰুষে নিজকে জড়ৰ পৰা পৃথক কৰি মুক্তি লাভৰ কাৰণে প্ৰকৃতিৰ সাহায্য লয়। এই প্ৰক্ৰিয়াত প্ৰকৃতিয়ে পুৰুষক মুক্ত কৰে (কৈৱ্যলার্থম্‌)।

প্ৰকৃতি সকলো জড় বস্তুৰ আধাৰ, সেইকাৰণে, তাৰ পৰাই সমগ্ৰ জগতৰ সৃষ্টি হয়। কিন্তু ইয়াত আপোনালোকে মনত ৰাখিব লাগিব যে পুৰুষৰ প্ৰভাৱ আৰু দিগ্‌দৰ্শনৰ দ্বাৰা জগতৰ সৃষ্টি হয়। পুৰুষৰ সান্নিধ্যলৈ অহাৰ পূৰ্বে প্ৰকৃতি অপ্ৰকাশ্য অৱস্থাত বৰ্তি থাকে। প্ৰকৃতিৰ এই অপ্ৰকাশ্য অৱস্থাত ইয়াৰ তিনিওটা গুণ সাম্যাৱস্থাত থাকে। এই অৱস্থাত গুণসমূহ উদ্বেগৰ এক স্তৰত থাকে, কাৰণ অভিব্যক্তি আৰু ক্ৰিয়াৰ প্ৰৱণতাক অ-অভিব্যক্তি আৰু নিষ্ক্ৰিয়তাৰ প্ৰৱণতাৰ দ্বাৰা পৰীক্ষা কৰা হয়। ইয়াত পুৰুষৰ উপস্থিতিয়ে প্ৰকৃতিৰ সাম্যাৱস্থাত ব্যাঘাত জন্মায়।

৭.৭ প্ৰকৃতিৰ বিভিন্ন উৎপাদন

প্ৰকৃতিৰ ক্ৰমবিকাশৰ প্ৰথম উৎপাদন হ'ল মহৎ বা বুদ্ধি। বিশ্বতত্ত্বৰ দিশৰ পৰা বিচাৰ কৰিলে ইয়াক এই বৃহৎ ব্ৰহ্মাণ্ডৰ এটা বিৰাট জন্মবীজ কোষ বুলি কোৱা যায় কাৰণেই এই তত্ত্বক 'মহৎ' বোলা হয়। মনোবৈজ্ঞানিক দিশৰ পৰা বিচাৰ কৰিলে বিভিন্ন ব্যক্তিৰ মাজত ই প্ৰজ্ঞা বা বুদ্ধি ৰূপে বিৰাজ কৰে। বুদ্ধিৰ মাধ্যমেৰে কৰ্তা বা জ্ঞাতা আৰু অন্যান্য বস্তুৰ মাজত পাৰ্থক্য বুজিব পাৰি আৰু বস্তু সম্পৰ্কে কিবা এটা সিদ্ধান্তত উপনীত হোৱা যায়। প্ৰকৃতি সত্ত্বৰ প্ৰাধান্যৰ বাবে বুদ্ধিৰ উৎপত্তি হয়। নিজক আৰু আনক প্ৰকাশ কৰাটো বুদ্ধিৰ স্বাভাৱিক লক্ষণ। সাত্বিক অৱস্থাত বুদ্ধিৰ ধৰ্ম, জ্ঞান, বৈৰাগ্য আৰু ঐশ্চৰ্যৰ দৰে সদ্‌গুণবোৰ থাকে। কিন্তু সত্ত্ব যেতিয়া তমৰ দ্বাৰা কলুষিত হয়, ই তেতিয়া কেতবোৰ বিৰোধী গুণপ্ৰাপ্ত হয়। যেনে ঃ অধৰ্ম, অজ্ঞানতা, আসক্তি আৰু অনৈশ্চৰ্য। সকলো ভৌতিক দ্ৰব্য আৰু গুণ অতীন্দ্ৰিয় আত্মাৰ পৰা পৃথক। কিন্তু জীৱৰ সকলো প্ৰক্ৰিয়াৰ আধাৰ হ'ল মহৎ। ই আত্মাৰ নিচেই কাষতে থাকে আৰু আত্মাৰ চৈতন্য এনেকৈ প্ৰতিফলিত কৰে যে ই নিজেও দৃশ্যত ঃ চেতন ও বুদ্ধিসম্পন্ন হয়। ইন্দ্ৰিয় আৰু মনে বুদ্ধিৰ বাবেই ক্ৰিয়া কৰে আৰু মহৎ বা বুদ্ধিয়ে পোনপটীয়াকৈ আত্মাৰ বাবে ক্ৰিয়া কৰে। মহৎৰ বাবেই আত্মাই নিজকে প্ৰকৃতিৰ পৰা পৃথক কৰিবলৈ সক্ষম হয়।

বুদ্ধিৰ পাছত অহা প্ৰকৃতিৰ ২য় উৎপাদন হৈছে 'অহংকাৰ'। মহৎৰ পৰাই অহংকাৰৰ

সৃষ্টি হয়। অহংকাৰৰ হেতু আত্মাই নিজকে ভুলকৈ কৰ্তা, ভোক্তা বা সম্পত্তিৰ অধিকাৰী, কিবা উদ্দেশ্য সাধনৰ অৰ্থে সক্রিয় ব্যক্তি বুলি ভাবে। অহংকাৰৰ ফলত আত্মাক 'মই' (অহম্) বুলি ভবা হয় আৰু বস্তুবোৰক 'মোৰ' (মম) বুলি ভাবো। সাংখ্য চিন্তাবিদসকলে গুণৰ প্ৰাধান্যতা অনুযায়ী অহংকাৰক তিনি ভাগত বিভক্ত কৰিছে। সেয়া হ'ল—

(১) সাত্বিক বা বৈকাৰিক

(২) ৰাজস বা তেজস্

(৩) তামস বা ভূতাদি

সাত্বিক অহংকাৰৰ পৰা এঘাৰটি ইন্দ্রিয়ৰ সৃষ্টি হয় পাঁচটি প্রত্যক্ষৰ ইন্দ্রিয় (জ্ঞানেন্দ্রিয়), পাঁচটি ক্রিয়াৰ ইন্দ্রিয় (কর্মেন্দ্রিয়) আৰু মন (মনস)। পাঁচটি কর্মেন্দ্রিয়ই ক্রমাৎ বাক্ বা কথা, ধৃতকৰণ, গতিশীলতা, মল ত্যাগ, জনন ইত্যাদি ক্রিয়া কৰে। তামস অহংকাৰৰ পৰা পাঁচটি সূক্ষ্ম উপাদান (তন্মাত্র)ৰ উৎপাদন হয়। ২য়টি অর্থাৎ ৰাজস অহংকাৰ ১ম আৰু ৩য় এই দুয়োটিৰ লগত সম্পর্কিত হৈ 'সত্ব' আৰু 'তম'ৰ উৎপাদনৰ কাৰণে দুয়োকে শক্তিৰ যোগান ধৰে। এইদৰেই, অহংকাৰে মন, দহটা ইন্দ্রিয় আৰু পাঁচটা সূক্ষ্ম উপাদানৰ সৃষ্টি কৰে।

পাঁচটি কর্মেন্দ্রিয় প্রকৃত অংগ নহয়। প্রকৃতার্থত, বাহ্যিক অংগসমূহত থকা অপ্রত্যক্ষিত শক্তিয়ে পার্থিব বস্তুবোৰক বোধগম্য বা জানিবলৈ দিয়ে। অৱশেষত, এই অপ্রত্যক্ষিত শক্তিয়েই পাঁচটি অংগক বাস্তৱ কৰি তোলে। সেয়ে আপোনালোকে কোনো অংগ বা ইন্দ্রিয়ক প্রত্যক্ষ কৰিব নোৱাৰে। আপোনালোকে অনুমানৰ দ্বাৰাহে ইন্দ্রিয়সমূহক জানিব পাৰে। মন বা বুদ্ধিয়ে প্রত্যক্ষজনিত ইন্দ্রিয় আৰু কর্মেন্দ্রিয় দুয়োকে পৰিচালিত কৰে। ইয়াত বুদ্ধি, অহংকাৰ আৰু মনক আন্তৰিক ইন্দ্রিয় (অন্তঃকৰণ) হিচাপে গ্রহণ কৰা হয়। আনহাতে, প্রত্যক্ষমানত ইন্দ্রিয় নাইবা কর্মেন্দ্রিয়সমূহক বাহ্যিক ইন্দ্রিয় (বাহ্যকৰণ) হিচাপে গ্রহণ কৰা হয়। সাংখ্যৰ মতে, পাঁচটি জ্ঞানেন্দ্রিয় আৰু পাঁচটি কর্মেন্দ্রিয় হৈছে দহটা বাহ্যিক ইন্দ্রিয় (বাহ্যকৰণ)। এই দহটা ইন্দ্রিয়ৰ সৈতে আছে অহংকাৰ, বুদ্ধি আৰু মন, সেয়ে সাংখ্য দর্শনে মুঠ ১৩টা কৰণ বা ইন্দ্রিয়ক স্বীকাৰ কৰে।

তমস্ অহংকাৰে পাঁচটা সূক্ষ্ম উপাদানৰ সৃষ্টি কৰে, যাক কোৱা হয় তমস্ অহংকাৰ (Things-in-themselves)। এই পাঁচোটা ভৌতিক উপাদান ক্রমে শব্দ, স্পর্শ, বর্ণ, ত্বক আৰু গোন্ধ। সাধাৰণ মানুহে ওপৰত উল্লেখিত তন্মাত্রকেইটাক প্রত্যক্ষ কৰিব নোৱাৰে, যদিও সেইবোৰ ইন্দ্রিয়জ নীতি। এই তন্মান্দ্রবোৰক পাবলৈ হ'লে আমি অনুমানৰ ওপৰত নির্ভৰশীল হ'ব লাগিব। কেৱল যোগীসকলেহে এই তন্মান্দ্রবোৰক প্রত্যক্ষ কৰিব পাৰে। সাংখ্যদর্শনে শেষত কয় যে এই পাঁচটি ভৌতিক উপাদানে পাঁচটি মহাভূতৰ সৃষ্টি কৰে। পাঁচটি মহাভূত হৈছে ক্রমে আকাশ, বায়ু, জুই, পানী আৰু মাটি।

সেইকাৰণে, আপোনালোকে মনত ৰাখিব লাগিব যে প্রকৃতিৰ স্থূল-ভৌতিক উপাদানসমূহলৈ হোৱা সমগ্র ক্রমবিকাশ বা বিবর্তনক দুটা শ্রেণীত বিভক্ত কৰা হৈছে— (১)

মানসিক (প্ৰত্যয়সৰ্গ বা বুদ্ধিসৰ্গ) আৰু (২) ভৌতিক (তন্মাত্ৰসৰ্গ বা ভৌতিক সৰ্গ)। এইদৰেই সাংখ্যদৰ্শনে সাব্যস্ত কৰে যে পুৰুষৰ সৈতে মুঠ পঁচিশটা তত্বই বিশ্বৰ ক্ৰমবিকাশ বা ক্ৰমবিবৰ্তনত ক্ৰিয়া কৰে। (১) পুৰুষ; (২) প্ৰকৃতি; (৩) মহৎ বা বুদ্ধি; (৪) অহংকাৰ; (৫)—(৯) প্ৰত্যক্ষৰ অঙ্গ বা ইন্দ্ৰিয়সমূহ; (১০) মন; (১১)—(১৫) কৰ্মেন্দ্ৰিয় সমূহ, (১৬)—(২০) সূক্ষ্ম উপাদানবোৰ; আৰু (২১)—(২৫) স্থূল উপাদানবোৰ।

৭.৮ উদ্দেশ্যমূলক ক্ৰমবিকাশ

ভোক্তা আৰু কৰ্ত্তা পুৰুষৰ বাবেই প্ৰকৃতিৰ ক্ৰমবিকাশ হয়। সেইবাবে, সাংখ্যই সমৰ্থন কৰে যে ক্ৰমবিকাশৰ প্ৰক্ৰিয়াটো যান্ত্ৰিক নহয়। ই সদায় উদ্দেশ্যমূলক। অসচেতনভাৱে হ'লেও পুৰুষৰ উদ্দেশ্য সাধনৰ অৰ্থেই ক্ৰমবিকাশৰ পদ্ধতিত সকলোৱে ক্ৰিয়া কৰে। সেয়ে এই কথা সাংখ্যদৰ্শনত সদায় উল্লেখ কৰা হয় যে 'প্ৰকৃতি পুৰুষৰ দাতৃ'। প্ৰকৃতিয়ে পুৰুষক মুক্ত কৰে, কাৰণ এই ক্ৰমবিকাশৰ প্ৰক্ৰিয়াত পুৰুষে অভিজ্ঞতালব্ধ জগতখনৰ পৰা নিজকে পৃথক কৰে। ক্ৰমবিকাশ কেৱল বস্তুগত পৰমাণুৰ এক অন্ধ ক্ৰিয়া নহয়, কাৰণ ইয়াত যোগ্যতা আৰু অযোগ্যতা অনুযায়ী পুৰুষে হয় উপভোগ কৰে নাইবা দুখ ভোগ কৰে। ক্ৰমবিকাশৰ সমগ্ৰ প্ৰক্ৰিয়াটোত, চৰম লক্ষ্য হৈছে আত্মাৰ মুক্তি। ই আত্মাক তেওঁলোকৰ নিজা শুদ্ধ বিবেকৰ প্ৰকৃত স্বৰূপক অনুধাৱন কৰায়। প্ৰলয়ৰ অৱস্থাত প্ৰকৃতিয়ে পুৰুষক মুক্তি লাভ কৰিবলৈ অনুমতি দিয়ে। সেয়ে, প্ৰকৃতিত আভ্যন্তৰিক উদ্দেশ্যবাদ আছে। পুৰুষ নিষ্ক্ৰিয় আৰু উদাসীন আৰু গুণবিহীন, কিন্তু প্ৰকৃতি, যি গুণেৰে ভৰপূৰ, সি আত্মাৰ মুক্তিৰ বাবে সম্পূৰ্ণ নিৰাসক্তত বিভিন্ন উপায়ৰ জৰিয়তে অহৰহ ক্ৰিয়া কৰে। সাংখ্য দৰ্শনত প্ৰকৃতিক উপাদান কাৰণ আৰু পৰিণাম কাৰণ দুয়োটা হিচাপেই গ্ৰহণ কৰা হয় আৰু আনহাতে, যদিও পুৰুষ এক কাৰণো নহয় নাইবা কাৰ্যও নহয়, তথাপি ইয়াক ক্ৰমবিকাশ প্ৰক্ৰিয়াত নিমিত্ত কাৰণ আৰু পৰিণাম কাৰণৰূপে ধৰা হয়। সৃষ্টিৰ গতিত পুৰুষেই লক্ষ্য। পুৰুষৰ উপস্থিতিৰ বাবেই সৃষ্টি সম্ভৱ। "গুণসমূহ, যি পৰস্পৰে পৰস্পৰৰ পৃথক আৰু তৎস্বত্বেও সদায় সহযোগ কৰে, এটা চাকিৰ তেল, শলিতা আৰু শিখাৰ দৰে কাম কৰে আৰু পুৰুষৰ সমগ্ৰ উদ্দেশ্য উদ্ভাসিত কৰে আৰু ইয়াক বুদ্ধি বা প্ৰজ্ঞাৰ ক্ষেত্ৰত আগবঢ়ায়।" পুৰুষৰ লক্ষ্যৰ বাবে কৰ্মেন্দ্ৰিয়সমূহৰ লগতে সংবেদনীয় অঙ্গসমূহ, য'ত সূক্ষ্ম শৰীৰ নিহিত থাকে, সকলোৱে একেৰাহে কাম কৰে। সাংখ্যই সমৰ্থন কৰে যে সৃষ্টিৰ প্ৰক্ৰিয়াত অসচেতনভাৱেই পুৰুষৰ উদ্দেশ্যৰ উপলব্ধিৰ প্ৰৱণতা জড়িত হৈ থাকে। সকলো আত্মাৰ মোক্ষ লাভেই হৈছে সৃষ্টিৰ ক্ৰমবিকাশ প্ৰক্ৰিয়াৰ লক্ষ্য। সেয়ে, ক্ৰমবিকাশৰ প্ৰথম সৃষ্টি মহৎ বা বুদ্ধিৰ পৰা ভৌতিক উপাদানবোৰৰ সৃষ্টি হয় প্ৰত্যেক আত্মা অৰ্থাৎ পুৰুষক মুক্তি প্ৰদান কৰাৰ উদ্দেশ্যে।

৭.৮.১ ক্ৰমবিকাশ মতবাদৰ সমালোচনা

ক্ৰমবিকাশৰ সাংখ্য মতবাদটো তীব্ৰভাৱে সমালোচিত হৈছে। সাংখ্যই সৰ্বত্ৰ পুৰুষ (অতীন্দ্ৰিয় কৰ্তা) আৰু জীৱ (ইন্দ্ৰিয়গত অহং)ৰ মাজত কেতবোৰ খেলিমেলিৰ সৃষ্টি কৰিছে। পুৰুষৰ প্ৰকৃততে প্ৰকৃতিৰ ক্ৰিয়াৰ ক্ষেত্ৰত কৰিবলৈ একো নাই। ই কেৱল এক দৰ্শক। আত্মা এক দ্ৰব্য নহয়, বৰঞ্চ এক কৰ্তা। পুৰুষ অদৃশ্যমান অতীন্দ্ৰিয় পৰম সত্বা। কিন্তু সাংখ্যই ইয়াৰ নিজা স্থান পাহৰি গৈছে আৰু চৰম পুৰুষক ইন্দ্ৰিয়জ আত্মা বা অহংৰ পৰ্যায়লৈ পৰিবৰ্তন কৰিছে।

পুৰুষক ভোক্তা আৰু প্ৰকৃতিক ভোগ্য আখ্যা দিয়া হৈছে। কিন্তু যদি পুৰুষ অতিন্দ্ৰীয় কৰ্তা হয়, তেন্তে ই কেনেকৈ ভোক্তা হ'ব পাৰে? যদি ই উদাসীন, নিস্পৃহ আৰু নিষ্ক্ৰিয় হয়, তেন্তে ই কেনেকৈ ভোগ কৰিব? আকৌ, অতীন্দ্ৰিয় আত্মা বা সত্বা কেনেকৈ বহুতো আত্মালৈ পৰিবৰ্তিত হ'ব পাৰে। অতীন্দ্ৰিয় কৰ্তা বা পুৰুষৰ কিদৰে বহুত্ব থাকিব পাৰে। প্ৰকৃতি আৰু জগতৰ ক্ৰমবিকাশ মতবাদৰ বিৰুদ্ধে উদয় হোৱা বহুতো প্ৰতিবাদৰ উত্তৰ সাংখ্যদৰ্শনে দিবলৈ অপাৰগ হৈছে। সাংখ্য দৰ্শনৰ মতে, তেওঁলোকৰ ক্ৰমবিকাশবাদ পৰিণামবাদৰ ফল। পৰিণামবাদৰ মতবাদত এই কথা উল্লেখ আছে যে, যেতিয়া এটা কাৰ্যৰ উৎপত্তি হয়, তেতিয়া কাৰ্যত কাৰণৰ এক প্ৰকৃত পৰিবৰ্তন হয়। উদাহৰণ স্বৰূপে ঃ যেতিয়া দৈ'ৰ উৎপাদন হয়, তেতিয়া গাখীৰ প্ৰকৃতাৰ্থত 'দৈ'লৈ পৰিবৰ্তন হয়। সাংখ্য দৰ্শনৰ এই মতবাদটো শংকৰাচাৰ্যৰ দ্বাৰা তীব্ৰভাৱে সমালোচিত হৈছে। অদ্বৈত বেদান্তৰ মতে, বিবৰ্ত্তবাদক সমৰ্থন কৰাৰ দ্বাৰাহে কেৱল সাংখ্যই ক্ৰমবিকাশ মতবাদৰ লগত জৰিত সকলো সমস্যাৰ সমাধান কৰিব পাৰিলেহেঁতেন। বিবৰ্ত্তবাদত কাৰ্যত কাৰণৰ কোনো প্ৰকৃত পৰিবৰ্তন নহয়। কাৰ্য, কাৰণৰ অৱভাস মাত্ৰহে। সেয়ে, সাংখ্য দৰ্শনে তেওঁলোকৰ প্ৰকৃতি পৰিণামবাদৰ পৰিবৰ্ত্তে ব্ৰহ্ম-বিবৰ্ত্তবাদকহে গ্ৰহণ কৰিব লাগে। অৱশেষত, ক্ৰমবিকাশৰ সমস্যাবোৰ সমাধান কৰিবলৈ সাংখ্যই সৎ কাৰ্যবাদৰ পৰিবৰ্তে সৎ কাৰণবাদহে স্বীকাৰ কৰিব লাগে। পুৰুষে জীৱৰ স্থান ল'ব লাগে। নঞৰ্থক কৈৱল্যৰ ধাৰণাক সদৰ্থক আনন্দপূৰ্ণ মোক্ষলৈ পৰিবৰ্তন কৰিব লাগে। সেইকাৰণে, সমালোচকসকলে মত প্ৰকাশ কৰে যে, "দুঃখিত ব্যক্তিত্বৰ এক বিশাল শৃঙ্খলা" আৰু কৰ্তা আৰু কৰ্মৰ মাজত এক অসংলগ্ন সুৰুঙাৰ সৃষ্টিক প্ৰতিনিধিত্ব কৰা পুৰুষ বহুত্বক মানি লোৱাৰ পৰিবৰ্তে অ-দ্বৈত পুৰুষ, অৰ্থাৎ অতীন্দ্ৰিয় ব্ৰহ্মক স্বীকাৰ কৰিব লাগে।

৭.৯ পুৰুষৰ স্বৰূপ আৰু বৈশিষ্ট্য

সাংখ্য দৰ্শনত আপোনালোকে জানিব পাৰিছে যে ইয়াত পুৰুষ আৰু প্ৰকৃতিৰ স্পষ্ট দ্বৈতবাদ আছে। স্বৰূপতঃ প্ৰকৃতি আৰু পুৰুষ পৰস্পৰ ভিন্ন। সেয়ে, প্ৰকৃতিৰ নিৰ্দিষ্ট বৈশিষ্ট্য আছে আৰু আনহাতে পুৰুষৰো কেতবোৰ নিৰ্দিষ্ট বৈশিষ্ট্য আছে। সাংখ্য দৰ্শনৰ মতে, পুৰুষ নিত্য, শুদ্ধ, বুদ্ধ আৰু মুক্ত।

তলত উল্লেখ কৰাবোৰ পুৰুষৰ বৈশিষ্ট্য—

১) পুৰুষ শুদ্ধ চেতনা। পুৰুষ আত্মা। পুৰুষক আত্মা, কৰ্তা আৰু জ্ঞাতা হিচাপে স্বীকাৰ

কৰা হয়।

২) পুৰুষ সৰল, স্বয়ং-উদ্ভাসিত আৰু স্বয়ং প্ৰমাণিত।

৩) পুৰুষ বিবেচনাসম্পন্ন।

৪) পুৰুষ বুদ্ধিমান হেতু, জ্ঞানৰ বিষয়। চেতনা পুৰুষৰ সাৰতত্ব। সেয়ে, পুৰুষ হৈছে সকলো জ্ঞানৰেই স্বীকার্য।

৫) পুৰুষ যিকোনো উৎপাদনৰহিত আৰু পৰিবর্তনৰ বিষয় নহয়। পুৰুষক সদায় অ-কাৰণ, নিত্য আৰু সর্বব্যাপী হিচাপে ধৰা হয়।

৬) পুৰুষ এটা কাৰণো নহয়, নাইবা এটা কার্যও নহয় আৰু অপৰিবর্তনীয় আৰু অগণনামূলক। ই আত্ম-দীপ্তময় আৰু আত্ম-প্ৰমাণিত।

৭) পুৰুষ নিষ্ক্ৰিয়। ইয়াক নিৰৱ সাক্ষী বুলি জনা যায়। পুৰুষক অকলে মুক্ত বুলি স্বীকাৰ কৰা হয়। সেইবাবে, ই নিৰপেক্ষ দর্শক, শান্তিপূর্ণ, চিৰন্তন।

৮) পুৰুষ সকলো পৰিবর্তনৰ উর্দ্ধত (Kutasthanitya)। সেয়ে, ই কাল আৰু দেশৰো উর্দ্ধত। পুৰুষ মুক্ত (কেৱল)।

৯) পুৰুষ উদাসীন (madhyastha) আৰু নিষ্ক্ৰিয়। পুৰুষক "nistraigunya, udasin, akarta, kevala, madhayastha, saksi, drasta, sadaprakashasvapriya and jnata" বোলা হয়।

৭.১০ পুৰুষৰ অস্তিত্বৰ প্ৰমাণসমূহ

সাংখ্যই পুৰুষ অস্তিত্বৰ বাবে পাঁচটা প্ৰমাণ আগবঢ়াইছে। সেয়া হ'ল—

১) সকলো যৌগিক পদার্থ পুৰুষৰ উদ্দেশ্যৰ বাবেই অস্তিত্বশীল। পুৰুষৰ অস্তিত্বৰ এইটো প্ৰমাণ স্বৰূপতঃ উদ্দেশ্যমূলক (সংঘাত পৰার্থৱৎ)। ইয়াক ধাৰণা কৰিব পৰা যায় যে শৰীৰ, সংবেদন, মন আৰু বুদ্ধিকে অন্তর্ভুক্ত কৰি প্ৰকৃতিৰ সকলো বস্তু হৈছে পুৰুষৰ উদ্দেশ্য অনুভৱ কৰাৰ উপায়। প্ৰকৃতি, মহৎ, অহংকাৰ, মন সকলো সত্ব, ৰজ আৰু তমৰ পুঞ্জ আৰু এইবোৰ হৈছে বিচনা, চকী, টেবুল আদি সকলো বস্তুকে প্ৰদান কৰাৰ উপায় আৰু এই সকলো অচেতন ও পার্থিব বস্তুৱে সচেতন পুৰুষ বা আত্মাৰ লক্ষ্য প্ৰদান কৰে। পুৰুষ তিনিটা গুণৰ সমাবেশ নহয়। সেয়ে, ই দেহ, মন, বুদ্ধি আৰু অহংকাৰৰ পৰা পৃথক। পুৰুষ লক্ষ্য ফলপ্ৰসু কৰিবলৈ প্ৰকৃতিৰ নিজৰ মাজতে ক্ৰমবিকাশ হয়।

২) সকলো বস্তু তিনিটা গুণেৰে গঠিত। যিহেতু, সকলো বস্তু অচেতন, অ-পৃথকীকৃত আৰু জ্ঞানৰ বিষয়, সেয়ে সিহঁতে সচেতন পুৰুষক পূর্বতে স্বীকাৰ কৰি লয়, যি অ-পৃথক, জ্ঞানৰ বিষয়, তিনি গুণৰহিত। এই মতটোৱে যৌক্তিকভাৱে পুৰুষৰ অস্তিত্ব মানি লয়, কিয়নো পুৰুষক তিনিটা গুণ— সত্ব, ৰজ আৰু তমৰ নিৰৱ সাক্ষী ৰূপে গ্ৰহণ কৰা হয়। সকলো জ্ঞাত বস্তুৱে জ্ঞাত কর্তা বা আধ্যাত্মিক আত্মাৰ অস্তিত্বক

পূৰ্বতে স্বীকাৰ কৰি লয়।

৩) মন, বুদ্ধি আৰু সকলো জড়পদাৰ্থ এটা বুদ্ধিসম্পন্ন তত্বৰ দ্বাৰা পৰিচালিত হ'ব লাগে। যিকোনো লক্ষ্যত উপনীত হোৱাৰ বাবে এইটো প্ৰয়োজনীয়। কোনো এজনৰ পৰিচালনাতহে এক যন্ত্ৰ বা গাড়ীয়ে কাম কৰে। গতিকে প্ৰকৃতি আৰু প্ৰকৃতিৰ উৎপাদিত সামগ্ৰীৰ পৰিচালনাৰ বাবে আত্মাৰ আৱশ্যক।

৪) জগতৰ সকলো বস্তুৰে লক্ষণত সুখ, দুখ আৰু উদাসীনতা দেখা যায়। কিন্তু চেতন কৰ্তাৰ অভিজ্ঞতা স্বৰূপেহে সুখ আৰু দুখৰ অৰ্থ থাকে। গতিকে, এনে এক চেতন জীৱন আছে, যি সুখ বা দুখ ভোগ কৰে।

৫) এই জগতৰ কিছুমান মানুহে সকলো দুখ-কষ্টৰ পৰা মুক্ত হ'বলৈ আপ্ৰাণ চেষ্টা কৰে। জগতত থকালৈকে কোনো জীৱ এই দুখ কষ্টৰ পৰা মুক্ত হ'ব নোৱাৰে। কিয়নো, জগত দুখময়। সেয়ে, ভৌতিক জগতৰ অতীন্দ্ৰিয় অমূৰ্ত্ত সত্বা আমি স্বীকাৰ কৰিবই লাগিব। অন্যথা মুক্তিৰ ধাৰণা বা সাধুসকলৰ মুক্তিৰ প্ৰচেষ্টা অৰ্থহীন হৈ পৰে। অৱশ্যে এই প্ৰমাণ ৰহস্যমূলক আৰু প্ৰকৃতিগতভাৱে আধ্যাত্মিক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ঃ পুৰুষৰ যিকোনো এটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৮ঃ পুৰুষক কিয় "শুদ্ধ চেতনাৰ নীতি" ৰূপে ধৰা হয়।

.....

.....

প্ৰশ্ন ৯ঃ তলত বক্তব্যকেইটা সত্য নে অসত্য উল্লেখ কৰক।

(ক) সাংখ্য দৰ্শনে পুৰুষ আৰু প্ৰকৃতিৰ তাত্বিক দ্বৈতবাদক সমৰ্থন কৰিছে। (সত্য/অসত্য)

(খ) পুৰুষ পৰিবৰ্তনৰ চৰ্তযুক্ত আৰু সেয়ে, ই কাল আৰু দেশৰ অন্তৰ্গত। (সত্য/অসত্য)

৭.১১ পুৰুষৰ বহুত্ব

সাংখ্য দৰ্শনে পুৰুষৰ বহুত্ব এই মতবাদ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে আৰু সেয়ে পুৰুষৰ বহুত্ব নাইবা বহুপুৰুষবাদ মতবাদটো স্বীকাৰ কৰিছে। কিন্তু সাংখ্যৰ এই মত সন্দেহৰ উৰ্দ্ধত নহয়। আত্মাৰ অস্তিত্বৰ সমৰ্থনে সাংখ্য দৰ্শনক অদ্বৈত বেদান্ত দৰ্শনৰ পৰা আঁতৰাই আনিছে। অদ্বৈত বেদান্তৰ মতে, আত্মা বা পুৰুষ বহু হ'ব নোৱাৰে। ই ব্ৰহ্মৰ অদ্বৈততাক

স্বীকাৰ কৰে। প্ৰত্যেক জীৱই ব্ৰহ্মৰ আত্ম-প্ৰকাশ। সেয়েহে, সাৰ্বিক আত্মা এজনেই আৰু ই সকলো ইন্দ্ৰিয়গ্ৰাহ্য বস্তুতে বিদ্যমান। সাংখ্যৰ মতে, বিভিন্ন আত্মা বিভিন্ন দেহৰ সৈতে সংযুক্ত হৈ থাকে। সাংখ্য দৰ্শনৰ এই মতবাদক বহু-পুৰুষবাদ বুলি কোৱা হয়।

আত্মাৰ বহুত্ব স্বীকাৰ কৰি সাংখ্যকাৰসকলে তলৰ যুক্তিকেইটা উত্থাপন কৰিছে—

১) জন্ম আৰু মৃত্যুৰ মাজত প্ৰভেদ আছে। বিভিন্ন ব্যক্তিৰ সামৰ্থ বা ইন্দ্ৰিয় সংবেদন ইত্যাদিৰো পাৰ্থক্য আছে। এজন ব্যক্তিৰ জন্ম বা মৃত্যু হ'লে সকলো ব্যক্তিৰ জন্ম বা মৃত্যু নহয়। এজন অন্ধ বা বধীৰ হ'লে আনসকলো অন্ধ বা বধীৰ নহয়। গতিকে, আমি বহু আত্মাৰ অস্তিত্ব স্বীকাৰ যদি আত্মা এটাই থাকে, তেন্তে এজনে ক্ৰিয়া কৰিলে বাকী সকলোবোৰ সক্ৰিয় হ'ব। কিন্তু তেনে নহয়। এজনে শুই থকা অৱস্তাত আনসকলে কাম কৰি থাকে।

২) মানুহ দেৱতাসকলৰ পৰা পৃথক আৰু আনহাতে ইতৰ জন্তু আৰু পক্ষী আদিৰ পৰাও পৃথক। কিন্তু সকলোৰে একে আত্মা হোৱাহেঁতেন, এনে পাৰ্থক্য নাথাকিলেহেঁতেন। গতিকে আত্মা বহুত আছে— আত্মা নিত্য আৰু বুদ্ধিসম্পন্ন। প্ৰকৃতি এক আৰু নিত্য আৰু সকলো বস্তুৰে বুদ্ধিহীন আধাৰ।

যদিও বহুতো সমালোচকে মত প্ৰকাশ কৰে যে উপনিষদৰ একেশ্বৰবাদী স্বৰূপে বহুপুৰুষৰ ধাৰণাটোৰ বিৰোধীতা কৰে, তথাপি সাংখ্যদৰ্শনে এই মতবাদটো প্ৰতিষ্ঠা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছে। বহুপুৰুষ মতবাদটোৰ সমৰ্থকসকলৰ মতে, এই মতবাদটো শ্ৰুতি আৰু উপনিষদবোৰৰ বিৰোধী নহয়। তেওঁলোকৰ মতে, প্ৰকৃতিগতভাৱে বিভিন্ন আত্মাৰ একেটা শ্ৰেণীৰ অপৰিহাৰ্য বৈশিষ্ট্য আছে। দৰাচলতে আত্মা এক আৰু সদৃশ 'আত্মা'ৰ অন্তৰ্গত। জাতিৰ দৃষ্টিকোণৰ ফালৰ পৰা আত্মা এক। সাংখ্যৰ বহুপুৰুষবাদত আপোনালোকে মনত ৰাখিব লাগিব যে, শ্ৰুতিবোৰে নিৰ্দেশ কৰে যে জাতিৰ ক্ষেত্ৰত সকলো আত্মাই অ-পৃথক আৰু সেইকাৰণে, ই সমসতত্বাক নিৰ্দেশ নকৰে। সেয়ে, এই অৰ্থত, সাংখ্যই ভাৱে যে শ্ৰুতিসমূহে কেৱল এক আত্মাৰ অস্তিত্বকহে সমৰ্থন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১০ঃ সাংখ্যই পুৰুষৰ বহুত্ব সমৰ্থন কৰেনে?

.....

.....

প্ৰশ্ন ১১ঃ পুৰুষৰ বহুত্বক সমালোচনা কৰা আস্তিক দাৰ্শনিক সম্প্ৰদায়কেইটাৰ নাম উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন ১২ঃ সাংখ্য দৰ্শনত পুৰুষৰ বহুত্বক সমৰ্থনত যিকোনো এটা যুক্তি উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ১৩ঃ তলৰ বক্তব্যকেইটা সত্য নে অসত্য উল্লেখ কৰক ঃ

(ক) পুৰুষৰ দৰে জৈনসকলৰ জীৱৰ সগুণ অদ্বৈতবাদ আৰু পৰিমাণগত বহুত্ববাদৰ স্বৰূপ আছে। (সত্য/অসত্য)

(খ) মীমাংসাই বহু-পুৰুষবাদত বিশ্বাস নকৰে। (সত্য/অসত্য)

প্ৰশ্ন ১৪ঃ পুৰুষৰ স্বৰূপ বা প্ৰকৃতি ব্যাখ্যা কৰক।

.....

.....



৭.১২ অধিক জানিবলৈ

- সাংখ্য দৰ্শনত প্ৰকৃতিৰ ধাৰণাটো সাংখ্যৰ কাৰ্যকাৰণ মতবাদৰ পৰা আহিছে।
- প্ৰকৃতিক সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ড আৰু ইয়াৰ পাৰ্থিব সকলো বস্তুৰে মূল কাৰণ হিচাপে স্বীকাৰ কৰা হয়।
- 'প্ৰকৃতি' শব্দটোৱে নিৰ্দেশ কৰে "তাক, যাৰ পৰিবৰ্তন ঘটে।" প্ৰকৃতিক জগতৰ সম্ভাৱনীয়তা ৰূপে ধৰা হয়। ই 'সকলো উৎপাদনৰ আধাৰ আৰু পৰিচাৰিকা' হিচাপে প্ৰতিনিধিত্ব কৰে।
- সাংখ্যৰ মতে, সকলো জাগতিক বস্তুৰ ক্ৰমবিকাশ ঘটে কেৱল পুৰুষ আৰু প্ৰকৃতিৰ সংযোগৰ ফলত।
- প্ৰকৃতিয়ে সৃষ্টি কৰা জগতৰ ভোগ আৰু দৰ্শনৰ বাবে পুৰুষৰ প্ৰয়োজন হয় (দৰ্শনাৰ্থম্)। আনহাতে, পুৰুষে নিজকে জড়ৰ পৰা পৃথক বা মুক্ত হ'বলৈ প্ৰকৃতিৰ সাহায্য লয়। এই প্ৰক্ৰিয়াত প্ৰকৃতিয়ে পুৰুষক মুক্ত কৰে (কৈবল্যাৰ্থম্)।
- সাংখ্যই সমৰ্থন কৰে যে ক্ৰমবিকাশৰ প্ৰক্ৰিয়াটো যান্ত্ৰিক নহয়; ই সদায় উদ্দেশ্যমূলক।
- সাংখ্য সম্প্ৰদায়ে পুৰুষ আৰু প্ৰকৃতিৰ মাজত তাত্ত্বিক দ্বৈতবাদৰ সূচনা কৰে। ই পুৰুষ আৰু প্ৰকৃতিৰ মাজত এক স্পষ্ট দ্বৈতবাদ সমৰ্থন কৰে।
- বুদ্ধ আৰু সচেতন পুৰুষ আৰু অ-বুদ্ধ আৰু অচেতন প্ৰকৃতিৰ মাজৰ সম্বন্ধ ব্যাখ্যা

কৰিবলৈ সাংখ্যই খোৰা আৰু অন্ধ মানুহৰ সাদৃশ্যানুমানক ব্যৱহাৰ কৰিছে। অৱশ্যে, এই সাদৃশ্যানুমান অসত্য।

- সাংখ্যই পুৰুষ বা আত্মাৰ বহুত্ব আৰু প্ৰত্যেক আত্মাৰেই আধ্যাত্মিক একতা স্বীকাৰ কৰিছে। পুৰুষ প্ৰকৃতি আৰু তাৰ কাৰ্যবোৰৰ পৰা সম্পূৰ্ণ পৃথক।
- সাংখ্যৰ মতে পুৰুষ অনিবাৰ্যভাৱে সচেতন।
- অতীন্দ্ৰিয় জ্ঞান, অৰ্থাৎ চিৎৰ দ্বাৰা পুৰুষৰ সাৰ অংশ গঠিত হয়।
- পুৰুষ হৈছে অতীন্দ্ৰিয় আত্মা আৰু ইয়াক অ-জাগতিক জ্ঞানৰ দ্বাৰা বৈশিষ্ট্য আৰোপ কৰা হয়।
- পুৰুষ দুখ আৰু সুখ, ইচ্ছা আৰু আসক্তি আৰু গুণ আৰু দোষ ৰহিত।
- পুৰুষ নিত্য, শুদ। পুৰুষ পাপো নহয় নাইবা পূন্যও নহয়। ইয়াৰ কোনো নৈতিক গুণো নাই। পুৰুষ গুণ-ৰহিত। ধৰ্ম আৰু অধৰ্ম পুৰুষৰ পৰ্যায় নহয়। সিহঁত বুদ্ধিৰ পৰ্যায় আৰু ই প্ৰকৃতিৰ উৎপাদনসমূহ এটা।
- পুৰুষ বন্ধ কেৱল প্ৰপঞ্চমূলক। অ-পৃথকীকৰণৰ হেতু পুৰুষে নিজকে প্ৰকৃতি আৰু ইয়াৰ উৎপাদন যেনে ঃ মন, বুদ্ধি আৰু অহংকাৰৰ সৈতে ভুলকৈ একে বুলি ধাৰণা কৰে। পুৰুষে কেতিয়াও নিজকে বুদ্ধিলৈ পৰিবৰ্তন নকৰে কিন্তু বুদ্ধি নাইবা অহংকাৰত ইয়াৰ প্ৰতিবিম্ব পৰে, যিয়ে অৱশেষত পুৰুষ আৰু প্ৰকৃতিৰ মাজত সামঞ্জস্যৰ এক ভুল অৰ্থলৈ লৈ যায়। গতিকে, ভুলবশতহে, পুৰুষ আৰু প্ৰকৃতিক একে বুলি ধাৰণা হয়।



৭.১৩ অধিক জানিবলৈ

1. Sharma, Chandradhar, (1997). A Critical Survey of Indian Philosophy, Delhi. Motilal Banarasidass Publishers.
2. Hiriyana. M. (1993). Outlines of Indian Philosophy Delhi. Motilal Banarasidass Publishers.
3. Chatterje, Satischandra & Dutta. Dhirendra Mohan, (1964). An Introduc-

tion to Indian Philosophy. Calcutta University Press.

4. Sinha. J. Indian Philosophy, Motilal Banarasidass Publishers. Delhi.



৭.১৪ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যক্ষ, অনুমান, স্মৃতি আৰু প্ৰজ্ঞা সাংখ্যৰ মতে, চক্ৰক দোষৰ পৰা হাত সাৰিবলৈ প্ৰকৃতিক অ-কাৰণ কাৰণ ৰূপে গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। জগতখন কোনো আধিভৌতিক শক্তিৰ দ্বাৰা সৃষ্টি হোৱা নাই। জগতখন এক অ-কাৰণ কাৰণ অৰ্থাৎ প্ৰকৃতিৰ পৰাই ক্ৰমবিকশিত হৈছে। ইয়াক প্ৰকৃতিৰ সম্ভাৱনীয়তাৰ ৰূপত ধৰা হয়। ই "সকলো উৎপাদনৰ আধাৰ আৰু পৰিচাৰিকা" হিচাপে প্ৰতিনিধিত্ব কৰে। সেয়ে, প্ৰকৃতিক উপাদান কাৰণৰ অ-কাৰণ আৰু মূল কাৰণ বোলা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'প্ৰকৃতি' শব্দৰ অৰ্থই তাক বুজায় 'যি পৰিবৰ্তন হয়'। ই "সকলো উৎপাদনৰ আধাৰ আৰু পৰিচাৰিকা" হিচাপে প্ৰতিনিধিত্ব কৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সত্য, (খ) অসত্য

৪নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্য দৰ্শনত প্ৰকৃতি হৈছে তিনিটা গুণৰ সমন্বয়। এই তিনিটা গুণ সাম্যাৱস্থাত থাকে (গুণম্ সাম্যাৱস্থা)। এই তিনি গুণ, অৰ্থাৎ সত্ব, ৰজ আৰু তমক প্ৰকৃতিৰ সাংগঠনিক উপাদান হিচাপে ধৰা হয়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যই পোষণ কৰে যে পৰিবৰ্তন দুই প্ৰকাৰৰ— (১) সমজাতীয় বা স্বৰূপ পৰিণাম আৰু (২) বিজাতীয় বা বিৰূপ পৰিণাম।

৬নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অস্তিত্বশীল বা বাস্তৱ, (খ) এন্ধাৰ

৭নং প্ৰশ্নৰ উত্তৰ ঃ পুৰুষ হৈছে শুদ্ধ আত্মা। ই শুদ্ধ চেতনা। পুৰুষ আত্মা। ই কৰ্তা, ভোক্তা আৰু জ্ঞাতা ই সৰল আৰু সেয়ে অ-গণনামূলক।

৮নং প্ৰশ্নৰ উত্তৰ ঃ পুৰুষক "শুদ্ধ চেতনাৰ নীতি" বুলি ধৰা হয়, কাৰণ পুৰুষ সৰল, স্ব-প্ৰকাশিত আৰু স্ব-প্ৰমাণিত। পুৰুষ নিত্য, বুদ্ধ, শুদ্ধ আৰু মুক্ত। চেতনা পুৰুষৰ সাৰ। সেয়ে, পুৰুষ সকলো জ্ঞানৰ স্বীকাৰ্য।

৯নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সত্য, (খ) অসত্য

১০নং প্ৰশ্নৰ উত্তৰ ঃ হয়, সাংখ্যই পুৰুষৰ বহুত্ব সমৰ্থন কৰিছে। জৈনসকলৰ 'জীৱ'ৰ দৰে সাংখ্যইও সগুণ অদ্বৈতবাদ আৰু পৰিমাণমূলক বহুত্ববাদৰ স্বৰূপক স্বীকাৰ কৰিছে। পুৰুষৰ স্বৰূপৰ সন্দৰ্ভত, তেওঁলোকৰ মাজত সাদৃশ্য আছে। কেৱল সংখ্যাৰ ক্ষেত্ৰতহে দুয়োৰে মাজত পাৰ্থক্য আছে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ অদ্বৈতবাদৰ সমৰ্থক হোৱাৰ বাবে অদ্বৈত বেদান্ত দৰ্শনে সাংখ্যৰ

বহুপুৰুষবাদক সমালোচনা কৰিছে। বেদান্ত দৰ্শনত পৰম সত্ত্বাক শুদ্ধ অস্তিত্ব, শুদ্ধ জ্ঞান আৰু শুদ্ধ কৃপা— এজনতেই সকলো হিচাপে গ্ৰহণ কৰা হয়। তত্ তম্ অসি (That thou art) হৈছে উপনিষদৰ তত্ব কথা। 'মই ব্ৰহ্ম', 'আত্মাই ব্ৰহ্ম', 'মমেই সেই'। এইদৰেই, এই পৰিপ্ৰেক্ষিতত 'আত্মাৰ বহুত্ব' ধাৰণাটো এক অসম্ভৱ কথা।

১২নং প্ৰশ্নৰ উত্তৰ ঃ এই কথা সদায় দেখা পোৱা যায় যে বিভিন্ন মানুহৰ ক্ষেত্ৰত জন্ম আৰু মৃত্যু বেলেগ হয়। আনকি বিভিন্ন মানুহৰ ইন্দ্ৰিয়জ সংবেদনো ভিন্ন হয়। প্ৰশ্নটো হয় এই যে যদি আত্মা (পুৰুষ) কেৱল এটাই হয়, তেন্তে এজন ব্যক্তিৰ জন্ম হ'লে সকলো মানুহৰ জন্ম হ'ব আৰু এজন ব্যক্তিৰ মৃত্যু হ'লে, সকলো ব্যক্তিৰেই মৃত্যু ঘটিব। তাৰোপৰি, এজন মানুহৰ সুখ, দুখ আৰু প্ৰতাৰণা আদিও সকলো ব্যক্তিৰ ক্ষেত্ৰত একে হ'ব। কিন্তু, বাস্তৱত আমি দেখা পাওঁ যে এইবোৰ বিশেষ অভিজ্ঞতা সকলো মানুহৰ বাবে একে নহয়। সেয়েহে, আত্মাৰ বহুত্ব আছে। বিভিন্ন দেহত বিভিন্ন আত্মা বিৰাজমান।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সত্য, (খ) অসত্য



৭.১৫ আৰ্হি প্ৰশ্ন

(ক) <u>বস্তুধৰ্মী প্ৰশ্ন</u>

প্ৰশ্ন ১ ঃ পুৰুষৰ বহুত্বৰ বাবে পাঁচটা প্ৰমাণ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ সাংখ্য দৰ্শনত 'প্ৰধান'ক কি বুলি জনা যায়?

প্ৰশ্ন ৩ ঃ প্ৰকৃতিক কিয় জড় আখ্যা দিয়া হয়?

প্ৰশ্ন ৪ ঃ প্ৰকৃতিৰ তিনিটা গুণ কি কি?

প্ৰশ্ন ৫ ঃ 'সত্ব'ৰ আক্ষৰিক অৰ্থ কি?

প্ৰশ্ন ৬ ঃ 'ৰজ'ৰ আক্ষৰিক অৰ্থ কি?

প্ৰশ্ন ৭ ঃ 'তম'ৰ আক্ষৰিক অৰ্থ কি?

প্ৰশ্ন ৮ ঃ প্ৰকৃতিৰ ২য় উৎপাদনটো কি?

প্ৰশ্ন ৯ ঃ পৰিণামবাদ কি?

প্ৰশ্ন ১০ ঃ পৰিণামবাদৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ১১ ঃ বিবৰ্তবাদ কি?

প্ৰশ্ন ১২ ঃ বিবৰ্তবাদৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ১৩ ঃ পুৰুষৰ যিকোনো এটা বৈশিষ্ট্য লিখক।

প্ৰশ্ন ১৪ ঃ পুৰুষ কি?

প্ৰশ্ন ১৫ ঃ সাংখ্যদৰ্শন অনুসৰি মোক্ষ কি?

(খ) চমু প্ৰশ্ন (প্ৰায় ১০০—১৫০ মান শব্দৰ ভিতৰত উত্তৰ কৰিব)

প্ৰশ্ন ১ ঃ প্ৰকৃতিক কিয় সকলো পাৰ্থিব বস্তুৰে চৰম কাৰণ ৰূপে জনা যায়? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্ৰকৃতিৰ তিনিটা গুণ কি কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ প্ৰকৃতিৰ বিভিন্ন উৎপাদনবোৰ চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ ক্ৰমবিকাশৰ পদ্ধতি কিয় যান্ত্ৰিক নহয়? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ সাংখ্যৰ বহুপুৰুষ মতবাদটো চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০—৫০০ মান শব্দৰ ভিতৰত উত্তৰ কৰিব)

প্ৰশ্ন ১ ঃ সাংখ্য দৰ্শনত প্ৰকৃতিৰ স্বৰূপ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সাংখ্যৰ ক্ৰমবিকাশবাদ মতবাদটো আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ পুৰুষ স্বৰূপ ব্যাখ্যা কৰক। সাংখ্যদৰ্শনে কিদৰে পুৰুষৰ অস্তিত্ব প্ৰমাণ কৰিছে?

প্ৰশ্ন ৪ ঃ সাংখ্যদৰ্শনে পুৰুষৰ বহুত্ব স্বীকাৰ কৰিছেনে? পুৰুষৰ বহুত্বৰ সমৰ্থনত থকা যুক্তিবোৰ উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ সাংখ্যদৰ্শনে পুৰুষ আৰু প্ৰকৃতিৰ সম্বন্ধক কেনেদৰে ব্যাখ্যা কৰিছে?

প্ৰশ্ন ৬ ঃ প্ৰকৃতিৰ গুণ তিনিটা ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ জগতৰ ক্ৰমবিকাশ বা সৃষ্টিৰ বাবে কেনেকৈ পুৰুষ আৰু প্ৰকৃতিৰ মাজত সংযোগ ঘটে? ব্যাখ্যা কৰক।

****

অধ্যায় ৮ ঃ যোগ দর্শন ঃ যোগৰ ধাৰণা আৰু অষ্টাংঙ্গিক মার্গ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৯৩ যোগ সম্পর্কে থকা ধাৰণা

৮.৩.১. চিত্ত আৰু চিত্তবৃত্তি

৮.৩.২. পঞ্চক্লেশ

৮.৪ যোগ নৈতিকতা

৮.৪.১. চিত্তভূমি

৮.৪.২. সমাধি

৮.৫ যোগাংগ বা অষ্টাংঙ্গিক মার্গ

৮.৬ যোগত ঈশ্বৰৰ স্থান

৮.৭ জীৱৰ মুক্তি অৱস্থা

৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৯ অধিক জানিবলৈ

৮.১০ অগ্রগতিৰ খতিয়ান

৮.১১ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়ন কৰি আপুনি —

- সাংখ্য আৰু যোগৰ মাজত থকা সম্বন্ধ আৰু পার্থক্যসমূহ আলোচনা কৰিব পাৰিব,
- যোগ মনস্তত্ত্ব বিশ্লেষণ কৰিব পাৰিব,
- চিত্ত আৰু চিত্তবৃত্তিৰ বর্ণনা কৰিব পাৰিব,
- পঞ্চক্লেশৰ বিষয়ে জানিব পাৰিব,
- চিত্তভূমি নিৰূপণ কৰিব পাৰিব,
- সম্প্রজ্ঞাতা সমাধি আৰু অসম্প্রজ্ঞাতা সমাধিৰ পার্থক্য উলিয়াব পাৰিব,
- যোগাংগৰ মূল্য নির্ণয় কৰিব পাৰিব,
- যোগ দর্শনত উল্লিখিত ঈশ্বৰৰ অস্তিত্বৰ বিশ্লেষণ আগবঢ়াব পাৰিব,
- যোগৰ উদ্দেশ্য মুক্ত অৱস্থা বা কৈৱল্য অৱস্থাৰ ব্যাখ্যা কৰিব পাৰ্ব্বি।

৮.২ পৰিচয়

মহর্ষি পতঞ্জলি যোগ দর্শনৰ প্রতিষ্ঠাতা আছিল। সেয়ে এই দর্শনক পতঞ্জলি দর্শন বুলিও জনা যায়। পতঞ্জলিৰ "যোগ-সূত্র" খনেই এই দর্শনৰ প্রথম পুথি। ইয়াৰ চাৰিটা পাদ বা অংশ আছে। প্রথম ভাগ বা অংশত সমাধিৰ স্বৰূপ আৰু লক্ষ্যৰ বিষয়ে আলোচনা কৰা হৈছে (এইটো হ'ল সমাধিত গভীৰ মনোনিবেশ), দ্বিতীয় পাদত, এই লক্ষ্যত উপনীত হোৱাৰ উপায়সমূহৰ ব্যাখ্যা কৰা হৈছে (এইটোক সাধন পাদ বুলি জনা যায়), তৃতীয় পাদত যোগ সাধনাৰ উপায়েৰে লাভ কৰা অলৌকিক শক্তিৰ বিষয়ে আলোচনা কৰা হৈছে (ইয়াক বিভূতি পাদ বুলি জনা যায়) আৰু চতুর্থ পাদত মোক্ষৰ বিষয়ে আলোচনা কৰা হৈছে (এইটো হ'ল কৈৱল্য পাদ)। যোগ-সূত্রৰ ওপৰত দিয়া ব্যাসৰ ভাষ্য এই দর্শনৰ বিশেষ উল্লেখযোগ্য বিষয়।

'যোগ' শব্দটোৰ নানা প্রকাৰৰ অর্থ পোৱা যায়। 'যুঁজ' ধাতুৰ পৰা যোগ শব্দটো আহিছে। যোগ ধাতুৰ অর্থ সংযোগ কৰা। গতিকে ইয়াৰ অর্থ বিভিন্ন হ'ব পাৰে — (ক) আত্মা-পৰমাত্মাৰ সংযোগো হ'ব পাৰে, (খ) চিত্তৰ একাগ্রতা বিধানো হ'ব পাৰে, (গ) চিত্তবৃত্তি নিৰোধ কৰাও হ'ব পাৰে। পতঞ্জলিৰ দর্শনত 'যোগ' শব্দৰ অর্থ সম্পূর্ণভাবে চিত্তৰ বৃত্তি নিৰোধ কৰা (বা নিবৃত্তি) কৰাক বুজাইছে। পতঞ্জলি (যি যোগ দর্শনৰ প্রতিষ্ঠাতা) আৰু কপিল (যি সাংখ্য দর্শনৰ প্রতিষ্ঠাতা) উভয়ে পুৰুষ (চেতন) আৰু প্রকৃতিৰ (অচেতন বা জড়) মাজত থকা পার্থক্য নির্ণয় কৰাতে সন্তুষ্ট আছিল। কিন্তু আত্মা বা পুৰুষ প্রকৃতিৰ পৰা পৃথক হৈ কেনে অৱস্থাত থাকে সেই বিষয়লৈ তেওঁলোকে একো কোৱা নাই। ইয়াত 'যোগ' মানে আত্মা আৰু ঈশ্বৰৰ সংযোগ বুলি কোৱা নাই। পতঞ্জলিৰ যোগ-সূত্রত এইটো পৰিস্কাৰকৈ কোৱা হৈছে যে 'যোগ' মানে সম্পূর্ণভাৱে চিত্তবৃত্তি নিৰোধ কৰা। চিত্তবৃত্তিক নিৰোধ কৰিবৰ বাবে মনৰ একাগ্রতাৰ বিশেষ প্রয়োজন আৰু মনৰ এই একাগ্রতা অৱস্থাকে যোগ বুলি কোৱা হয়। যি কি নহওক যোগ দর্শনত 'যোগ' শব্দক পুৰুষ বা আত্মা আৰু প্রকৃতিৰ মাজত থকা পার্থক্য বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। তাত্ত্বিক আলোচনাৰ ক্ষেত্রত যোগ আৰু সাংখ্য পদ্ধতিৰ মাজত সামান্য পার্থক্যহে লক্ষ্য কৰা যায়। দুয়োটা পদ্ধতিৰ লক্ষ্য হৈছে — পুৰুষ আৰু প্রকৃতিৰ মাজত থকা বিভেদ জ্ঞানত উপনীত হোৱা। ইয়াক বিবেক খ্যাতি বুলি জনা যায়। কিন্তু সাংখ্যত কি উপায়েৰেনো এই আত্মা আৰু অনাত্মাৰ ভেদ জ্ঞানত উপনীত হ'ব পৰা যায়, তাৰ কোনো উল্লেখ নাই। আনহাতে যোগত ইয়াক পোৱাৰ উপায়সমূহৰ উল্লেখ আছে। এইটোৱেই হ'ল এই পদ্ধতি দুটাৰ মাজৰ প্রধান পার্থক্য। আকৌ সাংখ্যই ঈশ্বৰৰ অস্তিত্বক মানি লোৱা নাই। সেয়ে ইয়াক নিৰীশ্বৰবাদী পদ্ধতি বুলি জনা যায় আৰু যোগক ঈশ্বৰবাদী পদ্ধতি বুলি কোৱা হয়, কাৰণ ইয়াত ঈশ্বৰৰ অস্তিত্বক মানি লোৱা হৈছে। কিন্তু তেওঁলোকৰ প্রধান মতসমূহ একে। দুয়োটা পদ্ধতিয়ে পুৰুষ আৰু প্রকৃতিৰ দ্বৈততা মানি লৈছে। প্রকৃতি এক আৰু অচেতন আৰু পুৰুষ বহুসংখ্যক আৰু চেতনময়। সাংখ্যই পঁচিছটা তত্ত্বক মানি লৈছে। যোগে ইয়াত আৰু এটা তত্ত্ব অন্তর্ভুক্ত কৰে। সেই তত্ত্ব হ'ল ঈশ্বৰ। কিন্তু যোগৰ মতে ঈশ্বৰ হৈছে এক বিশেষ প্রকাৰৰ আত্মা বা পুৰুষ যি সদা মুক্ত আৰু সর্বজ্ঞ।

এই পৃথিৱীত সকলোতে দুখ নিহিত হৈ আছে। প্রকৃতিৰ পৰা উদ্ভৱ হোৱা বুদ্ধি বা চিত্তই এই দুখৰ উৎপত্তি স্থল। চিত্ত হৈছে প্রকৃতিৰ প্রথম অভিব্যক্তি। সেয়ে যি বস্তু চিত্তৰ সান্নিধ্যত আহে তাৰে আকাৰ চিত্তই ধাৰণ কৰে। এই চিত্ত অনবৰত পৰিবর্তিত হৈ থাকে। মনৰ এই পৰিবর্তনসমূহেই হ'ল জ্ঞান। দুখটোও হ'ল চিত্তৰ এক আকৃতি। সেয়ে দুখৰ অৱসান ঘটাবলৈ হ'লে চিত্তৰ পৰিবর্তনসমূহকো নাইকিয়া কৰিব লাগিব। এই কাৰণেই সম্পূর্ণ চিত্তবৃত্তি নিৰোধেই হ'ল যোগৰ সংজ্ঞা।

জানি থোৱা ভাল



কিছুমান চিন্তাবিদৰ মতে পতঞ্জলি খ্রীঃ পূঃ ২ শতিকাৰ আছিল আৰু আন কিছুমানৰ মতে তেওঁ খ্রীষ্টাব্দ ৪০০ শতিকাৰ আছিল। আত্মা প্রকৃতিগতভাবে শুদ্ধ চৈতন্যময়। ই মন বা চিত্তৰ সীমিত অৱস্থাৰ পৰা মুক্ত, কিন্তু ভূলবশতঃ ই নিজকে চিত্ত বুলি ভূল কৰে।

৮.৩ যোগ সম্পর্কে থকা ধাৰণা

সাংখ্য দর্শনৰ মতে শৰীৰযুক্ত মুক্ত আত্মাই হ'ল জীৱাত্মা (জীৱ)। জ্ঞানেন্দ্রিয়, মন, অহংকাৰ আৰু বুদ্ধিৰ দ্বাৰা গঠিত সুক্ষ্ম শৰীৰৰ লগত এই জীৱাত্মা বিশেষভাৱে সম্বন্ধিত। স্বৰূপতে আত্মা শুদ্ধ চৈতন্যময়। ই মন বা চিত্তৰ সীমিত অৱস্থাৰ পৰা মুক্ত। কিন্তু অবিদ্যাবশতঃ ই নিজকে চিত্ত বুলি ভুল কৰে। চিত্ত হৈছে প্রকৃতিৰ প্রথম অভিব্যক্তি য'ত সত্ব গুণে ৰজ আৰু তম গুণৰ ওপৰত প্রাধান্য বিস্তাৰ কৰে। সেয়ে ই স্বচ্ছ। কিন্তু যিহেতুকে ই অচেতন প্রকৃতিৰ পৰা আবির্ভাৱ হৈছে, সেয়ে চিত্তও অচেতন। কিন্তু যদিও ই অচেতন, পুৰুষৰ সান্নিধ্যত থকা বাবে পুৰুষৰ চৈতন্য প্রভা, স্বচ্ছ বুদ্ধিৰ ওপৰত পৰে আৰু ই চেতন যেন ধাৰণা হয়। যেতিয়া চিত্ত কোনো বিষয়বস্তুৰ লগত জ্ঞানেন্দ্রিয়ৰ মাধ্যমেদি সম্বন্ধিত হয়, তেতিয়া ই সেই বিষয়বস্তুৰ আকাৰ ধাৰণ কৰে। এই চিত্তৰ পৰিবর্তনকে বৃত্তি বুলি কোৱা হয়। চিত্তই ধাৰণ কৰা এই পৰিবর্তনীয় আকাৰ সমূহৰ মাধ্যমেদিয়েই পুৰুষে পৃথিবীৰ বিষয়বস্তুৰ জ্ঞান অর্জন কৰে। এই ক্ষেত্রত পুৰুষৰ কোনো পৰিবর্তন বা পৰিণাম নহয়। তথাপি ই যিহেতু চিত্তৰ বিভিন্ন পৰিবর্তিত অৱস্থাত প্রতিফলিত হয়। সেইবাবে ইয়াৰ পৰিবর্তন আছে যেন লাগে। পুখুৰীৰ পানীত প্রতিফলিত হোৱা চন্দ্রটো যেনেকৈ পুখুৰীৰ পানী লৰাৰ লগে লগে লৰে, সেইদৰে চিত্তত প্রতিফলিত হোৱা পুৰুষো চিত্ত চঞ্চল হোৱাৰ লগে লগে আলোড়িত হয়। চন্দ্রৰ যেনেকৈ নিজৰ কোনো পৰিবর্তন নহয়, সেইদৰে পুৰুষৰো নহয়।

৮.৩.১ চিত্ত আৰু চিত্তবৃত্তি

চিত্তত পৰিণাম বা বৃত্তি পাঁচ প্রকাৰেৰে ঘটে। যদিও চিত্তৰ পৰিণাম অর্থাৎ

পৰিবর্তনীয় মানসিক অৱস্থা বহুতো, এই সকলোকে কেৱল পাঁচটা শ্রেণীত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল প্রমাণ বা জ্ঞান, বিকল্প বা শাব্দিক জ্ঞান, বিপর্যয়, টোপনি বা নিদ্রা, স্মৃতি বা স্মৰণ। শুদ্ধ জ্ঞান তিনি প্রকাৰৰ। যেনে - প্রত্যক্ষ, অনুমান আৰু শব্দ। এই কেইটাই হ'ল শুদ্ধ জ্ঞানৰ উৎপত্তিৰ স্থল। শুদ্ধ জ্ঞানৰ অর্থ হ'ল - (ক) বস্তুবোৰ প্রকৃতিত যেনে আছে তেনে ভাবেই জ্ঞান হোৱা, (খ) বিকল্প হ'ল এক শাব্দিক ধাৰণা। বিকল্পৰ আচল অর্থ হ'ল শব্দজনিত বৃত্তি। এই জ্ঞানৰ বস্তু স্থিতিৰ লগত কোনো সম্বন্ধ নাই। আকাশ কুসুম, ৰাহুৰ মুৰ আদিবোৰ হৈছে বিষয় বস্তুহীন কিছুমান ধাৰণা আৰু এই কাল্পনিক শব্দবোৰো চিত্তৰ সংস্পর্শত আহি চিত্তক আলোড়িত কৰে। (গ) বিপর্যয় হৈছে এটা বস্তুৰ জ্ঞান, যিটো প্রকৃততে সেইটো নহয়। ইয়াৰ ভিতৰত সন্দেহ আৰু অযথার্থ জ্ঞানো সোমাই পৰে। ইয়াক অবিদ্যা বা মিথ্যা জ্ঞান বুলিও জনা যায়। (ঘ) নিদ্রা আন এক প্রকাৰৰ চিত্তৰ বৃত্তি। চিত্তত যেতিয়া তম গুণৰ প্রভাৱ বেছি হয়, তেতিয়া ইয়াত নিদ্রাই দেখা দিয়ে। এই অৱস্থাত জাগ্রত চেতনাৰ বিলুপ্তি ঘটে। এইটো হ'ল গভীৰ স্বপ্নহীন সুষুপ্তি অৱস্থা, স্বপ্নহীন গভীৰ নিদ্রাত চিত্ত বৃত্তি লোপ নাপায়। কাৰণ গভীৰ নিদ্রাৰ পৰা উঠি আমি কওঁ "খুব ভাল টোপনি আহিছিল" আৰু "একো গমেই পোৱা নাছিলো"। (ঙ) অতীত অভিজ্ঞতাৰ পুনৰাবৃত্তিয়েই হ'ল স্মৃতি।

জানি থোৱা ভাল



চিত্তৰ পৰিবর্তনীয় মানসিক অৱস্থাকেইটাক পাঁচটা ভাগত ভগাব পাৰিঃ প্রমাণ বা হ্রাস, বিকল্প বা শাব্দিক জ্ঞান, বিপর্যয়, টোপনি বা নিদ্রা, স্মৃতি বা স্মৰণ

যোগদর্শনত চিত্ত শব্দটোৱে মন, অহংকাৰ আৰু বুদ্ধিক অন্তর্ভূক্ত কৰে, আৰু পতঞ্জলীয়ে এইকেইটা শব্দৰ ক্ষেত্রত চিত্ত শব্দটো ব্যৱহাৰ কৰে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন ১ ঃ বিভেদ জ্ঞান বুলিলে কি বুজা যায়। (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং২ঃ শুদ্ধ নে অশুদ্ধ লিখক -

(ক) পুৰুষ অচেতন আৰু প্রকৃতি চেতন। (শুদ্ধ/অশুদ্ধ)

(খ) 'যোগ' মানে চিত্তবৃত্তি নিৰোধ। (শুদ্ধ/অশুদ্ধ)

(গ) আত্মা বা পুৰুষৰ স্বৰূপতে চৈতন্যময়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং৩ঃ যোগ দর্শন মতে, জ্ঞান তিনি প্রকাৰৰ কি কি?

.....

.....

.....

৮.৩.২ পঞ্চক্লেশ

যেতিয়া চিত্ত যি কোনো বৃত্তিলৈ পৰিবর্তিত হয়, তেতিয়া চৈতন্যস্বৰূপ আত্মাৰ প্রতিবিম্ব চিত্তৰ সেই বৃত্তিৰ ওপৰত পৰে আৰু আত্মাই সেইসমূহ নিজৰ বৃত্তি বুলি ধাৰণা কৰে আৰু যথাক্রমে পৰিবর্তিত বৃত্তিসমূহৰ দৰে আত্মাকো পৰিবর্তনশীল যেন বোধ হয়। আত্মাই তেতিয়া নিজকে জন্ম-মৃত্যু কৰলত বুলি ভাবে। নিদ্রা, জাগ্রত, স্মৃতি, ভ্রান্ত আৰু ভ্রান্তিৰ পৰা জ্ঞান পোৱা ইত্যাদি অৱস্থাবোৰ আত্মাৰ নিজৰ বুলি বিশ্বাস কৰে। কিন্তু প্রকৃততে আত্মা বা পুৰুষ এই মানসিক অৱস্থা আৰু পদ্ধতিৰ উর্দ্ধত। এই সমূহ কেৱল চিত্তৰ লগতহে জড়িত। চিত্তৰ ওপৰত আত্মাৰ প্রতিবিম্ব পৰাৰ বাবে আত্মা বা পুৰুষে ভুলতে চিত্তৰ এই অৱস্থা আৰু বৃত্তি সমূহক নিজৰ বুলি ভাবে আৰু পাঁচ প্রকাৰৰ ক্লেশ ভোগ কৰে। সেইকেইটা হ'ল - (ক) অবিদ্যা বা ভ্রান্ত জ্ঞান — অবিদ্যা হৈছে মিথ্যা জ্ঞান, অনিত্যক নিত্য, অনাত্মাক আত্মা, নিৰানন্দক আনন্দ আৰু অসত্যক সত্য বুলি ভবাৰ লগত এই জ্ঞান জড়িত। (খ) অস্মিত — বুদ্ধি বা মনক আত্মা বুলি ভ্রান্তভাবে ভবাই হ'ল অস্মিত। (গ) ৰাগ বা কামনা — ৰাগ বা কামনা হৈছে অতীতত আনন্দ পোৱা এটা বস্তু মনত পেলাই কৰা তৃষ্ণা। (ঘ) দ্বেষ বা বিতৃষ্ণা — দ্বেষ বা বিতৃষ্ণা হৈছে বস্তু এটাৰ প্রতি থকা ঘৃণা, যিটোৱে অতীতত দুখ দিয়া বুলি মনত পেলোৱা হয়। (ঙ) অভিনিবেশ — মৃত্যুৰ প্রতি থকা ভয়েই হ'ল অভিনিবেশ।

চিত্তবৃত্তি নিৰোধ কৰি দুখ ক্লেশসমূহ নাইকিয়া কৰিব পাৰি আৰু মুক্তি পোৱা যায়। যেতিয়ালৈকে চিত্তত বৃত্তি থাকে আত্মাই তাত বিকিৰণ কৰে আৰু নিজক চিত্তবৃত্তিসমূহৰ লগত অভিন্ন বুলি ভাবে। এই কাৰণেই আত্মাই সুখ, দুখ, আকর্ষণ, বিকর্ষণ আদি সমূহ অনুভব কৰে আৰু এইটোৱেই হ'ল আত্মাৰ বন্ধনৰ অৱস্থা। সেয়ে আত্মা মুক্তিপ্রাপ্ত হ'বলৈ হ'লে চিত্তৰ বৃত্তিসমূহক নিৰোধ কৰিবই লাগিব। মুঠতে মুক্ত অৱস্থা মানে আত্মা আৰু চিত্তৰ মাজৰ সম্বন্ধক বিচ্ছিন্ন কৰা। যেতিয়া চিত্তৰ বৃত্তিসমূহক নিৰোধ কৰিব পৰা যায়, তেতিয়াই ই তাৰ স্বৰূপ বুদ্ধিত অৱস্থিত হৈ নিজ স্বৰূপ উপলব্ধি কৰিব পাৰে। সেয়ে ইয়াত কোৱা হয় যে চিত্ত বিকাৰ শূন্য হ'লে আত্মাই

ইচ্ছাহীন, উদ্দেশ্যহীন আৰু ব্যক্তিহীন হৈ নিজ সত্তাত অধিষ্ঠিত থাকে। এই অৱস্থাকে আত্মাৰ কৈৱল্য বা সম্পূর্ণ মুক্ত অৱস্থা বুলি জনা যায়। সেয়ে যোগৰ উদ্দেশ্যই হৈছে এই মানসিক পৰিবর্তনসমূহৰ অৱসান ঘটোৱা বা চিত্তবৃত্তি নিৰোধ কৰা।

৮.৪ যোগ নৈতিকতা

যোগৰ অর্থ হ'ল মনৰ কার্য আৰু আকাৰ সমূহক নাইকিয়া কৰা, যাক "চিত্তবৃত্তি নিৰোধ" বুলি জনা যায়। ইয়াক ব্যক্তি আত্মাৰ লগত ঈশ্বৰ বা কোনো পৰম সত্ত্বাৰ লগত যোগাযোগত অহাক নুবুজায়। সেয়ে আত্মাক মানসিক পদ্ধতি বা মনৰ পৰিবর্তনীয় আকাৰসমূহৰ লগত একে বুলি ভবাৰ পৰা ৰক্ষা কৰাই হ'ল যোগৰ উদ্দেশ্য।

৮.৪.১ চিত্তভূমি

চিত্ত সাধাৰণতেই পাঁচটা বিভিন্ন অৱস্থাত থাকিব পাৰে। এই মানসিক অৱস্থাবোৰক চিত্তভূমি বুলি জনা যায়। চিত্ত সত্ত্ব, ৰজ আৰু তম এই তিনিটা উপাদানেৰে গঠিত। চিত্তভূমিসমূহৰ লক্ষণ নির্ণয় কৰিব পাৰি এই গুণ তিনিটাৰ পাৰস্পৰিক প্রাধান্য আৰু কার্যকলাপৰ দ্বাৰা। এই অৱস্থাবোৰ হ'ল ক্ষিপ্ত বা চঞ্চল, মূঢ় বা অসাৰ, বিক্ষিপ্ত বা উদ্‌ভ্রান্ত, একাগ্র বা গভীৰ মনোযোগ আৰু নিৰুদ্ধ বা সংযম। প্রথম অৱস্থাত যাক ক্ষিপ্ত বা চঞ্চল বুলি জনা যায়, সেই মন ৰজ আৰু তমৰ বশবর্তী। সেয়ে এনে অৱস্থাত মন, এটা অৱস্থাতে শান্ত হৈ নাথাকি ইটো বস্তুৰ পৰা সিটো বস্তুলৈ আকর্ষিত হয়। এই কাৰণেই মন চঞ্চল হৈ বস্তুৰ প্রকৃত স্বৰূপ জানিব নোৱাৰে। এই অৱস্থা যোগৰ সহায়ক নহয়। কাৰণ এই অৱস্থাত মন আৰু ইন্দ্রিয়সমূহৰ ওপৰত কোনো নিয়ন্ত্রণ নাথাকে। মনৰ দ্বিতীয় অৱস্থাক মূঢ় বা অসাৰ অৱস্থা বোলে। এই অৱস্থাত চিত্তৰ ওপৰত তম গুণৰ প্রাধান্য বেছি হোৱা বাবে মন সদায় পাপ, অজ্ঞতা আৰু নিদ্রালু আদি অৱস্থাপ্রাপ্ত হৈ থাকে। এই অন্ধ বা অসাৰ মনো যোগাভ্যাসৰ প্রতিকূল। তৃতীয় অৱস্থা হ'ল বিক্ষিপ্ত বা উদ্‌ভ্রান্ত ভূমি। এই অৱস্থাত চিত্ত তম গুণৰ প্রভাৱমুক্ত হ'লেও ৰজশীল হৈ থাকে। এই অৱস্থাত চিত্ত কেতিয়াবা বিষয়বস্তুৰ প্রতি স্থিৰ আৰু কেতিয়াবা অস্থিৰ হৈ থাকে। সেয়ে ইয়াত মনে কোনো বস্তুৰ ওপৰত সাময়িক ভাবেহে মনোযোগ দিব পাৰে। স্থিৰ মনোযোগ এই অৱস্থাতো সম্ভৱপৰ নহয়। ক্ষিপ্ত আৰু বিক্ষিপ্ত মনৰ মাজত পার্থক্য আছে। বিক্ষিপ্ত অৱস্থাৰ ক্ষেত্রত মন যেতিয়া ইয়াৰ আনন্দিত বস্তুৰ ওপৰত পৰে, তেতিয়া কিছু সময়ৰ বাবে স্থিৰ হৈ থাকে। কিন্তু ক্ষিপ্ত অৱস্থাত মন কেতিয়াও স্থিৰ হ'ব নোৱাৰে।

চতুর্থ অৱস্থা হ'ল একাগ্র, য'ত এটা বিশেষ বিষয়ৰ ওপৰত মনক আৰোপ কৰা

বা মনোযোগ দিয়া হয়। ইয়াত ৰজ গুণৰ আধিপত্য লোপ পায় আৰু সত্ত্বই বিৰাজ কৰে। এই অৱস্থাত মনে এটা বিশেষ বস্তুৰ ওপৰত সৰহ সময় মনোযোগ দিব পাৰে। যিহেতুকে ইয়াত মন বা চিত্তই এটা বিশেষ বস্তুৰ ওপৰত মনোযোগ দিয়ে। সেয়ে চিত্তৰ বৃত্তি সম্পূর্ণ নিৰোধ ইয়াতো নহয়। তথাপিতো এই একাগ্র অৱস্থা যোগৰ বাবে সহায়কাৰী আৰু এই অৱস্থাই সকলো চিত্তবৃত্তি নিৰোধ কৰাৰ উপায় দিয়ে। শেষৰ অৱস্থা হ'ল নিৰুদ্ধ বা সংযম, য'ত চিত্তৰ সকলো বৃত্তি লোপ পায়। এই অৱস্থাত চিত্তৰ সন্মুখত কোনো বিষয়বস্তু নাথাকে। ইয়াত চিত্তৰ কোনো বিষয় নাথাকে বাবে তাৰ কোনো বিকাৰ বা পৰিবর্তন নঘটে। এই অৱস্থাত চিত্ত কেৱল শুদ্ধ, শান্ত আৰু সাত্ত্বিক ৰূপত থাকে। এই নিৰুদ্ধ অৱস্থাৰ আন এটা নাম হ'ল যোগ। চতুর্থ যিটো একাগ্র অৱস্থা আৰু পঞ্চম যিটো নিৰুদ্ধ অৱস্থা দুয়োটাই যোগৰ বাবে সহায়কাৰী। কাৰণ এই উভয় অৱস্থাত মন সত্ত্ব গুণেৰে প্রভাসিত হৈ থাকে আৰু এনে অৱস্থা প্রাপ্ত হোৱাতোৱেই যোগৰ মুখ্য উদ্দেশ্য, মুক্তি লাভ কৰাৰ সহায়কাৰী। একাগ্র বা মনোযোগ অৱস্থা স্থায়ীভাৱে প্রতিষ্ঠিত হোৱাকে সম্প্রজ্ঞাত যোগ বোলে। য'ত বিষয়বস্তুৰ স্পষ্ট আৰু পৰিস্কাৰ সংজ্ঞা থাকে, ইয়াক সমাপতি সমাধি বুলিও জনা যায়। কাৰণ এই অৱস্থাত চিত্তই সম্পূর্ণভাবে বিষয়বস্তুটোৰ সংযোগত আহে আৰু বস্তুটোৰ আকাৰ ধাৰণ কৰে। নিৰোধ অৱস্থাক অসম্প্রজ্ঞাত সমাধি বুলি জনা যায়। ইয়াত সকলো চিত্তবৃত্তি নিৰোধ হয় আৰু মনৰ সন্মুখত কোনো বস্তু নাথাকে। যিহেতুকে ইয়াৰ সন্মুখত কোনো বিষয়বস্তু নাথাকে যাৰ লগত যোগ হৈ আত্মাই নিজৰ পৰিচয় দিব নোৱাৰে, ই তেতিয়া নিজস্ব শুদ্ধ চৈতন্য ৰূপত বিৰাজ কৰে। এইটোকে মুক্তিৰ অৱস্থা বুলি জনা যায়। এই দুই প্রকাৰৰ যোগক সাধাৰণতে সমাধি যোগ বা চিত্তবৃত্তি নিৰোধ বুলিও জনা যায় আৰু উভয়ে আত্মজ্ঞান লাভ কৰাত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ চিত্তবৃত্তি মানে কি? (৩০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন ৫ ঃ আত্মাই পৃথিৱীৰ বস্তুসমূহৰ জ্ঞান কেনেকৈ পায়? (৩০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন ৬ ঃ চিত্তবৃত্তি নিৰোধ বুলিলে কি বুজা যায়? (৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং৭ঃ খালী ঠাই পূৰণ কৰক —

(ক) চিত্তৰ পৰিবর্তিত অৱস্থা সমূহক ..... বা.....

(খ) শুদ্ধ জ্ঞান তিনি প্রকাৰৰ। সেইকেইটা হ'ল ..... অনুমান আৰু শব্দ।

(গ) অস্মিতা আত্মাৰ এক ভ্রান্ত মত বা প্রত্যক্ষ য'ত আত্মাই নিজকে .... বা..... বুলি ভাবে।

(ঘ) যোগৰ উদ্দেশ্য হৈছে চিত্তৰ পৰিবর্তনীয় আকাৰ সমূহ .....

৮.৪.২ সমাধি

সমাধি হৈছে মনৰ এক গভীৰ নিৰন্তৰ মনোযোগৰ অৱস্থা। যেতিয়া ক্ষিপ্ত মনক সংযমিত অৱস্থালৈ আনি এটা মাত্র বিষয়বস্তুৰ ওপৰত আবদ্ধ ৰাখি সেই বস্তুত মনোযোগ দিয়া হয়। তেতিয়া এই অৱস্থাক সমাধি অৱস্থা বুলি জনা যায়। ই এক অপৰিসীম আনন্দৰ অৱস্থা, য'ত বাহ্যিক পৃথিৱী জগতখনৰ লগত থকা সম্বন্ধ ভংগ হয়। এই সমাধি একাগ্র আৰু নিৰোধ অৱস্থাৰ ক্ষেত্রতহে সম্ভৱপৰ। চঞ্চল (ক্ষিপ্ত), অন্ধ (মূঢ়) আৰু উদ্‌ভ্রান্ত (বিক্ষিপ্ত) মন বা চিত্ত মনোযোগ বা সমাধি অৱস্থাৰ বাবে উপযোগী নহয়, কাৰণ এই সকলোবোৰ অৱস্থাত মন অস্থিৰ হৈ থাকে। একাগ্র অৱস্থাত এটা মাত্র বস্তুৰ লগত মন জড়িত হৈ থাকে আৰু ইয়াত সত্ত্বগুণে ৰজ আৰু তম গুণৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে। সেয়ে মনৰ এই একাগ্র অৱস্থাত যোগ কৰাতো সম্ভৱপৰ আৰু ইয়াক সম্প্রজ্ঞাত সমাধি বুলি জনা যায়। কিন্তু এই অৱস্থাতো মনৰ পৰিবর্তন সম্পূর্ণভাবে নাইকিয়া হৈ নাযায়, কাৰণ এই অৱস্থাতো মনৰ সন্মুখত এটা মাত্র বস্তু থাকে। আনহাতে নিৰোধ বা সংযম অৱস্থাত চিত্তৰ বৃত্তি সম্পূর্ণ লোপ পায়। আৰু চিত্ত বা মনৰ সন্মুখত কোনো বস্তুৱে বিৰাজ নকৰে। মন বিষয়বস্তুহীন হৈ পৰে।

ইয়েই হ'ল 'যোগৰ প্রকৃত সুন্দৰ অৱস্থা'। ইয়াকে অসম্প্রজ্ঞাত সমাধি বুলি জনা যায়। মুঠতে এইদৰে দুই প্রকাৰৰ সমাধিৰ উল্লেখ পোৱা যায়। সম্প্রজ্ঞাত বা চৈতন্যময় আৰু অসম্প্রজ্ঞাত বা অতিচৈতন্যময়।

(ক) সম্প্রজ্ঞাত সমাধি চাৰি প্রকাৰৰ ঃ সবিতর্ক, সবিচাৰ, সানন্দ আৰু সস্মিত।

১। সবিতর্ক সমাধিত বাহ্যিক জগতৰ কোনো এক স্থুল বস্তুৰ ওপৰত মন নিবিষ্ট থাকে। যেনে - কোনো দেৱ-দেৱীৰ প্রতিমূর্তিৰ ওপৰত যেতিয়া মনোনিবেশ কৰা হয়।

২। সবিচাৰ সমাধি অৱস্থাত মনে সূক্ষ্ম তন্মাত্র বা বিষয়বস্তুৰ সূক্ষ্ম সত্তাৰ ওপৰত

মনোনিবেশ কৰে। যেনে ঃ গন্ধ, শব্দ আদিৰ ওপৰত মনোনিবেশ কৰা হয়।

৩ সানন্দ সমাধিত মনে শৰীৰৰ কোনো ইন্দ্রিয়ৰ ওপৰত মনোনিবেশ কৰে। ই অহংকাৰৰ পৰা উদ্ভৱ হয়।

৪। সস্মিত সমাধিৰ ক্ষেত্রত মন অহং বিন্দুৰ ওপৰত তন্ময় হৈ থাকে। এই প্রকাৰৰ তন্ময়তাই নিজ অহং স্বৰূপক উপলব্ধি কৰিবলৈ আগুৱাই নিয়ে। এই চাৰিটা মনোযোগৰ অৱস্থাক সালম্বন সমাধি বুলিও জনা যায়। কাৰণ মনোযোগৰ ভিত্তি স্বৰূপে (আলম্বন স্বৰূপে) ইয়াত কিছুমান বিষয় বস্তু থাকে।

(খ) অসম্প্রজ্ঞাত সমাধি ঃ সস্মিত অৱস্থাই অহং বৃত্তিক নিজ শুদ্ধ স্বৰূপ উপলব্ধি কৰিবলৈ আগবঢ়াই নিয়ে আৰু সদায় নিজৰ চিত্তক ভুল কৰা আত্মাক, নিজ স্বৰূপ যে চিত্তৰ পৰা ভিন্ন এই জ্ঞান লাভ কৰাত সহায় কৰে। এই উপলব্ধিয়েই হ'ল প্রভেদকাৰী জ্ঞান বা বিবেক খ্যাতি। কিন্তু জ্ঞাতা আৰু জ্ঞেয় বস্তুৰ দ্বাৰা উদ্ভৱ হোৱা এই জ্ঞানকো অতিক্রম কৰিবলৈ যোগীসকলে সম্পূর্ণভাৱে চিত্তক বৃত্তিৰ পৰা নিৰোধ কৰি অপূর্ব চৈতন্যময় আত্ম উপলব্ধি অৱস্থাপ্রাপ্ত হয় আৰু ইয়াকে অসম্প্রজ্ঞাত সমাধি বুলি জনা যায়। এইটোৱেই সমাধিৰ শেষ স্তৰ। এই অৱস্থাত আত্মাই সর্বোৎকৃষ্ট চৈতন্যময় সত্ত্বা স্বৰূপে নিজ আত্মজ্যোতি বা শুদ্ধ চৈতন্য প্রভাত বিৰাজ কৰি আনন্দ উপলব্ধি কৰে। কিন্তু ভিন্ন জনৰ অতীত আৰু বর্তমানৰ বিভিন্ন কর্ম অনুযায়ী এই অৱস্থাত দীর্ঘদিন ধৰি কোনো স্থায়ীভাবে থাকিব নোৱাৰে। নিজ কর্মৰ ফল ভোগ কৰিবলৈ বর্তমান জীৱনলৈ প্রত্যেকেই পুনঃ পুনঃ আহিব লাগিব। অৱশ্যে ইয়াৰ বাবে বহুদিন ধৰি খুব যত্ন আৰু ভক্তিৰে যোগ অভ্যাস কৰাটো আৱশ্যক। সেয়ে যোগত কিছুমান নিয়ম, উপায় হিচাপে অৱলম্বন কৰাৰ উল্লেখ আছে। এই সমূহকে যোগাংগ বুলি জনা যায়।

৮.৫ যোগাংগ বা অষ্টাঙ্গিক মার্গ

পতঞ্জলিৰ মতে যোগৰ অর্থ হ'ল চিত্তক সম্পূর্ণৰূপে বৃত্তিশূন্য কৰা (চিত্তবৃত্তি নিৰোধ)। কিন্তু কোনো এজনে চিত্তক সম্পূর্ণ বৃত্তিশূন্য কৰাৰ আগতে কিছুমান নিয়ম-নীতি মানি চলা প্রয়োজন। আত্মা, ক্ষিপ্ত মন আৰু দেহৰ আৱৰণৰ মাজত লুকাই থাকে। যিসমূহ প্রকৃততে যোগৰ প্রতিবন্ধক। এইটো জনা যায় যে গভীৰ মনোযোগ বা সমাধিৰ দ্বাৰা আত্মা যে চিত্তৰ পৰা পৃথক এই প্রভেদকাৰী জ্ঞানৰ উদ্ভৱ হয়। যোগৰ অষ্টাংগ প্রণালীসমূহ মানি চলিলে, শাৰীৰিক আৰু ক্ষিপ্ত মানসিক প্রতিবন্ধকসমূহ দূৰ কৰি চিত্তৰ বৃত্তি নিৰোধ কৰিব পৰা যায়। এই সমূহকে যোগাংগ বুলি কয়। এই সমূহৰ নাম হ'ল — যম (নিবৃত্তি), নিয়ম (আচৰণ পদ্ধতি), আসন (শৰীৰ সাধন), প্রাণায়ম (স্বাস নিয়ন্ত্রণ প্রণালী), প্রত্যাহাৰ (বিষয় ত্যাগ), ধাৰণা (মনোযোগ), ধ্যান (গভীৰ মনোযোগ) আৰু সমাধি (একাগ্রতা)।

যম ঃ প্রথম নিয়ম হ'ল যম। (ক) অহিংসা বা কোনো জীৱক বধ নকৰা মনোভাৱ, (খ) সত্য

বা সত্যতাৰ ভাৱ, বাক্য বা স্বভাৱত পোষণ কৰা, (গ) অষ্টেয় বা চুৰ নকৰা, (ঘ) ব্রহ্মচার্য্য পালন কৰা বা বিষয় বাসনাৰ পৰা আঁতৰি থকা, (ঙ) অপৰিগ্রহ বা লোভৰ বশত অনাৱশ্যক বস্তু গ্রহণ নকৰা আদি নিয়মবোৰেই হ'ল যম। যোগৰ মতে আধ্যাত্মিক উৎকর্ষ সাধনৰ বাবে এই যম নিয়মটো মানি চলা উচিত। কাৰণ মনোবিজ্ঞানৰ মতেও এটা সুস্থ শৰীৰৰ মাজতহে সুস্থ মন এটাই বিৰাজ কৰে। সেয়ে যিজনে সমাধি বা একাগ্রতাৰে আত্ম উপলব্ধি কৰিবলৈ বিচাৰে তেওঁ জীৱনৰ সকলো অপৱিত্র আৰু অসৎ ভাৱধাৰা ত্যাগ কৰিব লাগে।

নিয়ম ঃ দ্বিতীয়বিধ নিয়মৰ অর্থ হ'ল সদাচাৰ পালন। এই সমূহ হ'ল - (ক) শৌচ বা শাৰীৰিক পৱিত্রতা যাক অর্জন কৰা হয় স্নান আৰু পৱিত্র ভোজনৰ দ্বাৰা। এইবোৰ হ'ল বাহ্য বা বাহ্যিক পৱিত্রতা, ভাল আৰেগ আৰু অনুভূতি অর্জন কৰাই হ'ল মনৰ পৱিত্রতা। সেইবোৰ যেনে - বন্ধুত্ব, মৰম, আনন্দ ইত্যাদিবোৰ। এইবোৰক আভ্যন্তৰীণ বা অন্তৰগত শুদ্ধতা বোলে। সন্তোষ হ'ল উচিত প্রয়াসৰ দ্বাৰা যিটো পোৱা যায় তাতে সন্তুষ্ট থকা। তপ হ'ল ভোক-পিয়াহ, শীত-তাপ আৰু শাৰীৰিক কষ্ট সহ্য কৰা অভ্যাস। যম আৰু নিয়ম এইকেইটা প্রকৃততে শুদ্ধ নৈতিক আচৰণৰ কিছুমান বিধি, যিকেইটা যোগ অভ্যাসৰ বাবে প্রয়োজনীয়।

আসন ঃ তৃতীয়টো নিয়মক আসন বা শৰীৰ স্থিতি বুলি জনা যায়। সমাধিৰ বাবে কৰা শৰীৰৰ এক সাধনেই হ'ল আসন। সাধনাত বহাৰ পূর্বে, নিজক এক সুস্থ, আৰামদায়ক স্থিতিত ৰাখিব লাগে। পতঞ্জলিয়ে কেৱল কৈছে যে আমাৰ বহাৰ আসন স্থিৰ, সুখৰ আৰু আৰামৰ হ'ব লাগে। মন আৰু শৰীৰ ইটোৱে সিটোৰ লগত নিবিড় ভাবে জড়িত। সেয়ে মনক নিয়ন্ত্রণ কৰিবলৈ হ'লে শৰীৰকো নিয়ন্ত্রণ কৰিব লাগে। নিয়মিত আসন অভ্যাসৰ দ্বাৰা শৰীৰক নিৰোগী কৰিব পৰা যায় আৰু সকলো অঙ্গ, প্রত্যঙ্গ, বিশেষতঃ স্নায়ুতন্ত্রক সংযমত ৰাখিব পাৰি আৰু মনক আলোড়িত কৰা অৱস্থা সমূহকো ৰোধ কৰিব পৰা যায়।

প্রাণায়ম ঃ চতুর্থ নিয়মটো হ'ল প্রাণায়ম বা উশাহ নিশাহ নিয়ন্ত্রিত প্রণালী। ই স্বাভাৱিক স্বাস নিয়ন্ত্রণৰ লগত জড়িত। গভীৰভাৱে উশাহ লোৱা (পূৰক), উশাহ বন্ধ কৰি ৰখা (কুম্ভক) আৰু লাহে লাহে উশাহ এৰি দিয়া (ৰেচক) পদ্ধতিক প্রাণায়ম বোলে। চিত্তৰ একাগ্র সাধনৰ বাবে এই প্রাণায়ম প্রক্রিয়া অপৰিহার্য, কিন্তু এই স্বাস নিয়ন্ত্রণ প্রণালী বিশেষ বিশেষজ্ঞৰ ওচৰত শিকা উচিত।

প্রত্যাহাৰ ঃ পঞ্চম নিয়ম প্রণালী হ'ল - প্রত্যাহাৰ। যাৰ অর্থ হ'ল ইন্দ্রিয় সমূহক বাহ্যিক বিষয় বস্তুৰ পৰা প্রতিনিবৃত্ত কৰা, মনক সম্পূর্ণভাৱে বাহ্যিক বস্তুসমূহৰ পৰা নিবৃত্ত কৰি ৰখা উচিত। এই নিয়ম মানিব পৰাটো কঠিন যদিও অসম্ভৱ নহয়।

ধাৰণা ঃ ষষ্ঠ নিয়মটো হ'ল ধাৰণা বা কোনো এটা বিষয়বস্তুৰ ওপৰত চিত্ত নিবদ্ধ কৰা। ইয়াৰ আন এটা নাম মনোযোগ। মনোযোগ দিয়া বিষয়বস্তুটো বাহ্যিক বা আভ্যন্তৰিন হ'ব পাৰে। মনক বাহ্যিক বস্তু, কোনো দেৱ-দেৱী বা দেৱতাৰ মূর্তিৰ ওপৰত আৱদ্ধ কৰি ৰাখিব পাৰি বা শৰীৰৰ ভিতৰৰ নাভি বা চেলাউৰীৰ মাজভাগতো আৱদ্ধ ৰাখিব পৰা যায়। দীর্ঘসময় ধৰি কোনো এটা বিশেষ বস্তুৰ ওপৰত মন আৰোপ কৰি ৰাখিব পাৰিলে সাধকজন যোগৰ চৰম

অৱস্থালৈ গতি কৰিছে বুলি বুজিব লাগিব।

ধ্যান ঃ সপ্তম নিয়ম প্রণালী ধ্যান বা ধাৰণাৰ গভীৰ অৱস্থা। স্থিৰ মনোযোগকে ধাৰণাৰ গভীৰ অৱস্থা বুলি জনা যায়। সাধাৰণ জীৱনত ধাৰণাবোৰ আহে আৰু যায় আৰু বেছি দেৰিলৈ ৰৈ নাথাকে। কিন্তু কোনো বস্তুৰ ওপৰত স্থিৰ, অবিচ্ছিন্ন, অবিৰত চিন্তাধাৰা থকাটো সম্ভৱ আৰু ইয়াক ধাৰণাৰ গভীৰ স্তৰ বা ধ্যান বুলি জনা যায়।

সমাধি ঃ সমাধি বা ধ্যানৰ গভীৰতম অৱস্থাটোৱেই হ'ল যোগৰ শেষ স্তৰ। এই অৱস্থাত মন এনে গভীৰ ভাৱে ধ্যানৰ বিষয়বস্তুৰ লগত লিপ্ত হৈ পৰে যে ইয়াত নিজস্বতা হেৰুৱাই পেলায়। ধ্যানৰ অৱস্থাত ধ্যানক্রিয়া আৰু ধ্যানৰ বিষয়বস্তু পৃথক হৈ থাকে আৰু তাৰ চেতন অৱস্থাও পৃথক। কিন্তু সমাধি অৱস্থাত ভাৱৰ বিষয়বস্তু কেৱল প্রজ্বলিত হৈ থাকে আৰু মনত যে এক ভাৱক্রিয়া চলি আছে, সেইটোও জনা নাযায়।

যোগৰ দ্বাৰা সাধকে এক বিশেষ ধৰণৰ অলৌকিক শক্তি আহৰণ কৰে বুলি বিশ্বাস কৰা হয়। যোগীসকলে জীৱজন্তু, আনকি হিংস্র জন্তুকো শান্ত কৰিব পাৰে। অতীত, বর্তমান আৰু ভৱিষ্যতক জানিব পাৰে। অতি প্রাকৃত অৱস্থা, শব্দ আৰু গোন্ধ উৎপন্ন কৰিব পাৰে আৰু খুব বেছি সূক্ষ্ম বস্তু, দেৱ-দেৱী আৰু ঈশ্বৰক প্রত্যক্ষ কৰিব পাৰে। সেইসকলে বন্ধ দুৱাৰৰ মাজেদিও দেখে, শিলৰ বেৰৰ মাজেদিও যাব পাৰে, সন্মুখতে অন্তর্ধান হ'ব পাৰে আৰু একে সময়তে বেলেগ বেলেগ স্থানত আবির্ভাৱ হ'ব পাৰে। কিন্তু যদিও এই কলা-কৌশল কৰিব পৰাটো সম্ভৱ, যোগ দর্শনত সাধক সকলক এই উদ্দেশ্য সন্মুখত ৰাখি যোগ অভ্যাস কৰাটো উচিত নহয় বুলি সতর্ক কৰি দিয়া হৈছে। যোগ দর্শনৰ মতে যোগৰ উদ্দেশ্যই হৈছে মুক্তিপ্রাপ্তি।

চিন্তা-চর্চা কৰক ৮.১



চিত্তৰ মানসিক অৱস্থাবোৰ যোগৰ বাবে সহায়কাৰী নে? আপুনি কি ভাবে।

.....

.....

.....

অগ্রগতি নিৰীক্ষণ



প্রশ্ন ৮ ঃ প্রাণায়ম বুলিলে কি বুজা যায়? (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন ৯ ঃ ধাৰণা কি? (৩০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন ১০ ঃ যোগাংগ বুলিলে কি বুজা যায়। (২০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন ১১ ঃ শুদ্ধ নে অশুদ্ধ লিখক

(ক) ঈশ্বৰ এক বিশেষ প্রকাৰৰ আত্মা। (শুদ্ধ/অশুদ্ধ)

(খ) জীৱৰ মুক্তি সম্পূর্ণ মুক্তিৰ অৱস্থা নহয়। (শুদ্ধ/অশুদ্ধ)

(গ) সম্প্রজ্ঞাত সমষ্টিক যোগৰ প্রকৃত সুন্দৰ অৱস্থা বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

৮.৬ যোগত ঈশ্বৰৰ স্থান

ঈশ্বৰবাদী দর্শন হিচাপে যোগ, সাংখ্যৰ পৰা পৃথক। সাংখ্যত ঈশ্বৰৰ অস্তিত্বক মানি লোৱা নাই। পুৰুষ বা আত্মাৰ সান্নিধ্যত যেতিয়া তিনিটা গুণৰ দ্বাৰা গঠিত প্রকৃতিৰ সাম্য অৱস্থাত আলোড়নৰ সৃষ্টি হয়, তেতিয়াই এই বিশ্বৰ অভিব্যক্তি। ঈশ্বৰৰ অস্তিত্ব সেয়ে বিশ্বৰ অভিব্যক্তিৰ ক্ষেত্রত অপ্রয়োজনীয়। কিন্তু পতঞ্জলিয়ে যোগ পদ্ধতিত ঈশ্বৰৰ অস্তিত্ব মানি লৈছে। পতঞ্জলিৰ মতে ঈশ্বৰ এক বিশেষ প্রকাৰৰ আত্মা বা পুৰুষ। তেওঁক কোনো ক্লেশ, ক্রিয়া, কার্যফল আৰু প্রৱণতাই স্পর্শ কৰিব নোৱাৰে। ঈশ্বৰ অনন্তভাৱে সম্পূর্ণ। তেওঁৰ কোনো কামনা নাই। তেওঁ কেৱল ব্যক্তি আত্মাৰ ভালৰ বাবেই কাম কৰে। ঈশ্বৰ এক কৈৱল্যপ্রাপ্তি পুৰুষ নহয়। বহু পুৰুষে কৈৱল্য লাভ কৰে। কিন্তু ঈশ্বৰ সদামুক্ত। সেয়ে তেওঁক মুক্তি পোৱা আত্মাৰ লগত ভুল কৰিব নালাগে, যিসকলে এবাৰ বন্ধনত থকাৰ পিছত মুক্তি লাভ কৰে, ঈশ্বৰ সদামুক্ত, তেৱেই পুৰুষোত্তম। তেওঁ সর্বব্যাপি আৰু সর্বজ্ঞ।

ঈশ্বৰৰ অস্তিত্ব প্রমাণ কৰিবৰ বাবে যোগত কিছুমান তথ্য আগবঢ়াইছে। (ক) বেদ, উপনিষদ আৰু আন কিছুমান তাৎপর্যপূর্ণ ধর্মীয় পুথিত পৰমাত্মা বুলি ঈশ্বৰৰ অস্তিত্বক মানি লৈছে। যিজন পৰমসত্তা আৰু বিশ্বব্রহ্মাণ্ডৰ পৰম লক্ষ্যস্থান। সেয়ে ঈশ্বৰ আছে। (খ) য'ত মাত্রাভেদ আছে, তাত এটা শীর্ষমাত্রা আৰু এটা নিম্নমাত্রাৰ ব্যৱধানো থাকে আৰু জ্ঞানৰ ক্ষেত্রতো এই মাত্রাভেদৰ সীমা আছে। কিছুমানৰ উচ্চমাত্রাৰ জ্ঞান আৰু কিছুমানৰ নিম্নমাত্রাৰ জ্ঞান থাকে। য'ত উচ্চ আৰু উচ্চতৰ থাকে, তাত উচ্চতমো থাকিব লাগিব। মানুহ কেতিয়াও সর্বজ্ঞ আৰু সর্বব্যাপি হ'ব নোৱাৰে, কাৰণ মানুহ সীমিত। সেয়ে ঈশ্বৰৰ অস্তিত্ব মানিবই লাগিব। যিজনাৰ চৰম মাত্রাৰ অসীম জ্ঞান আৰু ক্ষমতা আছে। (গ) পুৰুষ আৰু প্রকৃতিৰ সংযোগৰ ফলতেই জগতৰ সৃষ্টি। প্রকৃতি সক্রিয় কিন্তু অচেতন। পুৰুষ চৈতন্যময়, কিন্তু নিস্ক্রিয়। এই দুই বিৰোধী স্বভাৱৰ নিত্য সত্তাৰ মাজত কেনেকৈ সংযোগ ঘটাতো সম্ভৱ।

সাংখ্যই এই সংযোগৰ বিষয়ে সন্তোষজনক ব্যাখ্যা দিব পৰা নাই। ঈশ্বৰৰ অস্তিত্ব মানি লৈ যোগই এই অসুবিধা দূৰ কৰিছে। পুৰুষ আৰু প্ৰকৃতিৰ সংযোগ আৰু বিয়োগ আনিব পৰা যায় ঈশ্বৰৰ দ্বাৰা। সেয়ে ঈশ্বৰৰ অস্তিত্ব মানিবই লাগিব। এই কাৰণেই ঈশ্বৰৰ প্ৰতি ভক্তি থকাটো যোগ অভ্যাসৰ কেৱল এটা অংশই নহয়, ই চিত্তবৃত্তি নিৰোধ কৰা আৰু সমাধি যোগ লাভ কৰাৰ এটা বিশেষ উপায়।

৮.৭ জীৱৰ মুক্তি অৱস্থা

যোগ পদ্ধতিত, বন্ধনৰ পৰা মুক্ত বা স্বাধীন হোৱা অৱস্থাক কৈৱল্য বা সম্পূৰ্ণ মুক্তিৰ অৱস্থা বুলি জনা যায়। পুৰুষ বা আত্মাই পৰম মুক্তি অৱস্থা পাব পাৰে বা উপভোগ কৰিব পাৰে। অভিজ্ঞতাজনিত চেতন অৱস্থাত, বস্তুৰ আকাৰ ধাৰণা কৰা মানসিক বৃত্তিসমূহৰ ওপৰত পৰা প্ৰতিফলনকেই আত্মাই ভ্ৰান্ত ভাবে নিজৰ বুলি ভাবে। সেয়ে, যেতিয়া আত্মাই তাৰ প্ৰতিফলনৰ পৰা নিজকে পৃথক বুলি উপলব্ধি কৰিব পাৰে, তেতিয়াই ই মুক্ত বুলি কোৱা হয়।

কৈৱল্য বা আত্মাৰ পূৰ্ণ মুক্ত অৱস্থা মানে, আত্মাই এক অস্বাভাৱিক অৱস্থাপ্ৰাপ্ত হোৱাতো নুবুজায় বা কোনো উচ্চতম অৱস্থালৈ গতি কৰাকো নুবুজায়। কৈৱল্যৰ অৰ্থ হ'ল পুৰুষ নিজ স্বৰূপপ্ৰাপ্ত হোৱা। যেতিয়া আত্মা প্ৰকৃতিৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰে আৰু অতিন্দ্ৰিয় চেতন শক্তি বুলি নিজ আত্ম স্বৰূপত প্ৰতিস্থিত হয় তেতিয়াই আত্মাই মুক্তি বা কেৱল প্ৰাপ্তি (কৈৱল্য) লাভ কৰে। যোগত, চিত্তক এক বহল অৰ্থত ব্যৱহাৰ কৰা হৈছে। য'ত বুদ্ধি, অহংকাৰ (অহং ভাৱ) আৰু মন জড়িত হৈ আছে। চিত্তৰ বুদ্ধি সত্ব গুণৰ দ্বাৰা প্ৰভাৱিত। যেতিয়া বুদ্ধি, যিটো সাত্ত্বিক, ৰজ আৰু তমৰ দ্বাৰা প্ৰভাৱিত হয় তেতিয়া ই অহংকাৰ আৰু মন হৈ পৰে। ৰজ আৰু তমৰ দ্বাৰা প্ৰভাৱিত নোহোৱা শুদ্ধ চিত্তক সত্ত্ব বুলিয়েই জনা যায়। যেতিয়া চিত্ত এই শুদ্ধ স্বৰূপ সত্ত্বত অৱতীৰ্ণ হয়, তেতিয়াই আত্মা যে সত্ত্বৰ পৰা পৃথক, এই বিভেদ জ্ঞানৰ উদয় হয়। যেতিয়া নিজ অহংকাৰ, মন আৰু ইন্দ্ৰিয় সমূহক দমন কৰি আধ্যাত্মিক সাধকে নিজৰ আৰু চিত্ত বা সত্ত্বৰ মাজৰ পাৰ্থক্যৰ মাজত থকা জ্ঞান লাভ কৰে, তেতিয়াই তেওঁ চৈতন্যময় মনোযোগৰ অৱস্থা বা সম্প্ৰজ্ঞাত সমাধি লাভ কৰে। যেতিয়া এই বিভেদ জ্ঞানো নাইকিয়া হয়, আত্মাই পৰম চৈতন্যময় সাধনা অৱস্থা বা অসম্প্ৰজ্ঞাত সমাধি লাভ কৰে। মুঠতে, যেতিয়া সকলো মনৰ বৃত্তিক সম্পূৰ্ণভাৱে নিৰোধ কৰিব পৰা যায়, তেতিয়াই আত্মা প্ৰকৃতিৰ পৰা মুক্ত হয় আৰু ইয়াত কৈৱল্য (কেৱল) অৱস্থা লাভ কৰে আৰু এই অৱস্থাই হ'ল ইয়াৰ অতিন্দ্ৰীয় চৈতন্যময় প্ৰজ্বলিত অৱস্থা। এই অৱস্থাক চিত্ত বিনাশ অৱস্থা বুলিও জনা যায়। কিন্তু প্ৰকৃততে চিত্তৰ কোনো বিনাশ নাই। অস্তিত্বশীল আত্মাৰ চিত্বত হোৱা প্ৰতিফলনৰহে বিনাশ হয় আৰু ইয়াকে আত্মাৰ সম্পূৰ্ণ মুক্ত অৱস্থা (কৈৱল্য) বুলি জনা যায়।

যোগত পাঁচ প্ৰকাৰৰ ক্লেশৰ উল্লেখ আছে। কৈৱল্য প্ৰাপ্তিত এই ক্লেশসমূহ পৰিহাৰ (হ্যেয়) কৰা হয়, কাৰণ কৈৱল্য প্ৰাপ্তিয়েই হৈছে উৎকৃষ্ট উপায়, য'ত ক্লেশসমূহ পৰিহাৰ কৰিব

পৰা যায় আৰু যোগত কৈৱল্যপ্রাপ্তিৰ উপায়সমূহৰ উল্লেখ আছে। কৈৱল্যই হৈছে পুৰুষৰ চিৰস্থায়ী জীৱন, য'ত ই প্রকৃতিৰ প্রভাৱৰ পৰা মুক্ত। গতিকে সত্য স্বৰূপত পুৰুষ হ'ল সকলো ক্লেশৰ পৰা মুক্ত অতিন্দ্রীয় চেতনা আৰু সর্বজ্ঞ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১২ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক

(ক) যোগ দর্শনে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰে।
(শুদ্ধ/অশুদ্ধ)

(খ) পুৰুষে নিজৰ প্রকৃত বা চৈতন্যস্বৰূপ উপলব্ধি কৰাকে বোলা হয়।
(শুদ্ধ/অশুদ্ধ)



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মহর্ষি পতঞ্জলি যোগদর্শনৰ প্রতিষ্ঠাতা।
- পতঞ্জলিৰ 'যোগ সূত্র' খনেই এই দর্শনৰ প্রথম পুথি।
- 'যোগ সূত্র'ৰ চাৰিটা অংশ আছে। প্রথম ভাগ বা অংশত সমাধিৰ স্বৰূপ আৰু লক্ষ্যৰ বিষয়ে আলোচনা কৰা হৈছে (এইটো হ'ল সমাধিত গভীৰ মনোনিবেশ), দ্বিতীয় পাদত, এই লক্ষ্যত উপনীত হোৱাৰ উপায়সমূহৰ ব্যাখ্যা কৰা হৈছে (এইটোক সাধন পাদ বুলি জনা যায়), তৃতীয় পাদত যোগ সাধনাৰ উপায়েৰে লাভ কৰা অলৌকিক শক্তিৰ বিষয়ে আলোচনা কৰা হৈছে (ইয়াক বিভূতি পাদ বুলি জনা যায়) আৰু চতুর্থ পাদত মোক্ষৰ বিষয়ে আলোচনা কৰা হৈছে (এইটো হ'ল কৈৱল্য পাদ)।
- পতঞ্জলিৰ দর্শনত 'যোগ' শব্দৰ অর্থ সম্পূর্ণভাবে চিত্তৰ বৃত্তি নিৰোধ কৰা (বা নিবৃত্তি) কৰাক বুজাইছে।
- চিত্তত পৰিণাম বা বৃত্তি পাঁচ প্রকাৰেৰে ঘটে। সেইকেইটা হ'ল প্রমাণ বা জ্ঞান, বিকল্প বা শাব্দিক জ্ঞান, বিপর্যয়, টোপনি বা নিদ্রা, স্মৃতি বা স্মৰণ।
- সমাধি দুই প্রকাৰৰ ঃ সম্প্রজ্ঞাত বা চৈতন্যময় আৰু অসম্প্রজ্ঞাত বা অচৈতন্যময়। একাগ্র অৱস্থাত যোগ কৰাতো সম্ভৱপৰ আৰু ইয়াক সম্প্রজ্ঞাত সমাধি বুলি জনা যায়। কিন্তু এই অৱস্থাতো মনৰ পৰিবর্তন সম্পূর্ণভাবে নাইকিয়া হৈ নাযায়, কাৰণ এই অৱস্থাতো মনৰ সন্মুখত এটা মাত্র বস্তু থাকে। আনহাতে নিৰোধ বা সংযম অৱস্থাত চিত্তৰ বৃত্তি সম্পূর্ণ লোপ পায়। আৰু চিত্ত বা মনৰ সন্মুখত কোনো বস্তুৱে বিৰাজ নকৰে। মন বিষয়বস্তুহীন হৈ পৰে।

- যোগৰ অষ্টাংগ প্রণালীসমূহ মানি চলিলে, শাৰীৰিক আৰু ক্ষিপ্ত মানসিক প্রতিবন্ধকসমূহ দূৰ কৰি চিত্তৰ বৃত্তি নিৰোধ কৰিব পৰা যায়। এই সমূহকে যোগাংগ বুলি কয়। এই সমূহৰ নাম হ'ল — যম (নিবৃত্তি), নিয়ম (আচৰণ পদ্ধতি), আসন (শৰীৰ সাধন), প্রাণায়ম (স্বাস নিয়ন্ত্রণ প্রণালী), প্রত্যাহাৰ (বিষয় ত্যাগ), ধাৰণা (মনোযোগ), ধ্যান (গভীৰ মনোযোগ) আৰু সমাধি (একাগ্রতা)।
- যোগ পদ্ধতিত, বন্ধনৰ পৰা মুক্ত বা স্বাধীন হোৱা অৱস্থাক কৈৱল্য বা সম্পূর্ণ মুক্তিৰ অৱস্থা বুলি জনা যায়। পুৰুষ বা আত্মাই পৰম মুক্তি অৱস্থা পাব পাৰে বা উপভোগ কৰিব পাৰে। অভিজ্ঞতাজনিত চেতন অৱস্থাত, বস্তুৰ আকাৰ ধাৰণা কৰা মানসিক বৃত্তিসমূহৰ ওপৰত পৰা প্রতিফলনকেই আত্মাই ভ্রান্ত ভাবে নিজৰ বুলি ভাবে। সেয়ে, যেতিয়া আত্মাই তাৰ প্রতিফলনৰ পৰা নিজকে পৃথক বুলি উপলব্ধি কৰিব পাৰে, তেতিয়াই ই মুক্ত বুলি কোৱা হয়।



৮.৯. অধিক জানিবলৈ

অসমীয়া গ্রন্থ

১) শাস্ত্রী, নাথ খগেন্দ্র, *পাতঞ্জল দর্শনম*

২) বৰুৱা, গিৰীশ *ভাৰতীয় দর্শনত এভুমুকি*।

৩) স্বামী আৰণ্য, ধর্মমেঘ *যোগ সোপান*।

৪) সেনগুপ্ত, প্রমোদ বন্ধু , *ভাৰতীয় দর্শন*, প্রথম খণ্ড।

ইংৰাজী গ্রন্থ

1) Radhakrishnan. S. (1923) *Indian Philosophy*, Vol.II, Ch.V.

2) Das. Gupta. S.N. ( ) *A History of Indian Philosophy Motilal Banarasi Publication*

3) Brahma .N.K. (1932) – *The Philosophy of Hindu Sadhana.* London : Kegan Paul.

4) Swami Akhilananda –(1950) *Mental Health and Hindu Psychology.* G Allen and Unwin.



৮.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ পুৰুষ বা আত্মা, প্রকৃতি বা আনাত্মা নহয়। এই জ্ঞানটোকে বিভেদখ্যাতি জ্ঞান বুলি জনা যায়।

২নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

৩নং প্রশ্ন উত্তৰ ঃ প্রত্যক্ষ, অনুমান আৰু শব্দ।

৪নং প্রশ্ন উত্তৰ ঃ যেতিয়া চিত্ত, বস্তুৰ সংযোগত আহে তেতিয়াই ই বস্তুৰ আকাৰ ধাৰণা কৰে ইয়াকে চিত্তৰ পৰিবর্ত্তন বুলি জনা যায়।

৫নং প্রশ্ন উত্তৰ ঃ আত্মাই পৃথিৱীৰ বস্তুবোৰৰ জ্ঞান আহৰণ কৰে, জ্ঞাত বস্তুৰ আকাৰ ধাৰণ কৰা চিত্ত পৰিবর্তনৰ মাধ্যমেদি।

৬নং প্রশ্ন উত্তৰ ঃ যোগৰ অর্থ হ'ল মনৰ কার্য আৰু আকাৰসমূহক নাইকিয়া কৰা, যাকঁ চিত্তবৃত্তি নিৰোধঁ বুলি জনা যায়। ইয়াক ব্যক্তি আত্মাৰ লগত ঈশ্বৰ বা কোনো পৰম সত্ত্বাৰ লগত যোগাযোগত অহাক নুবুজায়। সেয়ে আত্মাক মানসিক পদ্ধতি বা মনৰ পৰিবর্ত্তনীয় আকাৰসমূহৰ লগত একে বুলি ভবাৰ পৰা ৰক্ষা কৰাই হ'ল যোগৰ উদ্দেশ্য।

৭নং প্রশ্ন উত্তৰ ঃ (ক) বৃত্তি বা আকৃতি (খ) প্রত্যক্ষ।
(গ) বুদ্ধি, মন (ঘ) নিবৃত্তি

৮নং প্রশ্ন উত্তৰ ঃ প্রাণায়মৰ অর্থ স্বাস নিয়ন্ত্রণ। ইয়াৰ দ্বাৰা স্বাভাৱিক প্রক্রিয়াক নিয়ন্ত্রণ কৰি এক বিশেষ নিয়মত পৰিচালিত কৰোৱা হয়।

৯নং প্রশ্ন উত্তৰ ঃ ধাৰণা মানে মনক এক বিশেষ বস্তুৰ ওপৰত আৱদ্ধ কৰি ৰখা। অন্য ভাষাত ইয়াক মনোযোগ বুলিও জনা যায়। ধাৰণাই মনক দৃঢ় কৰি যোগৰ গভীৰ স্তৰলৈ সাধকক লৈ যায়।

১০নং প্রশ্ন উত্তৰ ঃ যোগৰ অষ্টাংগ প্রণালীৰ দ্বাৰা মানসিক পৰিবর্তন আৰু বৃত্তি সমূহক ৰোধ কৰিব পৰা যায়। এই সমূহক যোগাংগ বুলি জনা যায়।

১১নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

১২নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ



৮.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং১ ঃ বৃত্তি মানে কি?

প্ৰশ্ন নং২ ঃ পাঁচ প্ৰকাৰৰ চিত্ত বৃত্তি মানে কি কি?

প্ৰশ্ন নং৩ ঃ যোগ দৰ্শন মতে স্মৃতি কি কি?

প্ৰশ্ন নং৪ ঃ সম্প্ৰজ্ঞাত সমাধি কি?

প্ৰশ্ন নং৫ ঃ যোগৰ অষ্টাংগ মার্গ কি কি?

প্ৰশ্ন নং৬ ঃ যোগদৰ্শন মতে কৈৱল্য মানে কি?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ যোগৰ ধাৰণাৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং২ ঃ পঞ্চক্লেশ কি কি? চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং৩ ঃ 'সমাধি' সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং৪ ঃ যোগসংগ মানে কি? চমুকৈ আলোচনা কৰক।

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ চিত্তবৃত্তি

প্ৰশ্ন নং২ ঃ চিত্তভূমি

প্ৰশ্ন নং৩ ঃ অসম্প্ৰজ্ঞাত সমাধি

প্ৰশ্ন নং৪ ঃ যোগাংগ

(ঘ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ যোগাংগ বা যোগৰ প্ৰণালীসমূহ শ্ৰেণীভুক্ত কৰি বিশ্লেষণ কৰক।

প্ৰশ্ন নং২ ঃ যোগৰ স্বৰূপ আৰু আকাৰৰ বৰ্ণনা আগবঢ়াওক ।

প্ৰশ্ন নং৩ ঃ যোগ পদ্ধতিত ঈশ্বৰৰ স্থান কি? আলোচনা কৰক।

প্ৰশ্ন নং৪ ঃ ঈশ্বৰ অবিহনে যোগ সম্ভৱপৰনে? আলোচনা কৰক।

প্ৰশ্ন নং৫ ঃ সমাধি কি? যোগ দৰ্শনত উল্লিখিত বিভিন্ন প্ৰকাৰৰ সমাধিৰ বৰ্ণনা আগবঢ়াওক ।

প্ৰশ্ন নং৬ ঃ চিত্তৰ পাঁচটা ভূমি বা অৱস্থা কি কি? সকলো কেইটাই যোগৰ অনুকূলনে?

প্ৰশ্ন নং৭ ঃ যোগ পদ্ধতিত উল্লিখিত আত্মাৰ মুক্ত অৱস্থাৰ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন নং৮ ঃ অলৌকিক ক্ষমতা আহৰণ কৰা যাদুবিদ্যা স্বৰূপ যোগ দৰ্শনৰ এটা পদ্ধতি নহয়। এই মতামত গ্ৰহণযোগ্য নে? সমালোচনাৰ দ্বাৰা প্ৰতিপন্ন কৰক।

*** ***** ***

অধ্যায় ৯ ঃ মীমাংসা ঃ জ্ঞানৰ অন্তর্নিহিত বৈধতা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯৩ বৈধ জ্ঞানৰ স্বৰূপ

৯.৪ মীমাংসা দর্শনৰ স্বতঃ প্রামাণ্যবাদৰ তত্ব

৯.৫ ন্যায় দর্শনৰ পৰতঃ প্রামাণ্যবাদৰ তত্ব

৯.৬ পৰতঃ প্রামাণ্যবাদ আৰু স্বতঃপ্রামাণ্যবাদ ঃ এক তুলনা

৯.৭ সংক্ষেপে কওঁ আহা

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতি খতিয়ান

৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়নৰ জৰিয়তে আপোনালোক সক্ষম হ'ব—

- বৈধ জ্ঞানৰ স্বৰূপ সম্পর্কে আলোচনা কৰিব পাৰিব।
- মীমাংসা দর্শনৰ স্বতঃ প্রামাণ্যবাদ তত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ন্যায় দর্শনৰ পৰতঃ প্রামাণ্যবাদ তত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- পৰতঃ প্রামাণ্যবাদ আৰ স্বতঃ প্রামাণ্যবাদ সম্পর্কে এটা তুলনামূলক অধ্যয়ন কৰিব পাৰিব।

৭.২ পৰিচয়

এই গোটটোত প্রধানতঃ মীমাংসা দর্শনৰ জ্ঞানৰ অর্ন্তনিহিত বৈধতাৰ বিষয়ে আলোচনা কৰা হৈছে। মীমাংসা দর্শনৰ দুয়োজন দার্শকি কুমাৰিল আৰু প্রভাকৰে বৈধ জ্ঞানৰ স্বৰূপ সম্পর্কে সংজ্ঞা দিছে। কুমাৰিলৰ মতে, বৈধ জ্ঞান হৈছে এনে এবিধ বস্তু সম্পর্কে জ্ঞান যি সকলো দোষৰ পৰা মুক্ত আৰু যাকে আন কোনো জ্ঞানে বিৰোধিতা কৰিব নোৱাৰে। প্রভাকৰৰ মতে বৈধ জ্ঞান হৈছে বস্তু সম্পর্কে কৰা পোনপটীয়া জ্ঞান।

এই গোটটোত আলোচনা কৰিব লগীয়া বিষয়বোৰ হ'ল-

- বৈধ জ্ঞানৰ প্রকৃতি বা স্বৰূপ
- মীমাংসা দর্শনৰ স্বতঃ প্রামাণ্যবাদ তত্ব
- পৰতঃ প্রামাণ্যবাদ আৰু স্বতঃ প্রামাণ্যবাদৰ তত্ব

৯.৩ বৈধ জ্ঞানৰ স্বৰূপ ঃ

মীমাংসা দর্শনে বৈধ জ্ঞানৰ স্বৰূপ সম্পর্কে বহলভাৱে আলোচনা কৰিছে। প্ৰধানকৈ, এই দর্শনৰ দুই পৃষ্টপোষক প্ৰভাকৰ আৰু কুমাৰিলেও বৈধ জ্ঞানৰ স্বৰূপ সম্বন্ধে বৰ গুৰুত্বপূৰ্ণভাৱে আৰু বিশ্লেষণাত্মক ভাৱে আলোচনা কৰিছে। প্ৰভাকৰৰ মতে, বৈধ জ্ঞান বুলিলে কোনো বস্তু সম্পর্কে কৰা পোনপটীয়া জ্ঞান বোলা হয়। এই সংজ্ঞাৰ দ্বাৰা তেওঁ এইটো স্পষ্ট কৰিছিল যে সকলো অনুমান বা জ্ঞানেই পোনপটীয়া আৰু তাৎক্ষনিক, সেইবাবে পোনপটীয়া অনুমানৰ দ্বাৰা পোৱা জ্ঞান সদায় বৈধ বুলি পৰিগনিত হয়। কিন্তু পোনপটীয়া অনুমানৰ জৰিয়তে যি বস্তু সম্পর্কে জ্ঞান লাভ কৰা যায় তাক সদায় অর্ন্তনিহিত ভাৱে বৈধ বুলি মানি লোৱা হয়। তথাপিও, আমাৰ স্মৃতি সম্পর্কে থকা জ্ঞানবোৰ যাক অতীতৰ স্মৃতিৰ সহায়ত লাভ কৰিব পাৰি তাক বৈধ বুলি গণ্য কৰা হয়। আনহাতে, কুমাৰিলে কৈছে যে, বৈধ জ্ঞান হৈছে কোনো ত্ৰুতিপূৰ্ণ কাৰণৰদ্বাৰা বা কাৰণৰ পৰা মুক্ত অনুমানৰ পৰা মুক্ত বস্তু সম্পর্কে জ্ঞান আৰু এনে ধৰণৰ জ্ঞানবোৰ সদায় বিৰোধিতা বা বিৰোধৰ পৰা মুক্ত হয়।

ওপৰোক্ত বৈধ জ্ঞানৰ স্বৰূপ সম্পর্কে আলোচনাৰ পৰা, ইয়াক বুজিব পাৰি যে, বৈধ জ্ঞানৰ চাৰি ধৰণৰ চর্ত আছে। প্ৰথমতে, বৈধ জ্ঞান ত্ৰুটিপূৰ্ণ কাৰণৰ পৰা সদায় মুক্ত হ'ব লাগে। দ্বিতীয়তে, ই বিৰোধিতাৰ পৰা মুক্ত হ'ব লাগিব। তৃতীয়তে, এই জ্ঞানে এবিধ এনে বস্তু সম্পর্কে জ্ঞান লাভ কৰিব লাগে যি সদায় পোনপটীয়া তথা তাৎক্ষনিক হয় অথবা যাৰ ইতিমধ্যে কোনো ধৰণে আগতীয়াকৈ জ্ঞান লাভ কৰা নহয়। চতুর্থতে, ই কোনো বস্তু সম্পর্কে জ্ঞান আহৰণ কৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ বৈধজ্ঞানৰ চাৰিটা চর্ত কি কি?

.....

.....

প্ৰশ্ন ২ ঃ মীমাংসা দর্শনৰ পৃষ্টপোষকসকল কোন কোন?

.....

.....

প্ৰশ্ন ৩ ঃ কুমাৰিলৰ মতে বৈধ জ্ঞান কি?

.....

.....

.....

প্রশ্ন ৪ ঃ প্রভাকৰৰ মতে বৈধ জ্ঞান কি?

.....

.....

.....

প্রশ্ন ৫ ঃ স্মৃতি এক ধৰণৰ বৈধ জ্ঞান নেকি?

.....

.....

.....

৯.৪ মীমাংসা দর্শনৰ স্বতঃ প্রামাণ্যবাদ তত্ব ঃ

মীমাংসা দর্শনৰ স্বতঃ প্রামাণ্যবাদৰ তত্বটোক স্বতঃ বৈধতা বা অর্ন্তনিহিত জ্ঞানৰ বৈধতাৰ তত্ব বুলিও জনা যায়। মীমাংসা দর্শনৰ মতে, সকলো ধৰণৰ অনুমানেই নিজে নিজেই বৈধ। ইয়াৰ আন কোনো জ্ঞানৰ দ্বাৰা বৈধতা প্রমান কৰিব নোৱাৰি। ই জ্ঞান নিজে অহা কাৰণবোৰৰ পৰাই আহে। এই জ্ঞানৰ কাৰণবোৰৰ অনিবর্য স্বৰূপৰ বাবেইজ্ঞানৰ বৈধতাৰ উৎপত্তি হয়। ই কোনো আন বাহিৰা কাৰণৰ পৰা নাহে। মামাংসা দর্শনৰ দুজন পৃষ্টপোষক প্রভাকৰ আৰু কুমাৰিলে জ্ঞানৰ অর্ন্তনিহিত বৈধতাৰ বিষয়ে পৃষ্টপোষকতা কৰে। প্রভাকৰে কৈছে, "All cognitions as cognitions are valid; their invalidity is due to their disagreement with the real nature of their objects." কুমাৰিলেও কৈছে, "The validity of knowledge consists in its apprehending an object; it is set aside by such discrepaneies as its disagreement with the real nature of the object." ওপৰোক্ত দুয়োটা উক্তিয়েই এইটোৱেই কয় যে সকলো জ্ঞানেই অর্ন্তনিহিত ভাৱে বৈধ বুলি ধৰি লোৱা হয় আৰু জ্ঞান তেতিয়াই অবৈধ হয় যেতিয়াই এটা বস্তুৰ সঁচা জ্ঞান সেই বস্তুটোৰ মিছা বা ভ্রান্ত জ্ঞানৰ দ্বাৰা বিৰোধিতা কৰা হয়। উদাহৰণ স্বৰূপে, ৰছী এডালক আন্ধাৰত সাপ বুলি ভ্রান্ত জ্ঞান হয় আৰু এই ভ্রান্ত জ্ঞানৰ তেতিয়াই অৱসান ঘটিব যেতিয়াই এইটো স্পষ্ট হয় যে এইডাল এডাল ৰছীহে, সাপ নহয়। এই মিছা জ্ঞানবোৰ যেনে সাপ বুলি ভৰাটো তেতিয়াই সংঘটিত হয় যেতিয়া আমাৰ মগজুত সঁচা জ্ঞানৰ পোহৰৰ অভাৱ ঘটে আৰু ফলস্বৰূপে আমি তাক সাপ বুলি ভুল কৰো। কিন্তু যেতিয়াই আমাৰ মন মগজুত সঁচা জ্ঞানৰ পোহৰ উদভাষিত হয় তেতিয়াই মিছা জ্ঞান আঁতৰি সঁচা জ্ঞানৰ উদ্রেক ঘটে। দৰাচলতে, সঁচা জ্ঞানৰ বৈধতা নিজে নিজেই প্রমাণিত হয়, সঁচা জ্ঞান অর্ন্তনিহিত ভৱে বৈধ যাক অনুমান কৰিব নোৱাৰি, সঁচা জ্ঞান নিজে নিজেই প্রমাণিত, নিজে নিজেই বৈধ।

মীমাংসা দার্শনিক সকলে জ্ঞানৰ বৈধতা ইয়াৰ উৎপত্তি আৰু নিশ্চয়তাৰ ক্ষেত্রত সমর্থন কৰিছে। জ্ঞানৰ স্বতঃ বৈধতা ই কেৱল জ্ঞানেই নিদিয়ে, ই বিশ্বাসৰ আধাৰত জ্ঞানৰ বৈধতা সম্পর্কেওজ্ঞান দিয়ে। জ্ঞানৰ বৈধতা তথা বিশ্বাসে অর্থাৎ জ্ঞানৰ বৈধতাৰ প্রতি থকা বিশ্বাসেকোনোবহিৰা অৱস্থা আৰু প্রমাণীকৰণৰ প্রয়োজনীয়তা অনুভৱ নকৰে। জ্ঞানৰ স্বতঃ বৈধতাই কেৱল দুটা দিশৰ বাবে নির্দেশ কৰে। জ্ঞানৰ অনিবার্য্য অৱস্থাসমূহ যেনে জ্ঞানৰ ক্ষেত্রত ভুল ভ্রান্তিৰ অভাৱ আৰু জ্ঞান আহৰণৰ ক্ষেত্রত বিৰোধৰ অভাৱ, গতিকে সেই বৈধতাৰ ক্ষেত্রত জ্ঞান তথা বিশ্বাস দুয়োটাই একেলগে উদ্ভৱ হয়। সেয়েহে, এইটো স্পষ্ট হয় যে জ্ঞানৰ বৈধতা কেৱল জ্ঞানৰ পিচতহে আছে।

সাংখ্য দর্শনৰ মতেও জ্ঞানৰ বৈধতা অবৈধতা স্বতঃ প্রমাণিত। এই মতৰ বিপৰীতে, বৌদ্ধ দর্শনৰ বিছুমান সম্প্রদায়ে মত প্রকাশ কৰে যে জ্ঞান সদায় অর্ন্তনিহিত ভাৱে অবৈধ কেৱল বাহিৰা অৱস্থাবোৰৰ দ্বাৰাহে ইয়াক বৈধ বুলি প্রমাণিত কৰিব পাৰি। ন্যায় বৈশেষিক সম্প্রদায়েও এইক্ষেত্রত মত পোষণ কৰিছে যে কেৱল বাহিৰা অৱস্থাবোৰৰ দ্বাৰাহে জ্ঞানৰ বৈধতা-অবৈধতা প্রমাণ কৰিব পাৰি। আনহাতে মীমাংসা সম্প্রদায়ে মতপোষণ কৰে যে জ্ঞান অর্ন্তনিহিত ভাৱে বৈধ আৰু কেৱল বাহিৰা অৱস্থাবোৰৰ দ্বাৰাহে ইয়াৰ অবৈধতা প্রমাণ কৰিব পাৰি।

মীমাংসা দর্শনিক সকলে সাংখ্য দার্শনিক সকলৰ মতক তার্কিকভাৱে অস্বীকাৰ কৰে আৰু কয় যে একেখিনি জ্ঞানেই একেলগে বৈধ আৰু অবৈধ হ'ব নোৱাৰে। যদি এনেকুৱা হয় তেনেহ'লে জ্ঞানৰ ক্ষেত্রত স্ব-বিৰোধিতাৰ প্রশ্ন উত্থাপন কৰিব পৰা যাব। যাক আমি একে সময়তে বৈধ আৰু অবৈধ দুয়োটা বুলিয়ে ক'ব পাৰিম। যদি একেখিনি জ্ঞানেই একেলগে বৈধ আৰু অবৈধ হ'ব নোৱাৰে তেনেহ'লে বৈধ জ্ঞানে ইয়াৰ বৈধতা নিজে নিজেই প্রকাশ কৰিব আৰু অবৈধ জ্ঞানেই ইয়াৰ অবৈধতা প্রকট কৰিব। তথাপিও, জ্ঞানৰ এই বৈধতা অবৈধতা পার্থক্যকৰণৰ ক্ষেত্রত এইটো ক'ব পাৰি যে জ্ঞানৰ অবৈধতা কোনো বাহিৰা পৰিৱেশ বা অৱস্থাৰ সহায় নোলোৱাকৈ প্রমাণ কৰিব নোৱাৰি। এই ক্ষেত্রত বৌদ্ধ দর্শনৰ মতামতকো সমালোচনা কৰিব পাৰি যে যদি জ্ঞান অর্ন্তনিহিতভাৱে অবৈধ হয়, ই পিছলৈ কেতিয়াও বৈধ হ'ব নোৱাৰে। যদি অর্ন্তনিহিতভাৱে অবৈধ জ্ঞান পিছলৈ আন জ্ঞানৰ সহায়ত বৈধ বুলি প্রমাণিত হয়, যাক বৈধ বুলি পৰিগণিত কৰা হ'ব প্রথম জ্ঞান বৈধ বুলি প্রমাণিত কৰিবৰ বাবে, তেনেহ'লে এইক্ষেত্রত এটা দোষৰ উন্মেষ ঘটিব কিয়নো এই দ্বিতীয় প্রকাৰৰ জ্ঞানখিনিকো বৈধ বুলি প্রমাণ কৰিবলৈ আন বেলেগ জ্ঞানৰ প্রয়োজন হ'ব আৰু এনেদৰে জ্ঞানক বৈধ বুলি প্রমাণ কৰাৰ এই ব্যৱস্থাটো নিৰবিছিন্ন ভাৱে চেইনৰ আকাৰত চলি থাকিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ স্বতঃ প্রামাণ্যবাদৰ আন এটা নাম কি?

.....

.....

প্রশ্ন ৭ ঃ জ্ঞানৰ অবৈধতাৰ উদ্ভৱ কেনেদৰে হয়?

.....

.....

প্রশ্ন ৮ ঃ জ্ঞানৰ ক্ষেত্রত বৌদ্ধ দর্শনৰ মতামতটোক কিয় মীমাংসা দার্শনিক সকলে সমালোচনা কৰিছে?

.....

.....

৯.৫ ন্যায় দর্শনৰ পৰতঃ প্রামাণ্যবাদৰ তত্ব

ন্যায় দর্শনৰ মতে, জ্ঞানৰ বাহ্যিক বৈধতাক পৰঃ প্রামাণ্যবাদ বুলি কোৱা হয়। এই তত্ব মতে, জ্ঞান নিজে নিজে বৈধ বা অবৈধ হ'ব নোৱাৰে। ই স্বাভাৱিক জ্ঞানৰ উৎপত্তিৰ পিছতহে ইয়াৰবৈধতা অবৈধতাৰ প্রান উত্থাপন হয়। জ্ঞানৰ স্বৰূপে ইয়াৰ বিষয়ে থকা বস্তুবিধৰ লগত সামঞ্জস্য থাকে আৰু ইয়াকে জ্ঞানৰ মানদণ্ড বা সত্যতাৰ মাপকাঠি বুলিও কোৱা হয়। যদি জ্ঞানে এটা সাফল্যমণ্ডিত ফলাফল বা কার্য্যলৈ গতি কৰে সেই জ্ঞান বৈধ আৰু যদি নকৰে তেনেহ'লে সেই জ্ঞান অবৈধ হয়।

ন্যায় দর্শনৰ মতে জ্ঞানৰ বৈধতা অবৈধতা ইয়াৰ লগত অর্ন্তনিহিত ভাৱে সংযুক্ত হৈ নাথাকে। জ্ঞানৰ কাৰণবোৰৰ গুণাগুণৰ ফলাফল বোৰ সাফল্যতাকেই বৈধতা আৰু আনহাতে, এই কাৰবাৰৰ গুণাগুণৰ ফলাফলৰ অসাফল্যতাকেই অবৈধতা বুলি কোৱা হয়। জ্ঞান জ্ঞানেই আৰু ই বৈধ বা অবৈধ হয় বাহ্যিক অৱস্থাবোৰৰ বাবেহে। মীমাংসা দার্শনিক সকল নৈয়ায়িক দার্শনিক সকলৰ লগত জ্ঞানৰ অবৈধতাৰ ক্ষেত্রত একমত। কিন্তু জ্ঞানৰ বৈধতাৰ ক্ষেত্রত মীমাংসা দার্শনিক সকল নৈয়ায়িক দার্শনিক সকলৰ লগত একমত নহয়। তেওঁলোকৰ মতে, সকলো জ্ঞানেই অর্ন্তনিহিতভাৱে বৈধ আৰু ইয়াৰ অবৈধতাৰ দৰে ইয়াৰ বৈধতা প্রমাণৰ বাবে ইয়াক আন কোনো বাহিৰা বা বাহ্যিক অৱস্থাৰ প্রয়োজন নহয়। ইয়াৰ বিপৰীতে, নৈয়ায়িক সকলে মত পোষণ কৰিব লাগিব যে জ্ঞান সাধাৰণভাৱে জ্ঞানেই, ই স্বাভাৱিক। জ্ঞানৰ বৈধতা বা অবৈধতা তাৎক্ষণিকভাৱে উৎপত্তি নহয়, ইজ্ঞানৰ পিছতহে আহে। সেয়েহে, ই বাহ্যিক অৱস্থাৰ পোষণ কৰে যে জ্ঞান দৰাচলতে স্বাভাৱিক নহয়, বৰঞ্চ ই পিছত বৈধ বা অবৈধ হয়।

সেয়েহে, ন্যায় দার্শনিক সকলে দাঙি ধৰা জ্ঞান স্বাভাৱিক বোলা এই কথাষাৰক মীমাংসা দার্শনিকসকলে মানিলোৱা নাই। মীমাংসা দার্শনিক সকলৰ মতে, স্বাভাৱিক জ্ঞানৰ কোনো সাম্ভ্যৱতা নাই আৰু জ্ঞানৰ বৈধতা আন কোনোৱে নির্ধাৰণ কৰিব নোৱাৰেযদিহে জ্ঞান নিজে নিজেই স্বতঃ বৈধ নহয়। তাকেই মীমাংসা দার্শনিক সকলে মত পোষণ কৰে আৰু অস্বীকাৰ কৰে যে জ্ঞানৰ কাৰণসমূহত ইয়াৰ গুণৰ অৱস্থিতি সমূহে ইয়াক বৈধ আৰু ইয়াৰ কাৰণসমূহত থকা আসোৱাহ সমূহে জ্ঞানক অবৈধ কৰি তোলে।

মীমাংসা দার্শনিক সকলে ইয়াকো মত প্রকাশ কৰে যে যদি জ্ঞানে নিজে নিজেই বৈধ বুলি প্রমাণ কৰিবলৈ বাহ্যিক অৱস্থাৰ প্রয়োজন বুলি গণ্য কৰে আৰু দ্বিতীয়বিধ জ্ঞান যিনিজে নিজেই বৈধৰা যিটো প্রথম প্রকাৰৰ জ্ঞানক বৈধ বুলি প্রমাণ কৰিবলৈ প্রয়োজনহয়, তেনেহ'লে ইয়াত এবিধ তৃতীয় প্রকাৰৰ জ্ঞানৰো দৰকাৰ হ'ব যিয়ে দ্বিতীয় প্রকাৰৰ জ্ঞানবিধক বৈধ বুলি প্রমাণ কৰিব লাগিব। ই প্রথম প্রকাৰৰ জ্ঞানক বৈধ বুলি প্রমাণ কৰাৰ আগতে। সেয়েহে, জ্ঞানৰবৈধতাৰ ব্যৱস্থাটো নিৰবিছিন্নভাৱে চলি থাকিব যদিহে জ্ঞান নিজে নিজেই স্বতঃ বৈধ বা অর্ন্তনিহিত ভাৱে বৈধ নহয়। সেয়েহে, সকলো প্রকাৰৰ জ্ঞানেই স্বতঃ বৈধ হ'বলাগে। ন্যায়দর্শনে আগবঢ়োৱা বাহ্যিক বা বাহিৰা অৱস্থাবোৰ য'ত সকলে কার্যক্রমৰ লগত সামঞ্জস্যতাৰ কথা কোৱা হয় সেইবোৰ অৱস্থাক প্রকৃতার্থত কোনো ধৰণৰ বাহ্যিক বা বাহিৰা অৱস্থা বুলি গণ্য কৰিব নোৱাৰি। বৰঞ্চ, সামঞ্জস্যতা, ফলদায়ক কার্যক্রম, উৎকৃষ্টতা,শ্রেষ্ঠতা ইত্যাদি পদবোৰ বৈধ জ্ঞানৰ ক্ষেত্রত প্রয়োজনীয় বৈশিষ্ট্য বুলি গণ্য কৰা হয়। সেয়েহে, সেইবোৰ বাহ্যিক অৱস্থাও নহয়, সাধাৰণ নামমাত্র অৱস্থাও নহয় নাইবা জ্ঞানৰ বৈধতা নির্ধাৰণৰ পৰীক্ষামূলক পদ্ধতিও নহয়। সিহঁত দৰাচলতে, বৈধ জ্ঞানৰ প্রয়োজনীয় আৰ আৱশ্যকীয় কাৰণ। কেৱল এই অৱস্থাবোৰৰ উপস্থিতিহে বৈধ জ্ঞানৰ উৎপত্তি হ'ব নোৱাৰে।

৯.৬ পৰতঃ প্রামাণ্যবাদ আৰু স্বতঃ প্রামাণ্যবাদ ঃ এক তুলনা

ন্যায় দর্শনৰ পৰতঃ প্রামাণ্যবাদ আৰু মীমাংসা দর্শনৰ স্বতঃ প্রামাণ্যবাদৰ তত্ব দুটাক পাশ্চাত্য তর্কবিজ্ঞানৰ সাদৃশ্যবাদআৰু সংগতিবাদৰ তত্বৰ লগত ৰিজব পাৰি। পাশ্চাত্য বস্তুবাদে মত পোষণ কৰে যে সত্যতাৰ স্বৰূপ আৰু সত্যাসত্য নির্ণয়ে দৰাচলতে বাহ্যিক সত্যতাৰ লগত সাদৃশ্য বাহে উনুকিয়াই। আনহাতে, পাশ্চাত্য ভাৱবাদে কয় যে সত্যতাৰ স্বৰূপ আৰু সত্যাসত্য নির্ণয় হৈছে কোনো এটা পদ্ধতিৰ লগত থকা সংগতি বা আত্ম-সংগতি। সাদৃশ্যবাদৰ তত্ব মতে, এটা বচন বা বাক্য সত্য হ'ব যেতিয়া ই বাহ্যিক কোনো বস্তু বা সত্যতাৰ লগত মিল খায়। সেয়েহে, সাদৃশ্যবাদে কয় যে সত্যতা হ'ল এটা বচন বা বাক্য আৰু কোনো বাহ্যিক বস্তু বা সত্যৰ লগত থকা পোনপতীয়া সম্বন্ধ। সেয়েহে, এইতত্ব মতে আমাৰ জ্ঞানখিনি বাহ্যিক বস্তুৰ লগত মিল খাব লাগিব যদিহে ই সঁচা বা সত্য জ্ঞান হ'ব লাগে। এই তত্বটোক এইবাবে সমালোচনা কৰা হয় কাৰণ আমাৰ জ্ঞান বা সত্যতা কেতিয়াও একেবাৰে বাহ্যিক বা

পোনপতীয়া সম্বন্ধ হ'ব নোৱাৰে বা সত্যতাক কেতিয়াও বাহ্যিক বস্তুৰ লগত সাদৃশ্যৰ ভিত্তিত বিচাৰ কৰি চাব নোৱাৰি। উদাহৰণ স্বৰূপে, আমি প্রত্যক্ষ কৰো যে পৃথিৱী সূর্য্যৰ চাৰিওফালে ঘূৰে, কিনতুই সঁচা নহয়নে? স্‌ধাৰণভাৱেই সত্য কাৰণ আমি প্রত্যক্ষ কৰো, কিন্তু যদি আমি ইয়াক জটিলভাৱে আৱিস্কাৰ কৰিবৰ চেষ্টা কৰো, তেনেহ'লে ই মিছাহ'ব।সেইবাবে, সকলোধৰণৰ জ্ঞানৰ ক্ষেত্রত সাদৃশ্যবাদ বা বাহ্যিক সম্বন্ধ ই কেতিয়াও যিকোনো এটা বচন বা বাক্যৰ সত্যতা বা মিথ্যাত্বনির্ধাৰণ কৰিব নোৱাৰে। আকৌ, এটা বচন বা বাক্যত থকা পদসমূহ যদি প্রকৃতভাৱে সৰল আৰু স্বাধীন বুলি ধৰা হয়, তেনেহ'লে সিহঁতৰ মাজত কেতিয়াও কোনো সম্পর্ক থাকিব নোৱাৰে। এইদৰে, সংগতিবাদৰ তত্বটোৱে কয় যে, সম্বন্ধ কেৱল এটা সংগতি পূর্ণ বৃত্তৰ ভিতৰত হে সম্বস্তু আৰু কেৱল সৰল বা স্বাধীন কিছুমান বস্তুৰ সম্বন্ধয়ে এটা প্রকৃত পৰিধিবা বৃত্তৰ সৃষ্টি কৰিব নোৱাৰে। ভাৱবাদী দার্শনিক সকলে সংগতিবাদৰ তত্বটোক সমর্থন কৰিছে আৰু কয় যে সত্যতা হৈছে এটা অন্তবৃত্ত বা পৰিধি যাক অনৈক্যতাৰ মাজত ঐক্যতা বুলি ক'ব পাৰি যাত আত্ম-সংগতিবূর্ণ বা সংগতিপূর্ণ পৰিধিবুলিও ক'ব পাৰি। সংগতিবাদৰ তত্ব মতে, সত্যতা বা জ্ঞান হ'ল এক শৃংখলবদ্ধ সংগতি যাক এটা পৰিধি বা সমষ্টিৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্যবুলি গণ্য কৰা হয়। সেইবাবে, সংগতিবাদৰ তত্ব মতে, সংগতি বা আত্ম-সংগতি বৈধ জ্ঞানৰ স্বৰূপ। এ তত্বটোক আকৌ এইভাৱেও সমালোচনা কৰা হয় যে কোনো সত্যতাই সম্পূর্ণভাৱে সত্য হ'ব নোৱাৰে কাৰণ সংগতিয়ে সত্যৰ পৰীক্ষা হিচাপে কোনো মূর্ত বৃত্ত, পৰিধি বা সংষ্টিৰ লগত মিল খোৱাত বাধাৰ সৃষ্টি হয়। অর্থাৎ ইহঁতৰ মাজত কোনো তুলনা বা মিল হ'ব নোৱাৰে। এইদৰে ইয়াত সত্যতাত পৰিমাপনৰ কথা স্বীকাৰ কৰা হয় কাৰণ সত্যতাৰ মাপকাঠি হিচাপে সংগতিবাদে প্রকৃতি সত্যতাক প্রমাণ কৰাত বা প্রতিনিধিত্ব কৰাৰ ক্ষেত্রত বিফলতাৰ সন্মুখীন হৈছে। আকৌ, সত্যতা বা জ্ঞানৰ ধাৰণাটোক পৰিমাপনৰ বিষয় হিচাপেও গ্রহণ কৰিব নোৱাৰি যাক সংগতিবাদৰ তত্বটোৱে সমর্থন কৰে।

পাশ্চাত্য বস্তুবাদৰ দৰে ন্যায় পদ্ধতিয়েও বৈধ জ্ঞানৰ স্বৰূপ নির্ধাৰণৰ ক্ষেত্রত বাহ্যিক সত্যতাৰ লগত সাদৃশ্যবাদকেই সমর্থন জনাইছে। কিন্তু ন্যায় পদ্ধতিয়ে বাহ্যিক সত্যতাৰ লগত সাদৃশ্যক সত্যতাৰ পৰিমাপন বা মাপকাঠি হিচাপে গ্রহণ কৰা নাই। ইয়াৰ বিপৰীতে, পাশ্চাত্য বস্তুবাদে বাহ্যিক সত্যতাৰ লগত সাদৃশ্য বা পোনপটীয়া সম্বন্ধকেই সত্যতাৰ মাপকাঠি হিচাপে স্বীকাৰ কৰিছে। ন্যায় পদ্ধতিয়ে বাহ্যিক অৱস্থাৰ লগত সাদৃশ্যবাদ নামৰ পদৰ পৰিৱর্তে ফলদায়ক কার্য্যক্রম বা বাস্তৱিক নিমিত্ততাক সত্যতাৰ মাপকাঠিৰ ক্ষেত্রত বেছি গ্রহণ যোগ্য বুলি ভাৱে। সেইবাবে, এই ক্ষেত্রত ন্যায় দর্শনে পোনপটীয়া পৰীক্ষা বা সৰল বস্তুবাদক অস্বীকাৰ কৰিবলৈ উপযোগিতাবাদক গ্রহণ কৰিছে। মীমাংসা দর্শনে আকৌ বিৰোধৰ পৰা মুক্ত হ'লে ফলদায়ক কার্য্যক্রম বা বাস্তৱিক নিমিত্তক গ্রহণ কৰিছে।

যদিও মীমাংসা দর্শনে সত্যৰ সংগতিবাদৰ তত্বটোক স্বীকাৰ কৰিছে তথাপিও মীমাংসা দর্শনৰ সংগতিবাদৰ তত্ব আৰু ভাৱবাদী দর্শনক সংগতিবাদৰ তত্বৰ মাজত পার্থক্য দেখা যায়।

ন্যায় দর্শনৰ দৰে মীমাংস দর্শনেও স্বীকাৰ কৰে যে জ্ঞানে সদায় বাহ্যিক আৰু স্বাধীন বস্তুক নির্দ্দেশ কৰিব লাগিব। মীমাংসা দার্শনিক সকলে আকৌ এইটোৱে কয় যেবৈধ জ্ঞানে সঁচা অর্থত বাহ্যিক বস্তু নির্দেশ কৰিব লাগিব আৰু বৈধ জ্ঞানৰ স্বৰূপ সেইটোহে হ'ব যেতিয়া আমাৰ জ্ঞানখিনিয়ে বাহ্যিক বস্তুৰ লগত ৰজিতা খায়। মীমাংসা দর্শনে ন্যায় দর্শনৰ যুক্তিৰ লগত একমত যে বাহ্যিক অৱস্থাৰ বাবেহে জ্ঞান অবৈধ হয় আৰু স্পষ্টভাৱে মত পোষণ কৰে যে সকলো জ্ঞানেই অর্ন্তনিহিত ভাৱে বৈধ। কিন্তু ই সত্যতাৰ পৰীক্ষাক মাপকাঠি সম্পর্কে ওকালতি কৰা নাই, বৰঞ্চ ই মত প্রকাশ কৰে যে সংগতি বা আত্ম-সংগতি বৈধ জ্ঞানৰ স্বৰূপ। তাৰ উপৰি সংগতিবাদৰ পৰা আঁতৰি ই মত প্রকাশ কৰে যে প্রকৃত সত্যতা এটা মূর্ত সমষ্টি,বৃত্ত বা পৰিধি বুলি পৰিগণিত কৰিব নোৱাৰি বা অনৈক্যতাৰ মাজত ঐক্যতা বুলিও ক'ব নোৱাৰি। প্রকৃত সত্যতা হ'ল বিভিন্ন স্বাধীন স্পষ্ট বস্তুৰ মাজত কৰা তুললা বা ৰিজনি। বাহ্যিক অৱস্থাৰ পৰা যুক্তি সমর্থন কৰি বাহ্যিক বস্তুৰ লগত সাদৃশ্য গ্রহণ কৰি আৰু জ্ঞান অর্ন্তনিহিত ভাৱে বৈধ বা স্বতঃবৈধ হয় আৰু মীমাংসা দর্শনে সংগতিবাদৰ তত্বটোৰ বিৰুদ্ধে সকলো সমালোচনা অস্বীকাৰ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৯ঃ পৰতঃ প্রামাণ্যবাদ মানে কি?

.....

.....

প্রশ্ন ১০ ঃ মীমাংসা দার্শনিকসকল আৰু নৈয়ায়িক সকলৰ জ্ঞানৰ অবৈধতা সম্পর্কে গ্রহণ কৰা উমৈহতীয়া মতামতবোৰ লিখক।

.....

.....

প্রশ্ন ১১ ঃ মীমাংসা দর্শনৰ মতে, কেনেকৈ অর্ন্তনিহিত ভাৱে অবৈধ জ্ঞানে নিৰবিছিন্নতাৰ দোষলৈ গতি কৰে? চমুকৈ বর্ণনা কৰক।

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- প্রভাকৰ আৰু কুমাৰিলে, মীমাংসা দর্শনৰ দুজন পৃষ্ঠপোষক, বৈধ জ্ঞানৰ স্বৰূপ সম্বন্ধে বৰ গুৰুত্বপূর্ণভাৱে আৰু বিশ্লেষণাত্মকভাৱে আলোচনা কৰিছে। প্রভাকৰৰ মতে, বৈধ জ্ঞান বুলিলে কোনো বস্তু সম্পর্কে কৰা পোনপটীয়া জ্ঞান বোলে। এই

সংজ্ঞাৰদ্বাৰা তেওঁ এইটো স্পষ্ট কৰিছিল যে, সকলো অনুমান বা জ্ঞানেই পোনপটীয়া আৰু তাৎক্ষণিক, সেইবাবে পোনপটীয়া অনুমানৰদ্বাৰা পোৱা জ্ঞান সদায় বৈধ বুলি পৰিগণিত হয়।

- বৈধ জ্ঞানৰ চাৰিটা দৰকাৰী তথা প্রয়োজনীয় অৱস্থা বা চর্ত হ'ল ঃ প্রথমতে, বৈধ জ্ঞান ত্রুটিপূর্ণ কাৰণৰ পৰা সদায় মুক্ত হ'ব লাগে। দ্বিতীয়তে, ই বিৰোধিতাৰ পাৰ মুক্ত হ'ব লাগিব। তৃতীয়তে, এই জ্ঞানে এবিধ এনে বস্তু সম্পর্কে জ্ঞান লাভ কৰিব লাগে যি সদায় পোনপটীয়া তথা তাৎক্ষণিক হয় অথবা যাৰ ইতিমধ্যে কোনো ধৰণে আগতীয়াকৈ জ্ঞান লাভ কৰা নহয়। চতুর্থতে, ই কোনো বস্তু আগতীয়াকৈ জ্ঞান আহৰণ কৰিব লাগিব।
- মীমাংসা দর্শনৰ স্বতঃ প্রামাণ্যবাদৰ তত্বটোক স্বতঃ বৈধ বা জ্ঞানৰ অর্ন্তনিহিত বৈধতাৰ তত্ব বুলিও জনা যায়।
- মীমাংসা দর্শনৰ মতে সকলো ধৰণৰ অনুমানেই অর্ন্তনিহিতভাৱে বৈধ আৰ নিজে নিজেই বৈধ। আন কোনো জ্ঞানৰ দ্বাৰা ইয়াৰ বৈধতা প্রমাণ কৰিব নোৱাৰি। ই জ্ঞান নিজে অহা বা উদ্ভৱ হোৱা কাৰণবোৰৰ পৰাই আহে। এই জ্ঞানৰ কাৰণবোৰৰ অনিবার্য্য স্বৰূপ বাবেই জ্ঞানৰ বৈধতাৰ উৎপত্তি হয়। ইকোনো আন বাহিৰা কাৰণৰ পৰা নাহে। মীমাংসা দর্শনৰ দুজন পৃষ্ঠপোষক প্রভাকৰ আৰু কুমাৰিলে জ্ঞানৰ অর্ন্তনিহিত বৈধতাৰ বিষয়ে পৃষ্ঠপোষকতা কৰে।
- সাংখ্য দর্শনৰ মতে, জ্ঞানৰ বৈধতা আৰ অবৈধতা স্বতঃ প্রমাণিত। এই মতৰ বিপৰীতে, বৌদ্ধ দর্শনৰ কিছুমান সম্প্রদায়ে মত প্রকাশ কৰে যে জ্ঞান সদায় অর্ন্তনিহিতভাৱে অবৈধ আৰ কেৱল বাহিৰা অৱস্থাবোৰৰ দ্বাৰাহে ইয়াক বৈধ বুলি প্রমাণিত কৰিব পাৰি। ন্যায় বৈশেষিক সম্প্রদায়েও এই ক্ষেত্রত মত পোষণ কৰিছে যে কেৱল বাহিৰা অৱস্থাবোৰৰ দ্বাৰাহে জ্ঞানৰ বৈধতা-অবৈধতা প্রমাণ কৰিব পাৰি। আনহাতে, মীমাংসা সম্প্রদায়ে মত পোষণ কৰে যে জ্ঞান অর্ন্তনিহিতভাৱে বৈধ আৰ কেৱল বাহিৰা অৱস্থাবোৰৰ দ্বাৰাহে ইয়াৰ অবৈধতা প্রমাণ কৰিব পাৰি।
- মীমাংসা দার্শনিকসকলে সাংখ্য দার্শনিক সকলৰ মতক তার্কিক ভাৱে অস্বীকাৰ কৰে আৰু কয় যে একেখিনি জ্ঞানেই একেলগে বৈধ আৰু অবৈধ হ'ব নোৱাৰে। যদি এনেকুৱা হয় তেনেহ'লে জ্ঞানৰ ক্ষেত্রত স্ব-বিৰোধিতাৰ প্রশ্ন উত্থাপন কৰিব পৰা যাব যাক আমি একে সময়তে বৈধ আৰু অবৈধ দুয়োটা বুলিয়ে ক'ব পাৰিম।
- ন্যায় দর্শনৰ মতে, জ্ঞানৰ বাহ্যিক বৈধতাকে পৰতঃ প্রামাণ্যবাদ বুলি কোৱা হয়। এই তত্বমতে, জ্ঞান নিজে নিজেই বৈধ বা অবৈধ হ'ব নোৱাৰে। ই স্বাভাৱিক। জ্ঞানৰ উৎপত্তিৰ পিছতহে ইয়াৰ বৈধতা অবৈধতাৰ প্রাণ উত্থাপন হয়। জ্ঞানৰ স্বৰূপে ইয়াৰ বিষয়ে থকা বস্তুবিধৰ লগত সামঞ্জস্য থাকে যাক আমি একে সময়তে বৈধ আৰু অবৈধ বুলি চিহ্নিত কৰো।

- ন্যায় দর্শনে প্রচণ্ডভাৱে জোৰ দি কৈছিল যে বৈধতা বা অবৈধতা জ্ঞানৰ লগত অন্তর্নিহিত বা আভ্যান্তৰীণ ভাৱে সংযুক্ত নহয়। বৈধতা হৈছে, জ্ঞানৰ কাৰণ সমূহতে থকা গুণ বা উৎকৃষ্টতাৰ ফলাফল। আৰু অবৈধতা হৈছে জ্ঞানৰ কাৰণ সমূহত থকা ভুল বা দোষবোৰৰ বাবে । জ্ঞান সাধাৰণভাৱে জ্ঞানেই আৰু কেৱল বাহ্যিক চর্তবোৰৰ বাবেহে ই পিছে বৈধ বা অবৈধ হয়।



৯.৮ অধিক জানিবলৈ

(1) Sharma, Chandradhar (1997), A critical survey of Indian Philosophy, Delhi : Motilal Banarsidass Publishers.

(2) Hirinya, M. (1993), Outlines of Indian Philosophy, Dehli : Motilal Banarsidass Publishers

(3) Chattarjee, Satischandra & Datta, Dhirendra Rohan, 1964, An introduction to Indian Philosophy, Culcutta : University Press.



৯.৯ অগ্রগতি খতিয়ান

প্রশ্ন ১ উত্তৰ ঃ জ্ঞানতবৈধতাৰ চাৰিটা চর্ত আছে। প্রথমতে, বৈধ জ্ঞান ত্রুটিপূর্ণ কাৰণৰ পৰা সদায় মুক্ত হ'ব লাগে। দ্বিতীয়তে, ই বিৰোধিতাৰ পৰা মুক্ত হ'ব লাগিব। তৃতীয়তে, এই জ্ঞানে এবিধ এনে বস্তু সম্পোর্কে জ্ঞান লাভ কৰিব লাগে যি সদায় পোনপটীয়া তথা তাৎক্ষণিক হয় অথবা যাৰ ইতিমধ্যে কোনো ধৰণে আগতীয়াকৈ জ্ঞান লাভ কৰা নহয়। চতুর্থতে, ই কোনো বস্তু সম্পোর্কে জ্ঞান লাভ কৰিব লাগিব।

প্রশ্ন ২ উত্তৰ ঃ প্রভাকৰ আৰু কুমাৰিল।

প্রশ্ন ৩ উত্তৰ ঃ কুমাৰিলে কৈছে যে বৈধ জ্ঞান হৈছে কোনো ত্রুতিপূর্ণ কাৰণৰ দ্বাৰা মুক্ত অনুমানৰ পৰা মুক্ত বস্তু সম্পর্কে জ্ঞান আৰু এনে ধৰণৰ জ্ঞানবোৰে সদায় বিৰোধিতা বা বিৰোধৰ পৰা মুক্ত হয়।

প্রশ্ন ৪ উত্তৰ ঃ প্রভাকৰৰ মতে, বৈধ জ্ঞান বুলিলে কোনো বস্তু সম্পর্কে কৰা পোনপটীয়া জ্ঞান বোলে। এই সংজ্ঞাৰ দ্বাৰা তেওঁ এইটো স্পষ্ট কৰিছিল যে সকলো অনুমান বা জ্ঞানেই পোনপটীয়া আৰু তাৎক্ষণিক সেইবাবে পোনপটীয়া অনুমানৰ দ্বাৰা পোৱা জ্ঞান সদায় বৈধ বুলি পৰিণিত হয়।

প্রশ্ন ৫ উত্তৰ ঃ স্মৃতি সম্পর্কে জ্ঞান অতীতৰ ঘটনা সমূহৰ পৰা পোৱা যায়। সেয়েহে ইয়াক বৈধ জ্ঞান বুলি পৰিগণিত কৰিব নোৱাৰি।

প্রশ্ন ৬ উত্তৰ ঃ মীমাংসা দর্শনৰ স্বতঃপ্রামাণ্যবাদৰ তত্বটোক স্বতঃ বৈধতা বা জ্ঞানৰ অর্ন্তনিহিত বা তাৎক্ষণিক বৈধতা বুলিও কোৱা হয়।

প্রশ্ন ৭ উত্তৰ ঃ অবৈধ জ্ঞানৰ তেতিয়াই উদ্রেক হয় যেতিয়াই এটা বস্তুৰ সঁচা জ্ঞান সেই বস্তুটোৰ মিছা বা ভ্রান্ত জ্ঞানৰ দ্বাৰা বিৰোধিতা কৰা হয়। উদাহৰণস্বৰূপে, ৰছী এডালক আন্ধাৰত সাপ বুলি ভবাটো ভ্রান্ত জ্ঞান। আৰু এই ভ্রান্ত জ্ঞানৰ তেতিয়াই অৱমান ঘটিব যেতিয়াই এইটো স্পষ্ট হয় যে এই ডাল ৰছীহে, সাপ নহয়। এই মিছা জ্ঞানবোৰ যেনে সাপ বুলি ভবাটো তেতিয়া সংঘটিত হয় যেতিয়া আমাৰ মগজুত সঁচা জ্ঞানৰ পোহৰৰ অভাৱ ঘটে আৰু ফলস্বৰূপে আমি তাক সাপ বুলি ভুল কৰো।

প্রশ্ন ৮ উত্তৰ ঃ মীমাংসা দার্শনিক সকলে বৌদ্ধ দর্শনৰ মতামতক সমালোচনা কৰি কৈছে যে যদি জ্ঞান অর্ন্তনিহিতভাৱে অবৈধ হয়, ই পিছলৈ কেতিয়াও বৈধ হ'ব নোৱাৰে। যদি অর্ন্তনিহিতভাৱে অবৈধ জ্ঞান পিছলৈ আন জ্ঞানৰ সহায়ত বৈধ বুলি প্রমাণিত হয়, যাক বৈধ বুলি পৰিগণিত কৰা হ'ব প্রথম জ্ঞানবিধি প্রমাণিত কৰিবৰ বাবে, তেনেহ'লে এই ক্ষেত্রত এটা দোষৰ উন্মেষ ঘটিব কিয়নো এই দ্বিতীয় প্রকাৰৰ জ্ঞানখিনিকো বৈধ বুলি প্রমাণ কৰিবলৈ আন বেলেগ জ্ঞানৰ প্রয়োজন হ'ব আৰু এনেদৰে জ্ঞানক বৈধ বুলি প্রমাণ কৰাৰ এই ব্যৱস্থাটো নিৰবিছিন্ন ভাৱে চেইনক আকাৰত চলি থাকিব।

প্রশ্ন ৯ উত্তৰ ঃ ন্যায় দর্শনৰ মতে, জ্ঞানৰ বাহ্যিক বৈধতাকে পৰতঃ প্রামাণ্যবাদ বুলি কোৱা হয়। এই তত্বমতে, জ্ঞান নিজে নিজেই বৈধ বা অবৈধ হ'ব নোৱাৰে, ই স্বাভাৱিক। জ্ঞানৰ উৎপত্তিৰ পিছতহে ইয়াৰ বৈধত অবৈধতাৰ প্রশ্ন উত্থাপিত হয়।

প্রশ্ন ১০ উত্তৰ ঃ জ্ঞানৰ অবৈধতাৰ ক্ষেত্রত মীমাংসা দার্শনিক সকলে নৈয়ায়িক সকলক সমর্থন কৰিছে। দুয়োটা সম্প্রদায়ে কয় যে, বাহ্যিক চর্তবোৰৰ আধাৰতহে জ্ঞানৰ অবৈধতাৰ প্রশ্ন আহে।

প্রশ্ন ১১ উত্তৰ ঃ মীমাংসা দার্শনিক সকলে মতপোষণ কৰে যে যদি জ্ঞানে নিজে নিজেই বৈধ বুলি প্রমাণ কৰিবলৈ বাহ্যিক অৱস্থাৰ প্রয়োজন বুলি গণ্য কৰে, আৰু দ্বিতীয়বিধ জ্ঞান যি নিজে নিজেই বৈধ আৰ যিটো প্রথম প্রকাৰৰ জ্ঞানক বৈধ বুলি প্রমাণ কৰিবলৈ প্রয়োজন হয়, তেনেহ'লে ইয়াত এবিধ তৃতীয় প্রকাৰৰ জ্ঞানৰো দৰকাৰ হ'ব যিয়ে দ্বিতীয় প্রকাৰৰ জ্ঞানবিধক বৈধ বুলি প্রমাণ কৰিব লাগিব ই প্রথম প্রকাৰৰ জ্ঞানক বৈধ বুলি প্রমাণ কৰাৰ আগতে। সেয়েহে, জ্ঞানৰ বৈধতাৰ ব্যৱস্থাটো নিৰবিছিন্নভাৱে চলি গৈ থাকিব যদিহে জ্ঞান নিজে নিজেই স্বতঃবৈধ বা অর্ন্তনিহিতভাৱে বৈধ নহয়। সেয়েহে, সকলো প্রকাৰৰ জ্ঞানেই স্বতঃ বৈধ হ'ব লাগে।



৯.১০ আহিঁ প্রশ্ন ঃ

(ক) অতি চমু প্রশ্ন ঃ

(ক) কুমাৰিলৰ মতে, বৈধ জ্ঞান কি?

(খ) প্রভাকৰৰ মতে বৈধ জ্ঞান কি?

(গ) মীমাংসা দর্শনৰ পৃষ্ঠপোষক কোন কোন?

(ঘ) বৈধ জ্ঞানৰ প্রয়োজনীয় চর্ত সমূহ কি কি?

(ঙ) জ্ঞানৰ অর্ন্তনিহিত বৈধতাৰ আন এটা নাম কি?

(চ) জ্ঞানৰ অর্ন্তনিহিত বৈধতাৰ সংজ্ঞা দিয়া।

(ছ) বৈধ জ্ঞানৰ ক্ষেত্রত ন্যায়-বৈশেষিকৰ মতামতটো লিখা।

(জ) জ্ঞানৰ স্বতঃ বৈধতাৰ দুটা দিশ কি কি?

(ঝ) পৰতঃ প্রামাণ্যবাদ কাক বোলে?

(খ) চমু প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া) ঃ

(ক) মীমাংসা দর্শনৰ মতে বৈধ জ্ঞানৰ স্বৰূপ সম্পর্কে চমুকৈ লিখক।

(খ) জ্ঞানৰ স্বতঃ বৈধতা মানে কি? চমুকৈ বর্ণনা কৰক।

(গ) বৈধ জ্ঞানৰ ক্ষেত্রত মীমাংসা দর্শনে কেনেকৈ সাংখ্য দর্শনৰ মতামতক অস্বীকাৰ কৰিছে? চমুকৈ আলোচনা কৰক।

(ঘ) বৈধ জ্ঞানৰ ক্ষেত্রত মীমাংসা দর্শনে কেনেকৈ বৌদ্ধ দর্শনৰ মতামতক অস্বীকাৰ কৰিছে? চমুকৈ আলোচনা কৰক।

(ঙ) পৰতঃ প্রামাণ্যবাদৰ ওপৰত এটি চমুটোকা লিখক।

(গ) দীঘল প্রশ্ন (৩০০ শব্দৰ ভিতৰত উত্তৰ দিয়া) ঃ

(ক) মীমাংসা দর্শনৰ স্বতঃবৈধতা অথবা জ্ঞানৰ অর্ন্তনিহিত বৈধতা সম্পর্কে থকা তত্বটো আলোচনা কৰক।

(খ) পৰতঃ প্রামাণ্যবাদ বা জ্ঞানৰ বাহ্যিক বৈধতা মানে কি বুজা? ন্যায় দর্শনৰ মত অনুসৰি আলোচনা কৰক।

(গ) মীমাংসা দার্শনিক সকলে কেনেকৈ জ্ঞানৰ বাহ্যিক বৈধতাৰ মতামতক অস্বীকাৰ কৰিছে? আলোচনা কৰক।

(ঘ) মীমাংসা দর্শনৰ সংগতিবাদ সম্পর্কে থকা ধাৰণা আৰু ভাৱবাদ দার্শনিক সকলৰ সংগতিবাদৰ ধাৰণাৰ মাজত থকা পার্থক্য সমূহ কি কি? আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ শঙ্কৰাচার্য বেদান্ত ঃ ব্রহ্ম আৰু মায়া

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০৩ অদ্বৈত বেদান্ত

১০.৪ ব্রহ্ম সম্পর্কীয় ধাৰণা

১০.৫ ব্রহ্মৰ স্বৰূপ

১০.৫.১ (ক) ব্রহ্মৰ স্বৰূপ লক্ষণ

১০.৫.২ (খ) ব্রহ্মৰ তটস্থ লক্ষণ

১০.৬ ব্রহ্মৰ নেতি-নেতি ধাৰণা

১০.৭ মায়াৰ অর্থ

১০.৮ মায়া অভিজ্ঞতালব্ধ বিষয়

১০.৯ মায়াৰ দুই কার্য

১০.১০ মায়াৰ স্বৰূপ

১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.১২ অধিক জানিবলৈ

১০১৩ অগ্রগতিৰ খতিয়ান

১০.১৪ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বেদান্ত দর্শনৰ অর্থ জানিব পাৰিব,
- শংকৰৰ অদ্বৈত বেদান্তৰ ব্যাখ্যা কৰিব পাৰিব,
- ব্রহ্মৰ বিষয়ে বর্ণনা কৰিব পাৰিব,
- ব্রহ্মৰ স্বৰূপ লক্ষণ বর্ণনা কৰিব পাৰিব,
- ব্রহ্মৰ নেতি নেতি ধাৰণা ব্যাখ্যা কৰিব পাৰিব,
- অদ্বৈত বেদান্তত মায়াৰ গুৰুত্ব সম্বন্ধে বর্ণনা কৰিব পাৰিব,
- মায়াৰ অর্থ ব্যাখ্যা কৰিব পাৰিব,
- মায়াৰ দুই কার্য বর্ণনা কৰিব পাৰিব,
- মায়াৰ বৈশিষ্ট্য উল্লেখ কৰিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়টিত শঙ্কৰাচার্যৰ ব্রহ্মৰ বিষয়ে আলোচনা কৰা হ'ব। ব্রহ্মৰ বিষয়ে জনাৰ আগতে আমি বেদান্ত দর্শন বুলিলে কি বুজায় তাক জনাটো দৰকাৰ। গতিকে আমি প্রথমতে বেদান্ত দর্শনৰ বিষয়ে আলোচনা কৰো আহক। ভাৰতৰ বিভিন্ন দর্শন সম্প্রদায়ৰ ভিতৰত বেদান্ত দর্শনে এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। ইয়াক ভাৰতীয় আধ্যাত্মিকতাৰ মূল ভেটি বুলিব পাৰি। উপনিষদেই হৈছে বেদান্ত দর্শনৰ মূল উৎস। বেদান্ত বুলিলে 'বেদৰ অন্ত' বোলা হয়। সাধাৰণতে উপনিষদ আৰু বেদান্ত দর্শনক সমার্থক হিচাপে ধৰা হয়। পিচলৈ উপনিষদৰ পৰা উদ্ভুত সকলো চিন্তাকে বেদান্ত নামেৰে অভিহিত কৰা হৈছিল। সমগ্র বৈদিক চিন্তাধাৰাৰ পূর্ণবিকাশ উপনিষদতে ঘটিছে। বিভিন্ন কাৰণত উপনিষদক বেদান্ত বোলা হয়। তলত ইয়াৰে কেইটামান উল্লেখযোগ্য কাৰণ বর্ণনা কৰা হ'ল।

(ক) উপনিষদেই হৈছে বৈদিক যুগৰ শেষৰ ৰচনা। বৈদিক যুগৰ ৰচনাক তিনি প্রকাৰত ভাগ কৰিব পাৰি -- সংহিতা, ব্রাহ্মণ আৰু উপনিষদ। উপনিষদ হৈছে বৈদিক যুগৰ শেষ সৃষ্টি য'ত দার্শনিক তত্ত্বসমূহৰ বিচাৰ কৰা হৈছে।

(খ) পাঠবিধি অনুসাৰেও উপনিষদৰ স্থান সর্বশেষত। ভাৰতীয় সামাজিক ব্যৱস্থাত মানুহৰ জীৱনক চাৰিটা আশ্রমত বিভক্ত কৰা হৈছে -- ব্রহ্মচর্য, গার্হস্থ্য, বানপ্রস্থ আৰু সন্ন্যাস। শাস্ত্রৰ বিধান অনুযায়ী মানুহে প্রথমতে ব্রহ্মচর্য্য আশ্রমত সংহিতা পাঠ কৰিব। গার্হস্থ্যকালত গৃহধর্ম অনুসৰি ব্রাহ্মণ পাঠৰ নির্দেশ দিয়া হৈছে। সর্বশেষত মানুহে যেতিয়া সাংসাৰিক কর্তব্য সমাপন কৰি স্থিৰ মস্তিস্কৰে দার্শনিক তত্ত্বৰ উপলব্ধিৰ বাবে অগ্রসৰ হয় তেতিয়া উপনিষদ পাঠৰ বাবে যোগ্য হয়। সেয়েহে জীৱনৰ বিয়লিবেলাত উপনিষদ অধ্যয়নৰ নির্দেশ দিয়া হৈছে।

(গ) সর্বশেষত উপনিষদতেই বৈদিক চিন্তাৰ পৰিপূর্ণ বিকাশ আৰু পৰিণতি লাভ কৰা বুলি ক'ব পাৰি। উপনিষদৰ সাৰতত্ত্ব উপলব্ধি নকৰালৈকে মানুহ পূর্ণজ্ঞানী হ'ব নোৱাৰে। বৈদিক চিন্তাৰ চৰম প্রকাশ হিচাপে উপনিষদক বেদান্ত বোলা হয়।

এইখিনিতে মনত ৰাখিব লাগিব যদিও উপনিষদক বেদান্ত বোলা হয়, তথাপি বেদান্ত দর্শনে কেৱল উপনিষদকে নুবুজায়। যিবোৰ গ্রন্থত ব্রহ্মজ্ঞানৰ বিষয়ে আলোচিত হৈছে, সেই সকলো গ্রন্থই বেদান্ত দর্শনৰ অন্তর্গত। এই অর্থত বেদান্ত দর্শনে উপনিষদৰ লগতে ভাগৱদগীতা, ব্রহ্মসূত্র আৰু ব্রহ্মজ্ঞানৰ লগত জড়িত সকলো ধৰণৰ ভাষ্য গ্রন্থকেই সামৰি লৈছে। উপনিষদ, ভাগৱতগীতা আৰু ব্রহ্মসূত্র এই তিনিওটাকে একেলগে প্রস্থানএয় বোলা হয়। প্রস্থান শব্দ অর্থ হ'ল 'আকাৰ গ্রন্থ'। উপনিষদবোৰত যিবোৰ দার্শনিক তত্ত্ব আছে সেইবোৰ প্রণালীবদ্ধ হৈ নথকা বাবে মহর্ষি বাদৰায়নে এইবোৰৰ সমন্বয় সাধন কৰি ব্রহ্মসূত্র ৰচনা কৰে। আনহাতে ভাগৱদগীতাত উপনিষদৰ দার্শনিক তত্ত্বৰ মূল সাৰ ভাগ সন্নিবিষ্ট হৈছে। মুঠতে উপনিষদ,

ব্রহ্মসূত্র আৰু ভাগৱদগীতা এই তিনিওটাই হৈছে বেদান্ত দর্শনৰ মূল ভেটি। শঙ্কৰৰ অদ্বৈত বেদান্তত মায়াবাদে এক বিশেষ স্থান দখল কৰিছে। শঙ্কৰৰ দর্শনত কোৱা হৈছে যে ব্রহ্মহে একমাত্র সত্য আৰু জগতখন ব্রহ্মৰেই অৱভাস মাথোন। এই দৃশ্যমান জগতখন কিদৰে অৱভাস হ'ল এই তত্ত্বটো মায়াবাদৰ সহায়ত শঙ্কৰে অতি সুন্দৰকৈ তেওঁৰ দর্শনত ব্যাখ্যা কৰিছে।

আপোনালোকে জনা দৰকাৰ যে যদিও মায়াবাদ শঙ্কৰৰ দর্শনৰ এক বিশিষ্ট অৱদান, তথাপিও শঙ্কৰক মায়াবাদৰ প্রতিষ্ঠাতা বা জন্মদাতা বুলিব নোৱাৰি। ভাৰতৰ প্রাচীন দার্শনিক সাহিত্য যেনে বেদ, উপনিষদ, ভাগৱদগীতা, ব্রহ্মসূত্র, গৌড়পাদৰ সাংখ্যকাৰিকা আদিৰ পৰা আহৰণ কৰা গভীৰ জ্ঞানেৰে শঙ্কৰে মায়াবাদৰ অৱতাৰণা কৰিছিল।

আমাৰ আগৰ অধ্যায়ৰ পৰা আপোনালোকে জানিব পাৰিছে যে অদ্বৈত বেদান্তৰ মতে ব্রহ্মাই একমাত্র পৰম সত্য আৰু জগতখন ব্রহ্মৰেই অৱভাস মাত্র। এতিয়া প্রশ্ন হ'ল যদিহে ব্রহ্মাই একমাত্র সত্য তেনেহ'লে ব্রহ্ম আৰু জগতৰ মাজত সম্বন্ধ কি? ব্রহ্মৰ পৰা জগতৰ অৱভাস কেনেদৰে হ'ল? অদ্বৈত বেদান্তৰ মতে ব্রহ্ম আৰু জগতৰ মাজত কোনো সম্বন্ধৰ প্রশ্নই উঠিব নোৱাৰে। কাৰণ দুটা বস্তুৰ মাজত সম্বন্ধ হ'বলৈ হ'লে সম্বন্ধিত বস্তু দুটা পৰস্পৰ পৃথক হ'ব লাগিব। ব্রহ্ম আৰু জগতৰ মাজত যদি কোনো সম্বন্ধ থাকে তেনেহ'লে সিহঁত এটা আনটোতকৈ পৃথক হ'ব লাগিব। কিন্তু অদ্বৈত বেদান্তৰ মতে ব্রহ্ম পৰম সত্য আৰু জগতখন ব্রহ্মৰ অৱভাস মাত্র। গতিকে সাধাৰণ অর্থত ব্রহ্ম আৰু জগতৰ মাজত কোনো সম্বন্ধ থাকিবই নোৱাৰে। অর্থাৎ ব্রহ্ম আৰু জগত পৰস্পৰ পৃথক নহয় আৰু সেয়েহে ব্রহ্ম আৰু জগতৰ মাজত সাধাৰণ অর্থত কোনো সম্বন্ধ থাকিব নোৱাৰে।

অদ্বৈত দর্শনত শঙ্কৰে অতি বলিষ্ঠ আৰু যুক্তিসংগত প্রক্রিয়াৰে মায়াবাদৰ সহায়ত ব্রহ্ম আৰু জগত তত্ত্বৰ জটিল তত্ত্বটো ব্যাখ্যা কৰি দেখু�ৱাইছে। শঙ্কৰৰ পূর্বে কোনো দার্শনিক সম্বন্ধটো মায়া সম্পর্কে তাত্ত্বিক আলোচনা কৰা দেখা নাযায়। পোন প্রথম বাৰৰ বাবে তেওঁ মায়াক এটা তাত্ত্বিক ৰূপ কি জগতখনৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰিছে। মায়াৰ সহায়ত তেওঁ প্রমাণ কৰিছে যে ব্রহ্মাই একমাত্র পৰম সত্য আৰু জগতখন ব্রহ্মৰ অৱভাস মাত্র। যাদুকৰে যাদুশক্তিৰে এটা মুদ্রাক এশ মুদ্রালৈ পৰিবর্তন কৰি দেখুৱাব পাৰে। আমি ইয়াৰ কোনো ব্যাখ্যা দিব নোৱাৰো। আমি কেৱল ইয়াক 'মায়া' আখ্যা দিও। অদ্বৈত দর্শনত ব্যৱহাৰ হোৱা এটা বিশেষ উদাহৰণ হ'ল ৰচী আৰু সাপৰ ভ্রম (ৰজ্জু সর্প ভ্রম)। আন্ধাৰত ৰচীডালক সাপ বুলি ভবা হয়। সেইদৰে মায়া বা অজ্ঞানতাৰ বাবে ব্রহ্মক জগত প্রপঞ্চ বুলি ভবা হয়। ৰচী অবিহনে সাপৰ ভ্রম হ'ব নোৱাৰে। সেইদৰে ব্রহ্মৰ অবিহনে জগত হ'ব নোৱাৰে। যিদৰে আন্ধাৰ বা অজ্ঞতাৰ বাবেই ৰচিক সাপ দেখা যায়, তেনেহ'লে মায়াৰ বাবেই ব্রহ্মৰ সলনি জগতখন দেখা যায়। এইদৰে শঙ্কৰে মায়াৰ সহায়ত ব্রহ্ম আৰু জগতৰ সম্বন্ধ সুন্দৰকৈ ব্যাখ্যা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বেদান্ত দর্শন বুলিলে কি বুজায় ? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন ২ ঃ উপনিষদক কিয় বেদান্ত বোলা হয় ? (৬২টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন ৩ ঃ বেদান্ত দর্শনৰ প্রস্থানত্রয় কি কি ?

.....

.....

.....

প্রশ্ন ৪ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক

(ক) বেদান্ত মানে 'বেদৰ অন্ত'। (শুদ্ধ/অশুদ্ধ)

(খ) অদ্বৈত বেদান্ত শঙ্কৰৰ নামেৰে জনা যায়। (শুদ্ধ/অশুদ্ধ)

(গ) উপনিষদ ভাগৱদ গীতা আৰু ব্রহ্মসূত্রক একে লগে প্রস্থানত্রয় বোলা হয়। (শুদ্ধ/অশুদ্ধ)

৯.৩ অদ্বৈত বেদান্ত

বেদান্ত দর্শনৰ বিভিন্ন সম্প্রদায় আছে। তাৰ ভিতৰত শঙ্কৰাচার্যৰ অদ্বৈত বেদান্ত আৰু ৰামানুজৰ বিশিষ্টদ্বৈত বেদান্ত উল্লেখযোগ্য। আটাইবোৰ সম্প্রদায়ৰ ভিতৰত শঙ্কৰাচার্যৰ অদ্বৈত বেদান্তই ভাৰতৰ দার্শনিক ইতিহাসত এক উচ্চতম স্থান দখল কৰিবলৈ সক্ষম হৈছে। সাধাৰণতে শঙ্কৰাচার্যকেই অদ্বৈতবাদৰ প্রতিষ্ঠাতা বুলি কোৱা হয়। কাৰণ অদ্বৈতবাদ শঙ্কৰৰ নামৰ লগত বিশেষভাৱে জড়িত। কিন্তু শঙ্কৰৰ জন্মৰ বহু আগতেই অদ্বৈতবাদৰ আবির্ভাব হৈছিল। ভাৰতৰ অন্য দার্শনিক সম্প্রদায়ৰ দৰে অদ্বৈত চিন্তাধাৰাও এটা যুগৰ সৃষ্টি নহয়। ই হৈছে ভাৰতৰ প্রাচীন গ্রন্থ যেনে ঋকবেদৰ সময়ৰ পৰা আৰম্ভ কৰি লাহে লাহে সম্প্রসাৰিত হোৱা এক সম্প্রদায়। ঋকবেদৰবিখ্যাত উক্তি হৈছে 'একম্ সদ্ বিপ্রা বহুধা বদন্তি' ইয়াৰ অর্থ হ'ল পৰম সত্তা। এক আৰু ই বিভিন্ন ধৰণে প্রকাশ হয়। ঋকবেদতেই প্রথম অদ্বৈতবাদী চিন্তাৰ উদ্ভৱ হয় আৰু সমগ্র ভাৰততে সম্প্রসাৰিত হৈছিল।

গতিকে দেখা গ'ল শঙ্কৰাচার্যক অদ্বৈত বেদান্তৰ প্রতিষ্ঠাতা বুলি ক'লে সঠিক নহ'ব। শঙ্কৰাচার্যই নিজেও অদ্বৈত বেদান্তৰ প্রতিষ্ঠাতা হিচাপে নিজকে প্রকাশ কৰা নাছিল। প্রকৃততে অদ্বৈতবাদৰ প্রথম নিদর্শন পোৱা যায় গৌড়পাদকাৰিকাত। আচার্য গৌড়পাদ শঙ্কৰাচার্যৰ গুৰুৰ গুৰু (পৰম গুৰু) আছিল। গৌড়পাদৰ মাণ্ডুক্যকাৰিকাত অদ্বৈতবাদৰ মূল তত্ত্বখিনি সুন্দৰকৈ প্রকাশিত হৈছে। তথাপি শঙ্কৰাচার্যৰ দর্শনৰ বিশেষত্ব এয়ে যে তেওঁৰ দর্শনতে পোন প্রথম বাৰৰ বাবে ভাৰতীয় দর্শনৰ আধ্যাত্মিক, নৈতিক, ধার্মিক আদি সকলো দিশতে এক অদ্বৈতভাৱধাৰা পূর্ণৰূপ পাই বিকশিত হৈছিল। সেয়েহে শঙ্কৰাচার্যক অদ্বৈত বেদান্তৰ প্রধান পৃষ্টপোষক আখ্যা দিব পাৰি। তেৱেই অদ্বৈত বেদান্তক বিজ্ঞানসম্মত আৰু সুসংগঠিতভাৱে জগতত প্রতিষ্ঠা কৰিছিল। উপনিষদক বেদান্ত বোলাৰ বিভিন্ন যুক্তিসংগত কাৰণ আছে।

এতিয়া আমি আমাৰ পাঠভিত্তিক আলোচ্য বিষয় ব্রহ্মৰ বিষয়ে জানো আহক।

১০.৪ ব্রহ্ম

শঙ্কৰৰ দর্শনৰ মূল তত্ত্বখিনি মাত্র এটি অর্দ্ধশ্লোকত সুন্দৰকৈ প্রকাশ কৰা হৈছে "ব্রহ্ম সত্য, জগত মিথ্যা, জীৱো ব্রহ্মৈ ৱ নাপৰঃ" অর্থাৎ "ব্রহ্মই হৈছে একমাত্র সত্য, জগতখন মিছা আৰু জীৱাত্মাসমূহ ব্রহ্মৰ পৰা পৃথক নহয়।" গতিকে শঙ্কৰৰ বেদান্ত দর্শনৰ মূল তত্ত্ব হৈছে যে ব্রহ্মই একমাত্র সত্য, এই বিশ্বজগত ব্রহ্মৰেই অবভাস মাত্র আৰু এই অবভাসৰ মূল কাৰণ হৈছে মায়া। শঙ্কৰৰ দর্শনক কোৱা হয় ব্রহ্মবিদ্যা, কাৰণ ইয়াৰ মূল বিষয়েবস্তু হৈছে ব্রহ্মজ্ঞান। ব্রহ্ম কি, ইয়াৰ স্বৰূপ কি ইত্যাদি উপনিষদ আৰু শাস্ত্রত নিৰূপণ কৰা হৈছে আৰু শঙ্কৰৰ দর্শন পঢ়িলে আমি দেখা পাওঁ যে অদ্বৈত বেদান্তত একেই প্রাচীন পৰম্পৰা অনুসৰণ কৰি ব্রহ্মৰ স্বৰূপ নির্ণয় কৰা হৈছে।



চিন্তা-চর্চা কৰক ১০.১

জগতখন সত্যনে? আপুনি কি ভাৱে আলোচনা কৰক?

.....

.....

১০.৫ ব্রহ্মৰ স্বৰূপ

উপনিষদত ব্রহ্মক দুটা দৃষ্টিভংগীৰে বর্ণনা কৰা হৈছে। সেইবোৰ হৈছে পাৰমার্থিক দৃষ্টিভংগী বা স্বৰূপলক্ষণ বা তটস্থলক্ষণ। শঙ্কৰৰ অদ্বৈত বেদান্ততো উপনিষদৰ দৰেই ব্রহ্মৰ স্বৰূপ দুটা দৃষ্টিভংগীৰে বর্ণনা কৰা হৈছে।

১০.৫.১ (ক) ব্রহ্মৰ স্বৰূপ লক্ষণ

স্বৰূপ লক্ষণ বা পাৰমার্থিক দৃষ্টিভংগীৰে উপনিষদত ব্রহ্মক বর্ণনা কৰা হৈছে "সত্যম্ জ্ঞানম্ অনন্তম্ ব্রহ্ম," অর্থাৎ ব্রহ্ম সত্য, জ্ঞান আৰু অনন্ত স্বৰূপ।

ব্রহ্ম সত্য ঃ ব্রহ্ম সদায় একে আৰু অপৰিবর্তনীয়। ই সত্য আৰু ইয়াত কোনো বিৰুদ্ধ ভাৱ নাই। ই সৎ বা সত্য।

- **ব্রহ্ম জ্ঞান স্বৰূপ ঃ** ব্রহ্মৰ ক্ষেত্রত জ্ঞান সাধাৰণ অর্থত কোনো লোৱা হোৱা নাই। সাধাৰণ অর্থত জ্ঞান হৈছে জ্ঞাতা আৰু জ্ঞেয়ৰ সম্বন্ধ। ব্রহ্ম হৈছে এনে জ্ঞান যিটো বিষয় আৰু বিষয়ী, বা জ্ঞাতা আৰু জ্ঞেয়ৰ উর্দ্ধত। জ্ঞান ব্রহ্মৰ গুণ নহয়। ব্রহ্ম নিজেই জ্ঞানস্বৰূপ।
- **ব্রহ্ম অনন্ত ঃ** ব্রহ্ম অসীম, অনন্ত আৰু অশেষ। স্থান, কাল আৰু কার্যকাৰণ সূত্রৰ পৰা ব্রহ্ম সদায় মুক্ত। ব্রহ্মৰ কোনো উৎপত্তিও নাই, পৰিণতিও নাই। কাৰণ ব্রহ্ম অনন্ত।

  অন্য এক সূত্রৰে ব্রহ্মক বর্ণনা কৰা হৈছে। সেই মত অনুযায়ী ব্রহ্ম হৈছে সৎ, চিৎ আৰু আনন্দ (সচ্ছিদানন্দ ব্রহ্ম)। সৎ, চিৎ আৰু আনন্দ ব্রহ্মৰ গুণ নহয়, ব্রহ্ম নিজে সচ্ছিদানন্দ স্বৰূপ।
- **ব্রহ্ম সৎ ঃ** ইয়াৰ অর্থ হৈছে ব্রহ্ম সত্য আৰু ব্রহ্ম কেতিয়াও মিছা হ'ব নোৱাৰে।
- **ব্রহ্ম চিৎ ঃ** ব্রহ্ম চিৎ বা স্বপ্রকাশ।
- **ব্রহ্ম আনন্দ ঃ** ব্রহ্ম আনন্দস্বৰূপ। আনন্দ মানে সুখ নুবুজায়। সুখ ব্রহ্মৰ গুণ নহয়, ব্রহ্ম নিজেই আনন্দ স্বৰূপ।

গতিকে দেখা গ'ল সৎ বা অস্তিত্ব, চিৎ বা জ্ঞান আৰু আনন্দ ব্রহ্মৰ কোনো গুণ নহয়। ব্রহ্ম জ্ঞানৰ বিষয়ে হ'ব নোৱাৰে। ব্রহ্ম হৈছে নিগুর্ণ ব্রহ্ম। উপনিষদত ব্রহ্মক 'নির্গুণোগুনী' বুলি উল্লেখ কৰা হৈছে।

অন্য এক সূত্রমতে ব্রহ্ম সকলো প্রকাৰৰ ভেদমুক্ত (ভেদৰহিতম্)। ভেদ বা পার্থক্য তিনি প্রকাৰৰ। যেনে -- (i) স্বজাতীয় ভেদ। একে জাতিৰ অন্তর্গত দুজন ব্যক্তিৰ মাজত যি ভেদ বা পার্থক্য তাক কোৱা হয় স্বজাতীয় ভেদ। উদাহৰণ স্বৰূপে দুডাল আমগছৰ মাজত এনে পার্থক্য পোৱা যায়। (ii) বিজাতীয় ভেদ দুটা ভিন্ন জাতিৰ মাজত থকা ভেদ বা পার্থক্য হৈছে বিজাতীয় ভেদ। (iii) স্বগতঃ ভেদ -- এটা বস্তুৰ অন্তর্গত বিভিন্ন অংশৰ মাজত থকা ভেদ বা পার্থক্য হৈছে স্বগতঃ ভেদ। গছ এডালৰ বিভিন্ন অংশ যেনে শিপা, গা-গছ, ডাল, পাত, ফল, ফুল আদিৰ মাজত স্বগতঃ ভেদ পোৱা যায়।

ব্রহ্মৰ কোনো ধৰণৰ ভেদ থাকিব নোৱাৰে। ব্রহ্মৰ কোনো স্বজাতীয় ভেদ

নাই। কাৰণ ব্রহ্ম হৈছে এক বা একক। দ্বিতীয় এনে কোনো ব্রহ্ম নাই যাৰ লগত স্বজাতীয় ভেদ আনিব পাৰি।

ব্রহ্মৰ কোনো বিজাতীয় ভেদ নাই। কাৰণ অদ্বৈত বেদান্তত অন্য কোনো দ্বিতীয় সত্তাৰে অস্তিত্ব থাকিব নোৱাৰে। গতিকে ব্রহ্মক কোনো অন্য পৰম সত্তাৰ লগত ৰিজাব নোৱাৰি। সেয়েহে শাস্ত্রক কোৱা হৈছে "সর্বম খলু ইদম্ ব্রহ্ম" অর্থাৎ ব্রহ্মই সকলো। ব্রহ্মই একমাত্র চৈতন্য স্বৰূপ পৰম সত্তা আৰু ব্রহ্মক বহুধা বিভক্ত কৰিব নোৱাৰি। গতিকে ব্রহ্ম স্বগত ভেদমুক্ত।

১০.৫.২ (খ) ব্রহ্মৰ তটস্থলক্ষণ

তটস্থলক্ষণ বা ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা ব্রহ্মক বিচাৰ কৰিলে ব্রহ্মক সগুণ ব্রহ্ম হিচাপে পোৱা যায়। ব্রহ্মক বিভিন্ন গুণেৰে, নামেৰে বর্ণনা কৰা হয় যিবোৰ মানুহে ব্রহ্মৰ গাত আৰোপ কৰে। তটস্থলক্ষণৰ ফালৰ পৰা নির্গুণ ব্রহ্মক নাম-ৰূপ আৰু কর্মৰ দ্বাৰা বর্ণনা কৰা হয়। ব্রহ্মই হৈছে জগতৰ মূল কাৰক। তেৱেই হৈছে জগতৰ সৃষ্টিকর্তা, পালন কর্তা আৰু সংহাৰ কর্তা। ব্যৱহাৰত ব্রহ্মই হৈছে সগুণ ব্রহ্ম বা ঈশ্বৰ। ব্রহ্ম হৈছে নিত্য, শুদ্ধ, বুদ্ধ, মুক্ত চৈতন্য স্বৰূপ আৰু নির্গুণ। কিন্তু মানুহে লোকব্যৱহাৰত ব্রহ্মক জগত স্রষ্টা, ৰক্ষক, সংহাৰক, কৰুণাময়, দয়াময়, ভক্তৰ ভগৱান ইত্যাদি নানা বিশেষণেৰে বিভূষিত কৰে। এয়েই হৈছে তটস্থলক্ষণ ব্রহ্ম বা সগুণ ব্রহ্ম।

গতিকে দেখা গ'ল অদ্বৈত বেদান্তত ব্রহ্মক দুটা দৃষ্টিভংগীৰে বিচাৰ কৰা হয়। এটা হৈছে স্বৰূপ লক্ষণ বা নির্গুণ ব্রহ্ম আৰু আনটো হৈছে তটস্থলক্ষণ। ব্রহ্ম নিজে নির্গুণ নির্বিশেষে, এয়া হৈছে ব্রহ্মৰ পাৰমার্থিক সত্তা। কিন্তু ব্যৱহাৰিক দৃষ্টিত ব্রহ্ম সর্বময়জ্ঞাতা, কর্তা, ভোক্তা। অদ্বৈত বেদান্তত এইদৰে ব্রহ্মৰ বিষয়ে দুটা ধৰণৰ বর্ণনা পোৱা যায় --- পাৰমার্থিক আৰু ব্যৱহাৰিক, পৰা আৰু অপৰা, নির্গুণ আৰু সগুণ ব্রহ্ম।

এতিয়া প্রশ্ন হ'ব পাৰে ব্রহ্মৰ প্রকৃত স্বৰূপ কি? প্রকৃততে ব্রহ্ম নির্গুণ, নিৰাকাৰ, নির্বিশেষ নে ব্রহ্ম সগুণ, সাকাৰ আৰু নানা বিশেষণ সম্বলিত?

ৰামানুজৰ দৰে বিশিষ্টাদ্বৈতবাদী দার্শনিকসকলৰ মতে ব্রহ্ম সদায় সগুণ আর্থাৎ নানা গুণ সম্পন্ন। ব্রহ্মই হৈছে জগতৰ সৃষ্টিকর্তা, পালন কর্তা আৰু সংহাৰ কর্তা। তেওঁলোকে ব্রহ্মক সর্বজ্ঞ, অন্তর্য্যামী, সর্বশক্তিমান, সর্বব্যাপ্ত ঈশ্বৰ ৰূপে বর্ণনা কৰে। তেওঁলোকৰ মতে উপনিষদত বর্ণনা কৰা ব্রহ্মই সগুণ ব্রহ্মক বুজায় আৰু নির্গুণ ব্রহ্মই কেৱল ব্রহ্মৰ অস্তিত্বকহে সূচায়।

আনহাতে অদ্বৈতবাদী শঙ্কৰে তেওঁৰ দর্শনত সুন্দৰকৈ ব্যাখ্যা কৰিছে যে নির্গুণ ব্রহ্মই পৰম ব্রহ্ম বা পাৰমার্থিক সত্তা। অপৰাব্রহ্ম বা ঈশ্বৰ হৈছে বৌদ্ধিক দৃষ্টিৰে নির্ণয়

কৰা ব্রহ্ম। ঈশ্বৰ কেতিয়াও পৰম সত্য হ'ব নোৱাৰে। কাৰণ ই বিধেয়াত্মক আৰু তর্কপ্রসুত। ঈশ্বৰ সগুণ সম্পন্ন। কিন্তু ব্রহ্ম স্বৰূপত নির্গুণ, নিৰাকাৰ, শুদ্ধ সত্তা মাত্র। মানুহে যেতিয়া পৰম জ্ঞান বা ব্রহ্ম জ্ঞান লাভ কৰে, তেতিয়াহে নির্গুণ ব্রহ্মক লাভ কৰিব পাৰে, আৰু যেতিয়ালৈকে মানুহৰ আধ্যাত্মিক জ্ঞানৰ উত্তৰণ নহয়, যেতিয়ালৈকে মানুহে ব্যৱহাৰিক সত্তা স্তৰ অতিক্রম কৰি পাৰমার্থিক স্তৰৰ জ্ঞানত উপনীত হ'ব নোৱাৰে, তেতিয়ালৈকে মানুহে ব্রহ্মক সগুণ ব্রহ্ম অর্থাৎ মায়াময় ঈশ্বৰ হিচাপে জানিব। গতিকে এক পৰম ব্রহ্মইয়ে দুটা ভিন্ন দৃষ্টিৰে পৰা নির্গুণ আৰু সগুণ এই তত্তটো শঙ্কৰৰ দর্শনত অতি সুন্দৰকৈ উপনিষদৰ তথ্য সহকাৰে বর্ণনা কৰিছে।



চিন্তা-চর্চা কৰক ঃ ১০.২

ব্রহ্মক জানিব পাৰিনে? আপুনি কি ভাৱে? আলোচনা কৰক।

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ অদ্বৈত বেদান্তৰ পৰম সত্য সম্পর্কে থকা দুটা ধাৰণা কি কি?

.....

.....

প্রশ্ন ৬ ঃ নির্গুণ ব্রহ্ম কাক বোলে?

.....

.....

প্রশ্ন ৭ ঃ সগুণ ব্রহ্ম কাক বোলে?

.....

.....

প্রশ্ন ৮ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক —

(ক) ব্রহ্মক দুটা দৃষ্টিভংগীৰে জানিব পাৰি। (শুদ্ধ/অশুদ্ধ)

(খ) সচ্ছিদানন্দ ব্রহ্মৰ স্বৰূপা লক্ষণ। (শুদ্ধ/অশুদ্ধ)

(গ) ব্যৱহাৰিক দৃষ্টিভংগীৰে ব্রহ্ম হৈছে জগতৰ মূল কাৰণ। (শুদ্ধ/অশুদ্ধ)

(ঘ) স্বৰূপার্থত ব্রহ্ম নির্গুণ। (শুদ্ধ/অশুদ্ধ)

১০.৬ ব্রহ্মৰ নেতি নেতি ধাৰণা

ব্রহ্ম এনে এক পৰম সত্তা, যাৰ বিষয়ে কোনো বর্ণনা দিবলৈ চেষ্টা কৰা মানে অসীম সত্তাক সীমিত কৰাৰ চেষ্টা কৰা। সেয়েহে ব্রহ্মক অনির্বচনীয় কোৱাহয়। অর্থাৎ ব্রহ্মক কোনো বৌদ্ধিক জ্ঞানেৰে বর্ণনা কৰিব নোৱাৰি। সেয়েহে উপনিষদত কোৱা হৈছে যে ব্রহ্মক কেৱল নঞৰ্থক ধাৰণাৰেহে জানিব পাৰি। নঞৰ্থক ধাৰণাৰে ব্রহ্মৰ জ্ঞান আহৰণ কৰাই হৈছে উত্তম উপায়। 'ন-ইতি', 'ন-ইতি', (নেতি নেতি) ৰ অর্থ হৈছে জাগতিক বস্তুবোৰৰ ধাৰণাৰে 'ব্রহ্ম এইটো নহয়', 'ব্রহ্ম সেইটো নহয়' -- এনে ধৰণৰ ব্যাখ্যাৰে ব্রহ্মৰ জ্ঞান লাভ কৰাৰ উপায় উপনিষদত নির্দেশ কৰা হৈছে। 'নেতি-নেতি' ধাৰণাৰে ব্রহ্মক অস্বীকাৰ কৰা বুজোৱা নাই। ইয়াৰ দ্বাৰা ব্রহ্মৰ ক্ষেত্রত সকলো ধৰণৰ গুণ বা বিশেষণেৰে অস্বীকাৰ কৰা হৈছে। মানুহে কেতিয়াও ব্যৱহাৰিক বা বৌদ্ধিক জ্ঞান প্রক্রিয়াৰে ব্রহ্মক জানিব নোৱাৰে। কিন্তু নঞৰ্থক ধাৰণাৰে জাগতিক বিষয়ক অতিক্রম কৰি ব্রহ্মক অনুভৱ কৰিব পাৰি। ব্রহ্ম জ্ঞানৰ বিষয়বস্তু নহয়, ব্রহ্ম জ্ঞান স্বৰূপ। সেয়েহে বৌদ্ধিক জ্ঞান আৰু ব্রহ্ম জ্ঞান বা আত্ম জ্ঞান একে নহয়। ব্রহ্মজ্ঞান হৈছে উপলব্ধিৰ বস্তু য'ত ব্রহ্মৰ সৈতে একাত্মবোধ হয়। ধাৰণাৰে (নেতি-নেতি) ব্রহ্মৰ স্বৰূপৰ আভাস মাত্র পাব পাৰি। উপলব্ধিৰ দ্বাৰাহে ব্রহ্মজ্ঞান হয়। সেয়েহে শাস্ত্রত কোৱা হৈছে -- "ব্রহ্ম বেদ, ব্রহ্মৈৰ ভবতি" -- অর্থাৎ ব্রহ্মক জনা মানে ব্রহ্ম স্বৰূপ হোৱা।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে শঙ্কৰৰ দর্শনৰ মতে ব্রহ্মই হৈছে একমাত্র পৰম সত্য। পৰম সত্য ব্রহ্মক দুটা দৃষ্টিভংগীৰে বর্ণনা কৰিব পাৰি। সেইটো হৈছে পাৰমার্থিক দৃষ্টিভংগী আৰু ব্যৱহাৰিক দৃষ্টিভংগী। পাৰমার্থিক দৃষ্টিভহংগীৰে ব্রহ্ম হৈছে নির্গুণ, নিৰাকাৰ আৰু ব্যৱহাৰিক দৃষ্টিভংগীৰে ব্রহ্মক সগুণ ব্রহ্ম বোলা হয়। যিসকল বিৰল প্রতিভাশালী ব্যক্তিয়ে কঠোৰ সাধনাৰে ব্রহ্মজ্ঞানৰ অধিকাৰী হৈছে তেওঁলোকেহে নির্গুণ ব্রহ্মক অনুভৱ কৰিব পাৰে। আনহাতে ব্যৱহাৰিক দৃষ্টিভংগীৰে আমি মাত্র সগুণ ব্রহ্মকহে জানিব পাৰো। সগুণ ব্রহ্ম হৈছে ধর্মীয় পৰম্পৰাৰ ভগৱান বা ঈশ্বৰ যাৰ দ্বাৰা মানুহৰ ধর্মীয় অনুভূতিৰ উপলব্ধি হয়।

১০.৭ মায়াৰ অর্থ

প্রাচীন ভাৰতীয় চিন্তাধাৰাত 'মায়া' শব্দটো কোনো নির্দিষ্ট অর্থত ব্যৱহাৰ হোৱা দেখা নাযায়। সেই কাৰণেই বোধহয় মায়া তত্ত্বটো অতি ব্যাপকভাৱে ভ্রান্ত ধাৰণা বিকৃত অর্থত বিভিন্ন দার্শনিকে ব্যাখ্যা কৰিছে। অকল ভাৰতবর্ষতে নহয়, পাশ্চাত্য দার্শনিকসকলৰ চিন্তা-চর্চাটো মায়া শব্দৰ অর্থ ভিন্ন জনে ভিন্ন ধৰণে দিছে। সেয়েহে মায়াবাদ ব্যাপক সমালোচনাৰ বিষয় হৈছে।

'মায়া' শব্দটো সাধাৰণতে ইংৰাজীত 'Illusion' হিচাপে অনুবাদ কৰা হয়। অকল পাশ্চাত্য দর্শনতেই নহয় ভাৰতীয় দর্শনতো মায়াৰ অনুবাদ 'Illusion' যাৰ অর্থ হৈছে 'ভ্রম' বা 'মিছা'। শঙ্কৰৰ অদ্বৈত বেদান্তত যেতিয়া কোৱা হয় 'জগতখন মায়া', ইয়াৰ অর্থ হ'ব 'জগতখন মিছা' বা 'জগতথন ভ্রম'। এনে ধৰণৰ অনুবাদে মায়া তত্ত্বটোৰ ভ্রান্ত ধাৰণাহে সৃষ্টি কৰে। গতিকে দেখা যায় শঙ্কৰৰ মায়াবাদৰ বিভ্রান্তিৰ মূল কাৰণ হৈছে 'মায়াক' ইংৰাজী শব্দ 'Illusion' লৈ অনুবাদৰ চেষ্টা কৰা। কাৰণ 'মায়া'ৰ দৰে সংস্কৃত শব্দক ইংৰাজীলৈ অনুবাদৰ চেষ্টা কৰিলে ই তাৰ মূল তাৎপর্যটোকে হেৰুৱাই পেলায়। গতিকে সংস্কৃত শব্দ 'মায়াক' মায়া হিচাপে ব্যৱহাৰ কৰাই যুক্তি সংগত আৰু ইয়াক কোনো ইংৰাজী শব্দলৈ অনুবাদৰ চেষ্টা কৰিব নালাগে।

সংস্কৃত শব্দ মায়া দুটা শব্দৰ সংযুক্ত ফল -- 'মা' আৰু 'য়া' ৰ পৰা আহিছে। 'মা' ৰ অর্থ 'নহয়' আৰু 'য়া'ৰ অর্থ 'যিটো' আৰু দুয়োটাৰ একলগে অর্থ হ'ব 'মায়া হৈছে সেইটো, যিটো প্রকৃততে নহয়।' গতিকে 'জগতখন মায়া' -- ইয়াৰ অর্থ হ'ব জগতখন পৰম সত্যৰ এক অৱভাস যিটো পৰম সত্য পৰম সত্যৰ জ্ঞানৰ ওচৰত যাৰ কোনো অস্তিত্ব নাথাকে।

শঙ্কৰৰ মতে জগত প্রপঞ্চৰ মূল কাৰণ হৈছে মায়া। বিভিন্ন সময়ত শঙ্কৰে মায়াৰ অর্থত অজ্ঞান, অবিদ্যা, মায়া, প্রকৃতি, অব্যক্ত ইত্যাদি শব্দ প্রয়োগ কৰিছে। এই শব্দবোৰ মায়াৰ লগত সমার্থক হিচাপে ব্যৱহাৰ কৰা হয়। মায়াৰ সহায়ত শঙ্কৰৰ দর্শনত যুক্তিপূর্ণ ভাৱে ব্যাখ্যা কৰিছে যে ব্রহ্মই একমাত্র সত্য আৰু এই বিশাল জগতখন, য'ত আমি জন্মৰ পৰা মৃত্যুলৈকে থাকো, অভিজ্ঞতা পাওঁ, ই ব্রহ্মৰেই অৱভাস মাত্র। গতিকে মায়াবাদে শঙ্কৰৰ দর্শনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।

মায়াৰ ধাৰণা ভাৰতীয় দর্শন সাহিত্যত অতি প্রাচীন ঋকবেদত কোৱা হৈছে যে ইন্দ্রই মায়া শক্তিৰে অনেক ৰূপ ধাৰণ কৰে। গতিকে ঋক বেদত মায়াক এক শক্তি হিচাপে বর্ণনা কৰা হৈছে। উপনিষদতো 'মায়া' শব্দটো ব্যাপকভাৱে প্রয়োগ হৈছে। বৃহদাৰণ্যক উপনিষদত মায়াক এক যাদুকৰী শক্তি হিচাপে কোৱা হৈছে। 'পৰমাত্মা' এক হ'লেও মায়াৰ বাবেই অনেক ৰূপত প্রকাশ হয়। শ্বেতাশ্বতৰ উপনিষদত মায়াক 'প্রকৃতি' আখ্যা দিয়া হৈছে আৰু পৰম ব্রহ্ম পৰমেশ্বৰৰ শক্তি হিচাপে কোৱা হৈছে। ভাগৱদগীতাতো মায়া শব্দৰ প্রয়োগ হৈছে। ইয়াতো মায়াক ঈশ্বৰৰ শক্তি বোলা হৈছে। মায়া হৈছে মোহ সৃষ্টিকাৰী এক শক্তি, যাৰ দ্বাৰা মোহিত হৈ জীৱই অনেক নকৰিবলগীয়া কর্ম কৰে। গৌড়পাদৰ দর্শনত মায়া এক শক্তি যাৰ বাবে জীৱই জগতক সত্য বুলি ভাবে আৰু পৰম তত্ত্বক অনুভৱ কৰিব নোৱাৰে।

শঙ্কৰৰ মায়াবাদৰ পৃষ্ঠভূমিৰ ৰূপত বেদ, উপনিষদ, গীতা তথা গৌড়পাদৰ স্পষ্ট প্রভাৱ দেখা যায়। শঙ্কৰে মায়াৰ স্বৰূপ বর্ণনা কৰাৰ লগতে মায়াৰ কিছুমান বৈশিষ্ট্যৰ বর্ণনা কৰিছে। তলত আমি এই বিষয়ে আলোচনা কৰিম।

১০.৮ মায়া এক অভিজ্ঞতালব্ধ বিষয়

মায়া এটা মনে সজা ধাৰণা মাত্র নহয়। ই এক অভিজ্ঞতালব্ধ বিষয়। আমি আমাৰ অভিজ্ঞতাত দেখা পাওঁ যে বস্তু এটা ইয়াৰ মূল তত্ত্বতকৈ বেলেগ হয়। বাস্তৱ উদাহৰণেৰে কথাটো স্পষ্ট কৰো আহক। চলন্ত ট্রেইনৰ পৰা বাহিৰলৈ চালে গছ, ঘৰ ইত্যাদি বস্তুবোৰ পিছলৈ দৌৰি থকা দেখা যায়। আকাশত মেঘবোৰ গৈ থাকিলে এনে লাগে যেন মেঘবোৰ নহয়, চন্দ্রটোহে যেন গৈ আছে। লাঠি এডালৰ এটা মূৰত জুই লগাই জোৰেৰে ঘু�ৰাই দিলে জুই শিখা চক্রাকাৰে ঘুৰি থকা যেন লাগে। এই সকলোবোৰেই হৈছে মায়া। মায়াৰ বাবে বস্তু এটাৰ স্বৰূপটো লুকাই পৰে আৰু এক নতুন ৰূপত আমাৰ চকুত ধৰা পৰে আৰু এনে অভিজ্ঞতা আমাৰ দৈনন্দিন জীৱনত ঘটি আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৯ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক

(ক) মায়াৰ ধাৰণাই মত দাঙি ধৰে যে পৃথিৱীখন পৰম সত্তাৰ সৃষ্ট এক আভাসহে মাথোন। (শুদ্ধ/অশুদ্ধ)

(খ) মায়া হৈছে সেইটো, যিটো প্রকৃততে নহয়। (শুদ্ধ/অশুদ্ধ)

(গ) শঙ্কৰাচার্য হ'ল মায়া ধাৰণাটোৰ প্রণেতা। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ১০ ঃ বৃহৎ আৰণ্যক উপনিষদ মতে, মায়াৰ অর্থ কি?

.....

.....

প্রশ্ন ১১ ঃ শঙ্কৰৰ (মায়া সম্বন্ধে) ধাৰণাটো লিখক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ১২ ঃ মায়া মানে হৈছে যাদুকৰী শক্তি। কোনখন উপনিষদত এই কথাটো কোৱা হৈছে?

.....

.....

.....

১০.৯ মায়াৰ দুই কার্য

শঙ্কৰৰ মতে মায়া হৈছে এনে এক বিষয় বস্তুৰ প্রকৃত ৰূপ লুপ্ত কৰে আৰু তাৰ স্থানত এক বিকৃত ৰূপ প্রদান কৰে। মায়া ব্রহ্মৰ এনে এক শক্তি যাৰ দ্বাৰা পৰম ব্রহ্মৰ ৰূপ লুপ্ত হয় আৰু উদ্দেশ্য বিধেয় আকাৰত এই বহুধা বিভক্ত জগতৰ অৱভাস হয়। মায়াৰ এই শক্তি দুই ধৰণৰ। আৱৰণ শক্তি আৰু বিক্ষেপন শক্তি। আৱৰণ শক্তিৰ বাবে আমি বিষয়ৰ যথার্থ ৰূপ দেখা নাপাওঁ। ইয়াৰ দ্বাৰা মায়াই ব্রহ্মক আবৃত কৰি ৰাখে। বিক্ষেপনৰ ফলতেই সৃষ্টি হয় ভ্রান্তি বা মিথ্যা জ্ঞানৰ। ৰচী এডালক সাপ, শামুকত মুকুতা, দেহাটোক আত্মা, মৰুভূমিত মৰীচিকাক পানী বুলি ভবা ইত্যাদি এনে ভ্রম। মায়াৰ আৱৰণ শক্তিয়ে ব্রহ্মৰ স্বৰূপ আচ্ছাদন কৰে। এই আৱৰণে প্রকৃততে নির্গুণ ব্রহ্মক প্রভাৱিত নকৰে, জীৱকহে কৰে। ডাৱৰে আচলতে সূর্যক নাঢাকে, মানুহকহে সূর্যৰ পৰা ঢাকে। ডাৱৰৰ আৱৰণৰ দ্বাৰা সূর্যৰ কোনো হানি-বিঘিনি নহয়। ঠিক তেনেদৰে মায়াৰ আৱৰণৰ দ্বাৰা নির্গুণ ব্রহ্মৰ কোনো হানি-বিঘিনি নহয়। ঠিক তেনেদৰে মায়াৰ আৱৰণৰ দ্বাৰা নির্গুণ ব্রহ্মৰ কোনো হানি-বিঘিনি নহয়। মায়াই মাত্র জীৱৰ ব্রহ্মৰ সৈতে অভিন্নতা নাশ কৰে। মায়াৰ বিক্ষেপনৰ দ্বাৰা জীৱৰ জগৎ ভ্রম হয়। মিথ্যা জগতক জীৱৰ আগত সুচাৰূপে প্রকট কৰায়।

ইয়াতে এটা প্রশ্ন হয় যে অসীম, নিত্য, চিৰ চৈতন্য স্বৰূপ ব্রহ্মক কেনেকৈ মায়াই আৱৰণ শক্তিৰে ঢাকিব পাৰে? এই ক্ষেত্রত শঙ্কৰৰ দর্শনত ব্যাখ্যা কৰা হৈছে যে এটুকুৰা ক'লা ডাৱৰে চিৰ প্রকাশমান সূর্যটোক কিছু সময়লৈকে ঢাকি ৰাখিব পাৰে, সকলো সময়ৰ বাবে নহয়। ঠিক সেইদৰে অজ্ঞানতা বা মায়াই ব্রহ্মক সাময়িক ভাবেহে ঢাকি ৰাখে। পৰম জ্ঞান বা ব্রহ্ম জ্ঞানৰ উদয় হ'লেই জগতৰ ভ্রম আঁতৰি যায় আৰু সকলো ব্রহ্ম স্বৰূপ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১৩ ঃ (ক) শঙ্কৰে ব্রহ্ম আৰু জগতৰ সম্পর্ক ব্যাখ্যা কৰিবলৈ মায়াবাদৰ অৱতাৰণা কৰিছিল। (শুদ্ধ/অশুদ্ধ)

(খ) মায়া শব্দটোৰ ইংৰাজী অনুবাদ হৈছে 'Illusion' (শুদ্ধ/অশুদ্ধ)

(গ) মায়া শব্দটোৰ সমার্থক হিচাপে অজ্ঞান, অবিদ্যা, প্রকৃতি, অব্যক্ত ইত্যাদি শব্দ ব্যৱহাৰ কৰা হয়। (শুদ্ধ/অশুদ্ধ)



চিন্তা-চর্চা কৰক ৯.১

শঙ্কৰৰ দর্শনত মায়া বুলিলে কি বুজা যায়? আলোচনা কৰক।

.....

.....

১০.১০ মায়াৰ স্বৰূপ

মায়া হৈছে জগতৰ অৱভাসৰ মূল কাৰণ। মায়াৰ বাবেই পৰম ব্রহ্মৰ স্থানত বহুধা জগত প্রতিভাত হয়। যিদৰে ভ্রমৰ বাবেই ৰচীৰ স্থানত সাপৰ জ্ঞান হয়, সেইদৰে মায়া বা অবিদ্যাৰ বাবেই ব্রহ্মৰ স্থানত জগতৰ জ্ঞান হয়। শঙ্কৰে মায়াৰ স্বৰূপ বুজাবলৈ অনেক বৈশিষ্ট্যৰ উল্লেখ কৰিছে। এতিয়া আমি তেনে কিছুমান উল্লেখযোগ্য বৈশিষ্ট্যৰ বিষয়ে জানো আহক ---

১। **মায়া হৈছে ঈশ্বৰৰ শক্তি** -

শঙ্কৰৰ মতে ব্রহ্মই পৰম সত্য। কিন্তু মায়াৰ দ্বাৰা যুক্ত হৈ ব্রহ্মই সগুণ ব্রহ্ম বা ঈশ্বৰৰ নাম পায়। মায়া হৈছে ঈশ্বৰৰ শক্তি, অন্তর্নিহিত গুণ যাৰ দ্বাৰা ঈশ্বৰে জগত সৃষ্টি কৰে। গতিকে মায়া ঈশ্বৰৰ শক্তি আৰু ঈশ্বৰৰ পৰা পৃথক নহয়

২। **মায়া বীজশক্তি –**

মায়াক এই বাবেই বীজশক্তি বুলি কোৱা হয় যে মায়াৰ বাবেই নির্গুণ, নিস্ক্রিয়, ব্রহ্মই জগত সৃষ্টি কৰে। মায়াৰ বাবেই পৰম ব্রহ্ম জগতৰ সৃষ্টিকর্তা, ত্রাণকর্তা আৰু সংহাৰকর্তা ঈশ্বৰৰ ৰূপ পায়।

৩ **মায়া অধ্যাস** -

অধ্যাস অর্থ হৈছে মিথ্যা জ্ঞান। কোনো এটা বস্তুত অন্য কোনো বস্তুৰ জ্ঞান আৰোপ কৰাকে অধ্যাস কোৱা হয়। ৰচী আৰু সাপৰ ভ্রমত মানুহৰ আন্ধাৰৰ বাবে ৰচীত সাপৰ জ্ঞান হয়। অর্থাৎ সাপৰ জ্ঞান ৰচীডালত আৰোপ কৰা হয়। ইয়াত 'অজ্ঞানতা' বা অন্ধকাৰে ৰচীডালক আবৃত্ত কৰে আৰু সাপৰ জ্ঞান তাত আৰোপ কৰা হয়। ইয়াকে বোলা হয় অধ্যাস আৰু মায়াৰ বাবেই অধ্যাস হয়। শঙ্কৰৰ দর্শনত অধ্যাসৰ ওপৰত বিস্তৃত আলোচনা কৰা হৈছে।

৪। মায়া অনাদি --

মায়া অনাদি অর্থাৎ মায়াৰ কোনো আদি বা আৰম্ভণি নাই। কেতিয়াৰ পৰা ব্রহ্ম আৰু মায়াৰ সম্পর্ক হয় সেইটো কোৱাটো সম্ভৱ নহয়। পৃথিৱীৰ ইতিহাসৰ সমানেই ই পুৰণি আৰু কেতিয়াৰ পৰা জগতৰ আৰম্ভ হৈছে সেই কথা কোনেও ক'ব নোৱাৰে। গতিকে মায়াৰ উৎপত্তি আমাৰ জ্ঞানৰ অতীত। কাৰণ আমি নিজেই মায়াৰ সৃষ্টি। কিন্তু মায়া যদিও অনাদি বা আৰম্ভণিবিহীন, ই কিন্তু অনন্ত নহয় অর্থাৎ ইয়াৰ পৰিণতি আছে। ব্রহ্মজ্ঞান লাভৰ পিছত মানুহে মায়াৰ পৰা মুক্ত হ'ব পাৰে। গতিকে মায়া যদিও অনাদি তথাপি অনন্ত নহয়।

৫। মায়া ভাবৰূপ --

অদ্বৈত বেদান্তৰ মতে মায়া হৈছে ভাবৰূপ, কাৰণ মায়া হৈছে জগত উৎপত্তিৰ কাৰণ। মায়াই কেৱল ব্রহ্মৰ সত্যতাকে লুপ্ত নকৰে, লগতে ই সত্যতাক বিভ্রান্ত কৰি বহুধা জগতৰ জ্ঞান দিয়ে। মায়া হৈছে জ্ঞান বিৰোধী। ইয়াৰ অর্থ হৈছে মায়া বা অজ্ঞানতা যথার্থ জ্ঞানৰ উদয় হ'লে অর্থহীন হৈ পৰে। যিদৰে পোহৰৰ আগমনৰ লগে লগে আন্ধাৰৰ প্রস্থান হয়, সেইদৰে জ্ঞানৰ উদয়ৰ লগে লগে মায়া অন্তর্ধান হয়। গতিকে মায়া জ্ঞানৰ অভাৱেই নহয়, ই জ্ঞানৰ বিৰোধীও।

৬। মায়া অনির্বচনীয় --

মায়া অনির্বচনীয় অর্থাৎ ই বর্ণনাতীত। মায়াক বর্ণনা কৰিব নোৱাৰি। মায়া দৃশ্যও নহয়, অদৃশ্যও নহয়, বা দৃশ্য আৰু অদৃশ্য নহয়। ই ব্রহ্মৰ সমান নহয়, ব্রহ্মতকৈ পৃথক নহয় বা দুয়োটা একেলগে মায়াৰ ক্ষেত্রত প্রযোজ্য নহয়। মায়া অংশৰ সমষ্টিও নহয়, অংশবিহীন নহয় বা দুয়োটা একেলগে মায়াৰ ক্ষেত্রত প্রয়োগ কৰিব নোৱাৰি। গতিকে মায়া বর্ণনাতীত।

মায়া ব্রহ্মৰ দৰে সৎ নহয়, কাৰণ জ্ঞানৰ প্রকাশ হ'লে মায়া অর্থহীন হৈ পৰে। আকাশ কুসুম বা শহাৰ শিঙৰ দৰে মায়া অসৎ বা অবাস্তৱ নহয়, কাৰণ মায়াক আমি অভিজ্ঞতাত পাব পাৰো। আকৌ মায়া সৎ আৰু অসৎ উভয়ে হ'ব নোৱাৰে যিহেতু ই আত্ম বিৰোধী। আকৌ মায়া ব্রহ্মৰ সমান নহয়, ব্রহ্মতকৈ পৃথক নহয় আৰু যিহেতু সমানে আৰু পৃথক, দুয়ো আত্মবিৰোধী। গতিকে মায়াৰ ক্ষেত্রত দুয়োটাই একেলগে প্রযোজ্য হ'ব নোৱাৰে। আকৌ মায়া অংশৰ সমষ্টি বা অংশবিহীন বা অংশ আৰু অংশবিহীন উভয়ে হ'ব নোৱাৰে। গতিকে এই সকলোবোৰ বিবেচনা কৰি বেদান্ত দর্শনে কৈছে যে মায়া অনির্বচনীয় বা বর্ণনাতীত। অর্থাৎ মায়াক কোনো ব্যৱহাৰিক জ্ঞানেৰে বর্ণনা কৰিব নোৱাৰি।

৭। মায়া ত্রিগুণাত্মক --

মায়া ত্রিগুণাত্মক অর্থাৎ মায়া সত্ত্ব, ৰজ আৰু তম এই তিনি গুণৰ সমষ্টি। সাংখ্য দর্শনৰ প্রকৃতিৰ দৰে মায়া ত্রিগুণাত্মক।

এইখিনিতে এটা কথা মনত ৰাখিব লাগিব মায়া যদিও প্রকৃতিৰ দৰে ত্রিগুণাত্মক তথাপি সাংখ্যৰ প্রকৃতিৰ লগত মায়াৰ পার্থক্য আছে। সাংখ্যৰ প্রকৃতি হৈছে এটা পৰম তত্ত্ব, ই পুৰুষতকৈ পৃথক আৰু স্বাধীন। কিন্তু অদ্বৈত বেদান্তত মায়া হৈছে জগতৰ মূল কাৰণ আৰু ই সম্পূর্ণ ৰূপে ব্রহ্মৰ অধীন। মায়া হৈছে ঈশ্বৰৰ শক্তি স্বৰূপ আৰু জগত সৃষ্টিৰ মূল কাৰণ আৰু ই ঈশ্বৰৰ অধীন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১৪ ঃ মায়াৰ দুটা কার্য কি কি? মায়াৰ বাবেই ব্রহ্ম জগত ৰূপত অৱভাস হয়। কথাষাৰ সঁচানে?

.....

.....

প্রশ্ন ১৫ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক

(ক) মায়াৰ বাবেই ব্রহ্ম জগত ৰূপত অবভাস হয়। (শুদ্ধ/অশুদ্ধ)

(খ) মায়া অনির্বচনীয়। (শুদ্ধ/অশুদ্ধ)

(গ) মায়াক এক সদর্থক সত্তা। (শুদ্ধ/অশুদ্ধ)

(ঘ) মায়া অনাদি। (শুদ্ধ/অশুদ্ধ)

(ঙ) মায়াৰ দ্বাৰা যুক্ত হৈ ব্রহ্মই ঈশ্বৰ নামেৰে পৰিচিত হয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ১৬ ঃ মায়া ত্রিগুণাত্মক, (অর্থাৎ মায়া সত্ত্ব, ৰজ আৰু তম এই তিনি গুণৰ সমষ্টি) কি কি?

.....

.....

.....

.....



১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আপোনালোকে বেদান্ত দর্শনৰ বিশেষকৈ শঙ্কৰৰ অদ্বৈত বেদান্তৰ বিষয়ে জানিব পাৰিলে। শঙ্কৰৰ ব্রহ্মৰ বিষয়ে এই অধ্যায়ত নিম্নলিখিত বিষয়বোৰ আলোচনা কৰা হ'ল---

- বেদান্ত দর্শনৰ মূল আলোচ্য বিষয় হৈছে ব্রহ্মৰ জ্ঞান।
- বেদান্ত দর্শন প্রস্থানত্রয়ৰ ওপৰত প্রতিষ্ঠিত। প্রস্থানত্রয় হৈছে -- উপনিষদ, ভাগৱদগীতা আৰু ব্রহ্মসূত্র।
- অদ্বৈত বেদান্ত হৈছে বেদান্ত দর্শনৰ এক বিশেষ উল্লেখযোগ্য সম্প্রদায়।
- অদ্বৈত বেদান্ত শঙ্কৰৰ নামেৰেই বিখ্যাত যদিও শঙ্কৰ অদ্বৈত বেদান্ত দর্শনৰ প্রতিষ্ঠাতা নহয়।
- প্রাচীন ভাৰতীয় দর্শন সাহিত্যৰ ওপৰত ভিত্তি কৰি শঙ্কৰে অদ্বৈত বেদান্ত দর্শনক সুদৃঢ় ভাৰে প্রতিষ্ঠিত কৰিছিল।
- উপনিষদৰ তথ্যৰ আধাৰত শঙ্কৰে ব্রহ্মৰ ব্যাখ্যা কৰিছিল।
- উপনিষদৰ মত অনুযায়ী শঙ্কৰৰ দর্শনত ব্রহ্মক দুটা দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰা হয়। নির্গুণ আৰু সগুণ ব্রহ্ম।
- পাৰমার্থিক দৃষ্টিকোণৰ পৰা ব্রহ্ম হৈছে নির্গুণ আৰু ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা ব্রহ্ম সগুণ।
- ব্যৱহাৰিক বা বৌদ্ধিক জ্ঞান প্রক্রিয়াৰে ব্রহ্মজ্ঞান লাভ কৰা নাযায়। পাৰমার্থিক জ্ঞানেৰেহে ব্রহ্মজ্ঞান লাভ কৰা সম্ভৱ।
- উপনিষদৰ মতে 'নেতি-নেতি' ধাৰণাৰে নঞৰ্থক দৃষ্টিভংগীৰে আমি ব্রহ্মক জানিব পাৰো।
- যি সকলে ব্রহ্মক হৃদয়ত উপলব্ধি কৰিব পাৰে ব্রহ্মৰ লগত একাত্ম হ'ব পাৰে তেওঁহে ব্রহ্ম জ্ঞান লাভ কৰিব পাৰে।

- শঙ্কৰে জগত সৃষ্টিৰ বিষয়ে বর্ণনা কৰিবলৈ মায়াবাদৰ অৱতাৰণা কৰিছিল।
- ভাৰতীয় দর্শনত মায়াৰ কোনো নির্দিষ্ট অর্থত ব্যৱহাৰ হোৱা নাই, সেয়েহে মায়াবাদৰ ওপৰত যথেষ্ট সমালোচনা আৰু বিভ্রান্তিৰ সৃষ্টি হৈছে।
- মায়াবাদে মিথ্যা বা ভ্রম নুবুজায়।
- মায়া হৈছে সেইটো যিটো প্রকৃততে নহয়।
- মায়া এক অভিজ্ঞতালব্ধ বিষয়।
- মায়াৰ দুটা কার্য হৈছে -- আৱৰণ আৰু বিক্ষেপন।
- মায়াৰ নানা বৈশিষ্ট্য আছে।



১০.১২ অধিক জানিবলৈ

১. ভট্টাচার্য, জ্যোৎস্না, *ভাৰতীয় দর্শন,*

২ বৰুৱা, গিৰীশ , *ভাৰতীয় দর্শন,*

৩ পূজাৰী, বন্দনা, *ভাৰতীয় দর্শন,*

৪. ভাৰতীয় দর্শন পৰিচয়ঃ পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয়।

৫. ভাৰতীয় দর্শন (দ্বিতীয় খণ্ড) ঃ পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, ডিবৰুগড় বিশ্ববিদ্যালয়।

৬. ভট্টাচার্য, জ্যোৎস্না, *ভাৰতীয় দর্শন* ,

৭. বৰুৱা, গিৰীশ , *ভাৰতীয় দর্শন,*

৮ . পূজাৰী, বন্দনা , *ভাৰতীয় দর্শন,*

৯. ভাৰতীয় দর্শন পৰিচয়ঃ পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয়।

১০. ভাৰতীয় দর্শন (দ্বিতীয় খণ্ড) ঃ পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, ডিবৰুগড় বিশ্ববিদ্যালয়।



১০.১৩ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ যি দর্শনত ব্রহ্ম জ্ঞানৰ বিষয়ে আলোচনা কৰা হৈছে সেই দর্শনেই হৈছে বেদান্ত দর্শন। ভাৰতবর্ষক 'আধ্যাত্মিকতাৰ দেশ' বুলি কোৱাৰ ক্ষেত্রত বেদান্তক ভেটি হিচাপে ধৰা হয়। বেদান্ত দর্শনে উপনিষদ, ভাগৱদগীতা, ব্রহ্মসূত্রৰ লগতে ব্রহ্ম জ্ঞানৰ লগত জড়িত সকলো ধৰণৰ ভাষ্যগ্রন্থকে বুজায়। ভাৰ্ষিক অথবা আক্ষৰিক বেদান্তক বেদৰ অন্ত হিচাপে জনা যায়।

২নং প্রশ্ন উত্তৰ ঃ বিভিন্ন কাৰণত উপনিষদক বেদান্ত বোলা হয়। তাৰ ভিতৰত উল্লেখযোগ্য কাৰণবোৰ হ'ল-

- ৰচনাৰ ফালৰ পৰা উপনিষদ বৈদিক যুগৰ শেষৰ সৃষ্টি য'ত দার্শনিক তত্ত্বৰ আলোচনা কৰা হৈছে।

- পাঠবিধি অনুসৰিও উপনিষদৰ স্থান সর্বশেষত। মানুহে সকলো সাংসাৰিক বন্ধনৰ পৰা মুক্ত হৈ জীৱনৰ শেষ কালত দার্শনিক জ্ঞানৰ বাবে উপনিষদ অধ্যয়ন কৰে।
- উপনিষদতে দার্শনিক চিন্তাৰ পূর্ণবিকাশ ঘটিছে। বৈদিক চিন্তাৰ চৰম প্রকাশ হিচাপেও উপনিষদক বেদান্ত বোলা হয়।

৩নং প্রশ্ন উত্তৰ ঃ উপনিষদ, ভাগৱদগীতা আৰু ব্রহ্মসূত্রক একেলগে বেদান্ত দর্শনৰ প্রস্থানত্রয় বোলা হয়।

৪নং প্রশ্ন উত্তৰ ঃ (ক) উত্তৰ ঃ শুদ্ধ

(খ) উত্তৰ ঃ শুদ্ধ

(গ) উত্তৰ ঃ শুদ্ধ

৫নং প্রশ্ন উত্তৰ ঃ সগুণ ব্রহ্ম আৰু নির্গুণ ব্রহ্ম।

৬নং প্রশ্ন উত্তৰ ঃ পাৰমার্থিক দৃষ্টিৰে ব্রহ্ম সম্পর্কে যি ধাৰণা কৰা হয় সেয়ে হৈছে নির্গুণ ব্রহ্ম। নির্গুণ ব্রহ্ম হৈছে পৰম সত্তা যাক কোনো বৌদ্ধিক জ্ঞানেৰে বর্ণনা কৰিব নোৱাৰি। কেৱল পৰম জ্ঞানেৰে নির্গুণ ব্রহ্মক উপলব্ধি কৰিব পাৰি।

৭নং প্রশ্ন উত্তৰ ঃ উত্তৰ ঃ ব্যৱহাৰিক দৃষ্টিৰে ব্রহ্মৰ যি বর্ণনা কৰা হয় সেয়ে হৈছে সগুণ ব্রহ্ম। সগুণ ব্রহ্ম হৈছে জগতৰ সৃষ্টিকর্তা, ৰক্ষাকর্তা আৰু সংহাৰকর্তা। তেৱেই হৈছে সর্বজ্ঞ, সর্বব্যাপ্ত, সর্বশক্তিমান ঈশ্বৰ।

৮নং প্রশ্ন উত্তৰ ঃ (ক) উত্তৰ ঃ শুদ্ধ

(খ) উত্তৰ ঃ অশুদ্ধ

(গ) উত্তৰ ঃ অশুদ্ধ

(ঘ) উত্তৰ ঃ শুদ্ধ

৯ নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ

১০ নং প্রশ্ন উত্তৰ ঃ বৃহদাৰণ্যক উপনিষদৰ মতে, মায়া হৈছে যাদুকৰী শক্তি।

১১ নং প্রশ্ন উত্তৰ ঃ শঙ্কৰৰ মতে জগত প্রপঞ্চৰ মূল কাৰণ হৈছে মায়া। বিভিন্ন সময়ত শঙ্কৰে মায়াৰ অর্থত অজ্ঞান, অবিদ্যা, মায়া, প্রকৃতি, অব্যক্ত ইত্যাদি শব্দ প্রয়োগ কৰিছে। এই শব্দবোৰ মায়াৰ লগত সমার্থক হিচাপে ব্যৱহাৰ কৰা হয়। মায়াৰ সহায়ত শঙ্কৰৰ দর্শনত যুক্তিপূর্ণ ভাৱে ব্যাখ্যা কৰিছে যে ব্রহ্মই একমাত্র সত্য আৰু এই বিশাল জগতখন, য'ত আমি জন্মৰ পৰা মৃত্যুলৈকে থাকো, অভিজ্ঞতা পাওঁ, ই ব্রহ্মৰেই অৱভাস মাত্র।

১২ নং প্রশ্ন উত্তৰ ঃ বৃহদাৰণ্যক উপনিষদ

১৩ নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

১৪ নং প্রশ্ন উত্তৰ ঃ আৱৰণ আৰু বিক্ষেপন কার্য

১৫ নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ

(ঘ) শুদ্ধ (ঙ) শুদ্ধ

১৬ নং প্রশ্ন উত্তৰ ঃ সত্ত্ব, ৰজ আৰু তম্



১০.১৪ আহিঁ প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন নং১ ঃ 'বেদান্তৰ' আক্ষৰিক অর্থ কি?

প্রশ্ন নং২ ঃ ' ব্রহ্ম সত্য জগৎ মিথ্যা'ৰ অর্থ কি?

প্রশ্ন নং৩ ঃ শঙ্কৰৰ মতে, সগুণ ব্রহ্ম বুলিলে কি বুজা যায়?

প্রশ্ন নং৪ ঃ ব্রহ্ম সম্পর্কে থকা মত কেইটা কি কি?

প্রশ্ন নং৫ ঃ 'মায়া'ৰ ধাৰণাৰ এটা উদাহৰণ দিয়ক।

প্রশ্ন নং৬ ঃ 'মায়া' শব্দটিৰ লগত জড়িত থকা দুটা শব্দ কি কি?

প্রশ্ন নং৭ ঃ কি ধৰণে বৃহদ আৰণ্যক উপনিষদে মায়াৰ ধাৰণাটোৰ সংজ্ঞা দিয়ে?

প্রশ্ন নং ৮ ঃ 'মায়া' এক শক্তি হিচাপে কার্য সম্পাদিত কৰে। ইয়াৰ কার্য কি কি?

প্রশ্ন নং ৯ ঃ মায়াৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য কি কি?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং১ ঃ ব্রহ্ম সম্পর্কে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন নং২ ঃ ব্রহ্মৰ প্রকৃতি সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন নং৩ ঃ ব্রহ্মৰ তটস্থ লক্ষণ কি? চমুকৈ আলোচনা কৰক।

প্রশ্ন নং৪ ঃ নেতি-নেতি ধাৰণাৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

প্রশ্ন নং৫ ঃ মায়া অবর্তনীয়। মায়াৰ এটা বৈশিষ্ট্যৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন নং৬ ঃ অদ্বৈত বেদান্তত মায়াৰ গুতত্ত্বটো কি? চমুকৈ আলোচনা কৰক

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং১ ঃ অদ্বৈত বেদান্ত

প্রশ্ন নং২ ঃ স্বৰূপ লক্ষণ ব্রহ্মণ

(ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং১ ঃ উপনিষদক কিয় বেদান্ত বোলা হয়। আলোচনা কৰক

প্রশ্ন নং২ ঃ ব্রহ্মৰ ধাৰণা সম্পর্কে আলোচনা কৰক।

প্রশ্ন নং৩ ঃ বেদান্ত দর্শনৰ প্রস্তানত্রয় সম্পর্কে ব্যাখ্যা কৰক।

প্রশ্ন নং৪ ঃ নির্গুণ ব্রহ্ম কি? ব্যাখ্যা কৰক।

প্রশ্ন নং৫ ঃ ব্রহ্ম নির্গুণ হয় নে? আলোচনা কৰক।

প্রশ্ন নং৬ ঃ ব্রহ্মক কেনেকৈ সগুণ হিচাপে ব্যাখ্যা কৰিব পাৰি। আলোচনা কৰক।

প্রশ্ন নং৭ ঃ ব্রহ্মৰ নেতি-নেতি ধাৰণাটো কি? আলোচনা কৰক।

প্রশ্ন নং৮ ঃ শঙ্কৰৰ মায়াৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন নং৯ ঃ মায়াৰ অর্থ ব্যাখ্যা কৰক।

প্রশ্ন নং১০ ঃ মায়াৰ দুই কার্যৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন নং১১ ঃ মায়াৰ প্রকৃতি সম্পর্কে বর্ণনা দিয়ক।

****

অধ্যায় ১১ ঃ ৰামানুজৰ বেদান্ত ঃ ঈশ্বৰ সম্পৰ্কে ধাৰণা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১৩ ৰামানুজৰ দৰ্শনত ঈশ্বৰৰ ধাৰণা

১১.৪ ঈশ্বৰৰ বৈশিষ্ট্য তাৎপর্য্য

১১.৪.১ ঈশ্বৰ গুণ বিশিষ্ট

১১.৪.২ ঈশ্বৰ ত্রিসত্বাত্মক

১১.৪৩ ঈশ্বৰৰ ভেদ আছে স্বগতঃ ভেদ

১১.৪.৪ অপৃথকসিদ্ধি

১১.৪.৫ ঈশ্বৰ জগতৰ সৃষ্টিকর্তা

১১.৫ ৰামানুজৰ দৰ্শন ঈশ্বৰবিশ্বাসী

১১.৬ ঈশ্বৰৰ পাঁচ অভিব্যাক্তি

১১.৬.১ অর্চা

১১.৬২ বিভব

১১৬৩ ব্যুহ

১১.৬.৪ সুক্ষ্ম

১১.৬.৫ অন্তর্যামী

১১.৭ ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৯ অধিক জানিবলৈ

১১.১০ অগ্রগতিৰ খতিয়ান

১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়ন কৰি আপুনি—

- ৰামানুজৰ বিষয়ে জানিব পাৰিব,
- ৰামানুজৰ বিশিষ্টাদ্বৈত দৰ্শনৰ বিষয়ে জানিব পাৰিব,
- ৰামানুজৰ ঈশ্বৰৰ ধাৰণাৰ লগত পৰিচয় হ'ব পাৰিব,
- ঈশ্বৰৰ বৈশিষ্ট্যবোৰ জানিব পাৰিব,
- ঈশ্বৰৰ বিভিন্ন ৰূপ বা অভিব্যাক্তিৰ বিষয়ে জানিব পাৰিব।

১১.২ পৰিচয়

ভাৰতৰ প্ৰখ্যাত বৈষ্ণৱ দাৰ্শনিকসকলৰ ভিতৰত উল্লেখযোগ্য দাৰ্শনিক হৈছে ৰামানুজ। দশম শতিকাত তামিলসকলৰ মাজত বৈষ্ণৱ পন্থা অতি জনপ্ৰিয় হৈছিল। সেইসময়ত সংস্কৃত সাহিত্যৰ বিখ্যাত পণ্ডিতসকল বৈষ্ণৱ সম্প্ৰদায়ৰ উৎকৰ্ষ সাধনৰ বাবে যথেষ্ট বৰঙণি যোগাইছিল। তেওঁলোকক আচাৰ্য উপাধিৰে সন্মানিত কৰা হৈছিল। তেওঁলোকৰ ভিতৰত ৰামানুজৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি।

ৰামানুজৰ দৰ্শনৰ মুখ্য উদ্দেশ্য হৈছে উপনিষদ, ভাগবদগীতা আৰু ব্ৰহ্মসুত্ৰৰ সমন্বয় সাধন কৰি বৈষ্ণৱ দৰ্শনৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাসৰ ভাৱ জাগ্ৰত কৰা। এই দৰ্শনে ভগৱান বিষ্ণুক শ্ৰেষ্ঠ সত্ত্বা হিচাপে মানি তেওঁৰ পূজা-উপাসনাৰ ওপৰত গুৰুত্ব দিয়ে। শঙ্কৰৰ নিৰ্গুণ ব্ৰহ্মৰ বিপৰীতে ৰামানুজৰ দৰ্শনত ঈশ্বৰৰ অস্তিত্বৰ ওপৰত গুৰুত্ব দিয়া হৈছে। মানুহৰ জীৱনত যেতিয়াই বিষম পৰিস্থিতি আহে, তেতিয়াই তেওঁ ঈশ্বৰক অন্তৰেৰে আৰাধনা কৰে আৰু তেওঁৰ প্ৰাৰ্থনা শুনি ঈশ্বৰে তেওঁৰ দুখ নিবাৰণ কৰে। ৰামানুজৰ দৰ্শনে বিশ্বাস কৰে যে এই জগতৰ মূলতঃ এক আধ্যাত্মিক তত্ত্ব আছে। গতিকে এই জগত ভ্ৰম বা ভ্ৰান্তিমাত্ৰ হ'ব নোৱাৰে।

ৰামানুজৰ জীৱন আৰু সাহিত্য ঃ

ৰামানুজৰ জন্ম তামিলনাডুৰ ওচৰত শ্ৰীপেৰুম্বুদৰত ১০১৭ ইং চনত হৈছিল। প্ৰাথমিক শিক্ষা গ্ৰহণ সমাপ্ত কৰি তেওঁ কাঞ্চিপুৰমৰ বেদান্ত শাস্ত্ৰত পণ্ডিত যাদৱ প্ৰকাশৰ ওচৰত বেদান্ত অধ্যয়ন কৰিছিল। যাদৱ প্ৰকাশ যিহেতু যমুনাচাৰ্যৰ শিষ্য আছিল, সেয়েহে ৰামানুজক যমুনাচাৰ্যৰ শিষ্য মানা হয়। কোৱা হয় কিছুমান উপনিষদিক সিদ্ধান্তৰ ব্যাখ্যাত তেওঁ তেওঁৰ গুৰুৰ লগত সহমত হ'ব পৰা নাছিল আৰু সেয়েহে তেওঁ অন্য গুৰুৰ সন্ধান কৰিছিল। অৱশেষত তেওঁ শ্ৰীৰঙ্গমত পণ্ডিত চমুনাচাৰ্যৰ ওচৰ চাপিছিল বেদান্ত অধ্যয়নৰ বাবে। দুৰ্ভাগ্যক্ৰমে তেওঁ গৈ উপস্থিত হোৱাৰ পূৰ্বেই তেওঁৰ গুৰুৰ মৃত্যু ঘটিছিল। মতবাদ মতে তেওঁ গুৰুৰ পৰা দৈবিক নিৰ্দেশ পাইছিল আৰু সেই নিৰ্দেশ অনুসৰিয়ে ব্ৰহ্মসুত্ৰৰ ওপৰত এক ভাষ্য লিখিলে। শঙ্কৰৰ নিৰ্গুণ ব্ৰহ্মৰ জ্ঞানাত্মক ব্যাখ্যাৰ বিপৰীতে ৰামানুজই ব্ৰহ্মসুত্ৰৰ ভক্তিপূৰ্বক ব্যাখ্যা লিখিলে, যিখন শ্ৰীভাষ্য নামে বিখ্যাত। তেওঁৰ আৰু বহুতো মূল্যবান ৰচনাৰ ভিতৰত উল্লেখযোগ্য হৈছে গীতাৰহস্য, বেদান্তসাৰ, বেদান্ত দীপা, বেদান্ত সংগ্ৰহ, গদ্য ত্ৰয় ইত্যাদি। তেওঁ দৰ্শন, গীতা, আগম পুৰাণ, মুখ্যতঃ বিষ্ণুপুৰাণ, ভাগৱতপুৰাণ আৰু আলৱাৰসকলৰ ভক্তিমূলক গীত আদিৰ দ্বাৰা প্ৰভাবিত হৈছিল।

ৰামানুজ বৈষ্ণৱবাদৰ এজন নিষ্ঠাবান সমৰ্থক আছিল। বৈষ্ণৱবাদৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে তেওঁ নিজকে নিয়োগ কৰিছিল আৰু বহুতো মঠ-মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁ তেওঁৰ ভক্তসকলৰ মাজত যতিৰাজা হিচাপেৰ সন্মানিত আছিল।

ৰামানুজৰ দৰ্শনক বিশিষ্ঠাদ্বৈতবাদ নামেৰে জনা যায়। তেওঁৰ দৰ্শন হৈছে অদ্বৈত,

যদিও ই গুণসম্পন্ন (বিশিষ্ট)। ৰামানুজৰ দর্শনত পৰম তত্ত্ব, যাক ঈশ্বৰ বা ব্রহ্ম কোৱা হয়। আনহাতে ঈশ্বৰ বা ব্রহ্ম হৈছে সগুণ বা গুণবিশিষ্ট। ব্রহ্ম তিনিটা গুণসম্পন্ন— চিৎ, অচিৎ আৰু ঈশ্বৰ। ইয়াত চিৎ (জীৱ) আৰু অচিৎ (জগত) ঈশ্বৰৰ অধীন।

১১.৩ ৰামানুজৰ দর্শনত ঈশ্বৰৰ ধাৰণা

ৰামানুজৰ দর্শনত ব্রহ্ম বা ঈশ্বৰক এনেদৰে প্রকাশ কৰিছে, যিদৰে শঙ্কৰে তেওঁৰ অদ্বৈত বেদান্তত ঈশ্বৰক প্রকাশ কৰিছে। ৰামানুজৰ মতে ঈশ্বৰ হৈছে একমাত্র পৰম তত্ত্ব আৰু ব্রহ্ম আৰু ঈশ্বৰৰ মাজত কোনো পার্থক্য নাই। ড° সর্বপল্লী ৰাধাকৃষ্ণনৰ মতে শঙ্কৰৰ পৰম ব্রহ্ম নির্গুণ, তেওঁ উপাসকসকলৰ মনত ভয় অথবা প্রেমৰ ভাৱনাৰ প্রতি সদায় উদাসীন। ব্রহ্মৰ এই উদাসীনতাৰ বিষয়ে তেওঁ কৈছে যে— যিদৰে তাজমহলৰ প্রশংসা দর্শকসকলে কৰে, কিন্তু তাৰ পৰা তাজমহলৰ একো প্রভাৱ নেপেলায়, সেইদৰে শঙ্কৰৰ নির্গুণ ব্রহ্মই তেওঁৰ উপাসকৰ মনত ভয় আৰু প্রেমৰ ভাব জগাব নোৱাৰে। (ভাৰতীয় দর্শন- Vol.-II)

শঙ্কৰৰ নির্গুণ, নিৰাকাৰ ব্রহ্মৰ বিপৰীতে ৰামানুজৰ ঈশ্বৰবাদৰ উৎপত্তি হৈছে। ৰামানুজৰ মতে ঈশ্বৰে ভক্তৰ আহ্বান শুনে। ভক্তই নিজৰ জীৱনৰ এক চৰম অৱস্থাত পৰম শক্তি ঈশ্বৰক আহ্বান কৰে আৰু এক কৰুণাময় হাত তেওঁক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহে। ৰামানুজৰ দর্শনত ঈশ্বৰ যথার্থতে সত্য আৰু স্বাধীন আৰু জীৱজগত আৰু জড়জগত ঈশ্বৰৰ ওপৰত নির্ভৰশালী।

১১.৪ ৰামানুজৰ ঈশ্বৰৰ বৈশিষ্ট্য

ৰামানুজৰ ঈশ্বৰ হৈছে পুৰুষোত্তম তেওঁ অনন্ত গুণসম্পন্ন সর্বোচ্চ সত্ত্বা। ঈশ্বৰৰ বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

১১.৪.১ ঈশ্বৰ গুণবিশিষ্ট

ৰামানুজৰ মতে ঈশ্বৰ পৰম সত্ত্বা। তেওঁ গুণবিশিষ্ট ব্রহ্ম (সগুণ ব্রহ্ম)। ব্রহ্ম স্ববিশেষ নির্বিশেষ নহয়। নির্গুণ আৰু সগুণ ব্রহ্মৰ মাজত কোনো পার্থক্য নাই। ব্রহ্মক নির্গুণ কোৱা হয়, কিয়নো তেওঁৰ কোনো অশুভ গুণ নাই। ব্রহ্ম, নিত্য, সর্বব্যাপী, সুক্ষ্ম, অন্তর্যামী, অক্ষয়, সর্বজ্ঞ, সর্বশক্তিমান আৰু কল্যাণযুক্ত গুণৰে সম্পন্ন। তেওঁ সত্য, জ্ঞান আৰু অনন্ত। গতিকে বিশিষ্টাদ্বৈত বাদৰ অর্থই হৈছে ঈশ্বৰ সকলো ভাল গুণৰ সমষ্টি।

১১.৪.২ ঈশ্বৰ ত্রিগুণাত্মক

শঙ্কৰৰ অদ্বৈতবাদৰ বিপৰীত ৰামানুজৰ দর্শন হৈছে বিশিষ্টদ্বৈতবাদ। ৰামানুজই তিনিটা তত্ত্বৰ স্বীকাৰ কৰে— ঈশ্বৰ, জীৱ (চিৎ) আৰু জড় (অচিৎ)। ঈশ্বৰ এক পৰম

তত্ত্ব আৰু চিৎ আৰু অচিৎ ইয়াৰ দুই অংশ। চিৎ আৰু অচিৎ দুয়ো সত্য আৰু দুয়ো ঈশ্বৰৰ অংশ, দুয়ো ঈশ্বৰৰ অধীন গতিকে ঈশ্বৰ ত্রিগুণাত্মক। যিদৰে ডাল, পাত, ফল, ফুল আদি যদিও প্ৰত্যেকে পৰস্পৰ পৃথক, তথাপি আটায়ে মিল একে বৃক্ষৰ অপৰিহার্য অংগ, সেইদৰে ঈশ্বৰ, জীৱ আৰু জড়, যদিও পৰস্পৰ পৃথক, তথাপি আটায়ে মিলি ঈশ্বৰৰ অবিচ্ছেদ্য অংগ গঠিত হয়। ৰামানুজৰ ঈশ্বৰক সেয়েহে ত্রিগুণাত্মক কোৱা হয়।

১১.৪.৩ ঈশ্বৰৰ মাজত স্বগতঃ ভেদ বিদ্যমান

ৰামানুজৰ মতে ঈশ্বৰৰ স্বগতঃ ভেদ বিদ্যমান। বেদান্ত দর্শনত তিনি প্ৰকাৰৰ ভেদ আছে। সেইবোৰ হৈছে সজাতিয় ভেদ, বিজাতিয় ভেদ আৰু স্বগতঃ ভেদ।

১। সজাতিয় ভেদ— একে শ্ৰেণীৰ মাজত থকা ভেদ, যেনে- দুডাল কলগছৰ মাজত থকা ভেদ।

২। বিজাতিয় ভেদ— এটা জাতি আৰু অন্য এটা জাতিৰ মাজত থকা ভেদ। এটা গাই আৰু এটা ঘোঁৰাৰ মাজত থকা যি ভেদ, সেয়া বিজাতিয় ভেদ।

৩ স্বগতঃ ভেদ— এটা বস্তুৰ মাজত থকা বিভিন্ন অংশৰ মাজত থকা ভেদ হৈছে স্বগতঃ ভেদ। যেনে- গছ এডালৰ শিপা, ডাল, গা-গছ, ফল, ফুলৰ মাজত থকা ভেদ।

ৰামানুজৰ মতে ঈশ্বৰৰ মাজত সজাতিয় ভেদ নাই, কাৰণ ঈশ্বৰৰ বাহিৰে আৰু কোনো দ্বিতীয় সত্ত্বা নাই। ঈশ্বৰৰ মাজত কোনো বিজাতিয় ভেদ নাই, যিহেতু ঈশ্বৰৰ অন্য এক ভিন্ন সত্ত্বা নাই। গতিকে ঈশ্বৰৰ মাজত কোনো বিজাতিয় ভেদ থাকিব নোৱাৰে।

ঈশ্বৰৰ মাজত স্বগতঃ ভেদ আছে। ব্ৰহ্ম এক সমগ্ৰ সত্ত্বা আৰু এই সমগ্ৰ সত্ত্বাৰ অন্তৰ্গত দুই অংশ চিৎ আৰু অচিৎ পৰস্পৰ পৃথক। চিৎ আৰু অচিৎ অর্থাৎ জীৱ আৰু জড় জগত হৈছে ঈশ্বৰৰ অবিচ্ছেদ্য অংগ। ঈশ্বৰৰ দৰে দুয়ো সমানে সত্য আৰু দুয়ো মিলি ঈশ্বৰৰ দেহ আৰু আত্মা গঠিত হয়। গতিকে ঈশ্বৰ হৈছে জীৱ আৰু জগতৰ সাম্মিলিত এক সমূহ বা গোট আৰু ইয়েই হৈছে ঈশ্বৰৰ স্বগতঃ ভেদ।

১১.৪.৪ অপৃথকসিদ্ধি

ৰামানুজৰ মতে চিৎ, অচিৎ আৰু ঈশ্বৰৰ মাজত অপৃথকাসিদ্ধি সম্পৰ্ক আছে। ৰামানুজৰ মতে চিৎ আৰু অচিৎ দুয়ো ব্ৰহ্মৰ অংশ, এই অংশ আৰু অংশীৰ (ঈশ্বৰ) মাজত আন্তৰিক সম্বন্ধ থাকে, বাহ্য নহয়। ৰামানুজৰ মতে ব্ৰহ্মক বিশেষ্য আৰু জীৱ জগতক বিশেষণ কোৱা হয় আৰু দুয়োৰে মাজত অপৃথকসিদ্ধি সম্বন্ধ আছে। চিৎ আৰু অচিৎ ঈশ্বৰৰ শক্তি, অংশ, অভিব্যক্তি, অৱতাৰ, বিশেষণ বা শৰীৰ আৰু ঈশ্বৰৰ অন্তৰাত্মা। চিৎ আৰু অচিৎ বা জীৱ আৰু জগত আৰু ঈশ্বৰৰ মাজত অপৃথক সিদ্ধি

সম্বন্ধৰ অর্থ হৈছে ই এক আন্তৰিক সম্বন্ধ বা ই তেওঁৰ অবিচ্ছেদ্য গুণ।

১১.৪.৫ ঈশ্বৰ জগতৰ কাৰণ

ৰামানুজৰ মতে ঈশ্বৰ হৈছে পৰমাত্ম জড় আৰু জীৱজগত বা চিৎ আৰু অচিৎ সকলো মিলি ঈশ্বৰৰ শৰীৰ গঠন কৰে। সেয়েহে ঈশ্বৰ হৈছে জগতৰ উপাদান আৰু নিমিত্ত কাৰণ। ঈশ্বৰ তেওঁৰ লীলাৰ দ্বাৰা জগত ৰচনা কৰে। তেওঁ হৈছে জগতৰ সৃষ্টিকর্তা, ৰক্ষাকর্তা আৰু সংহাৰ কর্তা। ঈশ্বৰে তেওঁৰ লীলা প্রকাশৰ ববেই এই জগত সৃষ্টি কৰিছে। যিহেতু ঈশ্বৰ এক পূর্ণ সত্বা, তেওঁৰ কোনো অপূর্ণ কামনা, আশা আকাঙ্খা নাই। তেওঁ সর্বজ্ঞ, সর্বশক্তিমান জীৱৰ কর্মফল অনুযায়ী তেওঁ জগত সৃষ্টি কৰে, জীৱৰ মঙ্গল সাধন কৰে। ঈশ্বৰ কর্ম, ভক্তি আৰু জ্ঞানৰ বিধানদাতা। ভক্তই ঈশ্বৰক ভক্তিৰে সন্তুষ্ট কৰি তেওঁৰ কৃপা লাভ কৰে। ঈশ্বৰে এইদৰে জগতৰ সৃষ্টিকর্তা, ৰক্ষাকর্তা আৰু সংহাৰকর্তা আৰু সেয়েহে তেওঁক জগতৰ মূল কাৰণ কোৱা হয়।

১১.৫ ৰামানুজৰ মত ঈশ্বৰবাদী

ৰামানুজৰ দর্শন হৈছে ঈশ্বৰবাদী। ঈশ্বৰ বিশ্বাসী মতবাদ মতে ঈশ্বৰৰ প্রতি পৰম বিশ্বাস, সিজনা অন্তর্যামী আৰু সর্বশ্রেষ্ঠ আৰু তেওঁ স্বয়ং জ্ঞানসম্পন্ন আৰু স্বইচ্ছাৰ অধীন। এই সকলো লক্ষণ ৰামানুজৰ ঈশ্বৰৰ ধাৰণাত বিদ্যমান। ঈশ্বৰ হৈছে সাধনাৰ বিষয় আৰু আমাৰ ধর্মীয় অনুভূতিৰ লক্ষ্য। তেওঁ অনন্ত জ্ঞান সম্পন্ন তথা আনন্দ দাতা। তেওঁ অন্তর্যামী, ভক্তৰ উপাসনাৰ লক্ষ্য। তেওঁৰ পূজা-অর্চনা, প্রার্থনা, ভক্তি-শ্রদ্ধাৰে মানুহ তেওঁৰ কৃপা লাভ কৰি মুক্তি লাভ কৰিব পৰে।

১১.৬ ঈশ্বৰৰ অভিব্যক্তি

ৰামানুজৰ মতে ঈশ্বৰ পাঁচ ৰূপত অভিব্যক্ত হয়। মাধবাচার্যৰ সর্ব দর্শন সংগ্রহত ঈশ্বৰৰ ৰূপ পাঁচ প্রকাৰেৰে বর্ণনা কৰা হৈছে। সেইবোৰ হৈছে- (১) অর্চা, (২) বিভৱ, (৩) ব্যুহ, (৪) সুক্ষ্ম আৰু (৫) অনিৰুদ্ধ।

১১.৬.১ অর্চা

মূর্তিপূজাকে অর্চা কোৱা হয়। ঈশ্বৰৰ মূর্তি পাথৰ, মার্বল, ধাতু বা অন্য মূল্যবান ধাতুৰে গঢ়া হ'ব পাৰে আৰু সেইবোৰ ভক্তসকলে ভক্তি সহকাৰে গৃহত বা মঠ-মন্দিৰত প্রতিষ্ঠা কৰি পূজা-অচনা কৰে। এই সকলো ঈশ্বৰৰ ৰূপৰ প্রকাশ, যিবোৰ স্বয়ং প্রকাশ হয় বা কোনো সিদ্ধ পুৰুষে প্রতিষ্ঠা কৰে।

১১.৬.২ বিভৱ

যেতিয়া ঈশ্বৰে মানৱৰ ৰূপত বা অন্য ৰূপত আবিৰ্ভাৱ হয়, তেওঁক কোৱা হয় বিভৱ বা অৱতাৰ। ধৰ্মক ৰক্ষা আৰু ধৰ্মক বিনাশ আৰু লগতে ধৰ্মক পুনৰ প্ৰতিষ্ঠাৰ ববে তেওঁৰ আবিৰ্ভাৱ হয়। ঈশ্বৰৰ অৱতাৰ দুই প্ৰকাৰৰ পূৰ্ণ অৱতাৰ আৰু আংশিক অৱতাৰ। যেতিয়া তেওঁ নিজেই স্বইচ্ছাই অৱতাৰ হয়, যেনে কৃষ্ণ অৱতাৰ, তেতিয়া সেইটো হয় পূৰ্ণ অৱতাৰ। এনে অৱস্থাত পৰআত্মাই বিশেষ ভক্তৰ ওপৰত অনুগ্ৰহ কৰি সাক্ষাৎ প্ৰকট হয়। আংশিক বা গৌন অৱতাৰত ভগৱানে আবেগ বশত ভক্তৰ মনোকামনা সিদ্ধি কৰিবলৈ প্ৰকট হয়। মৎস, কুৰ্ম, নৰসিংহ আদি এনে অৱতাৰ।

১১.৬.৩ ব্যুহ

ব্যুহ চাৰি প্ৰকাৰৰ— বাসুদেৱ, সংকৰ্ষণ, প্ৰদুম্ন আৰু অনিৰুদ্ধ। সৰ্বশক্তিমান ঈশ্বৰ ছয় প্ৰকাৰৰ শ্ৰেষ্ঠ গুণসম্পন্ন, যেনে- জ্ঞান, শক্তি, বল, শ্ৰেয়, শৌৰ্য্য আৰু উজ্লতা। বাসুদেৱ-জ্ঞান, শক্তি, বল, প্ৰভুতা, পৰাক্ৰম তথা প্ৰতিভা আদি শ্ৰেষ্ঠ গুণেৰে সমৃদ্ধ। সংকৰ্ষণ-জ্ঞান আৰু বলেৰে যুক্ত। প্ৰদুম্ন- ঐশ্বৰ্য আৰু বীৰ্যৰে সমৃদ্ধ। অনিৰুদ্ধ শক্তি আৰু তেজস্বিতা গুণ সম্পন্ন।

১১.৬.৪ সুক্ষ্ম

সুক্ষ্ম গুণযুক্ত ঈশ্বৰ হৈছে বাসুদেৱ স্বৰূপ। তেওঁক পৰব্ৰহ্ম আখ্যা দিয়া হয়। তেঁৱেই হৈছে নাৰায়ণ, তেওঁৰ বসতিস্থান বৈকুণ্ঠধাম। শ্ৰুতিবাক্যত কোৱা হৈছে যে তেওঁ পৰমাত্মা, পাপৰাহিত, জৰাহীন, মৃত্যুহীন, শোকহীন, ভোক-পিয়াহ বহিত, পূৰ্ণৰূপত অৱস্থিত পৰমাত্মা নাৰায়ণ বৈকুণ্ঠপুৰী নিবাসী। মুক্ত আত্মাই তেওঁক প্ৰাপ্ত কৰে তেওঁ হৈছে, সদগুণ বিগ্ৰহ কেৱল মুক্ত লোকেহে তেওঁক লাভ কৰে।

১১.৬.৫ অন্তৰ্যামী

ঈশ্বৰ অন্তৰ্যামী ৰূপত সকলো জীৱত বসতি কৰে আৰু সকলো জীৱকে নিয়ন্ত্ৰিত কৰে। জীৱাত্মাৰ হৃদয়ত ভিন্ ভিন্ ৰূপত অৱস্থিত হৈ থকা পৰমাত্মাই হৈছে অন্তৰ্যামী। জীৱৰ হৃদয়ত স্থিত অন্তৰ্যামী পৰমাত্মাই সকলো মানৱৰে ভাল-বেয়া কৰ্মত প্ৰবৃত্ত আৰু নিবৃত্ত কৰে। অন্তৰ্যামী হৈছে ঈশ্বৰৰ শ্ৰেষ্ঠ ৰূপ আৰু মাত্ৰ যোগী বা পৰমপুৰুষ সকলেহে তেওঁক সাক্ষাৎ কৰিব পাৰে।

১১.৭ ব্ৰহ্ম আৰু ঈশ্বৰ অভিন্ন

শঙ্কৰৰ দৰ্শনৰ বিপৰীতে ৰামানুজৰ দৰ্শনত মত পোষণ কৰা হয় যে ব্ৰহ্ম আৰু ঈশ্বৰৰ মাজত ভেদ নাই। ব্ৰহ্ম আৰু ঈশ্বৰৰ এক পৰম সত্ত্বাক বুজাবলৈ ব্যৱহাৰ কৰা হয়। সাধাৰণতে দৰ্শনৰ দৃষ্টিৰে পৰম সত্ত্বাক ব্ৰহ্ম অৰ্থত ব্যৱহাৰ কৰা হয় আৰু ধৰ্মীয় দৃষ্টিৰে পৰমসত্ত্বাক ঈশ্বৰ

অর্থত ব্যৱহাৰ কৰা হয়। কিন্তু ৰামানুজৰ দর্শনত ব্রহ্ম আৰু ঈশ্বৰ এই পদ দুটা একে অর্থতে ব্যৱহাৰ কৰা হয়। ৰামানুজৰ মতে ব্রহ্ম আৰু ঈশ্বৰ পদে একে পৰম সত্তাকে নির্দেশ কৰে। এনে দার্শনিক দৃষ্টিভঙ্গীৰ বাবেই তেওঁৰ দর্শনক ঈশ্বৰবাদী আখ্যা দিয়া হয়।



চিন্তা-চর্চা কৰক ১১.১

- ৰামানুজৰ দর্শনক বিশিষ্টাদ্বৈতবাদ কোৱা হয় আলোচনা কৰক।

.....

- ৰামানুজৰ দর্শনক বিশিষ্টাদ্বৈতবাদ কোৱা হয়— আলোচনা কৰক।

.....

- ঈশ্বৰৰ স্বগত ভেদ আছে— ব্যাখ্যা কৰক।

.....

- অপৃথক সিদ্ধি কি? ব্যাখ্যা কৰক।

.....



চিন্তা চর্চা কৰক-১১.২

- চিৎ আৰু অচিৎ ব্যাখ্যা কৰা।

.....

- ঈশ্বৰ জগতৰ কাৰণ— আলোচনা কৰা।

.....

- ঈশ্বৰৰ বিভিন্ন ৰূপ ব্যাখ্যা কৰা।

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ব্রহ্ম বা ঈশ্বৰৰ বৈশিষ্ট্যবোৰৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্রশ্ন ২ ঃ ৰামানুজৰ দর্শন ঈশ্বৰবাদী— এই বিষয়ে চমুকৈ উত্তৰ দিয়ক।

.....

.....

প্রশ্ন ৩ ঃ ঈশ্বৰ ত্রিসত্ত্বাত্মক— এই বিষয়ে চমুকৈ উত্তৰ দিয়ক।

.....

.....

প্ৰশ্ন ৪ ঃ শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) ৰামানুজৰ দৰ্শন অদ্বৈতবাদী (শুদ্ধ/অশুদ্ধ) ।

(খ) ঈশ্বৰ হ'ল স্বজাতিভেদ (শুদ্ধ/অশুদ্ধ) ।

(গ) চিৎ আৰু অচিৎ ঈশ্বৰৰ অধীন (শুদ্ধ/অশুদ্ধ) ।

প্ৰশ্ন ৫ ঃ ৰামানুজৰ দৰ্শনৰ মতে তলত দিয়া বাক্যবোৰ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰকঃ

(ক) চিৎ আৰু অচিৎ ঈশ্বৰৰ অপৰিহাৰ্য অংশ (শুদ্ধ/অশুদ্ধ)।

(খ) ৰামানুজ নিৰিশ্বৰবাদী দাৰ্শনিক (শুদ্ধ/অশুদ্ধ)।

(গ) ৰামানুজৰ মতে পৰম সত্য গুণৰাহিত (শুদ্ধ/অশুদ্ধ)।

প্ৰশ্ন ৬ ঃ "ঈশ্বৰ অন্তৰ্যামী"— এই বিষয়ে চমুকৈ উত্তৰ দিয়ক।

.....

.....

প্ৰশ্ন ৭ ঃ "ঈশ্বৰৰ বিভিন্ন অৱতাৰ" সম্পৰ্কে চমু ব্যাখ্যা দিয়ক।

.....

.....



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি ৰামানুজৰ ঈশ্বৰ ধাৰণা সম্পৰ্কে আভাষ পালো। ৰামানুজৰ দৰ্শনক বিশিষ্টাদ্বৈতবাদ বা সগুণ অদ্বৈতবাদ নামে জনাজাত। ঈশ্বৰৰ তলত দিয়া ধৰণৰ বৈশিষ্ট্য আছে—

- ঈশ্বৰ গুণসম্পন্ন অর্থাৎ সগুণ। ঈশ্বৰ নানা গুণসম্পন্ন, যেনে- সর্বজ্ঞ, পূর্ণ, সর্বব্যাপ্ত ইত্যাদি।
- ঈশ্বৰ ত্রিগুণাত্মক। ঈশ্বৰৰ চিৎ আৰু অচিৎৰ সম্পর্ক আভ্যন্তৰীণ।
- ঈশ্বৰ জগতৰ উপাদান কাৰণ আৰু নিমিত্ত কাৰণ।



- ৰামানুজ ঈশ্বৰবাদী দার্শনিক।
- ঈশ্বৰ বিভিন্ন ৰূপত প্রকাশ হ'ব।
- ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন।

১১.৯ অধিক জানিবলৈ

1. Radhakrishnan S. Indian Philosophy, Vol.-II
2. Chatterjee S.C. and Dutta D.M. An Introduction to Indian Philosophy.
3. M. Hiriyana. Outlines of Indian Philosophy, Motilal Banarasidass.
4. C.D. Sharma. A Critical Survey of Indian Philosophy. Motilal Banarasidass.
5. Dr. Hridaya Narayan Misra. Bharatiya Darshan (Hindi). Sekhar Prakashan. Alahabad.



১১.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ঈশ্বৰ বিশিষ্ট বা গুণসম্পন্ন, ঈশ্বৰৰ অলেখ গুণ আছে, যেনে- সর্বজ্ঞ, সর্ববপ্ত, পূর্ণ, সর্বগুণী আদি।

২নং প্রশ্নৰ উত্তৰ ঃ ৰামানুজৰ মতে তেওঁৰ দর্শন ঈশ্বৰবাদী। ঈশ্বৰক পূজা কৰা হয় আৰু তেওঁ আমাৰ ধর্মীয় অনুভূতিৰ বিষয়। মানুহে প্রার্থনা, ভক্তি আৰু পূজাৰে ভগৱানৰ কৃপা লাভ কৰে আৰু এইদৰে মুক্তি লাভ কৰে।

৩নং প্রশ্নৰ উত্তৰ ঃ ৰাধাকৃষ্ণণৰ মতে ঈশ্বৰ ত্রিসত্ত্বাত্মক। ঈশ্বৰৰ তিনিটা তত্ত্ব আছে— ঈশ্বৰ, জীৱ (চিৎ) আৰু জড় (অচিৎ)। ঈশ্বৰ এক, চিৎ আৰু অচিৎ তেওঁৰ দুই অংশ আৰু দুয়ো ঈশ্বৰৰ অধীন।

৪নং প্রশ্নৰ উত্তৰ ঃ (ক) গুণসম্পন্ন অদ্বৈতবাদী
(খ) স্বগতঃ ভেদ
(গ) চিৎ আৰু অচিৎ ঈশ্বৰৰ অধীন।

৫নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ
(খ) অশুদ্ধ
(গ) অশুদ্ধ

৬ নং প্রশ্নৰ উত্তৰ ঃ ঈশ্বৰ অন্তর্যামী। ঈশ্বৰে সকলো জীৱতে বাস কৰে আৰু আমাৰ অন্তৰত থাকে আৰু অন্তৰৰ পৰা জীৱক নিয়ন্ত্রণ কৰে। ঈশ্বৰে জীৱৰ অন্তৰত কাম কৰে আৰু সেয়ে তেওঁক অন্তর্যামী বোলা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ ঈশ্বৰৰ অৱতাৰ দুই প্রকাৰৰ— পূর্ণ আৰু আংশিক। ঈশ্বৰে যেতিয়া স্বইচ্ছাই অৱতাৰ লয়, তেতিয়া কোৱা হয় পূর্ণ অৱতাৰ, যেনে বিষ্ণু, শিৱ, কৃষ্ণ



আদি। আংশিক বা গৌণ অৱতাৰ হৈছে যেতিয়া ঈশ্বৰৰ আত্মাৰ দ্বাৰা প্ৰেৰিত হৈ অৱতাৰ লয়, যেনে নৰসিংহ, বৌদ্ধ আদি।

১১.১১আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতবৰ্ষত কোন জন বৈষ্ণৱ চিন্তাবিদক শ্ৰেষ্ঠ হিচাপে জনা যায়।

প্ৰশ্ন ২ ঃ বিশিষ্টাদ্বৈতবাদ কি?

প্ৰশ্ন ৩ঃ বিশিষ্টাদ্বৈতবাদ মতবাদটোৰ কাক মুখ্য প্ৰৱৰ্ত্তক হিচাপে বিবেচনা কৰা হয়।

প্ৰশ্ন ৪ ঃ ব্ৰহ্মসূত্ৰৰ লেখক কোন?

খ) চমু প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰামানুজৰ ঈশ্বৰ সম্পৰ্কে থকা ধাৰণাৰ বিষয়ে চমু উত্তৰ দিয়ক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখকঃ

(ক) ঈশ্বৰৰ স্বগতঃ ভেদ

(খ) ঈশ্বৰ অপৃথকসিদ্ধি

(গ) ঈশ্বৰৰ ব্যুহ

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰামানুজৰ মতে ঈশ্বৰৰ ভিন্ন তাৎপৰ্যবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ঈশ্বৰক পৃথিৱীৰ কাৰণ হিচাপে জনা যায়। আলোচনা কৰক।

প্ৰশ্ন ৩ঃ ৰামানুজৰ দৰ্শনত ঈশ্বৰৰ ভিন্ন ৰূপবোৰ সবিশেষ আলোচনা কৰক।

****